জাতিৰ সেৱাত উৎসৰ্গিত ৬১ বছৰ

ND24 newsdaily24.in
সৰ্বশ্ৰেষ্ঠ নহয়, সৰ্বোত্তমৰ দৌৰত

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত
https://dainikasam.in

RN-11989/65 । ৬১ বছৰ । ১৬৪ সংখ্যা, ৬ মাঘ, মঙলবাৰ, ১৯৪৭ শক। DAINIK ASAM : Assamese Daily। VOL. 61 NO. 164। GUWAHATI, TUESDAY, JANUARY 20, 2026 ।পৃষ্ঠা ১২+৮ (Pages 12+8) ৯.০০ টকা (Rs. 9.00)

আজিৰ পৰিপূৰিকা




বিধানসভা নিৰ্বাচনত ৩২টাকৈ খ্যাত-অখ্যাত ৰাজনৈতিক দলৰ অংশগ্ৰহণে লাভান্বিত কৰিব গেৰুৱা দলক

# ভোট বিভাজনেৰে বিজেপিৰ নিৰ্বাচনী কৌশল

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ১৯ জানুৱাৰী ঃ** সমাগত বিধানসভা নিৰ্বাচনত ৰাজ্যত পুনৰ ভোট বিভাজনৰ ৰাজনীতি স্পষ্ট হৈ পৰিছে। দুকুৰিতকৈও অধিক ৰাজনৈতিক দলে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ সাজু হোৱাৰ তথ্য পোহৰলৈ অহাৰ পাছত ইয়াৰ জৰিয়তে প্ৰায় প্ৰতিটো সমষ্টিতে ব্যাপক হাৰত ভোট বিভাজন হোৱাৰ সম্ভাৱনাও দেখা গৈছে। পূৰ্বৰ পৰিসংখ্যা আৰু বৰ্তমানৰ পৰিস্থিতিয়ে এনে ভোট ৬ পৃষ্ঠাত চাওক



## বিনাপ্ৰতিদ্বন্দ্বিতাৰে বিজেপিৰ সভাপতি হ'ল নীতিন নবীন

### আজি গ্ৰহণ কৰিব দায়িত্বভাৰ

**নতুন দিল্লী, ১৯ জানুৱাৰী ঃ** বিনাপ্ৰতিদ্বন্দ্বিতাৰে বিজেপিৰ নতুন সভাপতি নিৰ্বাচিত হৈছে নীতিন নবীন। দলটোৰ বৰ্তমানৰ ৬ পৃষ্ঠাত চাওক

ছুইজাৰলেণ্ডৰ ডাভোছত ৱৰ্ল্ড ইক'নমিক ফ'ৰাম

## ছিংগাপুৰৰ ৰাষ্ট্ৰপতি থাৰমানক সাক্ষাৎ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ

### বিশ্ব বেংকৰ অধ্যক্ষ অজয় বাংগাৰ সৈতেও বাৰ্তালাপ



দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ১৯ জানুৱাৰী ঃ** ছুইজাৰলেণ্ডৰ ডাভোছত অনুষ্ঠিত ৱৰ্ল্ড ইক'নমিক ফ'ৰামত ভাগ ল'বলৈ যোৱা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আজি পুৰা জুৰিখত ৬ পৃষ্ঠাত চাওক

কোন এই গেং অব্ ফ'ৰ? ৰাজ্যত অভাৱনীয় মূল্যবৃদ্ধিৰ আঁৰৰ কাহিনী

## ছিণ্ডিকেটৰে নাম সাঙোৰ খাইছে দিছপুৰ-বি টি চিৰ আশীৰ্বাদপুষ্টৰ



শ্ৰীৰামপুৰত গাহৰিৰ ট্ৰাকৰপৰা দৈনিক ১ৰপৰা ৩ লাখ টকা সংগ্ৰহ ■ কিলোত ১৯০ টকাৰ গাহৰি বজাৰত বিক্ৰী হয় ৪৫০ টকা পৰ্যন্ত ■ ৫.১৭ টকাৰ কণী বজাৰত বিক্ৰী হৈছে ১০ টকাত ■ ২ টকাৰ এখিলা মিঠাপট্টি পাণৰ দাম হৈছেগৈ ৭.৫০ টকা ■ পাচলিক লৈ বিভিন্ন প্ৰান্তত গঢ়ি উঠিছে সৰু সৰু ছিণ্ডিকেট

কেৱল কণীৰপৰাই দৈনিক সংগ্ৰহ লাখ লাখ টকা

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ১৯ জানুৱাৰী ঃ** পাচলিৰ পৰা পাণলৈ, কণীৰ পৰা গাহৰিলৈ ৰাজ্যত সকলোতে অবাধে অব্যাহত থকা ছিণ্ডিকেটৰ হাতোৰাৰ বাবেই ৰাজ্যৰ সকলো শ্ৰেণীৰ গ্ৰাহকে প্ৰতিবিধ খাদ্য-সামগ্ৰী ক্ৰয়ত চকুৰে ৬ পৃষ্ঠাত চাওক

কাঁহুদী



— মিছেছ শৰ্মানীৰ হাজবেণ্ড বাৰু কংগ্ৰেছী নেকি? ইমান নিশ্চিন্তমনে খাই-বৈ-শুই-বহি কটাব পাৰে, আচৰিত!

জুবিন গাৰ্গৰ চৰিত্ৰক লৈ সামাজিক মাধ্যমত বিতৰ্কিত মন্তব্য

## আৰক্ষীৰ অপৰাধ শাখাৰ গোচৰত ৰঙাঘৰৰ আলহী শিখা শৰ্মা



ৰাজ্যজুৰি জুবিন অনুৰাগীৰ ক্ষোভৰ জুই, থানাই থানাই এজাহাৰ ■ গোচৰ ৰুজু কৰিলে গৰিমা শইকীয়া গাৰ্গেও

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ১৯ জানুৱাৰী ঃ** সামাজিক মাধ্যমত বিতৰ্কিত পোষ্ট দি ৰঙাঘৰৰ আলহী হ'ল বিতৰ্কিত লেখিকা শিখা শৰ্মা। উল্লেখ্য যে বিগত কিছুদিন ধৰি শিখা শৰ্মাই ফেচবুক একাউণ্টত প্ৰাণৰ শিল্পী প্ৰয়াত জুবিন গাৰ্গ আৰু তেওঁৰ পৰিয়ালৰ বিৰুদ্ধে অশালীন মন্তব্য দি আহিছিল। প্ৰথমাৱস্থাত পৰিয়ালৰ ৬ পৃষ্ঠাত চাওক

সোণোৱালে ক'লে, জনমানসত হেয় প্ৰতিপন্ন কৰাৰ চেষ্টা

## সৰ্বানন্দ সোণোৱালৰ নাম, ভুৱা লেটাৰ হেড ব্যৱহাৰেৰে অপপ্ৰচাৰ

### কেন্দ্ৰীয় সভাপতিক সম্বোধন কৰি লিখা ভুৱা পত্ৰক লৈ ব্যাপক প্ৰতিক্ৰিয়া, দিল্লী আৰক্ষীক গোচৰ



দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ১৯ জানুৱাৰী ঃ** সমাগত বিধানসভা নিৰ্বাচনক কেন্দ্ৰ কৰি ৰাজ্যত শাসক-বিৰোধীৰ মাজত পৰস্পৰ ৰাজনৈতিক আক্ৰমণ-প্ৰত্যাক্ৰমণ তীব্ৰতৰ হোৱাৰ সময়তে প্ৰাক্তন মুখ্যমন্ত্ৰী তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ নাম আৰু ভুৱা লেটাৰ হেড ব্যৱহাৰ কৰি লিখা আৰু ৬ পৃষ্ঠাত চাওক

## কোকৰাঝাৰত চাঞ্চল্যকৰ ঘটনা দুটা ফৈদৰ সংঘৰ্ষত এজন নিহত, আহত ৪

দৈনিক অসমৰ প্ৰতিনিধি

**কোকৰাঝাৰ, ১৯ জানুৱাৰী ঃ** কোকৰাঝাৰৰ কাৰিগাঁৱত আজি সন্ধিয়া দুটা ফৈদৰ মাজত সংঘটিত এটা সংঘৰ্ষত এজন লোক নিহত ৬ পৃষ্ঠাত চাওক



### ২৬টা দক্ষতা শিতানত অংশগ্ৰহণ উত্তৰ-পূৰ্বাঞ্চলৰ ৮ ৰাজ্যৰ যুৱক-যুৱতীৰ

# গুৱাহাটী বিশ্ববিঃত ইণ্ডিয়া স্কিলছ আঞ্চলিক প্ৰতিযোগিতা আৰম্ভ

**দৈনিক অসমৰ প্ৰতিনিধি**

**জালুকবাৰী, ১৯ জানুৱাৰী ঃ** দক্ষতা বিকাশ আৰু উদ্যমিতা বিভাগৰ স্বতন্ত্ৰ ৰাজ্যিক মন্ত্ৰী তথা ভাৰত চৰকাৰৰ শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী জয়ন্ত চৌধুৰীয়ে আজি গুৱাহাটী বিশ্ববিদ্যালয়ত ইণ্ডিয়া স্কিলছৰ উত্তৰ-পূব আঞ্চলিক প্ৰতিযোগিতা ২০২৫-২৬খন উদ্বোধন কৰে। প্ৰতিযোগিতাখনত উত্তৰ-পূবৰ আঠখন ৰাজ্যৰ যুৱক-যুৱতী প্ৰতিযোগীসকলে ২৬টা দক্ষতা শিতানত অংশগ্ৰহণ কৰিছে। দক্ষতা বিকাশ আৰু উদ্যমিতা মন্ত্ৰণালয় আৰু ৰাষ্ট্ৰীয় দক্ষতা বিকাশ নিগমৰ সহযোগিতাৰে প্ৰথমবাৰৰ বাবে উত্তৰ-পূৰ্বাঞ্চলত ভাৰতৰ প্ৰধান দক্ষতা প্ৰতিযোগিতাখন অনুষ্ঠিত হৈছে। প্ৰতিযোগিতাখনে যুৱ প্ৰতিভাধৰসকলক ৰাষ্ট্ৰীয় পৰ্যায়ৰ দক্ষতা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ এক সুবৰ্ণ সুযোগ প্ৰদান কৰিব বুলি আশা কৰা হৈছে। উল্লেখ্য যে আজি অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডঃ ননীগোপাল মহন্ত, অসম চৰকাৰৰ সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগ, অসম চুক্তি ৰূপায়ণ বিভাগ, দক্ষতা, নিযুক্তি আৰু উদ্যমিতা তথা শ্ৰম কল্যাণ বিভাগৰ প্ৰধান সচিব জ্ঞানেন্দ্ৰ দেৱ ত্ৰিপাঠী, ভাৰত চৰকাৰৰ দক্ষতা বিকাশ আৰু উদ্যমিতা মন্ত্ৰণালয়ৰ যুটীয়া সচিব হেনা ওছমানৰ লগতে দক্ষতা পৰিৱেশতন্ত্ৰৰ কেইবাগৰাকী জ্যেষ্ঠ বিষয়া আৰু মুখ্য অংশীদাৰ উপস্থিত থাকে। এই মেগা প্ৰতিযোগিতাত উপস্থিতসকলক সম্বোধন কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়— প্ৰধানমন্ত্ৰীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ ওপৰত অহৰহ গুৰুত্ব আৰোপ কৰি আহিছে আৰু সঘনাই অঞ্চলটোলৈ ভ্ৰমণ আৰু নীতিসমূহতো স্পষ্ট ৰূপত অগ্ৰাধিকাৰে অঞ্চলটোৰ যুৱক-যুৱতীসকলৰ মাজত নতুন আত্মবিশ্বাস আৰু সুযোগ সৃষ্টি কৰিছে। ইণ্ডিয়া স্কিলছৰ দৰে পদক্ষেপসমূহে ৰাষ্ট্ৰীয় মঞ্চসমূহক অঞ্চলটোৰ যুৱ প্ৰতিভাৰ ওচৰলৈ পোনপটীয়াকৈ কঢ়িয়াই আনি এই দৃষ্টিভংগীৰ সাকাৰ ৰূপ দিছে। ইণ্ডিয়া স্কিলছ কেৱল প্ৰতিযোগিতা নহয়, ই উৎকৃষ্টতা, অনুশাসন আৰু কৰ্মৰ মৰ্যাদাৰ উদ্‌যাপন। উত্তৰ-পূবত অপৰিসীম প্ৰতিভা আৰু আকাংক্ষা আছে আৰু এই মঞ্চই আমাৰ আত্মবিশ্বাস প্ৰতিফলিত কৰিছে যে এই অঞ্চলৰ যুৱক-যুৱতীসকলে ভাৰতৰ দক্ষ কৰ্মশক্তিক নেতৃত্ব দিবলৈ আৰু ৰাষ্ট্ৰৰ বিকাশত অৰ্থপূৰ্ণ অৰিহণা যোগাবলৈ সাজু। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ৰাষ্ট্ৰীয় শিক্ষা নীতি (এন ই পি) ২০২০ অনুসৰি আনুষ্ঠানিক শিক্ষাৰ সৈতে দক্ষতা একত্ৰিত কৰাৰ বৰ্ধিত প্ৰয়োজনীয়তাৰ ওপৰতো গুৰুত্ব আৰোপ কৰি উল্লেখ কৰে যে শিক্ষা আৰু দক্ষতা বিকাশৰ মাজত ঘনিষ্ঠ সমন্বয়ে নিয়োগযোগ্যতা, উদ্যমিতা আৰু জীৱনজোৰা শিক্ষণৰ পথ সম্প্ৰসাৰণ কৰাৰ লগতে যুৱক-যুৱতীসকলক দ্ৰুতগতিত বিকশিত অৰ্থনীতিৰ বাবে ভৱিষ্যতলৈ সাজু কৰি তোলে। প্ৰতিযোগিতাৰ সমান্তৰালভাৱে এই আঞ্চলিক অনুষ্ঠানটোৱে স্কিল ইণ্ডিয়া মিছনৰ অধীনত উত্তৰ-পূৰ্বাঞ্চলত দক্ষতা পৰিৱেশতন্ত্ৰৰ প্ৰতিনিয়ত সবলীকৰণক প্ৰতিফলিত কৰে। ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান আৰু ৰাষ্ট্ৰীয় দক্ষতা প্ৰশিক্ষণ প্ৰতিষ্ঠানকে ধৰি প্ৰশিক্ষণ সঞ্চালকালয়ৰ অধীনৰ প্ৰতিষ্ঠানসমূহৰ শিক্ষাৰ্থীসকলে দীৰ্ঘম্যাদী বৃত্তিমূলক শিক্ষা আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতামূলক মঞ্চৰ মাজত বৰ্দ্ধিত সংহতি প্ৰদৰ্শন কৰি কেইবাটাও দক্ষতা শাখাত অংশগ্ৰহণ কৰিছে। উত্তৰ-পূব আঞ্চলিক প্ৰতিযোগিতাখনে উত্তৰ-পূবৰ আঠখন ৰাজ্যৰ পৰা ১৬২গৰাকী প্ৰতিযোগীক সামৰি লৈছে।

প্ৰতিযোগিতাত অটোম'বাইল প্ৰযুক্তি, ক্লাউড কম্পিউটিং, ম'বাইল এপ্লিকেচন ডেভলপমেণ্ট, ছফ্‌টৱেৰ আৰু ৱেব প্ৰযুক্তি, ডিজিটেল ইণ্টাৰেক্টিভ মিডিয়া, ইলেক্ট্ৰনিকছ, চিনচি মিলিং আৰু টাৰ্নিং, ৱেল্ডিং, বৈদ্যুতিক ইনষ্টলেচন, ফেশ্বন প্ৰযুক্তি, বেকাৰী আৰু পেটিছেৰী, হোটেল ৰিছেপচন, ৰেস্তোৰাঁ সেৱা, স্বাস্থ্য আৰু সামাজিক যত্ন, খুচুৰা বিক্ৰী আৰু ভিজুৱেল মাৰ্চেণ্ডাইজিঙকে ধৰি সমসাময়িক আৰু পৰম্পৰাগত দক্ষতাৰ বিভিন্ন ক্ষেত্ৰ সামৰি লোৱা হৈছে। প্ৰতিযোগিতাত দক্ষতাৰ মিশ্ৰণে মূল কাৰিকৰী আৰু পৰম্পৰাগতভাৱে পুৰুষ অধ্যুষিত বাণিজ্য যেনে- অ'টোম'বাইল প্ৰযুক্তি, ইলেক্ট্ৰনিকছ, চিএনচি, বৈদ্যুতিক সংস্থাপন আৰু ৱেল্ডিঙত মহিলাৰ বৰ্দ্ধিত অংশগ্ৰহণৰ ওপৰত আলোকপাত কৰে। তদুপৰি ই উৎপাদন আৰু সেৱাৰ সৈতে ডিজিটেল দক্ষতাৰ শক্তিশালী অভিসৰণ প্ৰতিফলিত কৰে, যিয়ে যুৱক-যুৱতীসকলক উদ্যোগ ৪.০ সংলগ্ন ভূমিকাসমূহৰ বাবে প্ৰস্তুত কৰে। সমান্তৰালভাৱে আতিথ্য, স্বাস্থ্য আৰু খুচুৰা দক্ষতাৰ উপস্থিতিয়ে উত্তৰ-পূবৰ মূল বৰ্দ্ধিত খণ্ড বিশেষকৈ পৰ্যটন আৰু সেৱাৰ সৈতে দক্ষতা প্ৰচেষ্টাৰ সংহতিৰ ওপৰত আলোকপাত কৰে। ইণ্ডিয়া স্কিলছৰ দৰে মঞ্চখনে উদ্যোগৰ চাহিদা আৰু ৰাষ্ট্ৰীয় উন্নয়নৰ অগ্ৰাধিকাৰৰ সৈতে আঞ্চলিক প্ৰতিভাক একাকাৰ কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ইণ্ডিয়া স্কিলছ প্ৰতিযোগিতাখনে সমগ্ৰ দেশৰ শ্ৰেষ্ঠ প্ৰতিভাক চিনাক্ত আৰু প্ৰতিভাসমূহক উপযুক্তভাৱে গঢ় দিবলৈ প্ৰস্তুত কৰা এক গাঁথনিগত, বহুস্তৰীয় মূল্যায়ন প্ৰক্ৰিয়া অনুসৰণ কৰে। প্ৰাৰ্থীসকলক প্ৰথমে জিলা পৰ্যায়ত মূল্যায়ন কৰা হয়। তাৰ পাছত ৰাজ্যিক পৰ্যায়ৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। পৰৱৰ্তী সময়ত তালিকাভুক্ত অংশগ্ৰহণকাৰীসকলে আঞ্চলিক প্ৰতিযোগিতালৈ নিৰ্বাচিত হয়। আঞ্চলিক মঞ্চখনৰ পৰা শীৰ্ষ প্ৰদৰ্শনকাৰীসকলে ইণ্ডিয়া স্কিলছ ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে যোগ্যতা অৰ্জন কৰে; য'ত তেওঁলোকক ৰাষ্ট্ৰীয় মানৰ সৈতে মূল্যায়ন কৰা হয়। নিৰ্বাচিত বিজয়ীসকলে ২০২৬ চনৰ ২২-২৭ ছেপ্টেম্বৰৰ ভিতৰত চাংহাইত অনুষ্ঠিত হ'বলগীয়া ৱৰ্ল্ড স্কিলছ প্ৰতিযোগিতাত ভাৰতক প্ৰতিনিধিত্ব কৰাৰ সুযোগ লাভ কৰিব।

# শৈলেন বৰকটকীলৈ অসম চৰকাৰৰ নিয়মীয়া শিল্পী পেন্সন

**দৈনিক অসমৰ প্ৰতিনিধি**

**জামুগুৰিহাট, ১৯ জানুৱাৰী ঃ** শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ সুসন্তান বিশিষ্ট শিল্পী, সমাজ সংগঠক শৈলেন বৰকটকীক অসম চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰণালয়ে নিয়মীয়া শিল্পী পেন্সনৰ বাবে মনোনীত কৰিছে। যোৱা ১৭ জানুৱাৰীত মন্ত্ৰণালয়ে এই কথা ঘোষণা কৰাৰ লগে লগে বৃহত্তৰ জামুগুৰিহাটত আনন্দৰ জোৱাৰ উঠিছে। জীৱনৰ বহু সময় মৃৎশিল্পৰ সাধনাত নিজক ব্ৰতী কৰি ৰখা তথা নাট্য জগতৰ লগত নিবিড়ভাৱে জড়িত হৈ থকা, সুদক্ষ ভাৱৰীয়া, ঐতিহ্যমণ্ডিত বাৰেচহৰীয়া ভাওনা পৰিচালনা উপ-সমিতিৰ সভাপতি, বাপুজী ভৱন নাট্য সমাজৰ বৰ্তমানৰ সভাপতি, অসম ব্ৰাহ্মণ সমাজৰ মুখপাত্ৰ আৰু সহকাৰী সম্পাদক পদত অধিষ্ঠিত হোৱা বৰকটকীৰ এই শুভ বাৰ্তাত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে অভিনন্দন জ্ঞাপন কৰিছে। কৈশোৰ কালতে গাঁৱৰ নামঘৰত 'দ্ৰোণপৰ্ব' নাট ভাওনাত উত্তৰাৰ চৰিত্ৰত অভিনয়েৰে নাট্য শিল্পৰ পাতনি মেলা বৰকটকীয়ে ১৯৮২ চনত বাপুজী ভৱনত প্ৰথম অভিনয় কৰে বিকাশ বৰুৱাৰ পৰিচালনাত 'চকুলো নীৰৱে সৰে' নাটকৰ এটি পাৰ্শ্ব চৰিত্ৰত। তাৰ পাছত বহুকেইখন নাটকত অভিনয় কৰাৰ লগতে ভাওনাত ভীষ্ম, শকুনি, অন্ধমুনিৰ অভিশাপ নাটকৰ মুখ্য চৰিত্ৰ অন্ধমুনিৰ চৰিত্ৰত কৰা অভিনয়ৰ কথা আজি সকলোৰে মনত আছে। আনহাতে, পূৰ্ণাংগ নাট উলংগ ৰজা, চোৰ, পিতা-পুত্ৰ, চিৰিয়াখানা, সপোন বিভ্ৰান্তি, কেঁচাইখাইতী আদিত কৰা বলিষ্ঠ অভিনয়েৰে দৰ্শকৰ হৃদয় জিনিবলৈ সক্ষম হৈছিল বৰকটকী। তদুপৰি আন দুকুৰিৰো অধিক নাটকৰ মুখ্য চৰিত্ৰত অভিনয় কৰাই নহয়, ইয়াৰে বেছিসংখ্যক নাটক নিজে পৰিচালনা কৰি এজন দক্ষ পৰিচালকৰ পৰিচয় দিয়ে। বিশিষ্ট শিল্পীগৰাকীয়ে বহুকেইখন ধাৰাবাহিকত অভিনয় কৰি নিজৰ অভিনয় প্ৰতিভাৰ পৰিচয় দিবলৈ সক্ষম হৈছে। ভাৱাঘৰ, জোনালী এল এল বি (ৰং চেনেল), ঘৰজোঁৱাই (জোনাক চেনেল), ব্ৰজেন বৰুৱাৰ পৰিচালনাত পৰশুপাটৰ নাদ আৰু উদয়ভানু চৰিত্ৰত, বিপুল বৰুৱাৰ বাঘজাল, অলক নাথৰ বুৰঞ্জীৰ আদিপাঠ ধাৰাবাহিকত মুখ্য চৰিত্ৰত অভিনয়, দীপক গগৈৰ পৰিচালনাত 'শেঙুন নকাৰ বিশ্বকাপ', কংকণ ৰাজখোৱাৰ পৰিচালনাত চুটি ছবি ভয়, ব্ৰজেন বৰাৰ পৰিচালনাত চুটি ছবি হিৰ' নম্বৰ জিৰ' ইত্যাদি তেওঁৰ উল্লেখযোগ্য কৰ্মৰাজি। অৱশ্যে মুক্তিৰ অপেক্ষাত থকা কংকণ ৰাজখোৱাৰ ৰতনপুৰত গাঁৱৰ মুখিয়ালৰ চৰিত্ৰত অভিনয় কৰি শেহতীয়াকৈ তেওঁ পুনৰ অভিনয় দক্ষতাৰ প্ৰকাশ ঘটাইছে। জামুগুৰিহাটৰ কোচগাঁৱৰ শ্যামাচৰণ বৰকটকী আৰু মাতৃ উত্তমা বৰকটকীৰ পুত্ৰ শৈলেন বৰকটকীৰ জন্ম ১৯৬০ চনত। বিশিষ্ট শিল্পীগৰাকীৰ এই শুভ খবৰৰ পাছতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে তেওঁক অভিনন্দন জনোৱা পৰিলক্ষিত হৈছে। উল্লেখ্য যে শোণিতপুৰ জিলাৰ দুগৰাকী শিল্পীয়ে এই নিয়মীয়া শিল্পী পেন্সন লাভ কৰিবলৈ সক্ষম হৈছে। পেন্সন লাভ কৰা আনগৰাকী হ'ল ভাস্কৰ্য শিল্পী হৰি নাৰায়ণ দাস।

**ৰাষ্ট্ৰীয় পথ সুৰক্ষা মাহ**

## তিতাবৰত বাইক ৰেলী

**দৈনিক অসমৰ প্ৰতিনিধি**

**তিতাবৰ, ১৯ জানুৱাৰী ঃ** তিতাবৰত যোৰহাটৰ জিলা পথ সুৰক্ষা সমিতিৰ সৌজন্যত জিলা পৰিবহন বিভাগে বিশাল বাইক ৰেলী উলিয়ায়। তিতাবৰত ৰেলীৰ ফ্লেগ অফ কৰে তিতাবৰ সমজিলা আয়ুক্ত বিপাঞ্চী দত্তই। 'পথ সুৰক্ষা জীৱন ৰক্ষা' শ্ল'গানেৰে এইবাইক ৰেলীটো উলিওৱা হয়। সকলো বাইক আৰোহীয়ে যাতে বাইক চলোৱাৰ সময়ত হেলমেট পৰিধান কৰে আৰু গাড়ী চালকে যাতে ছিটবেল্ট পৰিধান কৰি গাড়ী চলায়, তাৰ প্ৰতি সকলো আৰোহীক আহ্বান জনোৱাৰ উদ্দেশ্যে উলিওৱা হয় এই বিশাল ৰেলী। এই ৰেলীৰ নেতৃত্ব প্ৰদান কৰিছিল যোৰহাট জিলা পৰিবহন বিষয়া ধনঞ্জয় শইকীয়াই। বাইক আৰোহীৰ লগতে গাড়ী চালকসকলে যাতে পৰিবহন বিভাগৰ সকলো নীতি-নিয়ম পালন কৰে তাৰ প্ৰতি আহ্বান জনায় যোৰহাট পৰিবহন বিভাগৰ মুৰব্বীগৰাকীয়ে। বাইক ৰেলীত অংশগ্ৰহণ কৰি বিষয়াগৰাকীয়ে কয় যে ৰাইজৰ যাতে কোনো কাৰণত ক্ষতি নহয়, তাৰ প্ৰতি লক্ষ্য ৰাখি আমি এই সম্পূৰ্ণ মাহটো পথ সুৰক্ষাৰ বাবে বিভিন্ন সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰিছোঁ।

**NOTICE**
**OFFICE OF THE DISTRICT CONSUMER DISPUTES REDRESSAL FORUM, KAMRUP(M), ASSAM**

**Complaint Case No. 87/2024**

Birendra Nath Deka
.....Complainant
Vs
Anisha Agarwala, Assistant Manager, Axis Bank and Others.
.....Opposite parties

To,
Anisha Agarwala, Assistant Manager, Axis Bank, Ground Floor, Chibber House, G.S Road, Christian Basti, Guwahati-05

WHEREAS the above named complainant has filed Complaint Case No.87/2024 U/s 34 and 35 of the Consumer Protection Act, 2019 along with the Memo of complaint petition before the District Consumer Disputes Redressal Forum

YOU are hereby directed to appear either personally or through authorized pleader before the Commission on 30/01/2026 at 11.00 A.M.

TAKE notice that in default of your appearance on the date fixed, the case will be heard and disposed exparte in your absence

GIVEN under my hand and seal on this day the 19th January 2026.

President
DISTRICT CONSUMER DISPUTES REDRESSAL FORUM, GUWAHATI-3

**PUBLIC NOTICE**

মই Rishirai Choudhary, পিতা - late Rebabananda Choudhury, resident of House No. 40, Uzan Bazar, Pin-781001, Kamrup (M), Assam, মই 15.07.2024 তাৰিখে R. K. Associates নামৰ Partnership Firmখনৰ পৰা অৱসৰ লৈছোঁ। গতিকে মই এই জাননীৰ যোগেদি জনাইছোঁ যে, এই partnership firmখনৰ লগত কোনোধৰণৰ সম্পৰ্ক নাই আৰু কোনোধৰণৰ টকা-পইছাৰ লেনদেন নাই।
DA/PN/453/1

**LOST**

I have lost my AHSEC passed certificate Roll. 0371, No. 10159, year- 2022-23. If found please contact - Sangita Das, d/o- Chandra Das, Naharkatia (Sasoni), Dibrugarh, Phone - 6900722077
DA/Lost/452/1

# আকাংক্ষা-সেৱাৰ কাহিনী 'হেঁপাহ' উন্মোচন



**দৈনিক অসমৰ প্ৰতিনিধি**

**ৰামপুৰ, ১৯ জানুৱাৰী ঃ** আজি দক্ষিণ কামৰূপৰ ৰামপুৰত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত লেখক হিতেশ কলিতাৰ 'হেঁপাহ' নামৰ গ্ৰন্থখন উন্মোচন কৰা হয়। গ্ৰন্থখন উন্মোচন কৰে 'নিয়মীয়া বাৰ্তা' কাকতৰ সম্পাদক নৰেশ কলিতাই। ভাষণ প্ৰসংগত তেওঁ কয় যে আমেৰিকাৰ দৰে দেশত প্ৰাচুৰ্যময় জীৱন কটোৱাৰ পাছতো হিতেশ কলিতাই জন্মভূমিলৈ ঘূৰি আহি যি ব্যতিক্ৰম নিদৰ্শন দেখুৱালে সেয়া বিৰল। তেওঁৰ জীৱন-কাহিনীৰে 'হেঁপাহ' এখন মূল্যবান গ্ৰন্থ। অনুষ্ঠানটোৰ বিশিষ্ট অতিথি, বকো কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপক প্ৰাণেশ্বৰ নাথে এই গ্ৰন্থখন নৱপ্ৰজন্মৰ বাবে অনুপ্ৰেৰণা বুলি মন্তব্য কৰে। লেখক হিতেশ কলিতাই কয়, 'এই গ্ৰন্থখন কোনো সাফল্যৰ কাহিনী নহয়, এইখন সম্ভাৱনাৰ কাহিনী। পৰিৱৰ্তন মোৰ হেঁপাহ। সংগ্ৰাম, প্ৰত্যাহ্বানৰ মাজতো আকাংক্ষা মই জীয়াই ৰাখোঁ। 'হেঁপাহ' হৈছে লেখকৰ ছয়গাঁও অঞ্চলৰ এখন গাঁৱৰ পৰা আমেৰিকা যাত্ৰা, আমেৰিকাত ১০ বছৰৰ অভিজ্ঞতা আৰু পুনৰ গাঁৱলৈ লেখকৰ প্ৰত্যাৱৰ্তনৰ কাহিনী।' অনুষ্ঠানটোত গয়াৰী বসুমতাৰী, ডঃ কল্যাণ কলিতা, অৱসৰপ্ৰাপ্ত অধ্যক্ষ, অসম অভিযান্ত্ৰিক কলেজ, নৱ বৰুৱা, অৱসৰপ্ৰাপ্ত আৰক্ষী বিষয়া, উমেশ কলিতা, অধ্যাপক, ৰামপুৰ কলেজ, শৈলেন ঠাকুৰীয়া, অৱসৰপ্ৰাপ্ত অধ্যাপক, মানকাচৰ কলেজ, অণিমা দাস, কাউন্সিলৰ, ৰামপুৰ ব্লক, পৱিত্ৰ কুমাৰ দাস, বিমল শৰ্মা, দীনেশ চৌধুৰী, অনিল কলিতাকে আদি কৰি গণ্য-মান্য ব্যক্তিসকল আৰু যথেষ্টসংখ্যক স্থানীয় লোক উপস্থিত থাকে। অনুষ্ঠানটোৰ আঁত ধৰে লেখিকা প্ৰীতিৰেখা ভূঞাই।

## আজিৰ ৰাশিফল

**৬ মাঘ, মঙলবাৰ, ২০ জানুৱাৰী**

**মেষ ঃ** বিবাদত জয়। ভ্ৰমণত কষ্ট। যৌথ ব্যৱসায়ত মনোমালিন্য, ধন অপহৰণ। কলা, কবিতা আৰু সাহিত্যৰ ওপৰত আপোনাৰ গুৰুত্ব বৃদ্ধি হ'ব। সাধাৰণভাৱে আপুনি সকলো প্ৰকাৰৰ সুখ ভোগ কৰিব। ব্যয় কৰাৰ প্ৰবৃত্তি বৃদ্ধি হ'ব। জীৱনীশক্তি কম হ'ব আৰু আপুনি অশান্তি অনুভৱ কৰিব।

**বৃষ ঃ** দুঃচিন্তা, কষ্ট। নিবনুৱাৰ কৰ্মপ্ৰাপ্তি, কৰ্মচাৰীৰ সুনাম, কৰ্মত সন্মান লাভৰ কাৰক। আৰ্থিক উন্নতি, সা-সম্পদ ধনধান্যাদি লাভৰ কাৰক। কৰ্মস্থলত মাটিৰ বিবাদ, হঠাৎ মামলা-মোকৰ্দমাৰ যোগেদি ধন নাশৰ কাৰক। আত্মীয় হানিৰ পৰা শোকপ্ৰাপ্তি, ধননাশৰ কাৰক।

**মিথুন ঃ** আয় বৃদ্ধি। শুভ সংবাদ। খোৱা-বোৱাৰ ক্ষেত্ৰত অসাৱধান হ'ব আৰু এলাহ বৃদ্ধি হ'ব। স্বাস্থ্যৰ ক্ষেত্ৰত নকাৰাত্মক প্ৰভাৱ পৰিব। বাহু, কঁকাল, আঁঠু আদিৰ সমস্যা হ'ব পাৰে। শোৱা-খোৱা সঠিকভাৱে কৰাটো অতি আৱশ্যক। ব্যৱসায়িক শিক্ষা আৰু দূৰণিত থকা বিদ্যাৰ্থীসকলৰ শুভফল প্ৰাপ্তি হ'ব।

**কৰ্কট ঃ** গ্লানি। স্বাস্থ্যৰ ক্ষেত্ৰত নকাৰাত্মক প্ৰভাৱ পৰিব। বাহু, কঁকাল, আঁঠু আদিৰ সমস্যা হ'ব পাৰে। শোৱা-খোৱা সঠিকভাৱে কৰাটো অতি আৱশ্যক। ব্যৱসায়িক শিক্ষা আৰু দূৰণিত থকা বিদ্যাৰ্থীসকলৰ শুভফল প্ৰাপ্তি হ'ব। স্বাস্থ্যৰ প্ৰতি সচেতন হৈ পঢ়া-শুনাত পৰিশ্ৰম কৰিলে শুভফল পাব।

**সিংহ ঃ** কৰ্মক্ষেত্ৰত শুভ। নতুন ব্যৱসায় আৰম্ভ কৰাৰ ক্ষেত্ৰত শুভ। জ্ঞানী আৰু জ্যেষ্ঠ লোকৰ পৰামৰ্শ গ্ৰহণ কৰাটো অতি আৱশ্যক। কৰ্মক্ষেত্ৰত অভিজ্ঞতাসম্পন্ন ব্যক্তিৰ লগত সন্মানপূৰ্বক জড়িত হৈ থকাটো অতি প্ৰয়োজন। বৈবাহিক জীৱনৰ ক্ষেত্ৰত সহায়ক হ'ব।

**কন্যা ঃ** দ্ৰব্যাদি লাভ। প্ৰিয়জনৰ আগমন। ব্যৱসায়, বিবাহ আদি শুভকৰ্ম পৰিচালনা কৰা ব্যৱসায়ীসকলে আৰ্থিক দিশত যথেষ্ট উন্নতি লাভ কৰিবলৈ সক্ষম হ'ব। স্বাস্থ্যৰ প্ৰতি সচেতন হোৱাটো আৱশ্যক। বিবাহ সম্বন্ধৰ ক্ষেত্ৰত শুভ আৰু বৈবাহিক জীৱনৰ ক্ষেত্ৰত শুভাশুভ মধ্যম ফলপ্ৰাপ্তি হ'ব।

**তুলা ঃ** নানা হতাশা। গৃহকন্দল। ব্যৱসায়ৰ ক্ষেত্ৰত অলপ অশুভ। আত্মবিশ্বাস আৰু ব্যস্ততা বৃদ্ধি হ'ব আৰু সকাৰাত্মক পৰিৱৰ্তন আহিব। ব্যৱসায়ৰ সম্বন্ধিত ক্ষেত্ৰত শুভফল পাব। প্ৰেম-প্ৰণয় সম্বন্ধত নকাৰাত্মক প্ৰভাৱ পৰিব পাৰে। প্ৰশংসা লাভ। নতুন ব্যৱসায় আৰম্ভ কৰাৰ ক্ষেত্ৰত শুভ।

**বৃশ্চিক ঃ** গৃহ অশান্তি। শত্ৰু নাশ। উচ্চ শিক্ষা লাভৰ বাবে বিদেশ ভ্ৰমণ নাইবা বিদেশত উচ্চ শিক্ষা লাভ। কাৰখানাৰ কাম, ইঞ্জিনিয়াৰিং, যান-বাহন চালক, পৰিচালক, কয়লা, শিল-বালি, ইটা, চিমেণ্ট আদি নিৰ্মাণকাৰ্যৰ সামগ্ৰীৰ লগত জড়িত ব্যক্তিৰ কৰ্মক্ষেত্ৰত নানান সমস্যা।

**ধনু ঃ** শাৰীৰিক ক্লেশ। পিত্তৰোগত কষ্ট। ৰক্তদূষিত কষ্ট, পিত্তৰোগ, কফ, অস্ত্ৰাগ্নি, যানাদিৰ ভয়, শৌচ কিম্বা দন্তপীড়া, ৰক্তহীনতা আদিৰ প্ৰভাৱ পৰিব। বৈবাহিক জীৱনৰ ক্ষেত্ৰত সহায়ক হ'ব। জ্ঞানী আৰু জ্যেষ্ঠ লোকৰ পৰামৰ্শ গ্ৰহণ কৰাটো অতি আৱশ্যক।

**মকৰ ঃ** উদ্যোগত লাভ। অৰ্থ প্ৰাপ্তি। উচ্চ শিক্ষাৰ্থীৰ মানসিক অশান্তি, শাৰীৰিক অসুস্থতা আৰু প্ৰতিকূল পৰিৱেশৰ ফলত সুফল লাভত বিঘ্নিত হ'ব। বিবাহপ্ৰাৰ্থীৰ বিবাহৰ নতুন যোগাযোগ বাঢ়িব। অৰ্থব্যয়, ঠগ-প্ৰৱঞ্চনাৰ বলি হ'ব পাৰে।

**কুম্ভ ঃ** কৰ্মত উন্নতি। বন্ধুৰ সাহায্য লাভ। শাৰীৰিক অসুস্থতা, যোগাযোগত বাধা, মানসিক অশান্তিৰ যোগ ঘটিব। কৰ্মৰত ব্যক্তিৰ আৰ্থিক উন্নতি, পদোন্নতি, মানসিক শান্তি লাভৰ যোগ ঘটিব। বন্ধু-বিচ্ছেদ। নাচ-গান, খেলা-ধূলা, কবিতা-গল্প, লিখনি আদিৰ জৰিয়তে সন্মান আহিব পাৰে।

**মীন ঃ** অত্যধিক ব্যয়। আশা ভংগৰ যোগ। দেহৰ নিম্নাংশত বিষবেদনা। কেঁচুমূৰীয়া ৰোগ, উচ্চ ঠাইৰ পৰা হঠাৎ পতন যোগ নিৰ্দেশ কৰিছে। বিবাহ, প্ৰেমাস্পদৰ মাজত মিলনৰ যোগ। সন্তানাদিৰ শুভ। গৃহত মাংগলিক আনুষ্ঠানিক কৰ্ম, সৎবন্ধু লাভ, কৰ্মপ্ৰাপ্তি, বিবাহাদি শুভযোগ সূচিত হৈছে।

**সূৰ্যোদয় ঃ** ঘ ৬।১৩, **সূৰ্যাস্ত ঃ** ঘ ৪।৪৯, **তিথি ঃ** শু দ্বিতীয় ৰাঘ ২।৪৩, **নক্ষত্ৰ ঃ** শ্ৰৱণা দিঘ ১।৭, **যোগ**-অসৃক ৰাঘ ৮।১, **কৰণ**-বালব। **জন্মত**-মকৰ ৰাশি শূদ্ৰবৰ্ণ মতান্তৰে বৈশ্যবৰ্ণ হুতাশন যোগ দেৱগণ কুম্ভীৰৰ অস্থি অষ্টোত্তৰী বৃহস্পতি বিংশোত্তৰী চন্দ্ৰৰ দশা ৰাঘ ১।৩৫ যোৱাত কুম্ভৰাশি বৈশ্যবৰ্ণ মতান্তৰে শূদ্ৰবৰ্ণ দিঘ ১।৭ যোৱাত দেৱাৰিগণ অষ্টোত্তৰী ৰাহু আৰু বিংশোত্তৰী মঙ্গলৰ দশা। **আদ্যঋতু হ'লে**- ৭দিনীয়া সুভগাযোগ। **মৰণত দোষ**-দুইপাদ ৰাঘ ২।৪৩ যোৱাত একপাদ। **যাত্ৰা**- মধ্যম উত্তৰ পূবে নাই ৰাঘ ১১।৭ যোৱাত পশ্চিমেও নাই ৰাঘ ২।৪৩ যোৱাত যাত্ৰা নাই। **শুভকৰ্ম**-পুংসহৱন সীমন্তোন্নয়ন। **যোগিনী**-উত্তৰত ৰাঘ ২।৪৩ যোৱাত অগ্নিকোণত। **ভক্ষ্যাভক্ষ্য ঃ** তিতাভেকুৰী ৰাঘ ২।৪৩ যোৱাত পটল। **বাৰবেলা**-ঘ ৭।৩২ৰপৰা ৯।৫৩ লৈ। **কালবেলা**-ঘ ১।৫৫ৰপৰা ২।১৫ লৈ। **কালৰাতি**-ঘ ৬।৩৬ৰপৰা ৮।১৫ লৈ। **অমৃতযোগ**- দিঘ ৮।১৭ৰ পৰা ১০।২৯লৈ ১২।৪২ পৰা ২।১১ লৈ ২।৫৫ৰ পৰা ৪।৩১ লৈ ৰাঘ ৫।৫৯ লৈ ৮।৩৬ পৰা ১১।১১ লৈ ১।৪৫ৰ পৰা ৩।২৯। **দ্বিতীয়াৰ একো সপি।**

### চৰকাৰৰ নিকা নিযুক্তিৰ বাবে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জ্ঞাপন

# ৰৌতাত একেটা পৰিয়ালৰ দুই ভগ্নীৰ বিএছএফত নিযুক্তি

**দৈনিক অসমৰ প্ৰতিনিধি**

**ৰৌতা, ১৯ জানুৱাৰী ঃ** শেহতীয়াকৈ ঘোষণা হোৱা কেন্দ্ৰীয় চৰকাৰৰ এছ এছ চি পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ সীমান্ত সুৰক্ষা বাহিনীত নিযুক্তি লাভ কৰে ওদালগুৰি জিলাৰ ৰৌতাৰ ৬ নং ধনশ্ৰীৰ একেটা পৰিয়ালৰে দুই ভগ্নীয়ে। অতি দৰিদ্ৰ পৰিয়ালৰ দুই কন্যা ক্ৰমে কৰিশ্মা চৌহান আৰু পূজা চৌহানে সীমান্ত সুৰক্ষা বাহিনীত নিযুক্তি লাভ কৰাত এতিয়া আনন্দৰ বন্যা বৈছে পৰিয়ালটোত। বৃদ্ধ পিতৃয়ে এখন সৰু গেলামালৰ দোকান দিয়াৰ লগতে মাতৃয়ে সৰু-বৰ কাম কৰি কোনোমতে পৰিয়ালটো পোহপাল দিছিল। দুবেলা দুমুঠি খাবলৈ চিন্তা কৰিবলগীয়া দুখীয়া পৰিয়ালটোৰ পৰা দুগৰাকী কন্যাই এইবেলি সীমান্ত সুৰক্ষা বাহিনীত নিযুক্তি লাভ কৰাত এতিয়া পিতৃ-মাতৃৰ চকুত দেখা গৈছে আনন্দৰ চকুলো। জ্যেষ্ঠ ভগ্নী কৰিশ্মা চৌহানে পূৰ্বতে এখন বেচৰকাৰী শিক্ষা প্ৰতিষ্ঠানত শিক্ষকতা কৰিছিল যদিও বিগত এবছৰে আনৰ ঘৰে ঘৰে টিউচন কৰি উপাৰ্জনৰ পথ উলিয়াইছিল। কৰিশ্মাই টিউচন কৰি পোৱা টকাৰেই কিতাপ-পত্ৰ কিনি ভগ্নী পূজাৰ স'তে মিলি চলাইছিল পৰীক্ষাৰ প্ৰস্তুতি। শেহতীয়াকৈ ঘোষণা হোৱা এছ এছ চি পৰীক্ষাত কৰিশ্মা চৌহানে লাভ কৰে মুঠ ৮৩ নম্বৰ, পূজা চৌহানে লাভ কৰে ৭৮ নম্বৰ। দুই ভগ্নীৰ সাফল্যৰ পাছতেই স্থানীয় গাঁওবাসীয়েও এতিয়া প্ৰশংসাৰে ওপচাই দিছে দুয়োকে। নিযুক্তি লাভ কৰিয়েই দুই ভগ্নীয়ে ধন্যবাদ জনায় কেন্দ্ৰীয় চৰকাৰৰ লগতে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক। বিজেপি চৰকাৰে নিকা আৰু স্বচ্ছতাৰে পৰীক্ষা অনুষ্ঠিত কৰাৰ বাবেই এতিয়া বহু দৰিদ্ৰ পৰিয়ালৰ সন্তানেও চৰকাৰী চাকৰি কৰাৰ সপোন দেখিব পৰা হ'ল বুলি মন্তব্য কৰে দুই ভগ্নীয়ে। পূৰ্বতে টকাৰ বিনিময়ত চাকৰি লাভৰ অশুভ ব্যৱস্থাই দুখীয়া পৰিয়ালৰ সন্তানৰ চৰকাৰী চাকৰিপ্ৰাপ্তিৰ পথ ৰুদ্ধ কৰিছিল। কিন্তু বিজেপি চৰকাৰে সম্পূৰ্ণ নিকাভাৱে পৰীক্ষা অনুষ্ঠিত কৰি মেধাৰ ভিত্তিত নিযুক্তি দিয়াৰ বাবেই এতিয়া সকলোৱে চৰকাৰী চাকৰি কৰাৰ সপোন দেখিব পৰা হৈছে।



## ডিব্ৰুগড়ৰ এএমচিত সহকাৰী অধ্যাপকৰ গৃহত চুৰি

**দৈনিক অসমৰ প্ৰতিনিধি**

**ডিব্ৰুগড়, ১৯ জানুৱাৰী ঃ** অসম চিকিৎসা মহাবিদ্যালয়ৰ চৌহদত আজি দিন-দুপৰতে সংঘটিত হয় এটা চুৰিকাণ্ড। মাত্ৰ ৯ মিনিটৰ ভিতৰত চোৰে চিকিৎসকৰ আৱাসত প্ৰৱেশ কৰি ৪টাকৈ আলমিৰা ভাঙি লুটি নিলে সোণৰ আ-অলংকাৰসহ নগদ ধন। ইফালে এই সমগ্ৰ চুৰিকাণ্ডৰ দৃশ্য বন্দী হৈছে চিচি টিভিৰ কেমেৰাত। জানিব পৰা মতে, অসম চিকিৎসা মহাবিদ্যালয়ৰ আৱাসিক এলেকাৰ 'এম' উপ-পথত আজি দিনৰ ১১ বজাত সংঘটিত হয় চুৰিকাণ্ডটো। এএমচিৰ স্ত্ৰীৰোগ বিভাগৰ সহকাৰী অধ্যাপক ডাঃ পুলক কলিতাৰ আৱাসতে সংঘটিত হয় চুৰিকাণ্ডটো। কিছু সময়ৰ বাবে আৱাসৰ পৰা ওলাই যোৱা ডাঃ কলিতাই ঘৰলৈ ওভতাৰ পথতে চুৰিকাণ্ডৰ ঘটনা পোহৰলৈ আহে। পৰৱৰ্তী সময়ত চিচি টিভি কেমেৰা পৰীক্ষা কৰাত চুৰিকাণ্ড সংঘটিত হোৱাটো নিশ্চিত হয়। লগে লগে স্থানীয় বৰবাৰী আৰক্ষীক খবৰ দিয়াত আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ তদন্ত প্ৰক্ৰিয়া আৰম্ভ কৰিছে। জানিব পৰা মতে, আজি পুৱা ১১.২৩ বজাত চোৰটো প্ৰৱেশ কৰি মাত্ৰ ৯ মিনিটৰ ভিতৰত চুৰিকাণ্ড সংঘটিত কৰাৰ পাছত ১১.৩২ বজাত চোৰটোৱে প্ৰস্থান কৰিছে। চিচি টিভিত বন্দী হোৱা চুৰিকাণ্ডৰ ভিডিঅ' ফুটেজ আৰক্ষীক গতাই দিছে চিকিৎসক ডাঃ কলিতাই। লগতে ডাঃ কলিতাই জানিব দিয়া মতে, ঘৰৰ দুৱাৰ ভাঙি প্ৰৱেশ কৰা চোৰটোৱে ৬০ হাজাৰ টকা নগদ ধন আৰু প্ৰায় ২.৫০ লাখ টকা সোণৰ আ-অলংকাৰ চুৰি কৰি নিছে। ইতিমধ্যে সমগ্ৰ ঘটনা সন্দৰ্ভত আৰক্ষীক এজাহাৰ দাখিল কৰিছে। আনহাতে, চিচি টিভি ফুটেজত চোৰৰ ভিজুৱেল স্পষ্টভাৱে ওলাই পৰিছে যদিও এইপৰ্যন্ত চোৰটোক কৰায়ত্ত কৰিবলৈ সক্ষম হোৱা নাই।

## ৰঙিয়াত ৪ হত্যাকাৰীক কাৰাদণ্ড

**দৈনিক অসমৰ প্ৰতিনিধি**

**ৰঙিয়া, ১৯ জানুৱাৰী ঃ** ৰঙিয়া অতিৰিক্ত জিলা সত্ৰ ন্যায়াধীশৰ আদালতে আজি এক গুৰুত্বপূৰ্ণ ৰায়দান কৰি হত্যাৰ গোচৰত অভিযুক্ত উত্তৰ গুৱাহাটীৰ উত্তৰ ফুলুং গাঁৱৰ একেটা পৰিয়ালৰ ৪জন লোকক যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰে। লোক চাৰিজন ক্ৰমে তফাইল আহমেদ, ইলিজা বেগম, ৰুকিয়া ছিদ্দিকা আৰু লুতফুৰ ৰহমান। উল্লেখ্য যে ২০১৮ চনৰ ১৬ জানুৱাৰীৰ নিশা একেটা পৰিয়ালৰ এই চাৰিজন লোকে উত্তৰ গুৱাহাটীৰ ডেকাবাৰী গাঁৱৰ তমজিদ আলী নামৰ এজন ব্যক্তিক তেওঁৰ কৃষিপামত অতি নৃশংসভাৱে হত্যা কৰিছিল। প্ৰায় ৮ বছৰ জোৱা ন্যায় সংগ্ৰামৰ অন্তত আজি মৃত তমজিদ আলীৰ পৰিয়ালে ন্যায় পোৱাত আদালত চৌহদত সমগ্ৰ পৰিয়ালটোক আৱেগিক হৈ পৰা দেখা যায়।

# শিল্পী সুৰেন শইকীয়ালৈ অসম চৰকাৰৰ এককালীন শিল্পী পেন্সন

**দৈনিক অসমৰ প্ৰতিনিধি**

**জেংৰাইমুখ, ১৯ জানুৱাৰী ঃ** মাজুলীৰ নতুন দেওঁদিয়াআটী গাঁৱৰ সুৰেন শইকীয়াই অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগে আগবঢ়োৱা ২০২৬ বৰ্ষৰ শিল্পী পেন্সনৰ এককালীন সাহায্য লাভ কৰিবলৈ সক্ষম হৈছে। শিল্পীগৰাকীয়ে অসম চৰকাৰৰ শিল্পী পেন্সন লাভ কৰাত সকলোৱে আনন্দ প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে বিগত কেইবা বছৰ ধৰি অঞ্চলটোত সাংস্কৃতিক কাৰ্যত জড়িত থকাৰ উপৰি মধ্য মাজুলী অঞ্চলৰ নামঘৰীয়া হিচাপে কাৰ্যনিৰ্বাহ কৰি আহিছে সুৰেন শইকীয়াই। সমান্তৰালকৈ শিল্পীগৰাকীয়ে গুগোলত কঠ নিৰ্মাণেৰে শিল্পী পৰিয়ালটো ভৰণ-পোষণ দি আহিছে। অসমৰ বিভিন্ন স্থানত শিল্পীগৰাকীয়ে নিখুঁতভাৱে প্ৰস্তুত কৰা গুগোলৰ কঠৰ বহু চাহিদা আছে। অতি নিখুঁতভাৱে প্ৰস্তুত কৰা এই কঠসমূহৰ বাবে প্ৰয়োজন হোৱা (কেঁচামাল) গুগোল শিল্পীগৰাকীয়ে ভুৱামৰা বিল, ভোগপুৰ বিলৰ পৰা অতি কষ্টৰে সংগ্ৰহ কৰি আহিছে। নানা দুৰ্যোগৰ মাজতো শিল্পীগৰাকীয়ে অসমীয়া থলুৱা শিল্প এটি নান্দনিকতাৰ মাজেৰে জীয়াই ৰখাৰ চেষ্টাত ব্ৰতী হৈ আহিছে। স্থানীয় নামঘৰীয়া হিচাপেও পৰিচিত সুৰেন শইকীয়াই এইবাৰ অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত প্ৰদান কৰা এককালীন সাহায্য লাভ কৰাত অসম চৰকাৰক ধন্যবাদ জনাইছে। অঞ্চলবাসী লোকেও সুৰেন শইকীয়াই এই সন্মান লাভ কৰাক লৈ গৌৰৱ অনুভৱ কৰিছে



**'দৈনিক অসম'ত আকৰ্ষণীয় কেৰিয়াৰ সুযোগ**

**আমাৰ সংবাদপত্ৰৰ মাৰ্কেটিং বিভাগত ফ্ৰেছাৰ নিযুক্তিৰ বাবে আবেদন বিচৰা হৈছে**
**(কেৱল মহিলা প্ৰাৰ্থীৰ কাৰণে)**
**শিক্ষাগত অৰ্হতা ঃ গ্ৰেজুৱেট (মাৰ্কেটিং/ মেনেজমেণ্টৰ অভিজ্ঞতাসম্পন্ন প্ৰাৰ্থীয়ে অগ্ৰাধিকাৰ পাব)।**
**দক্ষতা ঃ**
**উৎকৃষ্ট যোগাযোগ, আলোচনা, নেতৃত্ব আৰু স্পষ্ট প্ৰেজেণ্টেচনৰ দক্ষতা থকাটো বাঞ্ছনীয়।**
**বয়সৰ সীমা ঃ ২৭ বছৰৰ তলত।**
**আপোনাৰ চি ভি প্ৰেৰণ কৰক-**
**ফোন ঃ 9706021101**

**বিজ্ঞাপন সেৱা**

'দৈনিক অসম'ত শ্ৰেণীবদ্ধ বিজ্ঞাপন
(**Classified Advertisement**)
প্ৰকাশৰ বাবে নিম্নোক্ত অনুমোদিত সংস্থাৰ ফোন নম্বৰত যোগাযোগ কৰিব পাৰে—
**97060 21101**
**98642 63627**
**0361-3244633** (কাৰ্যালয়)

# গণককুছিৰ হস্ততাঁত প্ৰশিক্ষণ প্ৰতিষ্ঠানত সম্বৰ্দ্ধনা

**দৈনিক অসমৰ প্ৰতিনিধি**

**গুৱাহাটী, ১৯ জানুৱাৰী ঃ** হস্ততাঁত প্ৰশিক্ষণ প্ৰতিষ্ঠান, গণককুছিত কালি অনুষ্ঠিত এখন সভাত প্ৰতিষ্ঠানখনৰ পৰা ২০২৫ বৰ্ষত চূড়ান্ত পৰীক্ষা দি প্ৰথম বিভাগত উত্তীৰ্ণ প্ৰশিক্ষাৰ্থীসকলক সম্ভাষণ জনোৱা হয়। তদুপলক্ষে হোৱা সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ অৱসৰপ্ৰাপ্ত যুটীয়া সঞ্চালক দিব্যজ্যোতি মজুমদাৰ, ৰাজ্য চৰকাৰৰ হস্ততাঁত গৱেষণা আৰু চানেকি কেন্দ্ৰৰ মুখ্য বিষয়া ডঃ জয়ন্ত দেৱশৰ্মা আৰু গিৰিজানন্দ চৌধুৰী বিশ্ববিদ্যালয়ৰ ফেকাল্টি মানিৰূপা মিশ্ৰ। ভাষণ প্ৰসংগত ডঃ শৰ্মাই প্ৰশিক্ষাৰ্থীসকলক হস্ততাঁত প্ৰযুক্তিৰ জ্ঞান সঠিকভাৱে আয়ত্ত কৰি তাক শিপিনীসকলৰ মাজলৈ বিস্তাৰ কৰিবলৈ আহ্বান জনায়। আনহাতে এ ডি আৰ ইৰ যোগেদি নিযুক্তি লাভ কৰা বিভাগৰ কৰ্মচাৰী তাজমিন আৰা বেগম আৰু চিৰিন টগবেদিয়ে এনে পৰীক্ষাৰ বাবে কেনেদৰে অধ্যয়ন কৰিব লাগে সেই বিষয়ে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰে। প্ৰশিক্ষণ প্ৰতিষ্ঠানখনৰ প্ৰদৰ্শক ফুলেন ৰায় চৌধুৰীয়ে আঁত ধৰা অনুষ্ঠানত জিমি কলিতা, ভূপালী দাস, মনস্বিনী ঈশানী গৌতম, আদানী গোষ্ঠীৰ বাবলি ৰাভা, নৰায়ম দাস, প্ৰীতিৰাজ ৰাজবংশী, পল্লৱী বৰুৱা, ডলী ৰাজবংশী প্ৰমুখ্যে শিক্ষাৰ্থীসকলে গীত-মাত পৰিৱেশন কৰে। যোৱাবছৰ প্ৰথম বিভাগত উত্তীৰ্ণ ইনষ্টিটিউটৰ ছাত্ৰী ঝৰ্ণা মেধি আৰু দীপশিখা বৰ্মনক সভাত ফুলাম গামোচা, কিতাপৰ টোপোলা আৰু মানপত্ৰৰে সম্ভাষণ জনোৱা হয়। ইনষ্টিটিউটখনৰ অধীক্ষক হেমলতা মজুমদাৰে অভ্যাগতসকলক ধন্যবাদ জ্ঞাপন কৰে।

অসম কোষ

১৯৫২ চনৰপৰা আৰম্ভ হোৱা বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ ইতিহাসত সৰ্বাধিক ৭বাৰ বিজয়ী হৈছে মোহনবাগান এথলেটিক ক্লাব।

# দৈনিক অসম

দিনটোৰ তাপমান (ডিগ্ৰী চেলছিয়াছ)

| | সৰ্বাধিক | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৭.৫ | ১৪.৫ |
| ডিব্ৰুগড় | ২৭.৬ | ৯.৫ |
| যোৰহাট | ২৬.৫ | ৮.৯ |
| শ্বিলং | ১৭.৩ | ৭.৩ |

৬১ বছৰ । ১৬৪ সংখ্যা, গুৱাহাটী, ৬ মাঘ, মঙলবাৰ, ১৯৪৭ শক। DAINIK ASAM : Assamese Daily। VOL. 61 NO. 164। GUWAHATI, TUESDAY, JANUARY 20, 2026 

## চেঙাৰ পাঠীমাৰীত ৰাইজৰ দলৰ গণ সমাৰেশত অখিল গগৈ

# আজমলৰ তলাটোৰ চাবি হিমন্তৰ হাতততহে থাকে



**‘ধৰ্মৰ নামত ৰাজনীতি কৰাসকলক ব্ৰহ্মপুত্ৰত উটুৱাই দিব লাগিব’**

দৈনিক অসমৰ প্ৰতিনিধি

**নগৰবেৰা, ১৯ জানুৱাৰী ঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত পাঠিমাৰী খোলাবান্ধা জনপ্ৰিয় বজাৰত আজি ৰাইজৰ দলৰ এখন বিশাল গণ সমাৰেশ অনুষ্ঠিত হয়। ৰাইজৰ দলৰ খোলাবান্ধা আঞ্চলিকৰ সভাপতি জিন্নত আলীৰ সভাপতিত্বত *১১ পৃষ্ঠাত চাওক*

### মুছলপুৰত বাক্‌সা জিলা এবছুৰ বাৰ্ষিক অভিৰৰ্তন

## আমাৰ অধিকাৰ পাবই লাগিব ঃ দীপেন বড়ো

দৈনিক অসমৰ প্ৰতিনিধি



**মুছলপুৰ, ১৯ জানুৱাৰী ঃ** দুদিনীয়া কাৰ্যসূচীৰে কালিৰেপৰা বাক্‌সা জিলাৰ সদৰ মুছলপুৰত অনুষ্ঠিত নিখিল বড়ো ছাত্ৰ সন্থাৰ *১১ পৃষ্ঠাত চাওক*

### গোসাঁইগাঁৱত দুই আদিবাসী সংগঠনৰ সংবাদমেল

## গোষ্ঠী সংঘৰ্ষত ক্ষতিগ্ৰস্তক পুনৰ সংস্থাপনৰ দাবী




দৈনিক অসমৰ প্ৰতিনিধি

**গোসাঁইগাঁও, ১৯ জানুৱাৰী ঃ** আত্মসমৰ্পণকাৰী প্ৰাক্তন বিদ্ৰোহী সংগঠন আদিবাসী ড্ৰেগন ফাইটাৰ (এ ডি এফ) আৰু নেচনেল চাওতাল লিবাৰেচন আৰ্মী (এন এছ এল এ)ৰ নেতা-কৰ্মীসকলে আজি যৌথভাৱে এখন সংবাদ মেলৰ আয়োজন কৰি পুনঃসংস্থাপনৰপৰা বঞ্চিত *১১ পৃষ্ঠাত চাওক*

## বিশিষ্ট আলোকচিত্ৰ শিল্পী তপন দাসক অমূল্য মান্না বঁটা



দৈনিক অসমৰ প্ৰতিনিধি

**নগাঁও, ১৯ জানুৱাৰী ঃ** ৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বিশিষ্ট আলোকচিত্ৰ শিল্পী তপন দাসক অমূল্য মান্না বঁটা প্ৰদান কৰা হয়। অমূল্য মান্না স্মৃতি ৰক্ষা সমিতি, ফটোগ্ৰাফী ইনষ্টিটিউট অব অসম আৰু ইউ বি ফটোজৰ উদ্যোগত *১১ পৃষ্ঠাত চাওক*

### পাৰস্পৰিক যুঁজতে মৃত্যু

## কাজিৰঙাত পুনৰ টেঁকীয়াপতীয়াৰ শৱদেহ উদ্ধাৰ



দৈনিক অসমৰ প্ৰতিনিধি

**বোকাখাত/কাজিৰঙা, ১৯ জানুৱাৰী ঃ** কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলত চলিত বৰ্ষৰ প্ৰথমটো মাহতে দ্বিতীয়টো *১১ পৃষ্ঠাত চাওক*


**SBI**

**ষ্টেট বেংক অব ইণ্ডিয়া**

**খুচুৰা সম্পত্তি কেন্দ্ৰীয় প্ৰক্ৰীয়াকৰণ কেন্দ্ৰ**

স্বাগতা স্কুৱেৰ, ৪ৰ্থ মহলা, এবিচি পইন্ট, ভঙাগড় গুৱাহাটী-৭৮১০০৫, ফোনঃ ০৩৬১-২৪৬৫৬৫২, ফেক্সঃ ০৩৬১-২৪৬৫৬৬৮, ই-মেইলঃ agmracpc.zoguw@sbi.co.in

[ধাৰা- ৮(১)]

**দখল জাননী (স্থাৱৰ সম্পত্তিৰ বাবে)**

যিহেতু,

নিম্নস্বাক্ষৰকাৰী **ষ্টেট বেংক অব ইণ্ডিয়াৰ** কৰ্তৃত্বশীল বিষয়া হিচাপে নিযুক্ত, সেয়ে বিত্তীয় সম্পদৰ প্ৰতিভূতিকৰণ আৰু পুনৰগঠন আৰু প্ৰতিভূতি স্বাৰ্থ বলবৎকৰণ আইন, ২০০২(২০০২ ৰ নং ৩) ৰ ধাৰা ১৩(২)ৰ সৈতে প্ৰতিভূতি স্বাৰ্থ (বলবৎকৰণ) বিধি, ২০০২ ৰ বিধি ৩ অনুসৰি ০৬.১০.২০২৫ তাৰিখে এখন দাবী জাননী জাৰি কৰি ঋণী **শ্ৰীসুৰত জান বেগম,** স্বামী প্ৰয়াত ফাৰুকী মোহম্মদ, **শ্ৰীমতী ছেহেনাজ বেগম,** পিতা প্ৰয়াত ফাৰুকী মোহম্মদ আৰু **শ্ৰীমতী ছোনিয়া বেগম,** পিতা প্ৰয়াত ফাৰুকী মোহম্মদক জাননী প্ৰাপ্তিৰ তাৰিখৰ পৰা গণ্য ৬০ দিনৰ ভিতৰত, উক্ত জাননীত উল্লেখ কৰা বকেয়া **২৯,৬৭,৬৯১.০০ টকা (উনত্ৰিছ লাখ সাতষষ্ঠি হেজাৰ ছয়শ একানব্বৈ টকা মাত্ৰ)** আৰু ০৬.১০.২০২৫ তাৰিখৰ পৰা সুদ আদিও পৰিশোধ কৰিবলৈ নিৰ্দেশ দিয়া হৈছিল।

কিন্তু ঋণীয়ে উক্ত ধন পৰিশোধ কৰাত বিফল হোৱাত, ইয়াৰ দ্বাৰা ঋণী আৰু সাধাৰণ জনতাক জনোৱা হ'ল যে প্ৰতিভূতি স্বাৰ্থ বলবৎকৰণ আইন, ২০০২ ৰ ধাৰা ১৩ উপ-ধাৰা (৪)ৰ সৈতে বিধি ৮ ৰ অধীনত প্ৰদত্ত ক্ষমতাৰ অনুশীলন কৰি নিম্নস্বাক্ষৰকাৰীয়ে **১৭ জানুৱাৰী ২০২৬** তাৰিখে তলত বৰ্ণিত সম্পত্তিখিনিৰ দখল লৈছে।

ঋণী/বা আইনী উত্তৰাধিকাৰীক বিশেষভাৱে আৰু সাধাৰণজনক সাধাৰণভাৱে ইয়াৰ দ্বাৰা সকীয়াই দিয়া হ'ল যে উক্ত সম্পত্তিৰ সৈতে কোনো ধৰণৰ লেনদেন নকৰিব, আৰু যদি লেনদেন কৰে তেনেহ'লে উক্ত সম্পত্তিত **ষ্টেট বেংক অব ইণ্ডিয়াত** বকেয়া **২৯,৬৭,৬৯১.০০ টকা (উনত্ৰিছ লাখ সাতষষ্ঠি হেজাৰ ছয়শ একানব্বৈ টকা মাত্ৰ)** লগতে **০৬.১০.২০২৫ তাৰিখৰ পৰা অতিৰিক্ত সুদ, নিৰিখ আদি** প্ৰযোজ্য হ'ব।

**ঋণী/বা আইনী উত্তৰাধিকাৰীৰ মনোযোগ আকৰ্ষণৰ বাবে, উক্ত ছাৰফেইছী আইনৰ ধাৰা ১৩ ৰ উপধাৰা(৮)ৰ ব্যৱস্থা অনুসৰি, সময়মতে সুৰক্ষিত সম্পত্তিৰ পুনৰুদ্ধাৰ কৰাৰ অধিকাৰ ব্যৱহাৰ কৰিব পৰা যাব বুলি জাননী দিয়া হ'ল।**

**স্থাৱৰ সম্পত্তিৰ বিৱৰণ**

**সম্পত্তিটোৰ গৰাকীঃ প্ৰয়াত ফাৰুকী মোহম্মদ**

সমস্ত সেই অংশ আৰু খণ্ডৰ ভূমিখণ্ড, যাৰ মাপ ০২ (দুহ) কঠা ০৫ (পাঁচ) লেছা, দাগ নং ৪৯৭, কে পি পট্টা নং ৪৪৫-ৰ অধীনত অন্তৰ্ভুক্ত, ৰাজহ গাঁও- কলিতাকুচি, হাজো মৌজা, হাজো ৰাজহ চক্ৰ, কামৰূপ জিলা, অসম-ত অৱস্থিত; যাৰ সীমা তলত দিয়া ধৰণে- উত্তৰেঃ গোলাম মোহম্মদ, দক্ষিণেঃ পথ, পূৱেঃ ফিৰোজ আলী, পশ্চিমেঃ ৰাজীব আলী

**দিনাংক ঃ ১৭.০১.২০২৬** **কৰ্তৃত্বশীল বিষয়া**

**স্থান ঃ গুৱাহাটী** **ষ্টেট বেংক অব ইণ্ডিয়া, আৰএচিপিচি, গুৱাহাটী**



**HDFC BANK**

**এইচডিএফচি বেংক লিঃ**

**মুখ্য কাৰ্যালয়ঃ এইচডিএফচি বেংক হাউছ, সেনাপতি বাপত মাৰ্গ, লোৱাৰ পৰেল(পশ্চিম), মুম্বাই- ৪০০০১৩**

**শাখা কাৰ্যালয়, এইচডিএফচি বেংক লিঃ, বিশেষ অভিযান বিভাগ, "এ পি টাৱাৰ", ৩য় মহলা, জি এছ ৰোড, গুৱাহাটী- ৭৮১০২২**

**স্থাৱৰ সম্পত্তিৰ বিক্ৰী জাননী**

বিত্তীয় সম্পদৰ প্ৰতিভূতিকৰণ আৰু পুনৰগঠন আৰু প্ৰতিভূতি স্বাৰ্থ বলবৎকৰণ আইন, ২০০২ আৰু প্ৰতিভূতি স্বাৰ্থ (বলবৎকৰণ) বিধি, ২০০২ৰ বিধি ৮(৬)ৰ অধীনত স্থাৱৰ সম্পত্তিৰ বিক্ৰীৰ ই-নিলাম জাননী। ইয়াৰ দ্বাৰাই জনসাধাৰণৰ লগতে ঋণী **মেছাৰ্ছ কালুৰাম জৈনৰেইন হোলছেল, শ্ৰীমতী সুলোচনা জাসাৰাসাৰিয়া (স্বত্বাধিকাৰী আৰু বন্ধকদাৰ আৰু জামিনদাৰ), শ্ৰীগিৰিশ জাসাৰাসাৰিয়া (বন্ধকদাৰ আৰু জামিনদাৰ), শ্ৰীভানি ৰাম জাসাৰাসাৰিয়া (জামিনদাৰ)**ক অৱগত কৰা হয় যে, তলত উল্লেখ কৰা এইচডিএফচি বেংক লিঃত সুৰক্ষিত সম্পত্তি হিচাপে বন্ধকত থকা স্থাৱৰ সম্পত্তিসমূহ অনুমোদিত বিষয়াই দখলীস্বত্ব গ্ৰহণ কৰি **"যি য'ত আছে", "যি যেনেদৰে আছে", "যি আছে"** সেই ভিত্তিত বিক্ৰীৰ সিদ্ধান্ত লৈছে। সুৰক্ষিত ঋণদাতা হিচাপে এইচডিএফচি বেংক লিঃৰ তৰফৰ পৰা **১১.০৬.২০২৬** তাৰিখে জাৰি কৰা **দাবী জাননী** অনুসৰি **৩১.০৫.২০২৪** তাৰিখলৈ বেংকত বকেয়া হিচাপে থকা **২,৪০,৪৯,৫৫৬.৬৮** টকা বেংক মাচুল, বৰ্তমানলৈ সুদসহ উদ্ধাৰৰ বাবে তলৰ সম্পত্তিসমূহ **২৩.০২.২০২৬** তাৰিখে বিক্ৰী কৰা হ'ব

| স্থাৱৰ সম্পত্তিৰ বিৱৰণ | পুনৰীক্ষণৰ দিন আৰু সময় | সংৰক্ষিত মূল্য / ইএমডি / বিড বৃদ্ধিৰ পৰিমাণ | ই-নিলামৰ দিন/সময় | বোজা |
|---|---|---|---|---|
| সমস্ত সেই অংশ আৰু খণ্ডৰ ফ্ল'ৰ স্পেচ/অফিচ স্পেচ, যাৰ সম্পূৰ্ণ আয়তন প্ৰায় ১৩০৪ বৰ্গফুট , "বি আৰ টাৱাৰ্ছ" নামৰ ভৱনৰ ভূমি তলত অৱস্থিত, লগতে তলত বৰ্ণিত ভূমিৰ অবিভক্ত সমানুপাতিক অংশসহ, যি ভূমিখণ্ডৰ মাপ প্ৰায় ২ (দুই) কঠা ১০ (দহ) লেছা, দাগ নং ১০৫১ আৰু পট্টা নং ১০৬৫-ৰ অধীনত অন্তৰ্ভুক্ত, উলুবাৰী গাঁও, উলুবাৰী মৌজা, কামৰূপ (মেট্ৰ') জিলা, অসম-৭৮১০০৭ত অৱস্থিত, আৰু যি সম্পত্তি শ্ৰীমতী সুলোচনা জাসৰাসাৰিয়াৰ নামত নথিভুক্ত আছে। | ২০ ফেব্ৰুৱাৰী ২০২৬<br>পুৱা ১১ বজাৰ পৰা দুপৰীয়া ০১.০০ বজালৈ | ১,৭০,১৭,০০০/-টকা<br>১৭,০১,৭০০/-টকা<br>১০০,০০০/-টকা | ২৩ ফেব্ৰুৱাৰী, ২০২৬ পুৱা ১১.০০ বজাৰ পৰা দুপৰীয়া ১২.০০ বজালৈ | জ্ঞাত নহয় |
| সমস্ত সেই অংশ আৰু খণ্ডৰ এটা অফিচ স্পেচ, যি ভূমি তলত অৱস্থিত আৰু যাৰ সম্পূৰ্ণ আয়তন প্ৰায় ২১০০ বৰ্গফুট, "বি আৰ টাৱাৰ" নামৰ বাণিজ্যিক আৰচিচি ভৱনত অৱস্থিত, যি ভূমিখণ্ডৰ মাপ ২ (দুই) কঠা ১০ (দহ) লেছা, দাগ নং ১০৫১, কে পি পট্টা নং ১০৬৫-ৰ অধীনত অন্তৰ্ভুক্ত, ৰাজহ গাঁও-চহৰ উলুবাৰী অংশ-২, উলুবাৰী মৌজা, কামৰূপ (মেট্ৰ') জিলা, অসম-৭৮১০০৭-ত অৱস্থিত, লগতে ভূমিৰ অবিভক্ত সমানুপাতিক অংশ আৰু বেছমেণ্টত অৱস্থিত এটা কাৰ পাৰ্কিং স্থানসহ, আৰু যি সম্পত্তি গুৱাহাটীস্থিত কামৰূপ (মেট্ৰ') উপ-পঞ্জীয়ক কাৰ্যালয়ৰ অধিক্ষেত্ৰৰ ভিতৰত পৰে, আৰু যি সম্পত্তি শ্ৰী গিৰিশ জাসৰাসাৰিয়াৰ নামত নথিভুক্ত আছে ; যাৰ সীমা তলত দিয়া ধৰণে- উত্তৰঃ নলা, দক্ষিণেঃবি আৰ আৰ্কেড, পূৱেঃ নিজস্ব সম্পত্তি, পশ্চিমেঃ পথ | ২০ ফেব্ৰুৱাৰী ২০২৬<br>পুৱা ১১ বজাৰ পৰা আবেলি ০১.০০ বজালৈ | ২,৭৭,০৫,০০০/-টকা<br>২৭,৭০,৫০০/-টকা<br>১০০,০০০/-টকা | ২৩ ফেব্ৰুৱাৰী, ২০২৬ পুৱা ১১.০০ বজাৰ পৰা দুপৰীয়া ১২.০০ বজালৈ | জ্ঞাত নহয় |

**চৰ্ত আৰু নিয়মাৱলী**

১. অনুমোদিত অধিকাৰীৰ জ্ঞান আৰু তথ্য অনুসাৰে উক্ত সম্পত্তিসমূহত কোনো ধৰণৰ বোজা নাই। তথাপি, আগ্ৰহী নিবিদাকাৰীসকলে বিড দাখিল কৰাৰ পূৰ্বে সম্পত্তিত থকা সম্ভাব্য বোজা, নিলামত উঠোৱা সম্পত্তিৰ স্থান, তৃতীয় পক্ষৰ দাবী/অধিকাৰ/বকেয়া আদিয়ে সম্পত্তিত প্ৰভাৱ পেলায় নেকি সেই বিষয়ে নিজে স্বতন্ত্ৰভাৱে অনুসন্ধান কৰিব লাগিব। এই ই-নিলাম বিজ্ঞাপনটোৱে বেংকৰ কোনো ধৰণৰ প্ৰতিশ্ৰুতি বা প্ৰতিনিধিত্ব গঠন নকৰে আৰু তেনেকৈ গণ্যও কৰা নহ'ব। সম্পত্তিসমূহ বেংকৰ জ্ঞাত বা অজ্ঞাত সকলো বৰ্তমান আৰু ভৱিষ্যতৰ ভাৰবহনসহ "যেনে অৱস্থাত আছে" ভিত্তিত বিক্ৰী কৰা হৈছে। অনুমোদিত অধিকাৰী/সুৰক্ষিত দাবীদাৰ কোনো তৃতীয় পক্ষৰ দাবী, অধিকাৰ বা বকেয়াৰ বাবে কোনোভাৱেই দায়ী নহ'ব। অনুমোদিত অধিকাৰীৰ জ্ঞান অনুসাৰে, চৰ্ত আৰু নিয়মাৱলীত উল্লেখ কৰা সম্পত্তিত সম্পত্তি কৰ, সমাজ/এছ'চিয়েচন বকেয়া আদি কোনো বিধিসম্মত বকেয়া নাই। তথাপি, যদি কোনো অৱশিষ্ট বিধিসম্মত বকেয়া, ভাৰবহন, কৰ বা তদন্ত থাকিলে, বেংক তাৰ বাবে দায়ী নহ'ব। আগ্ৰহী নিবিদাকাৰীসকলে সম্পত্তিৰ শিৰোনামা, ভাৰবহন আদি সম্পৰ্কে নিজে অনুসন্ধান কৰি সম্পত্তি পৰিদৰ্শন কৰি সন্তুষ্ট হ'ব লাগিব। **সম্পত্তি কেৱল ওপৰত উল্লেখ কৰা তাৰিখ আৰু সময়তহে পৰিদৰ্শন কৰিব পৰা যাব**। ২. আগ্ৰহী নিবিদাকাৰীসকলে **https://www.bankeauctions.com** ৱেব প'ৰ্টেলযোগে লগ-ইন আইডি আৰু পাছৱৰ্ড ব্যৱহাৰ কৰি নিজৰ ইএমডি-ৰ বিৱৰণ আৰু প্ৰয়োজনীয় নথিপত্ৰ দাখিল কৰিব লাগিব। (উক্ত ৱেবছাইটত বিনামূলীয়াকৈ পঞ্জীয়ন কৰিলে লগ-ইন আইডি আৰু পাছৱৰ্ড লাভ কৰিব পাৰিব।), ইএমডি ৰাশি ৰাষ্ট্ৰীয়কৃত/অনুসূচীত বেংকৰ পে' অৰ্ডাৰ/ডিমাণ্ড ড্ৰাফটযোগে এইচডিএফচি বেংক লিঃৰ নামত, গুৱাহাটীত পৰিশোধযোগ্য হিচাপে প্ৰদান কৰিব লাগিব। উক্ত ডিমান্ড ড্ৰাফট এইচডিএফচি বেংক লিঃ, বিশেষ অভিযান বিভাগ, "এ পি টাৱাৰ", ৩য় মহলা, জি এছ ৰোড, গুৱাহাটী- ৭৮১০২২ ঠিকনাত **২২.০২.২০২৬** তাৰিখৰ ভিতৰত বা তাৰ আগতে বিয়লি ৩.০০ বজালৈ পঠাব লাগিব। সংৰক্ষিত মূল্যতকৈ কম বিড, ইএমডি নথকা বিড, অযোগ্য বা চৰ্তযুক্ত বিড অযোগ্য বুলি গণ্য কৰা হ'ব। ৩. যিসকল আগ্ৰহী নিবিদাকাৰীয়ে ইএমডি জমা দিছে আৰু লগ-ইন আইডি/পাছৱৰ্ড তৈয়াৰ কৰা, তথ্য আপল'ড কৰা, বিড দাখিল কৰা বা ই-নিলাম প্ৰক্ৰিয়াৰ প্ৰশিক্ষণৰ সহায় বিচাৰে, তেওঁলোকে **মেছাৰ্ছ চি১ ইণ্ডিয়া প্ৰাইভেট লিমিটেড, প্লট নং ৩০১, গলফ পেট্ৰো ছেম বিল্ডিং, উদ্যোগ বিহাৰ, ফেজ-২, গুৰগাঁও**ৰ সৈতে যোগাযোগ কৰিব পাৰে। **হেল্পলাইন নম্বৰঃ ০১২৪-৪৩০২০২০/২১/২২/২৩/২৪, যোগাযোগ ব্যক্তিঃ শ্ৰী মিঠালেশ কুমাৰ, মোবাইলঃ ৭০৮০৮০৪৪৬৬।** হেল্পলাইন ই-মেইলঃ support@bankeauctions.com, kolkata@c1india.com, mithalesh.kumar@c1india.com । সম্পত্তি সম্পৰ্কীয় যিকোনো প্ৰশ্নৰ বাবে আগ্ৰহী নিবিদাকাৰীয়ে অনুমোদিত অধিকাৰী **শ্ৰী জাভেদ হুছেইন (ম'বাইলঃ ৭৬৩৫৮১৬৯৯৮**, ই-মেইল- javed.hussain1@hdfcbank.com ৰ সৈতে বা কাৰ্যালয় সময়ত **(পুৱা ১০.০০ বজাৰ পৰা সন্ধিয়া ৫.০০ বজালৈ)** যোগাযোগ কৰিব পাৰে। ৪. সৰ্বোচ্চ বিড এইচডিএফচি বেংক লিঃৰ অনুমোদিত অধিকাৰীৰ অনুমোদনৰ অধীনত থাকিব। অনুমোদিত অধিকাৰীয়ে কোনো কাৰণ উল্লেখ নকৰাকৈ যিকোনো বা সকলো বিড গ্ৰহণ বা বাতিল কৰাৰ অধিকাৰ সংৰক্ষণ কৰে। তেওঁৰ সিদ্ধান্ত চূড়ান্ত আৰু বাধ্যতামূলক হ'ব।

বিক্ৰীৰ বিশদ চৰ্ত আৰু নিয়মাৱলীৰ বাবে অনুগ্ৰহ কৰি www.hdfcbank.com আৰু www.bankeauctions.com ৱেবছাইটত দিয়া লিংকসমূহ চাব।

**ছাৰফেইছি আইন, ২০০২ৰ নিয়ম ৮(৬)ৰ অধীনত বিধিগত দ্বিতীয় বিক্ৰীৰ জাননী**

স্বত্বাধিকাৰী/জামিনদাৰসকল **১. মেছাৰ্ছ কালুৰাম জৈনৰেইন হোলছেল, ২. শ্ৰীমতী সুলোচনা জাসাৰাসাৰিয়া, ৩. শ্ৰীগিৰিশ জাসাৰাসাৰিয়া, ৪. শ্ৰীভানি ৰাম জাসাৰাসাৰিয়া (জামিনদাৰ)**ক ই-নিলামৰ তাৰিখৰ পূৰ্বে শেহতীয়া সুত আৰু আনুষংগিক খৰচৰ সৈতে ওপৰত উল্লেখ কৰা ধনৰাশি পৰিশোধ কৰিবলৈ ইয়াৰ দ্বাৰা অৱগত কৰা হৈছে, যাৰ বিফল হ'লে সম্পত্তি নিলাম/বিক্ৰী কৰা হ'ব আৰু বাকী থকা বাবদ ধন যদি আছে তেন্তে সদ আৰু খৰচৰ সৈতে আদায় কৰা হ'ব ।

**তাৰিখঃ ২০.০১.২০২৬** **স্বা/-অনুমোদিত বিষয়া**

**স্থানঃ গুৱাহাটী** **এইচডিএফচি বেংক লিঃ**


### এইবাৰ নিৰ্বাচনত পতন হ'ব হিমন্ত বিশ্ব শৰ্মাৰ

## পকেট মানিৰ বাবেই এলিভেটেড কৰিডৰ'ৰ বনাব ওলাইছে ঃ গৌৰৱ গগৈ



**‘এশৰ অধিক আসনত প্ৰতিদ্বন্দ্বিতা কৰিব কংগ্ৰেছে’**

দৈনিক অসমৰ প্ৰতিনিধি

**গোৱালপাৰা, ১৯ জানুৱাৰী ঃ** যিদৰে বুৰঞ্জীত লিখা আছে মোগলৰ পতনৰ কথা, ঠিক তেনেদৰে এইবাৰ নিৰ্বাচনত হিমন্ত বিশ্ব শৰ্মাৰ *১১ পৃষ্ঠাত চাওক*

## আজিৰেপৰা কাৰ্বি সাহিত্য সভাৰ অধিৱেশন

দৈনিক অসমৰ প্ৰতিনিধি

**হামৰেণ, ১৯ জানুৱাৰী ঃ** ৪ দিনীয়া বৰ্ণিল কাৰ্যসূচীৰে কাইলৈৰপৰা জীপাল হৈ উঠিব ভকচঙৰ হৰ্নবিল *১১ পৃষ্ঠাত চাওক*

**উদুলি-মুদুলি ভকচঙৰ হৰ্নবিল ক্ৰীড়া বাকৰি**


**গুৱাহাটীস্থিত কামৰূপ মহানগৰ অসামৰিক ন্যায়াধীশ (জ্যেষ্ঠ সংমণ্ডল) নং-২ৰ আদালত**

**চমন**

**সাৰাংশ মোকৰ্দমা নং ঃ ৪৬/২০২৪**

**ইউকো বেংক** ........ *বাদী*

**বনাম**

**মেছাৰ্ছ মা মনসা লেডিজৱে'ৰ এণ্ড টেইলাৰিং আৰু অন্যান্য** ........ *বিবাদী*

প্ৰতি,

১. মেছাৰ্ছ মা মনসা লেডিজৱেৰ এণ্ড টেইলাৰিং

স্বত্বাধিকাৰী ঃ শ্ৰীমতী মিথু শৰ্মা ৰয়, গৃহ নং-৮৮এ, উপ-পথ নং-৫, তৰুণ নগৰ, এবিচি, গুৱাহাটী-৭৮১০০৫, জিলা-কামৰূপ (মঃ), অসমৰ প্ৰতিনিধিত্বত পৰিচালিত।

২. শ্ৰীমতী মিথু শৰ্মা ৰয়, মাৰফৎ-চিত্তৰঞ্জন শৰ্মা ৰয়, গৃহ নং-৮৮এ, উপ-পথ নং-৫, তৰুণ নগৰ, এবিচি, গুৱাহাটী-৭৮১০০৫, জিলা-কামৰূপ (মঃ), অসম।

যিহেতু ওপৰোক্ত বাদীয়ে উল্লিখিত বিবাদীৰ বিৰুদ্ধে ১০,৭৮,১৩১.৬২ টকা (দহ লাখ আঠসত্তৰ হেজাৰ এশ একত্ৰিশ টকা বাষষ্ঠি পইচা) উপযুক্ত সুদ, ব্যয় আৰু অন্যান্য সাহায্যসহ আদায় পাবৰ বাবে উক্ত সাৰাংশ মোকৰ্দমা ৰুজু কৰিছে।

সেয়েহে ইয়াৰ দ্বাৰাই আপোনাক অৱগত কৰা হয় যে, আপুনি নিজে বা আপোনাৰ অধিবক্তাৰ জৰিয়তে মোৰ আদাতত অহা ২২-০১-২০২৬ তাৰিখে পুৱা ১০.৩০ বজাত হাজিৰ হৈ যদি কোনো লিখিত বিবৃতি থাকে, সেয়া দাখিল কৰিব লাগিব।

মন কৰিব যে, উক্ত তাৰিখত আপুনি আদালতত হাজিৰ নহ'লে, আপোনাৰ অনুপস্থিতিতেই মোকদৰ্মাখন শুনানি কৰি নিষ্পত্তি কৰা হ'ব।

এই চমনখন গুৱাহাটীত ৮ ডিচেম্বৰ, ২০২৫ তাৰিখে মোৰ স্বাক্ষৰ আৰু আদালতৰ মোহৰসহ জাৰী কৰা হ'ল।

**অসামৰিক ন্যায়াধীশ (জ্যেষ্ঠ সংমণ্ডল) নং-২, কামৰূপ (ম), গুৱাহাটী**



**NEDFi** **উত্তৰ-পূব উন্নয়ন বিত্তীয় নিগম লিমিটেড**

পঞ্জীকৃত কাৰ্যালয় ঃ নেডফি হাউচ, জি এছ ৰোড, দিছপুৰ, গুৱাহাটী-৭৮১০০৬ ফোন ঃ +৯১ ৩৬১ ২২২ ২২ ০০, ফেক্স ঃ +৯১ ৩৬১ ২২৩ ৭৭ ৩৩/২২৩ ৭৭ ৩৪

**ই-নিলাম বিক্ৰী জাননী**

**ছাৰফেইছী আইন ২০০২ৰ অধীনত ই-নিলাম বিক্ৰীৰ জাননী**

**বিত্তীয় সম্পত্তিৰ নিৰাপত্তা আৰু পুনৰ্গঠন আৰু নিৰাপত্তা সুত বলবৎ আইন, ২০০২ (ইয়াৰ পিছত আইন বুলি উল্লেখ কৰা হ'ব)ৰ অধীনত স্থাৱৰ সম্পত্তি বিক্ৰী**

**ইএমডি আৰু নথি-পত্ৰ দাখিলৰ অন্তিম তাৰিখ ১৯-০২-২০২৬ৰ বিয়লি ৪.০০ বজালৈ**

যিহেতু, **উত্তৰ-পূব উন্নয়ন বিত্তীয় নিগম লিমিটেডৰ** (ইয়াৰ পিছত কৰ্পৰেছন) কৰ্তৃত্বপ্ৰাপ্ত বিষয়াই **বিত্তীয় সম্পত্তিৰ নিৰাপত্তা আৰু পুনৰ্গঠন আইন, ২০০২ৰ** ধাৰা **১৩(২)**ৰ অধীনত জাৰি কৰা জাননী অনুসৰি তলত উল্লেখ কৰা ঋন একাউন্ট/সমূহৰ বাবে **"য'ত আছে, যি আছে আৰু সেইটোতে আৰু কোনো ধৰণৰ পুনৰাবৰ্তন অধিকাৰ নথকাৰ ভিত্তিত"** বিক্ৰী কৰাৰ অধিকাৰ আছে। ইয়াৰ অধীনত বিশদভাৱে উল্লেখ কৰা অনুসৰি তলত উল্লেখ কৰা বাবদ আৰু প্ৰযোজ্য সুত, নিৰিখ আৰু খৰচ আদিৰ বাস্তৱায়নৰ বাবে আৰু যিহেতু ধন পৰিশোধ নকৰাৰ ফলস্বৰূপে, উক্ত আইনৰ ধাৰা ১৩(৪)ৰ অধীনত প্ৰদান কৰা ক্ষমতা প্ৰয়োগ কৰি নিম্নোক্ত স্বাক্ষৰকাৰীয়ে উক্ত সম্পত্তি/সমূহ বিক্ৰী কৰি উক্ত বাবদ ধন বাস্তৱায়িত কৰাৰ প্ৰস্তাৱ আগবঢ়ায়। ৱেবছাইটত প্ৰদান কৰা ই-নিলাম প্লেটফৰ্মৰ জৰিয়তে নিম্নোক্ত স্বাক্ষৰকাৰীসকলে এই সম্পত্তি বিক্ৰী কৰিব।

**ই-নিলামৰ সবিশেষ তথ্য তলত উল্লেখ কৰা হৈছেঃ**

| একাউণ্টৰ নাম | সম্পত্তিৰ বিৱৰণ | দাবী জাননীৰ দিন/বকেয়া পৰিমাণ | সংৰক্ষিত মূল্য | ই এম ডি | ন্যূনতম নিবিদা বৃদ্ধিৰ পৰিমাণ | ই-নিলামৰ দিন/সময় | সম্পত্তিৰ অনুসন্ধান |
|---|---|---|---|---|---|---|---|
| **মেছাৰ্ছ ৰক্ষিত এগ্ৰ' ফুড,** স্বত্বাধিকাৰী ঃ শ্ৰীমতী মিষ্টু ৰক্ষিত, স্বামী ঃ শ্ৰী শংকৰ ৰক্ষিত, ফেক্টৰি ছাইড ঃ লিম্বুগুৰি পথ, গুইজান, তিনিচুকীয়া, জিলা ঃ তিনিচুকীয়া, অসম-৭৮৬১৪৭ | ৩ কঠা ১০ লেচা জোখৰ এটা ইণ্ডাষ্ট্ৰিয়েল প্লট আৱৰি থকা দাগ নং ৭৩০ (নতুন)/৭১৫(পুৰণি) পিৰিয়ডিক পট্টা নং ২৮৯(নতুন)/২৭৫ (পুৰণি), গাঁও ঃ গুইজান গাঁও, মৌজা- বংগাগড়া, ৰাজহচক্ৰ- তিনিচুকীয়া, জিলা-তিনিচুকীয়া, অসম যিটো ভূমি শ্ৰীমতী মিষ্টুৰ ৰক্ষিতৰ নামত নিবন্ধিত লগতে বৰ্তমানৰ আৰু ভৱিষ্যতৰ সকলো বিল্ডিং আৰু থিয় হৈ থকা অসামৰিক নিৰ্মাণ, চাৰিসীমা ঃ উত্তৰে ঃ দাগ নং ২১৯ৰ অংশ দক্ষিণে ঃ ৰাজহুৱা পথ পূবে ঃ দাগ নং ২১৮ৰ অংশ পশ্চিমে ঃ দাগ নং ৭১৫ আৰু ২২১ ৰ অংশ | **২৩.০৬.২০২৫** **৫১,৮০,৮২৭** টকা (একাৱন্ন লাখ আশী হেজাৰ আঠশ সাতাইশ টকা মাত্ৰ) **২০.০৬.২০২৫** তাৰিখলৈ লগতে আকস্মিক খৰচ, ব্যয়, ভৱিষ্যতৰ সুদৰ সৈতে | **২৩,১৩,০০০/-** (তেইছ লাখ তেৰ হেজাৰ টকা মাত্ৰ) | **২,৩১,৩০০/-** (দুই লাখ একত্ৰিছ হেজাৰ তিনিশ টকা মাত্ৰ | **২৫,০০০/-** (পচিশ হেজাৰ টকা মাত্ৰ) | ২০.০২.২৬ বিয়লি ১১.০০ বজাৰ পৰা দুপৰীয়া ১২.০০ বজাৰ ভিতৰত লগতে প্ৰতিটোৰ বাবে ৫ মিনিট সময়সীমা বঢ়োৱাৰ অনুমতি | ২২.০১.২৬ ০৫.০২.২৬ বিয়লি ১.০০ বজাৰ পৰা ৪.০০ বজালৈ |

**ই-নিলাম সন্দৰ্ভত বিৱৰণ তলত উল্লেখ কৰা হ'ল ঃ**

(১) ই-নিলাম "য'ত আছে, যি আছে আৰু সেইটোতেই আৰু কোনো ধৰণৰ পুনৰাবৰ্তন অধিকাৰ নথকাৰ ভিত্তিত" আয়োজন কৰা হৈছে আৰু ইয়াক অনলাইনযোগে অনুষ্ঠিত কৰা হ'ব অনুমোদিত সেৱা প্ৰদানকাৰী মেছাৰ্ছ ই-প্ৰক্ৰিয়ৰমেণ্ট টেকন'লজিছ লিমিটেডৰ জৰিয়তে ৱেব পৰ্টেল (https://sarfaesi.auctiontiger.net)ত অনুষ্ঠিত হ'ব, লগতে অকচনটাইগাৰ মোবাইল এপত। অনলাইন ই-নিলাম নিলাম প্ৰ-পত্ৰ, ঘোষণা, অনলাইন নিলাম বিক্ৰীৰ সাধাৰণ চৰ্ত আৰু নিয়মসমূহ থকা ই নিলাম নিবিদাৰ নথিপত্ৰসমূহ **https://sarfaesi.auctiontiger.net** ত উপলব্ধ। সম্ভাব্য যোগ্য নিলামকাৰীসকলে ই-নিলামৰ তাৰিখৰ পূৰ্বে মেছাৰ্ছ ই-প্ৰক্ৰিয়ৰমেণ্ট টেকন'লজিছ লিমিটেডৰ পৰা ই-নিলামৰ ওপৰত অনলাইন প্ৰশিক্ষণ লাভ কৰিব পাৰিব। কোনো অনুমোদিত বিষয়া/নিগম বা মেছাৰ্ছ ই-প্ৰক্ৰিয়ৰমেণ্ট টেকন'লজিছ লিমিটেড এই-ক্ৰয়ত অংশগ্ৰহণত হোৱা যিকোনো ইণ্টাৰনেট নেটৱৰ্ক সমস্যাৰ বাবে দায়বদ্ধ নহ'ব আৰু আগ্ৰহী নিলামকাৰীসকলে ই-নিলাম অনুষ্ঠানত অংশগ্ৰহণৰ বাবে কাৰিকৰীভাৱে সুসজ্জিত হোৱাটো নিশ্চিত কৰিবলৈ দায়বদ্ধ হ'ব। (২) ইএমডি আৰটিজিএছ/এনইএফটি/ফাণ্ড ট্ৰেন্সফাৰৰ জৰিয়তে **একাউন্ট নং ১০০৫৫৬১০৫৫৪, ষ্টেট বেংক অব ইণ্ডিয়া, জিএমচি শাখা, ভঙাগড়, আইএফএছচি কোডৰ SBIN0007700** ক্ৰেডিটত জমা কৰিব লাগিব, অনলাইনত নিবিদা জমা দিয়াৰ আগতে। ইএমডি গুৱাহাটীত প্ৰদান কৰিবলগীয়া **উত্তৰ-পূব উন্নয়ন বিত্তীয় নিগম লিমিটেড(নেডফি)ৰ গুৱাহাটী** সপক্ষে পে অৰ্ডাৰ/ডিমাণ্ড ড্ৰাফটৰ জৰিয়তেও পৰিশোধ কৰিব পাৰিব, অসমৰ যিকোনো ৰাষ্ট্ৰীয়কৃত বা অনুসূচিত বেংকৰ পৰা লগতে নিবিদাত অংশগ্ৰহণৰ বাবে পত্ৰখনকে ধৰি অৰ্থাৎ (ক) এনইএফটি/আৰটিজিএছ চালানৰ প্ৰতিলিপি; (খ) পেন কাৰ্ডৰ প্ৰতিলিপি; (গ) পৰিচয়ৰ প্ৰমাণ (কেৱাইচি) (ঘ) ঠিকনাৰ প্ৰমাণপত্ৰ ৪ বজাৰ ভিতৰত নিবিদা দাখিলৰ শেষ তাৰিখ বা তাৰ আগতে আৰু তেওঁলোকৰ নাম মেছাৰ্ছ ই-প্ৰক্ৰিয়ৰমেণ্ট টেকন'লজিছ লিমিটেড (অকচন টাইগাৰ)ত পঞ্জীয়ন কৰক। যোগাযোগৰ ব্যক্তিঃ **ৰাম শৰ্মা, মোবাইলঃ ৮০০০০২৩২৯৭, ফোনঃ ৯২৬৫৫৬২৮১৮/৯২৬৫৫৬২৮২১/০৭৯-৬৮১৩৬৮৪২/৬৮৬৯ ইমেইলঃ ramprasad@auctiontiger.net & support@auctiontiger.net** আৰু বিনামূলীয়াকৈ ব্যৱহাৰকাৰী আইডি আৰু পাছৱৰ্ড লাভ কৰক আৰু **মেছাৰ্ছ ই-প্ৰক্ৰিয়ৰমেণ্ট টেকন'লজিছ প্ৰাঃ লিমিটেড**-অকচন টাইগাৰ, বি-৭০৫, ৱাল ষ্ট্ৰিট-২, অৰিয়েণ্ট ক্লাবৰ সন্মুখত, গুজৰাট কলেজৰ সমীপত, ইলিছ ব্ৰিজ, আহমেদাবাদ-৩৮০০০৬, গুজৰাট (ভাৰত)ৰ পৰা ই-নিলামৰ প্ৰশিক্ষণ লাভ কৰক। ইএমডিৰ বাবে কোনো চেক গ্ৰহণ কৰা নহ'ব। (৩) সফল নিবিদাকাৰীৰ আমানত ধন জমা (ইএমডি) অংশ বিক্ৰীৰ বিবেচনাৰ দিশত ৰখা হ'ব আৰু অসফল নিবিদাকাৰীৰ ইউৰ ইএমডি ঘূৰাই দিয়া হ'ব। আমানত ধন জমাৰ কোনো সুত নাথাকিব। সফল নিলামকাৰীয়ে বিক্ৰী মূল্যৰ ২৫শতাংশ, ই-নিলাম বিক্ৰীৰ প্ৰক্ৰিয়া বন্ধ হোৱাৰ লগে লগে, আৰু বাকী থকা বিক্ৰী মূল্যৰ ৭৫শতাংশ বিক্ৰীৰ ১৫ সংখ্যক দিন বা তাৰ আগতে বা অনুমোদিত বিষয়াৰ দ্বাৰা আৰু কেৱল অনুমোদিত বিষয়াৰ বিবেচনা অনুসৰি লিখিতভাৱে চুক্তিবদ্ধ হোৱা বৰ্ধিত সময়ৰ ভিতৰত জমা কৰিব লাগিব। সফল নিবিদাকাৰীয়ে ধন পৰিশোধ নকৰাৰ ক্ষেত্ৰত সফল নিবিদাকাৰীয়ে ইতিমধ্যে জমা কৰা ধনৰাশি জব্দ কৰিব লাগিব আৰু সম্পত্তি পুনৰ নিলাম কৰিব লাগিব আৰু ঋণ পৰিশোধ নকৰাৰ সম্পত্তি/ৰাশিৰ ক্ষেত্ৰত কোনো দাবী/অধিকাৰ নাথাকিব। বিক্ৰীৰ বাবে উপাৰ্জন **৫০ লাখ টকা(টকা পঞ্চাশ লাখ টকা)** আৰু তাৰ ওপৰত সফল নিবিদাকাৰীয়ে বিক্ৰীৰ উপাৰ্জনৰ ১শতাংশ হাৰত টিডিএছ পৰিশোধ কৰিব লাগিব আৰু টিডিএছ প্ৰমাণ পত্ৰৰ মূল ৰচিদ নিগমত জমা দিব লাগিব আৰু প্ৰযোজ্য অনুসৰি যাতায়ত, আইনী কৰ/জিএছটি পঞ্জীয়ন, নিৰিখ আদিৰ সকলো নিৰিখ কেৱল সফল নিবিদাকাৰীয়েহে বহন কৰিব। (৪) নিবিদা দাখিল কৰাৰ পূৰ্বে সম্পত্তি আৰু নিৰ্দিষ্টকৰণৰ বিষয়ে পৰিদৰ্শন কৰি নিজকে সন্তুষ্ট কৰাটো নিবিদাকাৰীৰ দায়িত্ব হ'ব। এই সন্দৰ্ভত অনুমোদিত বিষয়াৰ অনুমতি সাপেক্ষে ইচ্ছুক নিলামকাৰীক ওপৰত উল্লেখ কৰা ২২.০১.২০২৬ আৰু ০৫.০২.২০২৬ তাৰিখত বিয়লি ১.০০ বজাৰ পৰা ৪.০০ বজালৈ নিলামত ৰখা সম্পত্তি পৰিদৰ্শনৰ অনুমতি দিয়া হ'ব। পৰিদৰ্শনৰ বাবে ইচ্ছুক নিবিদাকাৰীয়ে তিনিচুকীয়া শাখাৰ নেডফিৰ শাখা পৰিচালকৰ সৈতে (**মোবাইল নং ৯৮৫৪০২৮২২২**) যোগাযোগ কৰিবলৈ অনুৰোধ জনোৱা হ'ল। (৫) অনুমোদিত বিষয়াই সৰ্বোচ্চ অফাৰ গ্ৰহণ কৰিবলৈ বাধ্য নহয় আৰু অনুমোদিত বিষয়াৰ কোনো বা সকলো অফাৰ(সমূহ) গ্ৰহণ বা প্ৰত্যাখ্যান কৰাৰ বা কোনো কাৰণ নিৰ্ধাৰণ নকৰাকৈ ই-নিলাম গ্ৰহণ/প্ৰত্যাখ্যান/স্থগিত/বাতিল কৰাৰ নিৰপেক্ষ অধিকাৰ আছে। অধিক তথ্যৰ বাবে যিকোনো কৰ্মদিনৰ কাৰ্যালয়ৰ সময়ত **উত্তৰ-পূব উন্নয়ন বিত্ত নিগম লিমিটেড (নেডফি), নেডফি হাউচ, জি এছ ৰোড, দিছপুৰ, গুৱাহাটী-৭৮১০০৬ৰ কৰ্তৃত্বপ্ৰাপ্ত বিষয়া শ্ৰী সত্যজিৎ নাথৰ সৈতে যোগাযোগ কৰক (ফোন নং ৯৮৫৪০-২৮২০৫) ইমেইল আইডিঃ satyajit@nedfi.com**। (৬) ওপৰৰ সূচীত উক্ত সম্পত্তিসমূহৰ সন্দৰ্ভত উল্লেখ কৰা বিৱৰণসমূহ অনুমোদিত বিষয়া/নিগমৰ তথ্য অনুসৰি উল্লেখ কৰা হৈছে, কিন্তু কোনো ভুলৰ বাবে অনুমোদিত বিষয়া বা নিগম জবাবদিহি নহ'ব, এই ৰাজহুৱা জাননীত ভুল বিবৃতি বা বাদ দিয়া হৈছে। (৭) অনুমোদিত বিষয়াৰ জ্ঞাত আৰু তথ্য অনুসৰি সম্পত্তিসমূহৰ ওপৰত আন কোনো বোজা নাই। কিন্তু নিলাম দাখিল কৰাৰ পূৰ্বে নিলামকাৰীয়ে নিলামত ৰখা সম্পত্তিৰ বোজা, সম্পত্তিৰ উপাধি আৰু সম্পত্তিক প্ৰভাৱিত কৰা দাবী/অধিকাৰ/বকেয়া/বাবদ/ বোজা সম্পৰ্কৰ বিষয়ে নিজাববীয়াকৈ সোধা-পোছা কৰিব লাগে। ই-নিলামৰ বিজ্ঞাপনটোৱে নিগমৰ কোনো প্ৰতিনিধিত্বৰ কোনো প্ৰতিশ্ৰুতি গঠন নকৰে আৰু ইয়াক গণ্য কৰা নহ'ব। নিগমৰ জনা বা অজ্ঞাত সকলো বৰ্তমানৰ আৰু ভৱিষ্যতৰ বোজা লৈ এই সম্পত্তি বিক্ৰী কৰা হৈছে। নিৰাপদ পাওনাদাৰৰ অনুমোদিত বিষয়া কোনো তৃতীয় পক্ষৰ দাবী/অধিকাৰ/বাবদ ধনৰ বাবে কোনো ধৰণে দায়বদ্ধ নহ'ব। বিক্ৰী ছাৰফেইছী আইন ২০০২-ৰ বিধান মতে সম্পাদিত হ'ব। (৮) নিবিদাকাৰীসকলক তেওঁলোকৰ নিলাম দাখিল কৰাৰ আগতে আৰু ই-নিলামত অংশগ্ৰহণ কৰাৰ আগতে ৱেব পৰ্টেলঃ **https://sarfaesi.auctiontiger.net** ত উপলব্ধ ই-নিলামৰ বিশদ চৰ্ত আৰু নিয়মসমূহৰ মাজেৰে যাবলৈ পৰামৰ্শ দিয়া হৈছে। (৯) **বন্ধকদাতা/জামিনদাৰ/ঋণগ্ৰাহকৰ দৃষ্টি আইনটোৰ ধাৰা ১৩ৰ উপ-ধাৰা (৮) ত উল্লেখিত বিধানলৈ আকৰ্ষিত কৰা হৈছে, য'ত সুৰক্ষিত সম্পত্তি উদ্ধাৰ কৰিবলৈ উপলব্ধ সময়ৰ বিষয়ে স্পষ্টকৈ উল্লেখ আছে।**

**নিৰাপত্তা স্বাৰ্থ (বলবৎকৰণ) নিয়ম ২০০২ৰ ৯(১)ৰ অধীনত বিধিগত ৩০ দিনৰ বিক্ৰীৰ জাননী**

ইয়াৰ দ্বাৰা উপৰোক্ত ঋণসমূহৰ ঋণগ্ৰহণকাৰী/জামিনদাৰ/বন্ধকদাতালৈ জাননী দিয়া হৈছে, ৩০ দিনৰ ভিতৰত বকেয়া ধন শেহতীয়া তাৰিখলৈ সুদ আৰু আনুষংগিক খৰচ সহিতে পৰিশোধ কৰিব নোৱাৰিলে উপৰত উল্লেখিত নিৰ্ধাৰিত তাৰিখত বিক্ৰী সম্পন্ন কৰা হ'ব।

**স্থানঃ গুৱাহাটী** **স্বা/-**

**তাৰিখঃ ২০.০১.২০২৬** **কৰ্তৃত্বশীল বিষয়া, নেডফি**



**पंजाब नैशनल बैंक** ...भरोसे का प्रतीक ! **punjab national bank** ...the name you can BANK upon !

**এআৰবিএম, হেম বৰুৱা ৰোড, পাণবজাৰ, গুৱাহাটী, পিন- ৭৮১০০১**

**ইমেইল আইডিঃ zs8346@pnb.bank.in**

**স্থাৱৰ/অস্থাৱৰ সম্পত্তিৰ বিক্ৰীৰ বাবে ই-নিলাম বিক্ৰী জাননী**

বিত্তীয় সম্পদৰ প্ৰতিভূতিকৰণ আৰু পুনৰ্নিৰ্মাণ আৰু প্ৰতিভূতি স্বাৰ্থৰ বলবৎকৰণ আইন, ২০০২ৰ সৈতে আমানত সুদ (বলৱৎকৰণ) নিয়মাবলী ২০০২ৰ নিয়ম ৮(৬)ৰ অধীনত স্থাৱৰ সম্পত্তিৰ বিক্ৰীৰ বাবে ই-নিলাম বিক্ৰী জাননী।

ইয়াৰ দ্বাৰা জনসাধাৰণক সাধাৰণভাৱে আৰু বিশেষকৈ ঋণী (সকলক)/অংশীদাৰ(সকলক)/সত্ত্বাধিকাৰী(সকলক)/বন্ধকদাৰ(সকলক) আৰু জামিনদাৰ (সকলক) জাননী দিয়া হৈছে যে চিকিউৰ্ড ক্ৰেডীটৰ ওচৰত বন্ধকীকৃত/নিৰিখিত নিম্ন উল্লিখিত স্থাৱৰ সম্পত্তিসমূহৰ বেংক! চিকিউৰ্ড ক্ৰেডীটৰৰ অনুমোদিত বিষয়াৰ দ্বাৰা নিৰ্মাণমূলক/কায়িক/প্ৰতীকী অধিগ্ৰহণ কৰা হৈছে আৰু সংশ্লিষ্ট ঋণী (সকল) আৰু জামিনদাৰ (সকল)ৰ পৰা বেংক/চিকিউৰ্ড ক্ৰেডীটৰৰ বকেয়া ধন পুনৰ আদায়ৰ বাবে "য'ত আছে ততে", "যি আছে সেই" আৰু "যেনে আছে তেনেকৈ" নিম্ন তালিকাত উল্লিখিত তাৰিখত বিক্ৰী কৰা হ'ব। প্ৰতিটো সম্পত্তিৰ বাবে সংৰক্ষিত মূল্য আৰু আমানত ধন জমাৰ পৰিমাণ তলত উল্লেখ কৰা তালিকা মতে হ'ব।

**সুৰক্ষিত সম্পদসমূহৰ সূচী**

| ক্ৰ নং | শাখাৰ নাম / একাউন্টৰ নাম / ঋণী আৰু জামিনদাৰৰ নাম আৰু ঠিকনা | বন্ধকী থকা স্থাৱৰ সম্পত্তিৰ বিৱৰণ/গৰাকীৰ নাম (সম্পত্তি সমূহৰ বন্ধকদাতা) | ক) চাৰফেইচী (SARFAESI) আইন ২০০২ৰ ধাৰা ১৩(২) ৰ অধীনত দাবী জাননীৰ তাৰিখ খ) পাবলগীয়া ধন গ) চাৰফেইচী (SARFAESI) আইন ২০০২ৰ ধাৰা ১৩(৪) ৰ অধীনত দখলীকৰণৰ তাৰিখ ঘ)দখলীকৰণৰ ধৰণ প্ৰতীকী/কায়িক/নিৰ্মাণমূলক | ক) সংৰক্ষিত মূল্য (টকা লাখত) খ) ই এম ডি (ইএমডি জমা দিয়াৰ শেষ তাৰিখ) গ) ডাক বৃদ্ধিৰ পৰিমাণ | ই-নিলামৰ তাৰিখ/সময় | চিকিউৰ্ড ক্ৰেডিটৰৰ জ্ঞাত দায়বদ্ধতাৰ বিৱৰণ |
|---|---|---|---|---|---|---|
| ১ | এআৰএমবি গুৱাহাটী শাখা<br>শ্ৰীমতী ৰঞ্জিতা বসুমতাৰী<br>(১) শ্ৰীমতী ৰঞ্জিতা বসুমতাৰী (ঋণী), স্বামী- সৌগ্ৰাকপাম দোলেন্দ্ৰ সিং ঠিকনাঃ ১- ফৰচুন ৰেছিডেন্সি, ছাউথ চিটি এপাৰ্টমেন্ট, টাৱাৰ-২, ব্লক-এ, ফ্লেট নং-২৮১, ৮ম মহলা, লখৰা পথ, গুৱাহাটী, জিলা- কামৰূপ (ম), পিন-৭৮১০৩৮; ঠিকনাঃ ২- পাৰামাউণ্ট গ্ৰাণেড, ফ্লেট নং-৪-১এ, সৰুসজাই ষ্টেডিয়ামৰ সমীপত, নালাপাৰা, গুৱাহাটী-৭৮১০৩৪ (২) দোলেন্দ্ৰ সিং (সহ-ঋণী/জামিনদাৰ), পিতা- প্ৰয়াত সৌগ্ৰাকপাম মধুমংগল সিং, ঠিকনাঃ ১- ঠংজু অংশ-১১, মখা লেইকাই ঠংজু, মনিপুৰ বিশ্ববিদ্যালয়, ডাক- কাঞ্চিপুৰ, থানা- সিংজামেই, জিলা- ইম্ফল পূব, মনিপুৰ-৭৯৫০০৩; ঠিকনাঃ ২- পাৰামাউণ্ট গ্ৰাণেড, ফ্লেট নং-৪-১এ, সৰুসজাই ষ্টেডিয়ামৰ সমীপত, নালাপাৰা, গুৱাহাটী-৭৮১০৩৪ | গুৱাহাটীৰ লখৰা পথত অৱস্থিত ফৰচুন ৰেছিডেন্সি (ছাউথ চিটি) নামৰ বহুমহলীয়া ভৱনত থকা ১৬৪৭ বৰ্গফুট পৰিসীমাৰ টাৱাৰ ২, ব্লক এ-ৰ অষ্টম মহলাৰ ৩ বিএইচকে আৱাসিক ফ্লেট নং ২৮১ ৰ লগতে ব্যক্তিগত টেৰেচ। ইয়াৰ উপৰিও ৰাজহ গাঁও- সৰুসজাই, মৌজা- বেলতলা, জিলা - কামৰূপ (ম), অসমত থকা তথা দাগ নং ৮১৩, কে পি পট্টা নং ১৯৬ ৰে আগুৰা ০.৬০ আৰ পৰিমাপৰ সমানুপাতিক মাটি সম্পত্তিৰ অংশ আৰু লগতে ইয়াত থকা মুকলি কাৰ পাৰ্কিঙৰ ঠাই। চাৰিসীমাৰ উত্তৰে- মঞ্জু ঘোষৰ মাটি, দক্ষিণে - জিতু বে'ৰ মাটি , পূবে- নগেন কিলিঙৰ মাটি, পশ্চিমে- পথ। | (ক) ২১-০৮-২০২৪<br>(খ) ৬৫,৩৯,১৯১.১৬ টকা লগতে ৩০.০৭.২০২৪ সুদ আৰু অন্যান্য খৰচ ৩১.০৭.২০২৪ৰ পৰা কাৰ্যকৰী হোৱাকৈ<br>(গ) ০৪.১২.২০২৪<br>(ঘ) প্ৰতীকী দখল | (ক) ৫৭,৬০,০০০ টকা<br>(খ) ৫,৭৬,০০০ টকা (০৯.০২.২০২৬ তাৰিখে সন্ধিয়া ৪ বজালৈ)<br>(গ) ০.৫০ লাখ | দিনাংক ঃ ১০.০২.২০২৬ সময় ঃ পুৱা ১১:০০ বজাৰ পৰা সন্ধিয়া ০৪.০০ বজালৈ | নাই |

**নিয়ম আৰু চৰ্তাৱলী**

বিক্ৰী প্ৰতিভূতি স্বাৰ্থ (বলবৎকৰণ) নিয়মাৱলী, ২০০২ৰ অধীনত উল্লেখিত নিয়মসমূহ আৰু তলত দিয়া অতিৰিক্ত চৰ্তাৱলীসমূহৰ ওপৰত ভিত্তি কৰি কৰা হ'ব -

১. সম্পত্তিসমূহ "য'ত আছে ততে", "যি আছে সেই" আৰু "যেনে আছে তেনে" এই ভিত্তিত বিক্ৰী কৰা হ'ব।

২. ওপৰত উল্লেখিত অনুসূচীত দিয়া সুৰক্ষিত সম্পত্তিসমূহৰ বিৱৰণ অনুমোদিত বিষয়া জনে তেওঁৰ উপলব্ধ সৰ্বোচ্চ তথ্যৰ আধাৰত উল্লেখ কৰিছে, কিন্তু কোনো ভুল, ভুল বিৱৰণ বা বাদ পৰাৰ বাবে অনুমোদিত বিষয়া জন দায়ী নহ'ব।

**৩. বিক্ৰীটো নিম্নস্বাক্ষৰকাৰীৰ দ্বাৰা https://baanknet.com ৱেবছাইটত ই-নিলাম প্লেটফৰ্মৰ মাধ্যমেৰে ১০.০২.২০২৬ তাৰিখে লট নং - ১ ৰ বাবে পুৱা ১১.০০ বজাৰ পৰা বিয়লি ০৪.০০ বজালৈ সম্পন্ন কৰা হ'ব।**

৪. বিক্ৰী সংক্ৰান্তীয় সম্পূৰ্ণ নিয়ম আৰু চৰ্তাৱলীসমূহ, জানিবলৈ অনুগ্ৰহ কৰি **https://baanknet.com** ৱেবছাইটটো চাওক।

৫. অনুমোদিত বিষয়া বা বেংকে সম্পত্তিসমূহৰ ওপৰত থকা যিকোনো চৰকাৰী দাবী, কৰ, লিয়েন, বন্ধক, বা আন কোনো অজ্ঞাত দাবীৰ বাবে দায়ী নহ'ব। নিলামত অংশগ্ৰহণ কৰিব ইচ্ছুক বিডাৰে সম্পত্তিৰ ওপৰত থকা সকলো সম্ভাব্য দায়বদ্ধতা, কৰ, বিদ্যুৎ বিল আদি বিষয়ে নিজে অনুসন্ধান কৰিব লাগিব।

৬. অনুমোদিত বিষয়া জনে যিকোনো বিড গ্ৰহণ বা প্ৰত্যাখ্যান কৰিবলৈ, নিলাম স্থগিত, বাতিল, পুনঃনিৰ্ধাৰণ বা চৰ্তাৱলী পৰিবৰ্তন কৰিবলৈ সম্পূৰ্ণ অধিকাৰ ৰাখে আৰু এই সম্পৰ্কে তেওঁৰ সিদ্ধান্ত চূড়ান্ত হ'ব।

৭. নিলামত অংশগ্ৰহণকাৰী বিডাৰে বিড জমা কৰাৰ আগতে সম্পত্তিখিনি নিজে পৰিদৰ্শন কৰি সন্তুষ্ট হ'ব লাগিব। সম্পত্তি পৰিদৰ্শনৰ বাবে বিডাৰে দায়িত্বপ্ৰাপ্ত বেংক কৰ্মচাৰীৰ সৈতে যোগাযোগ কৰিব লাগিব।

**তাৰিখ ঃ ১৫.০১.২০২৬** **অনুমোদিত বিষয়া**

**স্থান ঃ গুৱাহাটী** **পাঞ্জাব নেচনেল বেংক**


### কলাজল-বাক্‌সা-নাগ্ৰীজুলিত দুৰ্ঘটনা

## ৩জনৰ মৃত্যু

দৈনিক অসমৰ প্ৰতিনিধি

**কমলপুৰ, ১৯ জানুৱাৰী ঃ** কমলপুৰ থানাৰ অন্তৰ্গত কলাজলৰ উৰণ সেতুত সংঘটিত ভয়ংকৰ পথ দুৰ্ঘটনাত এজন লোক নিহত হয়। ৩১ নং ৰাষ্ট্ৰীয় ঘাইপথৰ উৰণ সেতুত ৰখাই থোৱা কণ্টেইনাৰ বাহনত প্ৰচণ্ড জোৰে খুন্দা মাৰে স্কুটী এখনে। ফলত *১১ পৃষ্ঠাত চাওক*

## ‘দৈনিক অসম’ৰ সঞ্জয় বৰুৱালৈ গ্ৰাম্য সাংবাদিক বঁটা-২০২৬



দৈনিক অসমৰ প্ৰতিনিধি

**টংলা, ১৯ জানুৱাৰী ঃ** ‘দৈনিক অসম’ৰ সাংবাদিক সঞ্জয় বৰুৱা ‘গ্ৰাম্য সাংবাদিক বঁটা-২০২৬’ৰ বাবে নিৰ্বাচিত হৈছে। নিউজ প'ৰ্টেল ‘আছাম ফ'কাছ’-এ এই বঁটা প্ৰদান কৰিব সঞ্জয় বৰুৱাক।১৪ আৰু ১৫ মাৰ্চত ওদালগুৰি জিলাৰ ওৰাঙত আছাম *১১ পৃষ্ঠাত চাওক*

# সম্পাদকীয়

**৬ মাঘ, মঙলবাৰ, ১৯৪৭ শক**

## ট্ৰাম্পৰ ‘ৰাষ্ট্ৰসংঘ’?

আমেৰিকা যুক্তৰাজ্যৰ ৰাষ্ট্ৰপতি ড’নাল্ড ট্ৰাম্পে ‘ব’ৰ্ড অব্ পীচ’ অৰ্থাৎ শান্তিৰ পৰিষদ গঠন কৰি কৰা ঘোষণাত বিশ্বজুৰি প্ৰতিক্ৰিয়া সৃষ্টি হোৱা দেখা গৈছে। ৰাষ্ট্ৰপতি ট্ৰাম্পে নিজেই এই ‘ব’ৰ্ড অব্ পীচ’ৰ স্থায়ী, আজীৱন অধ্যক্ষ বুলিও ঘোষণা কৰিছে। তেওঁ যদিও এই ‘ব’ৰ্ড অব্ পীচ’ৰ উদ্দেশ্য গাজাত শান্তি স্থাপন বুলি কৈছে, কিন্তু তেওঁ লগতে এই কথাও কৈছে যে গাজাৰ শান্তি স্থাপনৰ উপৰি বিশ্বৰ বিভিন্ন অঞ্চলত হোৱা যুদ্ধৰ অৱসানৰ হকেও কাম কৰিব বুলি ঘোষণা কৰিছে। ৰাষ্ট্ৰপতি ট্ৰাম্পে ইতিমধ্যে বিশ্বৰ ৬০খন দেশক এই ‘ব’ৰ্ড অব্ পীচ’ৰ সদস্য ৰাষ্ট্ৰ হ’বলৈ আহ্বান জনাই পত্ৰ প্ৰেৰণ কৰিছে। যিবিলাক দেশে ইয়াৰ সদস্য হ’ব, সেইবিলাক দেশে এক বিলিয়ন (এশ কোটি) মাৰ্কিন ডলাৰ ভৰ্তি মাচুল হিচাপে দিব লাগিব বুলিও ট্ৰাম্পে দাবী কৰিছে। ভাৰতীয় মুদ্ৰাত এই ধনৰ পৰিমাণ ৯,০৯৫ কোটি টকাৰো অধিক। শান্তিৰ বাবে গঠিত পৰিষদ বা কমিটীৰ সদস্য হ’বলৈ ইমান বৃহৎ পৰিমাণৰ ধন ট্ৰাম্পে দাবী কৰাৰ আঁৰত কি ৰহস্য থাকিব পাৰে? বন্ধু বিশিষ্ট নেতা-বিশেষজ্ঞৰ মতে, ৰাষ্ট্ৰপতি ট্ৰাম্পে আচলতে ৰাষ্ট্ৰসংঘক প্ৰত্যাহ্বান দিব পৰাকৈ তেওঁৰ নিজৰ ক্ষমতাৰ স্বাৰ্থত এক সমান্তৰাল আন্তঃৰাষ্ট্ৰীয় সংগঠন সৃষ্টি কৰিব বিচাৰিছে, যাক কোৱা হৈছে ‘ট্ৰাম্পৰ ৰাষ্ট্ৰসংঘ’ (ট্ৰাম্প্‌ছ ইউ এন)। এই ‘ট্ৰাম্পৰ ৰাষ্ট্ৰসংঘ’ত এতিয়াই সদস্য ভৰ্তি হোৱাৰ ক্ষেত্ৰত কিন্তু ইউৰোপকে ধৰি বেছিভাগ ৰাষ্ট্ৰই সংশয় তথা শংকাৰ ইংগিত দিছে নাইবা তেওঁলোকে একো ক’ব বিচৰা নাই। একমাত্ৰ হাংগেৰীৰ চৰকাৰে এই সংঘৰ প্ৰতি পোনপটীয়াকৈ সমৰ্থন ব্যক্ত কৰি ইয়াৰ সদস্য হোৱাৰ বাবে আগ্ৰহ প্ৰকাশ কৰিছে। উল্লেখ্য যে বৰ্তমান হাংগেৰী ৰাষ্ট্ৰপতি ট্ৰাম্পৰ এক বিশ্বস্ত মিত্ৰ দেশ। কিন্তু ফ্ৰান্স, জাৰ্মানী, ইটালী, স্পেইন, ইংলেণ্ড আদি ইউৰোপীয় দেশবিলাকে গাজাৰ শান্তি স্থাপনৰ বাবে সহযোগ-সমৰ্থনেৰে কাম কৰিবলৈ আগ্ৰহ দেখুৱাইছে যদিও ইয়াৰ অন্তৰালত কিবা ৰহস্যৰ গোন্ধ পাইছে। সেয়ে ট্ৰাম্পৰ শান্তিৰ পৰিষদৰ সদস্য হোৱাৰ ক্ষেত্ৰত এই দেশবোৰে কোনো স্পষ্ট ইংগিত দিয়াৰপৰা বিৰত আছে। ট্ৰাম্পে সদস্য হ’বলৈ এক বিলিয়ন ডলাৰ দাবী কৰাৰ উপৰি যিবিলাক দেশে ট্ৰাম্পৰ এই পৰিষদৰ সদস্য হোৱাৰপৰা বিৰত থাকিব, সেইবিলাক দেশৰ বিৰুদ্ধে ‘টেৰিফ’ বা শুল্ক আৰোপ কৰা হ’ব বুলিও সকীয়াই দিছে। ট্ৰাম্পৰ এনে দাবী প্ৰকৃততে বিশ্বৰ দেশবিলাকৰ বিৰুদ্ধে একধৰণৰ ‘ব্লেকমেইল’ বুলি দাবী কৰিছে একাংশ ইউৰোপীয় দেশে। অৰ্থাৎ ডাবি-ধমকি, ভয়-ভাবুকি দি ট্ৰাম্পে তেওঁৰ তথাকথিত শান্তি পৰিষদৰ সদস্য ভৰ্তি কৰিব বিচাৰিছে। বৰ্তমান ট্ৰাম্পৰ নীতিয়েই এনেকুৱা হৈ পৰিছে যে তেওঁৰ প্ৰস্তাৱ, তেওঁৰ কথা যি দেশেই অমান্য কৰিব, গ্ৰহণ নাইবা সমৰ্থন নকৰিব— সেই দেশকে আমেৰিকাবিৰোধী আখ্যা দিব আৰু সেই দেশৰ বিৰুদ্ধে ‘টেৰিফ’ বা শুল্ক আৰোপ কৰিব। তেওঁ যেন সমগ্ৰ বিশ্বতে ‘ট্ৰাম্পৰাজ’ প্ৰতিষ্ঠা কৰিব খুজিছে। তেওঁ যোৱা কিছু বছৰৰপৰা এটা শ্ল’গান দি আহিছে আৰু সেইটো হ’ল ‘মেইক আমেৰিকা গ্ৰেট এগেইন’। ইয়াকে কৰিবলৈ গৈ তেওঁ দেশবিলাকৰ বিৰুদ্ধে অৰ্থনৈতিক অৱৰোধ, হেঁচা, শুল্ক আৰোপ, আক্ৰমণ, আক্ৰমণৰ ভয়-ভাবুকি আদি বিভিন্ন কৌশল প্ৰয়োগ কৰিবলৈ লৈছে। ট্ৰাম্পৰ চৰকাৰে বেয়াপোৱা দেশৰ সৈতে যদি কোনো দেশে বাণিজ্যিক সম্পৰ্ক ৰক্ষা কৰে, তেতিয়াও সেই দেশৰ বিৰুদ্ধে প্ৰত্যক্ষ নাইবা পৰোক্ষভাৱে ভাবুকি বা হেঁচা দিয়ে আৰু শুল্ক আৰোপ কৰে। ভাৰতে ৰুছিয়াৰ সৈতে তেল আমদানি কৰাৰ বাবেই ভাৰতৰ বিৰুদ্ধে শুল্ক ৫০ শতাংশ বৃদ্ধি কৰিছে, যাৰ ফলত ভাৰতীয় ৰপ্তানি-বাণিজ্যত ক্ষতিকাৰক প্ৰভাৱ পৰিছে। প্ৰধানমন্ত্ৰী মোডীৰ চৰকাৰে এইক্ষেত্ৰত দৃঢ় স্থিতি লৈছে আৰু দেশৰ সাৰ্বভৌমত্ব অক্ষত ৰাখি দেশখনৰ সন্মান ৰক্ষা কৰিছে।

উল্লেখ্য যে বৰ্তমান ৰাষ্ট্ৰসংঘকে ধৰি আন্তঃৰাষ্ট্ৰীয় সংঘ বা সংস্থাবিলাকৰপৰা ট্ৰাম্পে আমেৰিকাক আঁতৰাই আনিছে। ইউনেস্ক’, ৱৰ্ল্ড হেল্‌থ অৰ্গেনাইজেচন, পেৰিছ ক্লাইমেট এগ্ৰীমেণ্ট আদি বিভিন্ন আন্তঃৰাষ্ট্ৰীয় সংস্থাৰপৰা আমেৰিকা বাহিৰ হৈ আহিছে ট্ৰাম্পৰ নিৰ্দেশত। আনকি ৩১টা ৰাষ্ট্ৰসংঘৰ সংস্থা আৰু ৩৫টা অ-ৰাষ্ট্ৰসংঘৰ সংস্থা ত্যাগ কৰিব বুলিও প্ৰকাশ পাইছে। বিশেষকৈ ৰাষ্ট্ৰসংঘই আমেৰিকাৰ স্বাৰ্থ পূৰণ কৰিব পৰা নাই বুলি ৰাষ্ট্ৰসংঘৰপৰাও আমেৰিকাক আঁতৰাই অনাৰ ভাবুকি দি থকা হৈছে। ৰাষ্ট্ৰসংঘক আমেৰিকাই নিজৰ স্বাৰ্থৰ বাবে ব্যৱহাৰ কৰিব বিচাৰে, কিন্তু ৰাষ্ট্ৰসংঘৰ ১৯৩খন সদস্য দেশে আন্তঃৰাষ্ট্ৰীয় সংকট-সমস্যা সমাধানৰ বাবে ৰাষ্ট্ৰসংঘক ব্যৱহাৰ কৰিব বিচাৰে। এতিয়া হয়তো ট্ৰাম্পে সেয়ে নিজৰ নিয়ন্ত্ৰণাধীন ৰাষ্ট্ৰসংঘৰ জন্ম দিব বিচাৰিছে।

## সময়ৰ শৰ



অসমে পালে দুখন নতুন অমৃত ভাৰত ৰে’ল।

**আগন্তুক বিধানসভা নিৰ্বাচনত চৰকাৰৰ বৃহৎ সাফল্য বুলি ঢাক-ঢোলেই বজাব পাৰিব দেখোন!**

❖ ❖ ❖

প্ৰমাণপত্ৰ অবিহনেই চলি আছে ইটাভাতা।

**প্ৰমাণপত্ৰ নাপালে বুলি উদ্যোগ আদিতো বন্ধ কৰি ৰাখিব পৰা নাযায়!**

❖ ❖ ❖

মহাৰাষ্ট্ৰত বি এম চি গঠনক লৈ বিজেপি মিত্ৰজোঁটত সংঘাত।

**আমাৰ ফালে হোটেল বুকিং হৈছে নেকি ভালকৈ খবৰ লওকচোন!**

❖ ❖ ❖

গোবৰাদলত ‘অসম দৰ্শন’ আঁচনিত অনিয়ম।


**চৰকাৰী আঁচনি ঘোষণাতে অনিয়ম— গতিকে ক’বলগীয়া একো নাই!**

কংগ্ৰেছৰ এটাই নীতি— অনুপ্ৰৱেশকাৰীক সুৰক্ষা দিয়া আৰু অনুপ্ৰৱেশকাৰীৰ সহায়ত শাসনলৈ অহা ঃ প্ৰধানমন্ত্ৰী

**লগতে ‘১৬ মে’ জাতীয় তাৰিখ এটাও উল্লেখ কৰা হ’লে কথাষাৰত সোণত সুৱগা চৰিলেহেঁতেন!**

❖ ❖ ❖

## মনস্তাত্ত্বিক দৃষ্টিকোণ



দেৱাঞ্জন বৰঠাকুৰ

### টৰণ্টোৰপৰা যোৰহাটলৈ

# সমন্বয়ৰ এটি পাঠ

> আমি স্বাভাৱিকতে মানুহক ‘আমি’ আৰু ‘তেওঁলোক’ বুলি ভাগ কৰি লওঁ। সমস্যাটো এইটো নহয় যে আমি শ্ৰেণীভুক্ত কৰোঁ; সমস্যাটো হ’ল যেতিয়া আমি আনসকলক ঘৃণা কৰিবলৈ ধৰোঁ। মই বেলেগ ধৰ্মৰ, আপুনি বেলেগ ধৰ্মৰ এই আমি আৰু তুমি এক প্ৰাকৃতিক কিন্তু সমস্যা সৃষ্টিকাৰী প্ৰক্ৰিয়া। কিন্তু ইয়াৰ ঊৰ্দ্ধত গৈ যে আমি মিলাপ্ৰীতিৰে থাকিব পাৰোঁ সেই কথা গান্ধীজীয়ে বাৰে বাৰে কৈ আহিছিল।

টৰণ্টোৰপৰা বাটকুৰি বাই আহি যোৰহাটত কিছু জিৰণি লৈছোঁ। সময়বোৰ যেন পাখি লগা কাঁড়ৰ দৰে উৰি গুচি যায়। বাল্য ভৱনৰ শৈশৱৰ স্মৃতিবোৰ সজীৱ হ’লেও চহৰখনৰ ৰেহৰূপ সলনি হৈছে, হয়তো সলনি হৈছে ৰাজনৈতিক বাতাৱৰণ। ব্যস্ত চহৰখনৰ টাউন উন্নয়নৰ ধূলিত পোত গৈছে, দাঁতিকাষৰীয়া ঠাইবোৰত এতিয়াও প্ৰকৃতিৰ নিৰ্মলতা হেৰাই যোৱা নাই। পুৰাৰ ফেঁহুজালি ৰ’দজাক আহি চোতালত পৰিছে, এনে উমাল পৰিৱেশ কানাডাত নাই। হঠাতে চিন্তাশীল লেখক আৰু বক্তা ময়ূৰ বৰাই নিমন্ত্ৰণ দিলে যোৰহাটৰ ঐতিহাসিক চেউনিআলি জামা মছজিদৰ দুশ বছৰীয়া প্ৰতিষ্ঠা দিৱস উপলক্ষে পতা এটি অনুষ্ঠানলৈ।

ময়ূৰ বৰাক কেইবা বছৰ লগ নাই পোৱা, লগতে মোৰ প্ৰথমখন কিতাপ ‘এটা ক’লা ছাতি আৰু এজন বগা মানুহ’ তেওঁক দিবলৈ আছিল, এই সুযোগতে সেয়ে উন্নয়নে ধূলিময় কৰি তোলা যান্ত্ৰিক যোৰহাটৰ ভগ্ন পথবোৰেদি গৈ চেউনিআলি পালোঁ। কিছুদিন আগতে চেউনিআলি জামা মছজিদৰ দুশ বছৰীয়া প্ৰতিষ্ঠা দিৱসত সাম্প্ৰদায়িক সম্প্ৰীতিৰ নিদৰ্শন প্ৰদৰ্শন কৰি জুবিন গাৰ্গকো স্মৰণ কৰা হৈছিল আৰু তেওঁৰ স্মৃতিত ৰক্তদান কৰিবলৈ হিন্দু-মুছলমান নিৰ্বিশেষে সকলোৰে আগবাঢ়ি আহিছিল। সাম্প্ৰদায়িক সম্প্ৰীতিৰ এই ধাৰা অক্ষুণ্ণ ৰখা দেখা গ’ল সেইদিনাৰ বক্তাসকলৰ বক্তব্যত, য’ত মুখ্য আকৰ্ষণ আছিল ময়ূৰ বৰাৰ ভাষণটো। ময়ূৰ বৰাই একতাৰ ঐতিহাসিক উদাহৰণ আৰু অসমৰ সংখ্যালঘু জনগোষ্ঠীৰ অৱদানৰ বিষয়ে বহুখিনি কথাই ক’লে। নৈতিক গুৰুত্ব আৰু সামাজিক দায়বদ্ধতাক আধাৰ কৰি ধৰ্মীয় সংকীৰ্ণতাতকৈ যে সাম্প্ৰদায়িক সম্প্ৰীতি বৰ্তমান বেছি গুৰুত্বপূৰ্ণ তাৰ আভাস বক্তৃতাত পোৱা গ’ল। গোড়ামি আৰু ৰক্ষণশীলতাৰ বিৰুদ্ধে আৰু সম্প্ৰীতি আৰু সমন্বয় বিচাৰি কৰা এক বিদ্ৰোহ ময়ূৰ বৰাৰ কণ্ঠত শুনা গ’ল। তেওঁ দিয়া কিছু উদাহৰণ আমাৰ বাবেও নতুন আছিল। যেনে— ন্যায়াধীশ আব্দুল মজিদৰ বিষয়ে তেওঁ কোৱা কথাবোৰ। যোৰহাটৰ বালিবাটত জন্মগ্ৰহণ কৰিছিল মজিদে। কৌতূহলবসত তেওঁৰ বিষয়ে ইণ্টাৰনেটত চাই দেখিলোঁ— তেওঁ ১৮৮৮ চনত কেম্ব্ৰিজ বিশ্ববিদ্যালয়ত আইন অধ্যয়নৰ বাবে নামভৰ্তি কৰে। ১৮৯১ চনত তেওঁ মিডল টেম্পলৰ পৰা বেৰিষ্টাৰ হিচাপে যোগ্যতা অৰ্জন কৰে আৰু ১৯২০ চনত মজিদ কলিকতা উচ্চন্যায়ালয়ৰ ন্যায়াধীশ হয়। হলিৰাম ডেকাক আমি মনত ৰাখিছোঁ, কিন্তু আব্দুল মজিদৰ বিষয়ে আমি নাজানিছিলোঁ।

ময়ূৰ বৰাৰ এই ইতিহাস চৰ্চা তেওঁৰ বক্তৃতাৰ এক অন্যতম আকৰ্ষণ। এনে এটা সময়ত য’ত উগ্ৰ ধৰ্মান্ধতা সহজলভ্য হৈ পৰিছে আৰু তাৰেই অজুহাতত সাম্প্ৰদায়িক সম্প্ৰীতিৰ বিৰুদ্ধাচৰণ কৰাৰ এক নেতিবাচক পৰম্পৰা আৰম্ভ হৈছে, তাৰ বিপৰীতে অনুভৱ হয় প্ৰতিষ্ঠা দিৱসৰ এই অনুষ্ঠানটোত আছিল এক সমন্বয়ৰ আভাস। ভাল লাগিছিল যেতিয়া ময়ূৰ বৰাই সুৰ লগাই কেইটামান গানো গাইছিল, অলপ অপ্ৰস্তুত আছিলোঁ যেতিয়া তেওঁ মঞ্চৰ পৰাই এই লেখকক চিনাকি কৰাই দিছিল। মঞ্চলৈ আমন্ত্ৰণ কৰাত দুই-এটা কথা ক’লোঁ। কথাখিনি গুৰুত্বপূৰ্ণ, কাৰণ ৰ’ড আইলেণ্ড বিশ্ববিদ্যালয়ত থাকোঁতেও (য’ত ডঃ দিলীপ কুমাৰ দত্তই এটা সময়ত অধ্যাপনা কৰিছিল)। 'Non-Violencce and conflict reconcilliation' নামৰ এটা বিষয় পঢ়িছিলোঁ আৰু বহু বছৰৰ পাছত টৰণ্টো বিশ্ববিদ্যালয়ত অংশকালীন অধ্যাপক হিচাপে পঢ়াবলৈ সুবিধা পাইছিলোঁ,— Intergroup Relations। সেই বিষয়ে হয়তো ক’ৰবাত লিখিছোঁ কিন্তু পুনৰাবৃত্তি অপ্ৰয়োজনীয় নহয় যিহেতু এইবোৰ বিষয় যথেষ্ট গুৰুত্বপূৰ্ণ। টৰণ্টো বিশ্ববিদ্যালয়ত যেতিয়া পঢ়াইছিলোঁ, আমি এই গোটবোৰৰ মাজত কিয় পাৰ্থক্য আছে আৰু এই পাৰ্থক্য আৰু বিভেদবোৰ কেনেকৈ নাইকিয়া কৰিব পাৰি সেই আলোচনাবোৰ কৰিছিলোঁ। এই গোটবোৰ হ’ব পাৰে ভাষিক বা ধৰ্মীয়। বহু সময়ত আমি বিপৰীত গ্ৰুপ বা গোটটোৰ প্ৰত্যেকজন ব্যক্তিকে একেই চকুৰে চাওঁ, তেওঁলোক সকলো এনেকুৱাই এই ধাৰণা ৰাখোঁ, ইয়াক outgroup homogenisation বুলি কোৱা হয়, কিন্তু ইয়াৰ ফলত আমি কেতিয়াবা আনটো গোটক অমানৱীয়কৰণ কৰাৰ দৰে পদক্ষেপ লওঁ। অৰ্থাৎ কোনোবা এখন দেশৰ কোনোবা ধৰ্মৰ/ভাষাৰ মানুহে কোনো অমানৱীয় কাম কৰিছে, তেতিয়া সেই ধৰ্মৰ/ভাষাৰ সকলো ব্যক্তিকে এই হোমোজেনাইজেচন কৰি চোৱা হয় আৰু নিশ্চয়কৈ ই এক অশুদ্ধ চিন্তাধাৰা। সাধাৰণতে যুদ্ধৰ সময়ত এখন দেশে আনখন দেশক এনেকৈয়ে dehumanise কৰি লয়, কিন্তু ইয়াৰ ফলত দুটা সম্প্ৰদায়ৰ মাজত ভেদভাব আৰু বাঢ়েহে, নকমে। পশ্চিমীয়া দেশতো বৈধ বা অবৈধ দুয়ো ধৰণৰ প্ৰব্ৰজনকাৰীৰ প্ৰতি বহুতো লোকে বিৰূপ মনোভাব ৰখা দেখা যায়। অসম বা ভাৰতৰ অনুপ্ৰৱেশৰ সমস্যাটোকো এক নিৰপেক্ষ দৃষ্টিৰে চাবলৈ লোৱাৰ এক প্ৰয়োজনীয়তা থাকে। সাম্প্ৰদায়িক সম্প্ৰীতিৰ বাবে কাউণ্টাৰ-ষ্টীৰিঅ’টাইপ উদাহৰণ দি বুজাবলৈ চেষ্টা কৰিলে মানুহৰ মনবোৰ সলনি কৰিব পৰা যায়। উল্লেখিত আনটো গোটক কৰা অমানৱীয়কৰণৰ প্ৰক্ৰিয়াক বাধা দিয়াত এনে উদাহৰণবোৰ সহায়ক হ’ব পাৰে। মোৰ বক্তৃতাটোত উল্লেখ কৰিছিলোঁ কেনেকৈ এটা Superordinate Identity যেনে আমি সকলো জাতি, ধৰ্ম, ভাষা নিৰ্বিশেষে অসমীয়া আৰু ভাৰতীয়— এনে এক ধাৰণাই আমাৰ মাজত ঐক্য আৰু সম্প্ৰীতি বৃদ্ধি কৰাত অৰিহণা যোগাব পাৰে। এইখিনি আছিল মোৰ বক্তৃতাৰ কিয়দংশ।


আজি সোঁপন্থী জনপ্ৰিয়তাবাদৰ সমগ্ৰ বিশ্বতে উত্থান ঘটিছে। ইয়াৰ আঁৰত অসংখ্য মনস্তাত্ত্বিক কাৰক আছে। ঠিক এনে সময়তেই অনুভৱ হয় চেউনিআলি জামা মছজিদৰ প্ৰতিষ্ঠা দিৱসৰ দৰে অনুষ্ঠানবোৰ গুৰুত্বপূৰ্ণ হৈ পৰে, গুৰুত্বপূৰ্ণ হৈ পৰে সমন্বয়ৰ কামবোৰো। ই প্ৰচলিত নেৰেটিভৰ বিপৰীতে গৈ এক কাউণ্টাৰ-নেৰেটিভ সৃষ্টিত অৰিহণা যোগায়, য’ত সৰ্ব ধৰ্মৰ মানুহে এক উদাৰ, বহল মনৰ পৰিচয়ৰ অনুশীলন কৰিব পাৰে। যিকোনো মতাদৰ্শ, যিকোনো ধৰ্মৰ ঊৰ্দ্ধত গৈ মানৱীয়তাৰ প্ৰসাৰ আৰু পাৰিলে এই মানৱীয়তাৰ সম্প্ৰসাৰণ জীয়াই থকা, আৱেগ অনুভৱ কৰিব পৰা আন আন জীৱ-জন্তুলৈও প্ৰসাৰিত হ’ব লাগে। মহাত্মা গান্ধী এই ক্ষেত্ৰত আমাৰ আদৰ্শ হ’ব পাৰে। আন্তঃগোষ্ঠীয় সমন্বয় বহুবোৰ কাৰকৰ ওপৰত নিৰ্ভৰ কৰে। Contact hypothesis এটা ফলপ্ৰসূ উপায়। এই যে সেইদিনা লগ পালোঁ ভিন্ন ধৰ্মীয় মানুহবোৰক, সি মোক আৰু আনসকলকো ইতিবাচকভাৱে প্ৰভাৱিত কৰিলে। এই হাইপ’থেছিছে কয় যে উপযুক্ত পৰিস্থিতিত আন্তঃগোট সংস্পৰ্শই সংখ্যাগৰিষ্ঠ আৰু সংখ্যালঘু গোটৰ সদস্যৰ মাজত পক্ষপাতিত্ব ফলপ্ৰসূভাৱে হ্ৰাস কৰিব পাৰে।

গৰ্ডন এলপৰ্ট এজন মনোবিজ্ঞানী আছিল। এলপৰ্টৰ নিজৰ ভাষাত, ‘উমৈহতীয়া লক্ষ্যৰ সন্ধানত সংখ্যাগৰিষ্ঠ আৰু সংখ্যালঘু গোটৰ মাজত সমান মৰ্যাদাৰ সংস্পৰ্শৰ দ্বাৰা পক্ষপাতিত্ব হ্ৰাস পাব পাৰে। যদিহে এই যোগাযোগ প্ৰাতিষ্ঠানিক সমৰ্থনৰ দ্বাৰা অনুমোদিত হয় (অৰ্থাৎ আইন, ৰীতি-নীতি বা স্থানীয় পৰিৱেশৰ দ্বাৰা), তেন্তে ইয়াৰ প্ৰভাৱ বহু পৰিমাণে বৃদ্ধি পায় আৰু যদিহে ই এনেধৰণৰ হয়, যিয়ে দুয়োটা গোটৰ সদস্যসকলৰ মাজত উমৈহতীয়া স্বাৰ্থ আৰু উমৈহতীয়া মানৱতাৰ ধাৰণালৈ লৈ যায়।’—গৰ্ডন ডব্লিউ অলপৰ্ট, দ্য নেচাৰ অৱ প্ৰিজুডিচ (১৯৫৪)। সহজভাৱে যদি ক’বলৈ যাওঁ শাসক পক্ষই আইনৰ মাজেৰে সাম্প্ৰদায়িকতাক বিৰোধ কৰে, মানুহবোৰে যদি সমান মৰ্যাদা পায় আৰু এক উমৈহতীয়া মানৱীয় স্বাৰ্থ থাকে, তেন্তে এনে সম্প্ৰীতিৰ বাবে বাট সুলভ হয়। জাতি, ধৰ্ম, ভাষা নিৰ্বিশেষে অসমৰ স্বাৰ্থৰ কথা ভাবিলে, মানুহৰ স্বাৰ্থ আৰু আনকি এই পৃথিৱীখনৰ বাবে উমৈহতীয়া স্বাৰ্থৰে ভাবিলেও আমি এক হ’ব পাৰোঁ।

সামাজিক পৰিচয় তত্ত্বৰ প্ৰসংগ উল্লেখনীয়। আমি স্বাভাৱিকতে মানুহক ‘আমি’ আৰু ‘তেওঁলোক’ বুলি ভাগ কৰি লওঁ। সমস্যাটো এইটো নহয় যে আমি শ্ৰেণীভুক্ত কৰোঁ; সমস্যাটো হ’ল যেতিয়া আমি আনসকলক ঘৃণা কৰিবলৈ ধৰোঁ। মই বেলেগ ধৰ্মৰ, আপুনি বেলেগ ধৰ্মৰ এই আমি আৰু তুমি (Us vs Them) এক প্ৰাকৃতিক কিন্তু সমস্যা সৃষ্টিকাৰী প্ৰক্ৰিয়া। কিন্তু ইয়াৰ ঊৰ্দ্ধত গৈ যে আমি মিলাপ্ৰীতিৰে থাকিব পাৰোঁ সেই কথা গান্ধীজীয়ে বাৰে বাৰে কৈ আহিছিল। তেওঁ ১৯২১ চনত কৈছিল- "The English say that this unity is only apparent that Hindus and Muslims can never unite, that the basis of even this apparent unity is self-interest and they will again fall apart as soon as this is served. But this is nonsense. If Hindus and Mussalmans are determined to protect their unity, this cannot be.' (19:351)। কথাটো যেন সেইটোৱেই, এই আমি আৰু আৰু সিহঁত দ্বৈততাৰ ঊৰ্দ্ধত এক মানৱীয় স্থিতি লোৱাৰ প্ৰয়োজনীয়তা থাকে। ইয়াৰ অভাৱ হোৱাৰ বাবেই চুবুৰীয়া দেশবোৰত আমি দেখিছোঁ ধৰ্মান্ধতা আৰু গণ উন্মাদনা। এনে উন্মাদনা পৰিহাৰ কৰিব লাগিলে, সম্প্ৰীতিৰ প্ৰতি নতুনসকলক আগ্ৰহী কৰাৰ প্ৰয়োজনীয়তা আছে। এই অনুষ্ঠানটোলৈ যোৱাটো আছিল এক কাকতালীয় সংযোগ, কিন্তু তাৰ পৰা শিকি অহা কথাবোৰ হয়তো যথেষ্ট প্ৰয়োজনীয়, অন্ততঃ ভৱিষ্যতৰ বাবে। টৰণ্টোত পঢ়োৱা আন্তঃগোষ্ঠী সম্পৰ্কৰ প্ৰয়োজনীয়তা আজিৰ অসমত কিমান প্ৰয়োজনীয় তাক দোহৰাৰ প্ৰয়োজন নাই। যোৰহাটত প্ৰায় দুই শতিকা অতিক্ৰম কৰা মছজিদৰ এই অনুষ্ঠানটোত আন্তঃগোষ্ঠীয় সম্পৰ্কক এটা জীৱন্ত পৰম্পৰা হিচাপে দেখি কিছু অভিভূত হৈছিলোঁ। ময়ূৰ বৰাৰ সেইদিনাৰ বক্তৃতাটোতো অনুৰণিত হৈছিল সাম্য, মৈত্ৰীৰ প্ৰয়োজনীয়তাৰ কথা। অনাগত সময়ত জাতি, ধৰ্ম, ভাষা নিৰ্বিশেষে এনেকৈ সাম্য আৰু মৈত্ৰীৰ পৰিৱেশ গঢ়ি তোলাটোৱেই হ’ব নতুন প্ৰজন্মক আমি দিব পৰা এক অমূল্য উপহাৰ।

*লেখক টৰণ্টো বিশ্ববিদ্যালয়ৰ অংশকালীন অধ্যাপক আৰু গৱেষক*





### ভেনিজুৱেলাৰ পাছত এইবাৰ কাৰ পাল!

# গ্ৰীনলেণ্ড নে কলম্বিয়া

**হেমাংগ গোস্বামী**

> ২০১৬ চনত যেতিয়া ট্ৰাম্পে প্ৰথমবাৰ কাৰ্যভাৰ গ্ৰহণ কৰিছিল তেতিয়া তেওঁৰ প্ৰচাৰৰ শ্ল’গান আছিল মেক্সিকান সীমান্তত ‘দেৱাল নিৰ্মাণ’ কৰা। ২০২৫ চনত দ্বিতীয়বাৰলৈ কাৰ্যভাৰ গ্ৰহণ কৰাৰ প্ৰথম দিনাই তেওঁ মেক্সিকো উপসাগৰৰ নাম সলনি কৰি কাৰ্যবাহী আদেশত স্বাক্ষৰ কৰিছিল। তেওঁ প্ৰায়ে দাবী কৰি আহিছে যে মেক্সিকান চৰকাৰে আমেৰিকালৈ ড্ৰাগ্‌ছ বা অবৈধ অনুপ্ৰৱেশকাৰীৰ প্ৰৱাহ বন্ধ কৰিবলৈ যথোচিতভাৱে কাম কৰা নাই। মেক্সিকোৰ মাজেৰে ড্ৰাগছ ‘উভৈনদী হৈ পৰিছে’ আৰু ‘আমি কিবা এটা কৰিব লাগিব,’। তাত থকা কাৰ্টেলসমূহ ‘অতি শক্তিশালী’।

ভেনিজুৱেলাৰ পাছত এইবাৰ কাৰ পাল! লেটিন আমেৰিকাৰ খনিজ সম্পদত চহকী দেশ ভেনিজুৱেলাৰ ৰাষ্ট্ৰপতিৰ লগতে পত্নীকো সামৰিক শক্তিৰে শোৱনিকোঠাৰপৰাই বন্দী কৰি আমেৰিকাৰ পোতাশালত নিক্ষেপ কৰাৰ পাছত স্বাভাৱিকতেই এতিয়া বিশ্ব ৰাজনীতিত চৰ্চা আৰু কৌতূহলৰ বিষয় হৈ পৰিছে ট্ৰাম্পৰ পৰৱৰ্তী লক্ষ্য কোন? মোডীৰ বিৰুদ্ধে সততে চেলু বিচাৰি থকা একাংশ বিৰোধী দল-নেতাই জনসাধাৰণৰ মাজত এক আশংকা সুমুৱাই দিবলৈ অপচেষ্টা চলোৱা দেখা গৈছে যদিও কূটনৈতিক দৃষ্টিকোণ আৰু ভৌগোলিক অৱস্থানৰপৰা সেই আশংকা তেনেই অমূলক। কিয়নো ভাৰত নিজেই এখন আগশাৰীৰ পাৰমাণৱিক শক্তিধৰ দেশ। তদুপৰি ভাৰতৰ লগত আছে আমেৰিকাৰ দুই শক্তিশালী প্ৰতিদ্বন্দ্বী ৰুছিয়া আৰু চীনৰ আশীৰ্বাদ। চীন বৈৰী দেশ হ’লেও আমেৰিকাৰ ক্ষেত্ৰত ভাৰতৰ সহযোগী হিচাপে থিয় দিব। ভাৰতৰ বিৰুদ্ধে বাণিজ্য যুদ্ধ অব্যাহত ৰাখিলেও ট্ৰাম্পে ভেনিজুৱেলাৰ দৰে ভয়ংকৰ পদক্ষেপ লোৱাৰ দুঃসাহস নকৰিব বুলিয়েই ৰাজনৈতিক পৰ্যৱেক্ষক মহলৰ ধাৰণা। আমেৰিকাৰ ৰাষ্ট্ৰপতি ড’নাল্ড ট্ৰাম্পৰ কোপদৃষ্টিত পৰা আন পাঁচখন দেশৰ ভিতৰত আছে ক্ৰমে গ্ৰীনলেণ্ড, কলম্বিয়া, ইৰান, মেক্সিকো আৰু কিউবা। গ্ৰীনলেণ্ডত ইতিমধ্যেই আমেৰিকাৰ এটা সামৰিক ঘাটী আছে-পিটুফিক মহাকাশ ঘাটী।

কিন্তু ট্ৰাম্পে গোটেই দ্বীপটোকে নিজৰ অধীনলৈ আনিব বিচাৰে। ৰাষ্ট্ৰীয় নিৰাপত্তাৰ বাবে আমেৰিকাক গ্ৰীনলেণ্ডৰ প্ৰয়োজন বুলিও তেওঁ সাংবাদিকৰ আগত দোহাৰি আহিছে। এই অঞ্চলটো ৰুছিয়া আৰু চীনৰ জাহাজৰদ্বাৰা আক্ৰান্ত বুলিও দাবী কৰে। ডেনমাৰ্কৰ অংশ হিচাপে এই বিশাল আৰ্কটিক দ্বীপটো আমেৰিকাৰপৰা প্ৰায় ২০০০ মাইল (৩২০০ কিলোমিটাৰ) উত্তৰ-পূবত অৱস্থিত। ইয়াত বিৰল খনিজ পদাৰ্থ আছে, যিবোৰ স্মাৰ্টফোন, বৈদ্যুতিক বাহন আৰু সামৰিক সঁজুলি নিৰ্মাণৰ বাবে অতি গুৰুত্বপূৰ্ণ। পৃথিৱীৰ আপুৰুগীয়া খনিজ উৎপাদনৰ ক্ষেত্ৰত চীনে এতিয়া আমেৰিকাক বহুখিনি চেৰ পেলাইছে। উত্তৰ আটলাণ্টিকতো গ্ৰীনলেণ্ডে এক গুৰুত্বপূৰ্ণ কৌশলগত স্থান দখল কৰিছে, যিয়ে আৰ্কটিক বৃত্তলৈ ক্ৰমান্বয়ে প্ৰৱেশৰ সুবিধা প্ৰদান কৰে। অনাগত বছৰবোৰত মেৰুৰ বৰফ গলি যোৱাৰ লগে লগে নতুন জাহাজ চলাচলৰ পথো মুকলি হোৱাৰ সম্ভাৱনা আছে।

গ্ৰীনলেণ্ডৰ প্ৰধানমন্ত্ৰী জেন্স ফ্ৰেড্ৰিক নিলছনে ট্ৰাম্পৰ এই প্ৰস্তাৱক ‘অলীক কল্পনা’ বুলি অভিহিত কৰিছে। দেশখনৰ ওপৰত কোনো হেঁচা নাই আৰু সংলগ্ন কৰাৰ ইংগিত নাই। আলোচনাৰ বাবে মুকলি থকা বুলি উল্লেখ কৰিলেও ইয়াক সঠিক প্ৰক্ৰিয়াৰে আৰু আন্তঃৰাষ্ট্ৰীয় আইনৰ প্ৰতি সন্মান জনাই কৰিব লাগিব বুলিও তেওঁ নিজৰ স্থিতি স্পষ্ট কৰি দিছে। ডেনমাৰ্কৰ প্ৰধানমন্ত্ৰী মেট ফ্ৰেডেৰিকচেনে শেহতীয়াকৈ কৈছে যে ট্ৰাম্পে গ্ৰীনলেণ্ড বিচাৰে বুলি কোৱাৰ সময়ত বিষয়টোৰ ‘গুৰুত্ব’ অনুধাৱন কৰা উচিত। গ্ৰীনলেণ্ডে বাৰে বাৰে কৈছে যে তেওঁলোকে আমেৰিকাৰ অংশ হ’ব নিবিচাৰে। ফ্ৰেডেৰিকচেনে সকীয়াই দিছিল যে যদি আমেৰিকাই নাটোৰ আন এখন দেশক সামৰিক শক্তিৰে আক্ৰমণ কৰে, তেন্তে ‘সকলো বন্ধ হৈ যাব’। ডেনমাৰ্কৰ বৰ্তমানৰ স্থিতিৰ সমৰ্থনত ইউৰোপৰ গুৰুত্বপূৰ্ণ সমৰ্থন আছে। ট্ৰাম্পৰ কোপদৃষ্টিত থকা আন এখন দেশ হ’ল কলম্বিয়া।

ভেনিজুৱেলাত সামৰিক অভিযান সমাপ্ত হোৱাৰ কেইঘণ্টামানৰ ভিতৰতে ট্ৰাম্পে কলম্বিয়াৰ ৰাষ্ট্ৰপতি গুস্তাভো পেট্ৰ’ক সকীয়নি দিছিল। ভেনিজুৱেলাৰ চুবুৰীয়া দেশ কলম্বিয়াত উল্লেখযোগ্য তেলৰ ভাণ্ডাৰ মজুত থকাৰ উপৰি ই এখন সোণ, ৰূপ, পান্না, প্লেটিনাম আৰু কয়লাৰ প্ৰধান উৎপাদনকাৰী দেশ। অঞ্চলটোৰ ড্ৰাগছ ব্যৱসায় বিশেষকৈ কোকেইনৰ বাবেও ই এক প্ৰধান কেন্দ্ৰ। ছেপ্টেম্বৰৰপৰাই দেশখনৰ বাঁওপন্থী ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে ট্ৰাম্পৰ তৰ্কযুদ্ধ চলি আহিছে। আমেৰিকাই কেৰিবিয়ান আৰু পূব প্ৰশান্ত মহাসাগৰীয় অঞ্চলত নাওসমূহৰ জৰিয়তে ড্ৰাগ্‌ছ কঢ়িয়াই থকা বুলি প্ৰমাণ নোহোৱাকৈয়ে দাবী কৰি আহিছে। অক্টোবৰ মাহত আমেৰিকাই পেট্ৰ’ৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰিছিল, কাৰ্টেলক ‘বৃদ্ধি’ হ’বলৈ অনুমতি দিয়াৰ অভিযোগ উত্থাপন কৰিছিল। অলপতে ট্ৰাম্পে সংবাদ মাধ্যমত কৈছিল যে কলম্বিয়াক এনে এজন ৰোগীয়ে চলাই আছে যিয়ে কোকেইন বনাই আমেৰিকাক বিক্ৰী কৰি ভাল পায়। তেওঁ আৰু অধিক দিনলৈ তেনেকুৱা কৰিব নোৱাৰিব বুলিও সকীয়াই দিয়ে। কলম্বিয়াৰ বিৰুদ্ধে আমেৰিকাই অভিযান চলাব নেকি বুলি সোধাত ট্ৰাম্পে আওপকীয়াকৈ কয় যে ঐতিহাসিকভাৱে ড্ৰাগ্‌ছৰ বিৰুদ্ধে যুদ্ধত কলম্বিয়াই ৱাশ্বিংটনৰ ঘনিষ্ঠ মিত্ৰ হিচাপে পৰিগণিত হৈ আহিছে, ড্ৰাগ্‌ছ কাৰ্টেলৰ বিৰুদ্ধে যুঁজিবলৈ প্ৰতি বছৰে লাখ লাখ ডলাৰৰ সামৰিক সাহায্যও লাভ কৰিছিল। আমেৰিকাৰ তীক্ষ্ণ নজৰত থকা মধ্যপ্ৰাচ্যৰ এখন ধনাঢ্য দেশ ইৰান।

বৰ্তমান ইৰানত চৰকাৰবিৰোধী ব্যাপক প্ৰতিবাদৰ সন্মুখীন হৈছে। ট্ৰাম্পে সকীয়াই দিছে যে যদিহে আৰু অধিক প্ৰতিবাদকাৰীক হত্যা কৰা হয়, তেন্তে দেশখনৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ লোৱা হ’ব। সাংবাদিকৰ আগত সদৰি কৰা মতে— ‘আমি অতি তীক্ষ্ণ দৃষ্টিৰে চাই আছোঁ। যদি তেওঁলোকে পূৰ্বৰ দৰে মানুহক হত্যা কৰিবলৈ আৰম্ভ কৰে, তেন্তে মই ভাবোঁ আমেৰিকাই তেওঁলোকক অতি প্ৰচণ্ড আঘাত কৰিব।’ যোৱা বছৰ ইৰানৰ পাৰমাণৱিক ক্ষেত্ৰসমূহত বিধ্বংসী আক্ৰমণ চলোৱাৰ পিছত ইৰানৰ শাসন ব্যৱস্থাৰ বিৰুদ্ধে অধিক পদক্ষেপ গ্ৰহণৰ ভাবুকি দিছে ট্ৰাম্পে। ইৰানৰ গোপন পাৰমাণৱিক শক্তিভাণ্ডাৰ ধ্বংস কৰাৰ লক্ষ্যৰে ইজৰাইলৰ এক বৃহৎ অভিযানৰ পাছতে ইজৰাইল-ইৰানৰ ১২ দিনীয়া যুদ্ধৰ সূচনা ঘটিছিল। শেহতীয়া মাৰ-এ-লাগোত ট্ৰাম্প আৰু ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুৰ মাজত অনুষ্ঠিত বৈঠকত ইৰানে আগস্থান পাইছিল। আমেৰিকাৰ সংবাদ মাধ্যমে প্ৰকাশ কৰা অনুসৰি ২০২৬ চনত ইৰানৰ ওপৰত নতুন আক্ৰমণৰ সম্ভাৱনা উত্থাপন কৰিছিল নেতান্যাহুৱে। ট্ৰাম্পৰ লক্ষ্যত থকা আন এখন লেটিন আমেৰিকাৰ দেশ মেক্সিকো। ২০১৬ চনত যেতিয়া ট্ৰাম্পে প্ৰথমবাৰ কাৰ্যভাৰ গ্ৰহণ কৰিছিল তেতিয়া তেওঁৰ প্ৰচাৰৰ শ্ল’গান আছিল মেক্সিকান সীমান্তত ‘দেৱাল নিৰ্মাণ’ কৰা। ২০২৫ চনত দ্বিতীয়বাৰলৈ কাৰ্যভাৰ গ্ৰহণ কৰাৰ প্ৰথম দিনাই তেওঁ মেক্সিকো উপসাগৰৰ নাম সলনি কৰি কাৰ্যবাহী আদেশত স্বাক্ষৰ কৰিছিল। তেওঁ প্ৰায়ে দাবী কৰি আহিছে যে মেক্সিকান চৰকাৰে আমেৰিকালৈ ড্ৰাগ্‌ছ বা অবৈধ অনুপ্ৰৱেশকাৰীৰ প্ৰৱাহ বন্ধ কৰিবলৈ যথোচিতভাৱে কাম কৰা নাই। মেক্সিকোৰ মাজেৰে ড্ৰাগছ ‘উভৈনদী হৈ পৰিছে’ আৰু ‘আমি কিবা এটা কৰিব লাগিব,’। তাত থকা কাৰ্টেলসমূহ ‘অতি শক্তিশালী’। লক্ষণীয়ভাৱে মেক্সিকোৰ ৰাষ্ট্ৰপতি ক্লাউডিয়া শ্বেইনবামে আমেৰিকাৰ যিকোনো সামৰিক পদক্ষেপৰ ৰাজহুৱা বিৰোধিতা কৰি আহিছে। ট্ৰাম্পৰ চকুৰ টোপনি কাঢ়ি নিয়া লেটিন আমেৰিকাৰ আন এখন দেশ কিউবা। ফ্ল’ৰিডাৰপৰা মাত্ৰ ১৪৫ কিলোমিটাৰ দক্ষিণে অৱস্থিত এই দ্বীপৰাষ্ট্ৰখন ১৯৬০ চনৰ আৰম্ভণিৰ পৰাই আমেৰিকাৰ নিষেধাজ্ঞাৰ অধীনত আছে। ই বন্দী ৰাষ্ট্ৰপতি নিকোলাছ মাদুৰোৰ ভেনিজুৱেলাৰ ঘনিষ্ঠ মিত্ৰ দেশ। অলপতে ট্ৰাম্পে ইংগিত দিছিল যে কিউবাত আমেৰিকাৰ সামৰিক হস্তক্ষেপৰ প্ৰয়োজন নাই, কিয়নো কিউবাত ইতিমধ্যেই ‘পতনৰ উপক্ৰম হৈছে’। আমি কিবা কৰাৰ প্ৰয়োজন থকা বুলি মই নেভাবোঁ।’ তেওঁলোকৰ অস্তিত্ব বৰ্তি থাকিব নে নাই নাজানো, কিন্তু বৰ্তমান কিউবাৰ কোনো আয় নাই। তেওঁলোকে সকলো আয়ৰ উৎস ভেনিজুৱেলা, ভেনিজুৱেলাৰ তেলৰপৰা আহৰণ কৰে।’ কিউবাৰ তেলৰ প্ৰায় ৩০ শতাংশ ভেনিজুৱেলাই যোগান ধৰে, যাৰ ফলত মাদুৰোক অপসাৰিত কৰিলে বিপদত পৰিব পাৰে হাভানা। আমেৰিকাৰ বিদেশ মন্ত্ৰী মাৰ্কো ৰুবিঅ’ই দীৰ্ঘদিন ধৰি কিউবাত শাসন ব্যৱস্থা পৰিৱৰ্তনৰ আহ্বান জনাই আহিছে।

ফোন ঃ ৭০০২৬৯৭১৬২

# দৈনিক অসম



## হাজোৰ ডাঃ ৰণ্টু কাকতিৰ মৃত্যু

**দৈনিক অসমৰ প্ৰতিনিধি**

**হাজো, ১৯ জানুৱাৰী ঃ** হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত চেঁচামুখৰ বিশিষ্ট চিকিৎসক তথা মুক্তিযুঁজাৰু প্ৰয়াত ডাঃ ৰমেশ কাকতিৰ পুত্ৰ ডাঃ ৰণ্টু কাকতিৰ আকস্মিক বিয়োগত অঞ্চলজুৰি শোকৰ ছাঁ পৰা পৰিলক্ষিত হৈছে। তেওঁৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৫৫ বছৰ। জানিব পৰা মতে, অতি অমায়িক স্বভাৱৰ প্ৰয়াত কাকতিয়ে দৈনিক কৰ্মস্থলীলৈ যোৱাৰ দৰে আজিও পুৱাৰ ভাগত ঘৰৰপৰা কৰ্মস্থলী গোৱালপাৰালৈ গৈ থকা অৱস্থাত বাছৰ ভিতৰতে আকস্মিকভাৱে অচেতন হৈ পৰাত ততাতৈয়াকৈ ৰংজুলি চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও চিকিৎসকে মৃত ঘোষণা কৰে। প্ৰয়াত কাকতিয়ে গোৱালপাৰা জিলাৰ ৰংজুলি বি পি এইচত আয়ুৰ্বেদিক ডাক্তৰ হিচাপে কৰ্মৰত আছিল। বিজেপি নেতা প্ৰকাশ চন্দ্ৰ দাস, মৃদুল মালাকাৰ, প্ৰাক্তন বিধায়ক দ্বীপেন পাঠক, অগপ নেতা প্ৰদীপ কুমাৰ বৰা, দমদমা সাহিত্য সভা, দমদমা আঞ্চলিক ছাত্ৰ সন্থাকে ধৰি অনেক গুণমুগ্ধই মৃতকৰ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**STATE CHILD PROTECTION SOCIETY, ASSAM**
(An Assam Government Organization)
46, Survey Bus Stop, Beltola Road, Guwahati-28
Email-scpsassam@gmail.com

No. SCPS (CHL)214/2025-26/09

**Advertisement**

The Member Secretary, State Child Protection Society, Assam invites eligible candidate through walk in interview for selection of individuals against the vacancies of Child Helpline Unit in different levels.

The detailed advertisement can be seen in the official website of SCPS https://scps.assam.gov.in

**Sd/-**
**Member Secretary**
**State Child Protection Society, Assam**

**DIPR/DF/DA/1803/20-Jan-26**

**অ'এনজিচি নাজিৰাত কাৰিকৰী পদৰ নিযুক্তি প্ৰক্ৰিয়াত অনিয়ম**

# দুষ্কাৰ্য বন্ধৰ দাবী অসমীয়া যুৱ মঞ্চৰ

**দৈনিক অসমৰ প্ৰতিনিধি**

**আমগুৰি, ১৯ জানুৱাৰী ঃ** মহাৰত্ন প্ৰতিষ্ঠান অ'এনজিচি অসম সম্পদ নাজিৰাৰ বিৰুদ্ধে জাঙুৰ খাই উঠিছে অসমীয়া যুৱ মঞ্চ। আজি সংগঠনটোৱে আমগুৰিৰ কাৰ্যালয়ত সংবাদমেল সম্বোধন কৰি অ'এনজিচি অসম সম্পদ, নাজিৰাত কাৰিকৰী পদত নিযুক্ত হৈ ভুৱা মেডিকেল চাৰ্টিফিকেটৰ জৰিয়তে অ-কাৰিকৰী কৰ্মচাৰীৰ ঠাইত কাম কৰা দুষ্কাৰ্য বন্ধ কৰাৰ দাবী জনায়। অসমীয়া যুৱ মঞ্চই সংবাদমেলত অভিযোগ কৰি কয় যে প্ৰতি মাহে অ'এনজিচিৰ কৰ্মচাৰীয়ে অৱসৰ গ্ৰহণ কৰিছে, কিন্তু খালী হৈ থকা পদত আজিও নিযুক্তি হোৱা নাই। বিশেষকৈ ২০১৮ চনতে শেষ ইণ্টাৰভিউ হৈছিল নিযুক্তিৰ বাবে। তাৰ পাছৰে পৰা নিযুক্তি প্ৰক্ৰিয়া বন্ধ হৈ থকাৰ অভিযোগ উঠিছে বিভিন্ন সময়ত। অ'এনজিচি অসম সম্পদ নাজিৰাৰ কাৰ্যবাহী সঞ্চালকক কাৰিকৰী আৰু অ-কাৰিকৰী পদ খালীৰ তালিকা ৰাজহুৱা কৰিবলৈ দাবী জনায়। আজি অসমীয়া যুৱক-যুৱতীৰ অ'এনজিচিত চাকৰি কৰাৰ



অধিকাৰ নাই নেকি বুলি প্ৰশ্ন কৰি কয় যে বহু সময়ত ভুৱা প্ৰচাৰ হয় যে জাতীয় সংগঠনৰ বাবেহে অ'এনজিচিৰ লোকচান হৈ আহিছে। কিন্তু অ'এনজিচিৰ বহু কৰ্মচাৰীয়ে শাসনাধিষ্ঠিত শ্ৰমিক সংগঠন অ'পিইএৰ সুযোগ লৈ নিজৰ বিভাগৰ পৰা ভুৱা মেডিকেল চাৰ্টিফিকেট লৈ তুলনামূলকভাৱে কম কাম হোৱা আন বিভাগত বহি থাকে। ড্ৰিলিঙৰ বহু কৰ্মচাৰী যি প্ৰত্যক্ষভাৱে উৎপাদনৰ লগত জড়িত হৈ থাকে, সেই বিভাগৰে বহু কৰ্মচাৰীয়ে ভুৱা মেডিকেল চাৰ্টিফিকেটৰ জৰিয়তে টেকনিকেল (কাৰিকৰী), মেকানিকেল বিভাগৰ পৰা গৈ নন টেকনিকেল (অ-কাৰিকৰী) কৰ্মচাৰীয়ে কাম কৰা বিভাগৰ অফিচত বহি আছেগৈ। যাৰ ফলত অ'এনজিচিৰ উৎপাদনত প্ৰভাৱ পৰাৰ লগতে নন টেকনিকেল (অ-কাৰিকৰী) পদত নিযুক্তিও কমিব ধৰিছে। অ'এনজিচিৰ অসম সম্পদৰ কাৰ্যবাহী সঞ্চালকজনক স্পষ্টীকৰণ দিয়াৰ দাবী জনায়। অ'এনজিচিৰ অসম সম্পদত শাসনাধিষ্ঠিত শ্ৰমিক সংগঠনৰ নেতা-কৰ্মচাৰীৰ পত্নীয়েহে চিএছআৰ পুঁজি ব্যৱহাৰ কৰিব, শিৱসাগৰবাসীয়ে নোৱাৰে, গতিকে এই সন্দৰ্ভত স্পষ্টীকৰণৰ দাবী জনায়। ২০২৩ চনৰ পৰা অ'এনজিচিৰ অসম সম্পদ নাজিৰাই বিগত ১৬ আগষ্ট ২০২২ চনত গোপনে ইণ্টাৰভিউ আয়োজন কৰি এটা বিশেষ সম্প্ৰদায়ৰ যুৱতীকহে বিনামূলীয়াকৈ এন এন এম/জি এন এম নাৰ্চিঙৰ ব্যৱস্থা কৰিছিল, যোৱা বছৰো গোপনে পঢ়ুৱালে, এই বছৰহে বিজ্ঞাপন দিছে পেপাৰত। কিন্তু আজি অ'এনজিচি কৰ্তৃপক্ষক আমাৰ প্ৰশ্ন— বিনামূলীয়া নাৰ্চিং প্ৰশিক্ষণ লোৱাৰ অধিকাৰ বাকী সম্প্ৰদায়ৰ যুৱক-যুৱতীসকলৰ নাই নেকি? কিয় ইমান বিভেদ আনিছে অ'এনজিচিয়ে। শীঘ্ৰে অ'এনজিচি অসম সম্পদৰ বিৰুদ্ধে প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণৰ হুংকাৰ দিছে অসমীয়া যুৱ মঞ্চৰ কেন্দ্ৰীয় সমিতিৰ সহঃ সম্পাদক আকাশ শইকীয়াই।

## শিমলুগুৰিৰ বগীতৰা গগৈৰ বিয়োগত শোক

**দৈনিক অসমৰ প্ৰতিনিধি**

**শিমলুগুৰি, ১৯ জানুৱাৰী ঃ** শিৱসাগৰ জিলাৰ অন্তৰ্গত শিমলুগুৰি ৰামুগাঁও নিৱাসী সমাজকৰ্মী, ধৰ্মপ্ৰাণা তথা সৰ্বৱহী মহিলা বগীতৰা গগৈৰ ১৭ জানুৱাৰীত নিজা বাসগৃহত বাৰ্দ্ধক্যজনিত কাৰণত মৃত্যু হয়। প্ৰয়াত মহেন্দ্ৰ গগৈৰ সহধৰ্মিণী বগীতৰা গগৈৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৯৬ বছৰ। মৃত্যুৰ সময়ত তেওঁ পুত্ৰ বিপুল গগৈ, বোৱাৰী আৰতি গগৈ, নাতি-নাতিনীসহ বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি থৈ যায়। তেওঁৰ মৃত্যুত সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পৰে।

## তিতাবৰত ড্ৰাগছসহ স্বামী-পত্নীক আটক

**দৈনিক অসমৰ প্ৰতিনিধি**

**তিতাবৰ, ১৯ জানুৱাৰী ঃ** তিতাবৰ সমজিলা আৰক্ষী অধীক্ষক তৰুণ গোৱেলৰ নেতৃত্বত আৰক্ষীয়ে তিতাবৰ ষ্টেচনত উজনিমুৱা পেছেঞ্জাৰ ৰে'লৰপৰা জব্দ কৰে বুজন পৰিমাণৰ ড্ৰাগছ। লামডিঙৰপৰা আহি থকা তিনিচুকীয়া অভিমুখী পেছেঞ্জাৰ ট্ৰেইনত তৰুণ গোৱেলৰ নেতৃত্বত তিতাবৰ আৰক্ষীয়ে অভিযান চলাই ড্ৰাগছসহ আটক কৰে পত্নীসহ স্বামীক। দুই ড্ৰাগছ সৰবৰাহকাৰী সুৰজ ৰায় আৰু সুনিতা দেৱীয়ে কাৰ্বি আংলঙৰ পৰা তিনিচুকীয়ালৈ কঢ়িয়াই লৈ গৈছিল ড্ৰাগছখিনি। জব্দ কৰা ড্ৰাগছখিনিৰ মূল্য লক্ষাধিক টকা হ'ব বুলি জানিবপৰা গৈছে। বিগত দিনত তিতাবৰৰ বিভিন্ন স্থানত তৰুণ গোৱেলৰ নেতৃত্বত ড্ৰাগছবিৰোধী অভিযান চলাই বহু পৰিমাণে ড্ৰাগছ জব্দ কৰিছে।

## মৰাণত বিদ্যুৎ চুৰিৰ বিৰুদ্ধে অভিযান

**দৈনিক অসমৰ প্ৰতিনিধি**

**মৰাণ, ১৯ জানুৱাৰী ঃ** মৰাণ বিদ্যুৎ উপ-সংমণ্ডলৰ অন্তৰ্গত বিভিন্ন অঞ্চলত ১৭ জানুৱাৰীত বিশেষ অভিযান চলায়। মৰাণ আৰক্ষী প্ৰশাসনৰ সহযোগত চলোৱা অভিযানত পথালিবাম কমলদৈ, কুলিগাঁও, তৰাজান আদি এলেকাসমূহত অভিযান চলায়। অভিযান কালত বিদ্যুৎ বিল পৰিশোধ নকৰাৰ ফলত পূৰ্বে সংযোগ বিচ্ছিন্ন কৰি থোৱা একাংশ গ্ৰাহকে অবৈধভাৱে পুনৰ বিদ্যুৎ সংযোগ লৈ ব্যৱহাৰ কৰি থকা অৱস্থাত ধৰা পৰে। বিদ্যুৎ বিভাগৰ সূত্ৰ অনুসৰি, এনে অবৈধ সংযোগে কেৱল ৰাজহ ক্ষতিয়েই কৰা নাই, বৰং বিদ্যুৎ যোগান ব্যৱস্থাতো গুৰুতৰ সমস্যা সৃষ্টি কৰে। অভিযানৰ সময়ত ধৰা পৰা সকলো অবৈধ সংযোগ তাৎক্ষণিকভাৱে পুনৰ বিচ্ছিন্ন কৰে। লগতে সংশ্লিষ্ট গ্ৰাহকসকলৰ বিৰুদ্ধে বিদ্যুৎ আইন অনুসৰি আইনী ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি বিভাগীয় সূত্ৰই জানিবলৈ দিয়ে।

**গুৱাহাটীস্থিত কামৰূপ মহানগৰ অসামৰিক ন্যায়াধীশ (জ্যেষ্ঠ সংমণ্ডল) নং-২ৰ আদালত**

**চমন**

**বাণিজ্যিক মোকৰ্দমা নং ঃ ১২০/২০২৪**

**ইউকো বেংক** ........ *বাদী*

**বনাম**

**শ্ৰীমতী পুমফা ভূজেল** ........ *বিবাদী*

প্ৰতি,
শ্ৰীমতী পুম্‌ফা ভূজেল
স্বামী-দেব বাহাদুৰ ভূজেল, ঠিকনা ঃ ৮ মাইল, গণেশ মন্দিৰৰ বিপৰীতে, গাঁও-দেম মাৰৰেট, খানাপাৰা, জিলা-ৰিভয়, মেঘালয়, পিন-৭৯৩১০১

যিহেতু ওপৰোক্ত বাদীয়ে উল্লিখিত বিবাদীৰ বিৰুদ্ধে ৩,৭০,৪২৬.১৬ টকা (তিনি লাখ সত্তৰ হেজাৰ চাৰিশ ছাব্বিশ টকা যোল্ল পইচা) উপযুক্ত সুদ, ব্যয় আৰু অন্যান্য সাহায্যসহ আদায় পাবৰ বাবে উক্ত বাণিজ্যিক মোকৰ্দমা ৰুজু কৰিছে।

সেয়েহে ইয়াৰ দ্বাৰাই আপোনাক অৱগত কৰা হয় যে, আপুনি নিজে বা আপোনাৰ অধিবক্তাৰ জৰিয়তে মোৰ আদালতত অহা ২২-০১-২০২৬ তাৰিখে পুৱা ১০.৩০ বজাত হাজিৰ হৈ যদি কোনো লিখিত বিবৃতি থাকে, সেয়া দাখিল কৰিব লাগিব।

মন কৰিব যে, উক্ত তাৰিখত আপুনি আদালতত হাজিৰ নহ'লে, আপোনাৰ অনুপস্থিতিতেই মোকদৰ্মাখন শুনানি কৰি নিষ্পত্তি কৰা হ'ব।

এই চমনখন গুৱাহাটীত .... অক্টোবৰ, ২০২৫ তাৰিখে মোৰ স্বাক্ষৰ আৰু আদালতৰ মোহৰসহ জাৰী কৰা হ'ল।

**অসামৰিক ন্যায়াধীশ (জ্যেষ্ঠ সংমণ্ডল) নং-২,**
**কামৰূপ (ম), গুৱাহাটী**

**OFFICE OF THE MANAGING DIRECTOR**
**ASSAM STATE DEVELOPMENT CORPORATION FOR SCHEDULED CASTES LTD.**
**SARUMATARIA:: DISPUR::GUWAHATI-6**

No. SCDC/ACCTT/Dev.Scheme/778/2025-26/70

**Notice**

Applications are invited from eligible scheduled Castes applicant of the Districts of Nalbari, Kamrup(M&R), Nagaon, Golaghat, Jorhat, Dibrugarh and North Lakhimpur for distribution of Integrated Appliance Installation kit for Plumber and Carpentry works under Development Scheme for the year 2025-26. The applications forms may be obtained from the Office of the Development Officer, Assam State Development Corporation for SC Ltd. Nalbari, Guwahati, Nagaon, Golaghat, Jorhat, Dibrugarh and North Lakhimpur and duly filled in application forms must be submitted in the same offices on or before 28th January 2026 along with supporting documents of castes certificate, Income certificate, Age Certificate and Certificate of having skill and experience on the trade of plumber and carpentry works.

For more details, the applicants may contacts with the Development Officer of concerned Branch Offices.

**Sd/-**
**Managing Director**
**ASDC for SC Ltd.**

**DIPR/DF/DA/1806/20-Jan-26**

## ■ আছুৰ গণ স্বাক্ষৰ অভিযান ■
## ৰে'ল-ঘাইপথেৰে বৰপেটাক সংযোগৰ দাবী

**দৈনিক অসমৰ প্ৰতিনিধি**

**বৰপেটা, ১৯ জানুৱাৰী ঃ** জিলাৰ সদৰ চহৰ সত্ৰনগৰী বৰপেটাক ৰে'লপথ আৰু ফ'ৰলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথেৰে সংযোগ কৰাৰ দাবীত আজিৰে পৰা বৰপেটাত গণ স্বাক্ষৰ অভিযান আৰম্ভ কৰিছে। বৰপেটাবাসীৰ দীৰ্ঘদিনীয়া দাবীৰ প্ৰতি সঁহাৰি জনাই আজি বৰপেটা আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত বৰপেটা চহৰৰ মাজমজিয়াত গণ স্বাক্ষৰ অভিযান কাৰ্যসূচী ৰূপায়ণ কৰা হয়। দুবাৰকৈ জৰীপ কৰাৰ পাছতো আজিলৈকে ৰেলপথ আৰু ফ'ৰলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰপৰা সত্ৰনগৰী বৰপেটা বঞ্চিত হোৱাৰ পৰিপ্ৰেক্ষিতত আজিৰেপৰা ২৪ জানুৱাৰীলৈকে ছাত্ৰ সন্থাই বৰপেটা চহৰৰ ভিন্ন স্থানত গণ স্বাক্ষৰ অভিযান চলাব বুলি জানিব পৰা গৈছে।

## বৰভাগ গৌৰৱ বঁটাপ্ৰাপক ঘাটুৱৈ বাচিৰাম দাসৰ মৃত্যু

**দৈনিক অসমৰ প্ৰতিনিধি**

**বৰভাগ, ১৯ জানুৱাৰী ঃ** নলবাৰী জিলাৰ বৰভাগ ৰাজহ চক্ৰৰ অন্তৰ্গত ডিংডিঙি (পশ্চিমপাৰ) গাঁৱৰ বৰভাগ গৌৰৱ বঁটাপ্ৰাপক, ঘাটুৱৈ বাচিৰাম দাসৰ আজি পুৱা ৭.৩০ বজাত বাৰ্দ্ধক্যজনিত কাৰণত নিজ গৃহত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ১০০ বছৰ। দাসৰ মহান অৱদানৰ বাবে বৰভাগ প্ৰেছ ক্লাবে ২০২৪ বৰ্ষত তেওঁক শিক্ষাবিদ, অধ্যাপক ধীৰেন্দ্ৰ প্ৰসাদ ভৰালীৰ সোঁৱৰণত 'বৰভাগ গৌৰৱ বঁটা'ৰে সন্মানিত কৰে। তেওঁৰ মৃত্যুত বৰভাগ প্ৰেছ ক্লাব, বৰভাগ আঞ্চলিক ছাত্ৰ সন্থা, জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ বৰভাগ আঞ্চলিক সমিতিয়ে শোক প্ৰকাশ কৰিছে।

**GOVERNMENT OF ASSAM**
**OFFICE OF THE CHIEF ENGINEER:: PWD BUILDING:: ASSAM::GUWAHATI-3.**

No. CE/TB-II(Bldg.)/65/2024/7

**PRESS NOTICE**

The Chief Engineer, PWD (Building), Assam, on behalf of the Governor of Assam, invites bids from eligible contractors/firms having requisite experience in similar nature of works for the following work. Details of the bid may be seen at e-procurement portal **website** i.e., www.assamtenders.gov.in. The Bidders must be enrolled in www.assamtenders.gov.in.

| Sl. No. | Name of work | Approx. Value of work (in Rs) | Bid Security | Cost of Document (in Rs) | Completion period |
|---|---|---|---|---|---|
| 1. | **Construction of a (G+2) RCC building for judicial residential quarter at Morigaon, Assam (Provision G+3).** | 4,60,48,390.00 | 2 % for General category or 1 % for Reserved category on value of work | 9210.00 | 18 (Eighteen) Months |

N.B. (i) Value of work may vary according to the detail NIT.
(ii) All terms and conditions will be as per the Bidding Documents.
(iii) The Press Notice will be a part of the Bidding Documents.

**Sd/-**
**Chief Engineer, PWD (Building)**
**Assam, Chandmari, Guwahati-3.**

**DIPR/C/DA/631/20-Jan-26**

**SBI**

## ভাৰতীয় ষ্টেট বেংক

**এছ বি আই সৈতে বন্ধকী থকা অস্থাৱৰ সম্পত্তিৰ বিক্ৰীৰ বাবে বিক্ৰী/নিলাম জাননী**

বিত্তীয় সম্পদৰ প্ৰতিভূতিকৰণ আৰু পুনৰ্নিৰ্মাণ আৰু আমানত সুদৰ কাৰ্যকৰীকৰণ আইন, ২০০২ৰ সৈতে আমানত সুদ (কাৰ্যকৰীকৰণ) নিয়মাৱলী ২০০২ৰ নিয়ম ৬(২)ৰ অধীনত অস্থাৱৰ সম্পদ বিক্ৰীৰ বাবে ই-নিলাম বিক্ৰী জাননী।

ইয়াৰ দ্বাৰা সাধাৰণভাৱে জনসাধাৰণক আৰু ঋণী (সকলক) আৰু জামিনদাৰ (সকলক) বিশেষকৈ জাননী দিয়া হৈছে যে সুৰক্ষিত ঋণদাতা, "ভাৰতীয় ষ্টেট বেংক, আৰএএছএমইচিচিচি যোৰহাট"ৰ ওচৰত বন্ধকীকৃত/নিৰিখিত নিম্ন উল্লেখিত অস্থাৱৰ সম্পত্তি, ভাৰতীয় ষ্টেট বেংকৰ অনুমোদিত বিষয়াৰ দ্বাৰা কায়িক দখল গ্ৰহণ কৰা হৈছে আৰু ইয়াক নিম্নলিখিত তাৰিখত **"য'ত আছে", "যি আছে" আৰু "যেনে আছে"** তেনেই ভিত্তিত নিম্নলিখিত ঋণীসকলৰ পৰা সুৰক্ষিত ঋণদাতাৰ দেয় ঋণ আদায়ৰ বাবে বিক্ৰী কৰা হ'ব আৰু বেংকে নিৰ্ধাৰণ কৰা সংৰক্ষিত মূল্যৰ তলত বিক্ৰী কৰা নহ'ব। নিম্নস্বাক্ষৰকাৰীয়ে ইয়াৰ কোনো কাৰণ নিৰ্ধাৰণ নকৰাকৈ সকলে। বা যিকোনো প্ৰস্তাৱ গ্ৰহণ বা নাকচ কৰাৰ অধিকাৰ সংৰক্ষিত ৰাখিছে।

**অস্থাৱৰ সম্পত্তিৰ বিৱৰণ**

| ক্ৰ. নং | ঋণীৰ নাম | বাহনৰ বিশদ/ বিৱৰণ | বাহনৰ পঞ্জীয়ন নং | ঋণীৰ দেয় ধন (যেতিয়াৰ পৰা অনান্য আইনী মাচুল আৰু অন্যান্য খৰচ কৰ্তন কৰি) | ক) প্ৰস্তাৱিত সংৰক্ষিত মূল্য খ) আমানত ধন জমা | নিলামৰ তাৰিখ |
|---|---|---|---|---|---|---|
| ১ | অঞ্জু মিছং | সম্পত্তি আইডি ঃ SBIN00AS01EW9081 টয়োটা গ্লেঞ্জা জি (এমটি) | এএছ-০১ইডব্লিউ-৯০৮১ | ৭,০৩,০০০.০০ টকা (১৯.০১.২০২৬ তাৰিখলৈ) | ক) ১,৮০,০০০ টকা খ) ১৮,০০০ টকা | ২৯.০১.২০২৬ |

**বিক্ৰীৰ সম্পূৰ্ণ চৰ্ত আৰু নিয়মাৱলীৰ বাবে, অনুগ্ৰহ কৰি ভাৰতীয় ষ্টেট বেংকৰ সুৰক্ষিত ঋণদাতাৰ ৱেবছাইটত উল্লেখিত লিংক চাওক ঃ https://sbi.co.in/web/sbi-in-the-news/auction-notices/sarfaesi-and-others https://ebkray.in**

দিনাংক ঃ ১৯.০১.২০২৬
স্থান ঃ আৰএএছএমইচিচিচি যোৰহাট

**অনুমোদিত বিষয়া**

## টংলাৰ বাতৰি কাকত বিতৰক বাবুল শৰ্মা নিৰুদ্দেশ

**দৈনিক অসমৰ প্ৰতিনিধি**

**টংলা, ১৯ জানুৱাৰী ঃ** ওদালগুৰি জিলাৰ টংলা থানাৰ বৰ টংলা নিৱাসী তথা টংলা মণ্ডল পেপাৰ এজেঞ্চীৰ বাতৰি কাকত বিতৰক বাবুল শৰ্মা (৩৫) যোৱা ১৭ জানুৱাৰীৰ আবেলিৰ পৰা নিৰুদ্দেশ হৈ আছে। ইতিমধ্যে কালি মণ্ডল পেপাৰ এজেঞ্চীৰ হৈ পৰিয়ালৰ লোকে টংলা আৰক্ষী থানাত নিৰুদ্দেশ সম্পৰ্কে লিখিতভাৱে অৱগত কৰিছে। কালি বাবুল শৰ্মাৰ কোনো সন্ধান লাভ নকৰাত সন্ধিয়া টংলা থানাত উক্ত নিৰুদ্দেশ সম্পৰ্কে লিখিত অভিযোগ দিয়ে আৰক্ষীক।

## চাবুৱাত মটক যুৱ মহোৎসৱৰ লাইখুঁটা স্থাপন

**দৈনিক অসমৰ প্ৰতিনিধি**

**চাবুৱা, ১৯ জানুৱাৰী ঃ** সদৌ অসম মটক সন্মিলন, সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনৰ একত্ৰিংশতিতম দ্বিবাৰ্ষিক আৰু সদৌ অসম মটক মহিলা পৰিষদৰ সপ্তম দ্বিবাৰ্ষিক কেন্দ্ৰীয় অধিৱেশনৰ লগত সংগতি ৰাখি ৫, ৬, ৭ আৰু ৮ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'বলগীয়া 'মটক যুৱ মহোৎসৱ'ৰ লাইখুঁটা চাবুৱাৰ খাজিখোৱা ঐতিহাসিক গ'ল্‌ফ ফিল্ডত স্থাপন কৰা হয়। অনুষ্ঠানত উদ্‌যাপন সমিতিৰ সভাপতি প্ৰশান্ত নেওগ, চাবুৱা-লাহোৱাল বিধানসভা সমষ্টিৰ বিধায়ক বিনোদ হাজৰিকা, মটক স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ডেভিদ চেতিয়া, অধ্যক্ষ স্বৰূজ গোহাঁই, তিনিচুকীয়াৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ কাজল গোহাঁইকে ধৰি মটক জনগোষ্ঠীয় আটাইকেইটা সংগঠনৰ সভাপতি-সম্পাদকৰ লগতে কেন্দ্ৰীয়, জিলা আৰু আঞ্চলিক সমিতিবোৰৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

ECF No.65296/PER-35/42/2023-PER-UDL/218

**ADVERTISEMENT**

In pursuance of the approval accorded by the Joint Secretary to the Govt. of Assam, General Administration Department, Assam vide letter No.GAD-646949/3 dated 08-05-2025 applications in standard from as published in the Assam Gazette in Part-IX are hereby invited from the intending candidates for filling up of two vacant posts of **District Administrative Head Assistant** in the Office of the District Commissioner, Udalguri and Office of the Sub-Divisional Officer (Civil), Bhergaon in the **Pay Band-3, Rs.22,000/- to Rs.97,000/- with Grade Pay of Rs. 10,300/-P.M** plus other allowances as admissible as per the rules in force.

| Sl No. | Name of Post | No. of Post | Reservation Category | Pay Band | Place of Posting |
|---|---|---|---|---|---|
| 1 | District Administrative Head Assistant | 2 | 1 Unreserved (UR) 1 OBC | PB Rs.22,000-97,000/- p.m + Grade Pay Rs. 10,300/- p.m | Office of the District Commissioner, Udalguri |
| | | | | | Office of the Sub-Divisional Officer (Civil), Bhergaon |

1. **Qualification:**
Applicant must have rendered not less than 2 (Two) years of continuous service as District Administrative Supervisory Assistant in any amalgamated establishment of District Commissioner in the state of Assam.
2. **How to apply:**
    i. Candidates are required to fill applications in standard form, published in the Assam Gazette, Part-IX.
    ii. Applications should be accompanied with all relevant documents/certificates.
3. **Required documents/testimonials to be mentioned:**
    i. Age proof certificate.
    ii. Recent Passport size photographs (Two copies).
    iii. Last educational qualification.
    iv. Present and permanent address.
    v. Annual Confidential report of last 5 years.
    vi. Experience in different branches with period of incumbency in each branch.
    vii. NOC from current employer.
4. **Mode of submission:**
Applications should be submitted through proper channel to **the District Commissioner, Udalguri, P.O: Udalguri, PIN: 784509** on or before **4:00 PM of 12-02-2026.**
5. Last date of submission of application is **12-02-2026.**
6. The candidates may have to appear for an Interview when called for.
7. Selection will be made by the Selection Board as per the Assam Ministerial District Establishment Service Rule, 1967.
8. No TA/DA shall be admissible for the journey made for the aforesaid purpose.

**Sd/-**
**District Commissioner,**
**Udalguri**

**DIPR/D/DA/629/20-Jan-26**

পাঞ্জাব নেচনেল বেংক
punjab national bank
(A Govt. of India Undertaking)

**সম্পত্তি পুনৰুদ্ধাৰ ব্যৱস্থাপনা শাখা (এআৰবিএম), গুৱাহাটী (৮২৩১০০)**
**প্ৰথম মহলা, ইউ বি আই বিল্ডিং, হেম বৰুৱা ৰোড, পাণবজাৰ, গুৱাহাটী ৭৮১০০১ (অসম), cs8231@pnb.co.in**

প্ৰসংগ নং . *ARMB/GUWAHATI/E-Auction/sale-notice/Rehan Ahmed/03/2025* দিনাংক ঃ ১৭.০১.২০২৬

**স্থাৱৰ/অস্থাৱৰ সম্পত্তিৰ বিক্ৰীৰ বাবে ই-নিলাম বিক্ৰী জাননী**

বিত্তীয় সম্পদৰ প্ৰতিভূতিকৰণ আৰু পুনৰ্নিৰ্মাণ আৰু প্ৰতিভূতি স্বাৰ্থৰ বলবৎকৰণ আইন, ২০০২ৰ সৈতে আমানত সুদ (বলৰৎকৰণ) নিয়মাবলী ২০০২ৰ নিয়ম ৮(৬)ৰ অধীনত স্থাৱৰ সম্পত্তিৰ বিক্ৰীৰ বাবে ই-নিলাম বিক্ৰী জাননী।

ইয়াৰ দ্বাৰা জনসাধাৰণক সাধাৰণভাৱে আৰু বিশেষকৈ ঋণী (সকলক)/অংশীদাৰ(সকলক)/সত্ত্বাধিকাৰী(সকলক)/বন্ধকদাৰ(সকলক) আৰু জামিনদাৰ (সকলক) জাননী দিয়া হৈছে যে চিকিউৰ্ড ক্ৰেডীটৰ ওচৰত বন্ধকীকৃত/নিৰিখিত নিম্ন উল্লিখিত স্থাৱৰ সম্পত্তিসমূহৰ বেংক! চিকিউৰ্ড ক্ৰেডীটৰৰ অনুমোদিত বিষয়াৰ দ্বাৰা নিৰ্মাণমূলক/কায়িক/প্ৰতীকী অধিগ্ৰহণ কৰা হৈছে আৰু সংশ্লিষ্ট ঋণী (সকল) আৰু জামিনদাৰ (সকল)ৰ পৰা বেংক/চিকিউৰ্ড ক্ৰেডীটৰৰ বকেয়া ধন পুনৰ আদায়ৰ বাবে "য'ত আছে ততে", "যি আছে সেই" আৰু "যেনে আছে তেনেহ" নিম্ন তালিকাত উল্লিখিত তাৰিখত বিক্ৰী কৰা হ'ব। প্ৰতিটো সম্পত্তিৰ বাবে সংৰক্ষিত মূল্য আৰু আমানত ধন জমাৰ পৰিমাণ তলত উল্লেখ কৰা তালিকা মতে হ'ব।

**সুৰক্ষিত সম্পদসমূহৰ সূচী**

| ক্ৰ নং | শাখাৰ নাম / একাউন্টৰ নাম / ঋণী আৰু জামিনদাৰৰ নাম আৰু ঠিকনা | বন্ধকী থকা স্থাৱৰ সম্পত্তিৰ বিৱৰণ/গৰাকীৰ নাম (সম্পত্তি সমূহৰ বন্ধকদাতা) | ক) চাৰফেইচী (SARFAESI) আইন ২০০২ৰ ধাৰা ১৩(২) ৰ অধীনত দাবী জাননীৰ তাৰিখ খ) পাবলগীয়া ধন গ) চাৰফেইচী (SARFAESI) আইন ২০০২ৰ ধাৰা ১৩(৪) ৰ অধীনত দখলীকৰণৰ তাৰিখ ঘ)দখলীকৰণৰ ধৰণ প্ৰতীকী/কায়িক/নিৰ্মাণমূলক | ক) সংৰক্ষিত মূল্য (টকা লাখত) খ) ই এম ডি (ইএমডি জমা দিয়াৰ শেষ তাৰিখ) গ) ডাক বৃদ্ধিৰ পৰিমাণ | ই-নিলামৰ তাৰিখ/সময় | চিকিউৰ্ড ক্ৰেডিটৰৰ জ্ঞাত দায়বদ্ধতাৰ বিৱৰণ |
|---|---|---|---|---|---|---|
| ১ | **বিঅ' ঃ জিএছ ৰোড (০৮৫৩২০)**<br>মেছাৰ্ছ ৰেহান আহমেদ<br>(১) ছেমিনা আহমেদ (মৃত ৰেহান আহমেদৰ আইনী উত্তৰাধিকাৰী), ঘৰ নং-৪, বায় লেন নং-৪, মীনাক্ষী এপাৰ্টমেণ্টৰ ওচৰত, দক্ষিণ শৰনীয়া, উলুবাৰী, গুৱাহাটী-৭৮১০০৭, (২) ডানিছ জীছান আহমেদ (মৃত ৰেহান আহমেদৰ আইনী উত্তৰাধিকাৰী), ঘৰ নং-৪, বায় লেন নং-৪, মীনাক্ষী এপাৰ্টমেণ্টৰ ওচৰত, দক্ষিণ শৰনীয়া, উলুবাৰী, গুৱাহাটী-৭৮১০০৭, (৩) নাজিয়া আহমেদ (মৃত ৰেহান আহমেদৰ আইনগত উত্তৰাধিকাৰী), ঘৰ নং-৪, বায় লেন নং-৪, মীনাক্ষী এপাৰ্টমেণ্টৰ ওচৰত, দক্ষিণ শৰনীয়া, উলুবাৰী, গুৱাহাটী-৭৮১০০৭, (৪) অব্দুল মান্নান (জামিনদাৰ), ঘৰ নং-৪, বায় লেন নং-৪, মীনাক্ষী এপাৰ্টমেণ্টৰ ওচৰত, দক্ষিণ শৰনীয়া, উলুবাৰী, গুৱাহাটী-৭৮১০০৭, (৫) আব্দুল হান্নান (জামিনদাৰ), ঘৰ নং-৪, বায় লেন নং-৪, মীনাক্ষী এপাৰ্টমেণ্টৰ ওচৰত, দক্ষিণ শৰনীয়া, উলুবাৰী, গুৱাহাটী-৭৮১০০৭, (৫) আব্দুল মানাফ (জামিনদাৰ), ঘৰ নং-৪, বায় লেন নং-৪, মীনাক্ষী এপাৰ্টমেণ্টৰ ওচৰত, দক্ষিণ শৰনীয়া, উলুবাৰী, গুৱাহাটী-৭৮১০০৭, (৬) জুলেখা আহমেদ (মৃত আৰমান আহমেদৰ আইনী উত্তৰাধিকাৰী), ঘৰ নং-৪, বায় লেন নং-৪, মীনাক্ষী এপাৰ্টমেণ্টৰ ওচৰত, দক্ষিণ শৰনীয়া, উলুবাৰী, গুৱাহাটী-৭৮১০০৭, (৭) জাছান আহমেদ (মৃত আৰমান আহমেদৰ আইনী উত্তৰাধিকাৰী), ঘৰ নং-৪, বায় লেন নং-৪, মীনাক্ষী এপাৰ্টমেণ্টৰ ওচৰত, দক্ষিণ শৰনীয়া, উলুবাৰী, গুৱাহাটী-৭৮১০০৭, (৮) এলিছা আহমেদ (মৃত আৰমান আহমেদৰ আইনী উত্তৰাধিকাৰী), ঘৰ নং-৪, বায় লেন নং-৪, মীনাক্ষী এপাৰ্টমেণ্টৰ ওচৰত, দক্ষিণ শৰনীয়া, উলুবাৰী, গুৱাহাটী-৭৮১০০৭, (৯) এলিয়া আহমেদ (মৃত আৰমান আহমেদৰ আইনী উত্তৰাধিকাৰী), ঘৰ নং-৪, বায় লেন নং-৪, মীনাক্ষী এপাৰ্টমেণ্টৰ ওচৰত, দক্ষিণ শৰনীয়া, উলুবাৰী, গুৱাহাটী-৭৮১০০৭, | মুঠ ১.১৩ আৰ (৮ আৰু ১/২ লেচা) মাটিৰ সকলো অংশ, যাৰ ওপৰত আছাম টাইপ পুৰণি আবাসিক গৃহ নিৰ্মিত আছে, দাগ নম্বৰ-২২৭৩(অ')/৫২৯(এন) আৰু কেপি পট্টা নম্বৰ-১১৪(অ')/৮৮(অ')/৫৬(এন)ৰ অধীনত, গাঁও-চহৰ গুৱাহাটী, পাৰ্ট-৩, ৱাৰ্ড নং-৩, হোল্ডিং নং - ২২৫, এছ এছ ৰোড, লাখটকীয়া, মৌজা - গুৱাহাটী, জিলা-কামৰূপ (মেট্ৰ'), অসমত অৱস্থিত, যিটো আব্দুল মান্নান, ৰেহান আহমেদ, ইৰফান আহমেদ আৰু আব্দুল মানাফৰ নামত থকা সম্পত্তি। উক্ত সম্পত্তিৰ চাৰিসীমা ঃ উত্তৰে - দাগ নং-৬৯৭ৰ মাটি, দক্ষিণে-ৰেইলৱে লাইন, পূবে - দাগ নং- ৫৬৫ৰ মাটি, পশ্চিমে-বাই লেন (পঞ্জীয়ভুক্ত বিক্ৰী দলিল নং ২৭৪৭ তাৰিখ ০১-১২-১৯৮৬ অনুসৰি বিৱৰণ।<br>১) আব্দুল মান্নান, ২) ৰেহান আহমেদ, ৩) ইৰফান আহমেদ, ৪) আব্দুল মানাফ। | (ক) ০৭-০১-২০২২<br>(খ) ৮৪,৬৭,০১৩.৫৬ টকা লগতে ৩১.০৭.২০১৮ সুদ আৰু অন্যান্য খৰচ ০১.০৮.২০১৮ ৰ পৰা কাৰ্যকৰী হোৱাকৈ<br>(গ) ২৫.০৪.২০২২<br>(ঘ) প্ৰতীকী দখল | (ক) ৬৬.৭০ লাখ<br>(খ) ৬.৭০ লাখ (১১.০২.২০২৬ তাৰিখে সন্ধিয়া ৪ বজালৈ)<br>(গ) ০.৫০ লাখ | দিনাংক ঃ ১২.০২.২০২৬ সময় ঃ পুৱা ১১:০০ বজাৰ পৰা সন্ধিয়া ০৪.০০ বজালৈ | নাই |

**নিয়ম আৰু চৰ্তাৱলী**

বিক্ৰী প্ৰতিভূতি স্বাৰ্থ (বলবৎকৰণ) নিয়মাবলী, ২০০২ৰ অধীনত উল্লেখিত নিয়মসমূহ আৰু তলত দিয়া অতিৰিক্ত চৰ্তাৱলীসমূহৰ ওপৰত ভিত্তি কৰি কৰা হ'ব -

১. সম্পত্তিসমূহ "য'ত আছে ততে", "যি আছে সেই" আৰু "যেনে আছে তেনে" এই ভিত্তিত বিক্ৰী কৰা হ'ব।
২. ওপৰত উল্লেখিত অনুসূচীত দিয়া সুৰক্ষিত সম্পত্তিসমূহৰ বিৱৰণ অনুমোদিত বিষয়া জনে তেওঁৰ উপলব্ধ সৰ্বোচ্চ তথ্যৰ আধাৰত উল্লেখ কৰিছে, কিন্তু কোনো ভুল, ভুল বিৱৰণ বা বাদ পৰাৰ বাবে অনুমোদিত বিষয়া জন দায়ী নহ'ব।
৩. **বিক্ৰীটো নিম্নস্বাক্ষৰকাৰীৰ দ্বাৰা https://baanknet.com ৱেবছাইটত ই-নিলাম প্লেটফৰ্মৰ মাধ্যমেৰে ১২.০২.২০২৬ তাৰিখে লট নং - ১ ৰ বাবে পুৱা ১১.০০ বজাৰ পৰা বিয়লি ০৪.০০ বজালৈ সম্পন্ন কৰা হ'ব।**
৪. **বিক্ৰী সংক্ৰান্তীয় সম্পূৰ্ণ নিয়ম আৰু চৰ্তাৱলীসমূহ, জানিবলৈ অনুগ্ৰহ কৰি https://baanknet.com ৱেবছাইটটো চাওক।**
৫. অনুমোদিত বিষয়া বা বেংকে সম্পত্তিসমূহৰ ওপৰত থকা যিকোনো চৰকাৰী দাবী, কৰ, লিয়েন, বন্ধক, বা আন কোনো অজ্ঞাত দাবীৰ বাবে দায়ী নহ'ব। নিলামত অংশগ্ৰহণ কৰিব ইচ্ছুক বিডাৰে সম্পত্তিৰ ওপৰত থকা সকলো সম্ভাব্য দায়বদ্ধতা, কৰ, বিদ্যুৎ বিল আদি বিষয়ে নিজে অনুসন্ধান কৰিব লাগিব।
৬. অনুমোদিত বিষয়া জনে যিকোনো বিড গ্ৰহণ বা প্ৰত্যাখ্যান কৰিবলৈ, নিলাম স্থগিত, বাতিল, পুনঃনিৰ্ধাৰণ বা চৰ্তাৱলী পৰিবৰ্তন কৰিবলৈ সম্পূৰ্ণ অধিকাৰ ৰাখে আৰু এই সম্পৰ্কে তেওঁৰ সিদ্ধান্ত চূড়ান্ত হ'ব।
৭. নিলামত অংশগ্ৰহণকাৰী বিডাৰে বিড জমা কৰাৰ আগতে সম্পত্তিখিনি নিজে পৰিদৰ্শন কৰি সন্তুষ্ট হ'ব লাগিব। সম্পত্তি পৰিদৰ্শনৰ বাবে বিডাৰে দায়িত্বপ্ৰাপ্ত বেংক কৰ্মচাৰীৰ সৈতে যোগাযোগ কৰিব লাগিব।

**তাৰিখ ঃ ১৭.০১.২০২৬**
**স্থান ঃ গুৱাহাটী**

**অনুমোদিত বিষয়া**
**পাঞ্জাব নেচনেল বেংক, চিকিউৰ্ড ক্ৰেডীটৰ**

### দিছপুৰত ভাস্কৰণ, জালুকবাৰীত প্ৰাঞ্জল, ডিমৌত অজয়, মৰিয়নিত ডাঃ যদুনাথ, লখিমপুৰত ডাঃ জয়প্ৰকাশ, বটদ্ৰৱাত শিৰামণি, লাহৰীঘাটত আছিফ, কমলপুৰত সত্যব্ৰত প্ৰাৰ্থিত্বপ্ৰত্যাশী

# '২৬ৰ নিৰ্বাচনলৈ সাজু কংগ্ৰেছ, প্ৰাৰ্থিত্বৰ বাবে আবেদন ন-পুৰণি নেতাৰ

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১৯ জানুৱাৰী ঃ** অসম বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ মুখ্য কাৰ্যালয় ৰাজীৱ ভৱনত বৃদ্ধি পাইছে ৰাজনৈতিক তৎপৰতা। ৰাজীৱ ভৱনত ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ বাবে প্ৰদেশ কংগ্ৰেছৰ নেতৃত্বই প্ৰাৰ্থিত্বৰ বাবে ৰাজ্যৰ বিভিন্ন সমষ্টিৰ প্ৰাৰ্থীৰ পৰা আবেদন গ্ৰহণ প্ৰক্ৰিয়া অব্যাহত ৰাখিছে। পুৱাৰ পৰা সন্ধিয়ালৈ নেতা-কৰ্মী, সাধাৰণ নাগৰিকৰ ব্যাপক অহা-যোৱাই এই কথা স্পষ্ট কৰি তুলিছে যে কংগ্ৰেছে এইবাৰ নিৰ্বাচনক অত্যন্ত গুৰুত্বসহকাৰে লৈছে। প্ৰাৰ্থিত্বৰ বাবে আবেদন প্ৰক্ৰিয়াই কংগ্ৰেছ দলটোৰ উৎসাহ শতগুণ বৃদ্ধি কৰিছে। ইতিমধ্যে যোৱা ৫ জানুৱাৰীৰ পৰা আজিৰ তাৰিখলৈ ৰাজ্যৰ বিভিন্ন সমষ্টিৰ ৪৫০ৰো অধিক আগ্ৰহী প্ৰাৰ্থীয়ে আবেদন দাখিল কৰিছে বুলি প্ৰদেশ কংগ্ৰেছৰ এক সূত্ৰই জানিবলৈ দিছে। আজিৰ দিনটোত কামৰূপ মহানগৰ জিলাৰ পাঁচটা সমষ্টিৰ বাবে আবেদনকাৰীসকলৰ ভিতৰত সন্মানীয় দিছপুৰৰ পৰা অন্যতম শক্তিশালী প্ৰাৰ্থী ভাস্কৰণ গোহাঁইৰ লগতে আন চাৰিগৰাকীয়ে আবেদন দাখিল কৰিছে। আনহাতে, জালুকবাৰী সমষ্টিৰ পৰা শক্তিশালী দাবীদাৰ ৰূপে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ একালৰ সতীৰ্থ প্ৰাঞ্জল বৰুৱাগোহাঁই, মহিলা আবেদনকাৰী বিদিশা নেওগ, চাজিদা বেগমেও আবেদন দাখিল কৰে। চেংটোৰ গুৱাহাটী সমষ্টিৰ পৰা মুখ্য ঝা, উত্তম সৰকাৰে আবেদন কৰিছে বুলি জানিব পৰা গৈছে। সমগ্ৰ ৰাজ্যৰ মুঠ ১২৬টা সমষ্টিৰ ভিতৰত কেইটাও গুৰুত্বপূৰ্ণ সমষ্টিত কেইজনো শক্তিশালী প্ৰাৰ্থীয়ে প্ৰাৰ্থিত্বৰ কাৰণে আবেদন পত্ৰ দাখিল কৰে। তাৰ ভিতৰত বটদ্ৰৱাত বিধায়িকা শিৰামণি বৰা, মৰিয়নিত বিশিষ্ট কৰ্কট ৰোগ বিশেষজ্ঞ ডাঃ যদুনাথ বুঢ়াগোহাঁই, ডিমৌত শিক্ষাবিদ অজয় গগৈ, লাহৰীঘাটৰ বিধায়ক আছিফ নাজাৰ, কমলপুৰত প্ৰাক্তন বিধায়ক সত্যব্ৰত কলিতা, চামগুৰিত সাংসদ তথা প্ৰাক্তন মন্ত্ৰী ৰকিবুল হুছেইনৰ পুত্ৰ তাঞ্জিল হুছেইনে প্ৰাৰ্থিত্বৰ কাৰণে আবেদন পত্ৰ দাখিল কৰে।



কাইলৈ অৰ্থাৎ ২০ জানুৱাৰী প্ৰাৰ্থিত্বৰ আবেদনৰ শেষ দিন। কংগ্ৰেছ নেতৃত্বই স্পষ্টকৈ জাননী দিছে যে এইবাৰ 'পেৰাছুট নেতা' নহয়, বৰঞ্চ মাটিৰ সৈতে জড়িত, দীঘলীয়া সংগ্ৰামৰ অভিজ্ঞতাসম্পন্ন নেতাসকলকেই অধিক প্ৰাধান্য দিয়া হ'ব। সংগঠনিক অভিজ্ঞতা, জনসাধাৰণৰ মাজত জনপ্ৰিয়তা, গ্ৰহণযোগ্যতা আৰু নিৰন্তৰ জনসেৱাই হ'ব প্ৰাৰ্থী বাছনিৰ মুখ্য মান। এনে ৰাজনৈতিক পৰিবেশত দিছপুৰৰ বিধানসভা সমষ্টিৰ পৰা ভাস্কৰণ গোহাঁইৰ নাম বিশেষভাৱে শক্তিশালী ৰূপত উচ্চাৰিত হৈছে। ভাস্কৰণ গোহাঁই কেৱল এজন নিৰ্বাচনী প্ৰাৰ্থী নহয়; তেওঁ কংগ্ৰেছ দলৰ আদৰ্শত বিশ্বাসী, সংগ্ৰামী, সামাজিক কৰ্মী হিচাপেও পৰিচিত। বিগত দুটা দশক ধৰি তেওঁ সমাজ, যুৱ সমাজ, কৃষক আৰু ক্ৰীড়া জগতৰ হিতৰ বাবে নিৰন্তৰ কৰ্মসেৱা কৰি আহিছে। অ' বি চি সমাজৰ অধিকাৰৰ সংগ্ৰামত ভাস্কৰণ গোহাঁইৰ ভূমিকা অনস্বীকাৰ্য। সদৌ অসম অ' বি চি যুৱ আৰু ছাত্ৰ সন্মিলনৰ সভাপতি হিচাপে দীৰ্ঘদিনীয়া কাৰ্যকালত তেওঁ ২৭ শতাংশ সংৰক্ষণৰ দাবীত সংগ্ৰাম আগবঢ়াই সেই লক্ষ্য সফলভাৱে অৰ্জন কৰাত মুখ্য ভূমিকা পালন কৰিছিল। ইয়াৰ জৰিয়তে অসমত অ' বি চি যুৱ সমাজৰ শিক্ষা আৰু সামাজিক বিকাশত এক গুৰুত্বপূৰ্ণ অধ্যায় সংযোজন হয়। ২০০০ চনৰ পৰা ২০১৯ চনলৈ সদৌ অসম অ' বি চি যুৱ আৰু ছাত্ৰ সন্থাৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ উপৰি তেওঁ ২০১০-২০২১ চনত টাই আহোম কাউন্সিল অসমৰ মুখ্য সম্পাদক আৰু ২০০৫-২০১৪ চনত অসম ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য হিচাপেও দায়িত্ব পালন কৰে। দলীয় সূত্ৰ অনুসৰি ২০ ফেব্ৰুৱাৰীৰ ভিতৰত আবেদন প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পাছত কংগ্ৰেছে এনে সংগ্ৰামশীল, শক্তিশালী আৰু জনপ্ৰিয় মুখসমূহক আগবঢ়াই বিজেপিৰ জনবিৰোধী নীতিক প্ৰত্যাহ্বান জনাবলৈ সাজু হৈছে।

## ভোট বিভাজনেৰে বিজেপিৰ

বিভাজনৰ জৰিয়তে যে শাসকীয় বিজেপি দলেই আটাইতকৈ বেছি লাভৱান হ'ব সেয়াও হৈ পৰিছে স্পষ্ট। মন কৰিবলগীয়া যে সমাগত বিধানসভা নিৰ্বাচনত ৰণত নামিবলৈ সাজু হৈছে ৪২টাৰো অধিক ৰাজনৈতিক দল। নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া দল তথা প্ৰাৰ্থীৰ সংখ্যা বৃদ্ধিৰ লগে লগে কংগ্ৰেছকে ধৰি বিৰোধী শিবিৰৰ অধিক ক্ষতি হোৱাৰ সম্ভাৱনাও প্ৰকট হৈ উঠিছে। মন কৰিবলগীয়া যে নিৰ্বাচন আয়োগে প্ৰকাশ কৰা পূৰ্বৰ বিধানসভা নিৰ্বাচনৰ ভোটৰ হাৰৰ পৰিসংখ্যা অনুসৰি অধিকাংশ ৰাজনৈতিক দলৰ প্ৰাৰ্থীয়ে শেষত অধিক আসন লাভ কৰা দলটোকহে সহায় কৰে। ভোট বিভাজনৰ বাবে দ্বিতীয় স্থানত থকা দল বা মিত্ৰদলকহে সমস্যাত পেলায়। যাৰ ফলত কম ভোটৰ ব্যৱধানত প্ৰাৰ্থীৰ জয়-পৰাজয় নিৰ্ণয় হয়। সন্মুখত বিধানসভা নিৰ্বাচনতো অধিক দলে প্ৰতিদ্বন্দ্বিতা কৰিলে তেনে হোৱাৰ সম্ভাৱনা দেখিবলৈ পোৱা গৈছে। অৰ্থাৎ সমাগত বিধানসভা নিৰ্বাচনতো ভোট বিভাজনৰ সুযোগ শাসনাধিষ্ঠিত বিজেপি মিত্ৰজোঁটে ল'ব পাৰে। উল্লেখ্য যে ২০২১ চনৰ বিধানসভা নিৰ্বাচনত সৰ্বমুঠ ৪২টা ৰাজনৈতিক দলে প্ৰতিদ্বন্দ্বিতা কৰিছিল। তদুপৰি ১২৬টা বিধানসভা সমষ্টিত ৩৮১জন নিৰ্দলীয় প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছিল। লক্ষণীয় যে ২০২১ চনৰ বিধানসভা নিৰ্বাচনত বিজেপিৰ ৬০গৰাকী বিধায়ক নিৰ্বাচিত হৈছিল। কংগ্ৰেছৰ ২৯গৰাকী (বৰ্তমান ২২গৰাকী বিধায়ক আছে), অগপৰ ৯গৰাকী, এ আই ইউ ডি এফৰ ১৬গৰাকী, বি পি এফৰ ৪গৰাকী, ইউ পি পি এলৰ ৭গৰাকী, ৰাইজৰ দলৰ এগৰাকী বিধায়ক নিৰ্বাচিত হৈছিল। এই দলকেইটাৰ উপৰি চি পি এম আৰু চি পি আইৰ অন্যতম স্বীকৃতিপ্ৰাপ্ত দল হিচাপে চিহ্নিত হৈ আছে। অসম জাতীয় পৰিষদ স্বীকৃতিপ্ৰাপ্ত দল নহয় যদিও ৰাজ্যত দলটোৰ কিছু প্ৰভাৱ আছে। গুৰুত্বপূৰ্ণ কথা যে ১০টা স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলৰ উপৰি আন ৩২টা দল আৰু নিৰ্দলীয়ই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছিল। নিৰ্বাচনত সেই সময়ত স্বীকৃতিপ্ৰাপ্ত ৰাষ্ট্ৰীয় দল হিচাপে তৃণমূল কংগ্ৰেছ, বিজেপি, চি পি আই, চি পি আই (এম), কংগ্ৰেছ, এন চি পি আৰু এন পি পি (নেচনেল পিপ্‌লছ পাৰ্টী)য়ে মুঠ ১,২৩,৩৭,৭৪৬টা ভোট পাইছিল। অগপ, এ আই ইউ ডি এফ, বি পি এফ মিলি আঞ্চলিক দল পাঁচটাই ৩৯,৫৭,৪০১টা ভোট পাইছিল। উল্লিখিত ১০টা ৰাজনৈতিক দলৰ বাহিৰে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা আন ৩২টা দল আৰু নিৰ্দলীয়ই ১৩,৮৮,৫৫৫টা ভোট পাইছিল। সৰু সৰু ৰাজনৈতিক দল আৰু নিৰ্দলীয় প্ৰাৰ্থীয়ে এনেদৰে প্ৰায় ১৪ লাখ ভোট বিভাজন কৰাৰ ফলত বিজেপিৰ সুবিধা হৈছিল। বিজেপিয়ে অকলে ৬০টা সমষ্টি দখল কৰাত ভোট বিভাজনে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰাটো স্পষ্ট হৈ পৰিছে। আন দল বাদেই, নৱগঠিত অসম জাতীয় পৰিষদৰ ১৪গৰাকী প্ৰাৰ্থীয়ে বিজেপিক ১৪টা সমষ্টি দখল কৰাৰ পথ মুকলি কৰিছিল। কংগ্ৰেছৰ প্ৰাৰ্থীয়ে জাতীয় পৰিষদৰ ১৪গৰাকী প্ৰাৰ্থীৰ বাবে পৰাজয়ৰ সন্মুখীন হৈছিল। বিগত নিৰ্বাচনত অসম জাতীয় পৰিষদৰ দৰে কেইবাটাও সৰু দলৰ ভোট বিভাজনৰ সুযোগ গ্ৰহণ কৰিছিল। ২০২১ চনৰ দৰে এইবাৰো বহুসংখ্যক দল পুনৰ সক্ৰিয় হৈছে। বিগত নিৰ্বাচনৰ পাছত প্ৰায় পাঁচ বছৰ মৌন হৈ থকা একাংশ দল চলিত মাহৰ পৰা সক্ৰিয় হৈছে। নিৰ্বাচনৰ দিন যিমান চমু চাপি আহিছে সিমানে নতুন নতুন দল গঠন হৈ আছে। মন কৰিবগীয়া যে লোকৰক্ষা পাৰ্টী, ভাৰতীয় ট্ৰাইবেল পাৰ্টী, বহুজন মহা পাৰ্টী, ভাৰতীয় গণ পৰিষদ, জনতা পাৰ্টী, অসম সংগ্ৰামী মঞ্চ, জনতা দল (ইউ), ৰাষ্ট্ৰীয় জনতা দল, সমাজবাদী পাৰ্টী, ৰাষ্ট্ৰীয় লোক সমতা পাৰ্টী, হিন্দুস্থান নিৰ্মাণ দল, ভোটাৰ্ছ পাৰ্টী, নেচনেল ৰোড মেপ পাৰ্টী অব ইণ্ডিয়া, স্বৰ্ণ ভাৰত পাৰ্টী, ৰাষ্ট্ৰীয় উলেমা কাউন্সিল, পলিটিকেল জাষ্টিচ পাৰ্টী, নেচনেল ৰিপাব্লিচিয়ান কংগ্ৰেছ আদি দলৰ ৰাজ্যত সাধাৰণতে গণভিত্তি নাই। কিন্তু এনেধৰণৰ দল হঠাৎ নিৰ্বাচনৰ সময়ত সক্ৰিয় হয়। সমাজত প্ৰতিষ্ঠিত একাংশ ব্যক্তিক প্ৰাৰ্থিত্ব প্ৰদান কৰি সমষ্টিয়ে সমষ্টিয়ে আলোড়ন সৃষ্টি কৰাত সফল হয়। তেনেধৰণৰ একাংশ প্ৰাৰ্থীয়ে কিছুসংখ্যক সমষ্টিত দুই হাজাৰৰ পৰা পাঁচ হাজাৰ পৰ্যন্ত ভোট সংগ্ৰহ কৰে। তেনেধৰণৰ প্ৰাৰ্থীৰ ভোট বিভাজনৰ ফলত একাংশ সমষ্টিত নিৰ্বাচনৰ অংক প্ৰতিবাৰেই সলনি হয়। কম ভোটৰ ব্যৱধানত জয়-পৰাজয় নিশ্চিত হয়। এইবাৰো কমেও ৩২টা সৰু সৰু দল কিছুদিনৰ ভিতৰত ৰাজ্যত সক্ৰিয় হৈছে। এইসমূহ দলে পুনৰ নিৰ্বাচনত প্ৰভাৱ পেলাব পাৰে বুলি চৰ্চা হৈছে। সৰু সৰু দলৰ ভোট বিভাজনে ৰাজ্যত বিজেপিৰ সুযোগ বঢ়াব পাৰে বুলি চৰ্চা হৈছে।

## বিনাপ্ৰতিদ্বন্দ্বিতাৰে বিজেপিৰ

কাৰ্যকৰী সভাপতিগৰাকীয়ে কাইলৈ কেন্দ্ৰৰ শাসকীয় দলটোৰ মুৰব্বী হিচাপে দায়িত্ব গ্ৰহণ কৰিব। আজি অনুষ্ঠিত বিজেপিৰ সাংগঠনিক নিৰ্বাচনত নীতিন নবীন একমাত্ৰ প্ৰাৰ্থী হিচাপে পৰিগণিত হয় আৰু এনে পৰিপ্ৰেক্ষিতত প্ৰতিদ্বন্দ্বিতা নোহোৱাকৈ তেওঁ সভাপতি নিৰ্বাচিত হয়। বিজেপিৰ কেন্দ্ৰীয় নিৰ্বাচন কমিটীয়ে এটা বিবৃতিৰ জৰিয়তে এই কথা প্ৰকাশ কৰিছে। কাইলৈ নবীনে বৰ্তমানৰ সভাপতি জে পি নাড্ডাৰ হাতৰ পৰা দায়িত্বভাৰ গ্ৰহণ কৰিব। উল্লেখ্য যে আজি বিয়লি ২ বজাৰ পৰা ৪ বজালৈ বিজেপিৰ সভাপতি পদৰ নিৰ্বাচনৰ বাবে মনোনয়নপত্ৰ দাখিল প্ৰক্ৰিয়া চলিছিল। মুঠ ৩৭খন মনোনয়ন এই সময়ছোৱাত দাখিল কৰা হৈছিল আৰু আটাইকেইখনতে নীতিন নবীনকে দলটোৰ সভাপতি পদৰ প্ৰাৰ্থী হিচাপে প্ৰস্তাৱ আগবঢ়োৱা হৈছিল বুলি দলটোৰ নিৰ্বাচনী কমিটীয়ে সদৰি কৰিছে। কমিটীয়ে প্ৰকাশ কৰে যে যিহেতু আন কোনো প্ৰাৰ্থীৰ নামত মনোনয়ন দাখিল কৰা হোৱা নাছিল, সেয়েহে নীতিন নবীনক দলটোৰ পৰৱৰ্তী সভাপতি হিচাপে বিনাপ্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰা হয়। কাইলৈ দিনৰ ১১.৩০ বজাত নতুন সভাপতিয়ে দায়িত্বভাৰ গ্ৰহণ কৰিব। এই অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে অংশ ল'ব বুলি সংবাদ মাধ্যমত প্ৰকাশ পাইছে। উল্লেখ্য যে নীতিন নবীন হৈছে প্ৰয়াত বিজেপি নেতা তথা প্ৰাক্তন বিধায়ক নবীন কিশোৰ প্ৰসাদ সিন্‌হাৰ পুত্ৰ। তেওঁ বিহাৰৰ বাংকিপুৰ বিধানসভা সমষ্টিৰ বিধায়ক হোৱাৰ লগতে দুবাৰকৈ ৰাজ্য চৰকাৰৰ মন্ত্ৰী হিচাপে দায়িত্বভাৰ পালন কৰিছিল। আৰ এছ এছৰ আদৰ্শৰে অনুপ্ৰাণিত নেতাজনৰ হাততে এতিয়া বিজেপিৰ শীৰ্ষ সাংগঠনিক দায়িত্ব অৰ্পণ হ'ব।

## সৰ্বানন্দ সোণোৱালৰ নাম, ভুৱা লেটাৰ হেড

সামাজিক মাধ্যমত ভাইৰেল হোৱা এখন পত্ৰক লৈ ৰাজ্যৰ ৰাজনীতিত তোলপাৰ লাগিছে। আজি ভাইৰেল হোৱা এই ভুৱা পত্ৰখনক লৈ ক্ষুণ্ণ কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে তেওঁৰ ভাবমূৰ্তি ম্লান কৰা এই দুষ্কাৰ্যৰ বিৰুদ্ধে ইতিমধ্যে দিল্লী আৰক্ষীত এজাহাৰ দাখিল কৰিছে। কেন্দ্ৰীয় মন্ত্ৰীজনৰ চহী জাল কৰি আৰু তেওঁৰ চৰকাৰী ভুৱা লেটাৰ হেড ব্যৱহাৰ কৰি দুষ্ট চক্ৰই লিখা পত্ৰখন বিজেপিৰ কেন্দ্ৰীয় সভাপতিক সম্বোধন কৰি লিখিছে। পত্ৰখনত ৰাজ্যৰ বৰ্তমানৰ ৰাজনৈতিক আৰু প্ৰশাসনিক পৰিস্থিতি অতি ভয়াৱহ আৰু উদ্বেগজনক বুলি উল্লেখ কৰা হৈছে আৰু ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে কেন্দ্ৰীয় সভাপতিৰ হস্তক্ষেপ বিচৰা হৈছে। লগতে কোৱা হৈছে যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত এইবাৰ অসমত বিজেপিৰ স্থিতি ভাবি থকাৰ দৰে অনুকূল নহয় আৰু বৰ্তমানৰ বিজেপি চৰকাৰৰ কাম-কাজত ৰাজ্যৰ তৃণমূল স্তৰৰ ৰাইজ অসন্তুষ্ট। দলটোৰ ভৱিষ্যৎ আৰু দীৰ্ঘম্যাদী সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি এজন বিতৰ্কহীন, নিকা ভাবমূৰ্তিৰ আৰু গ্ৰহণযোগ্য ব্যক্তিক মুখ্যমন্ত্ৰীৰ দায়িত্ব দিয়াৰ কথাও পত্ৰখনত কোৱা হৈছে। পত্ৰখন সামাজিক মাধ্যমত ভাইৰেল হোৱাৰ পাছতে কেন্দ্ৰীয় মন্ত্ৰীজন ক্ষুব্ধ হৈ পৰে আৰু এয়া তেওঁক জনমানসত হেয় প্ৰতিপন্ন কৰাৰ বাবে ন্যস্ত স্বাৰ্থজড়িত মহলৰ অপপ্ৰচাৰ বুলি প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ কাৰ্যালয়ে প্ৰেৰণ কৰা এটা বিবৃতিতে প্ৰকাশ কৰে যে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ চৰকাৰী লেটাৰ হেড আৰু ভুৱা স্বাক্ষৰ থকা এখন চিঠি দুষ্কৃতিকাৰীয়ে কু-অভিপ্ৰায়েৰে প্ৰচাৰ কৰি থকা দৃষ্টিগোচৰ হৈছে। এয়া উদ্দেশ্যপ্ৰণোদিতভাৱে কৰা জালিয়াতি আৰু চৰকাৰী পৰিচয়ৰ অপব্যৱহাৰৰ সৈতে জড়িত এক গুৰুতৰ অপৰাধ। ইয়াৰ জৰিয়তে ন্যস্তস্বাৰ্থ মহলে ভুল তথ্য বিয়পাই কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ পদমৰ্যাদা হানি কৰিবলৈ পাকে-প্ৰকাৰে প্ৰচেষ্টা চলাইছে। বিবৃতিটোত লগতে প্ৰকাশ কৰিছে যে এই বিষয়ত ইতিমধ্যে এজাহাৰ দাখিল কৰা হৈছে আৰু আইন প্ৰয়োগকাৰী সংস্থাসমূহক অগ্ৰাধিকাৰৰ ভিত্তিত গোচৰটোৰ তদন্ত আগবঢ়াই দায়ীসকলৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ জনোৱা হৈছে। কেন্দ্ৰীয় মন্ত্ৰীজনৰ কাৰ্যালয়ে স্পষ্ট কৰি দিয়ে যে উক্ত চিঠিখন আৰু ইয়াৰ বিষয়বস্তু সম্পূৰ্ণ ভুৱা আৰু মন্ত্ৰীজন জনমানসত হেয় প্ৰতিপন্ন কৰাৰ উদ্দেশ্যেৰে ৰচনা কৰা হৈছে। জনসাধাৰণ আৰু সংবাদ মাধ্যমক এনে প্ৰৱঞ্চনামূলক বিষয়ত ভোল নাযাবলৈ বা প্ৰচাৰ নকৰিবলৈ আৰু কেৱল চৰকাৰী উৎসৰ জৰিয়তে লাভ কৰা তথ্যহে বিশ্বাস কৰিবলৈ আহ্বান জনায় মন্ত্ৰীগৰাকীৰ কাৰ্যালয়ে। উল্লেখ্য যে কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালৰ সহকাৰী ব্যক্তিগত সচিব মুকুল চন্দ্ৰ লহকৰে দিল্লীৰ পাৰ্লিয়ামেণ্ট ষ্ট্ৰীট থানাত দাখিল কৰা এজাহাৰৰ ভিত্তিত এটা গোচৰ ৰুজু কৰা হৈছে।

## কংগ্ৰেছৰ 'মিঞা আই টি চেল' জড়িত থকাৰ অভিযোগ মন্ত্ৰী পীযূষ হাজৰিকাৰ

### জালিয়াতিৰ আইনী প্ৰত্যুত্তৰৰ হুংকাৰ

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১৯ জানুৱাৰী ঃ** ৰাজ্যৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ চহী আৰু চৰকাৰী লেটাৰ হেডৰ জালিয়াতি কৰি কোনো দুষ্টচক্ৰই অসম চৰকাৰ আৰু বিজেপিৰ কাম-কাজক লৈ প্ৰশ্ন উত্থাপন কৰি লিখা পত্ৰ এখনে সামাজিক মাধ্যমত চাঞ্চল্যৰ সৃষ্টি কৰিছে। ভাইৰেল হোৱা চাঞ্চল্যকৰ ভুৱা পত্ৰখনৰ উৎস তথা প্ৰস্তুতকৰ্তাৰ পৰিচয় উন্মোচিত কৰা বুলি দাবী কৰিছে মন্ত্ৰী পীযূষ হাজৰিকাই। কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালৰ সামাজিক ভাবমূৰ্তি ম্লান কৰাৰ উদ্দেশ্যে প্ৰস্তুত কৰা এই পত্ৰখনৰ আঁৰত 'কংগ্ৰেছৰ মিঞা আই টি চেল' জড়িত থকা বুলি মন্ত্ৰী হাজৰিকাই স্পষ্ট ঘোষণা কৰিছে। ভুৱা পত্ৰখন ভাইৰেল হোৱাৰ পাছত মন্ত্ৰী হাজৰিকাই 'কংগ্ৰেছৰ মিঞা আই টি চেলৰ নিকৃষ্ট কাণ্ড উন্মোচন' শীৰ্ষৰে সামাজিক মাধ্যমত দিয়া এটা পোষ্টত লিখিছে— কংগ্ৰেছৰ মিঞা আই টি চেলৰ এটা গোটে কেনেদৰে ভাৰত চৰকাৰৰ নকল লেটাৰ হেড জাল কৰি ভুৱা বাতৰি নিজৰ হোৱাটছএপ গ্ৰুপসমূহত প্ৰচাৰ কৰিছিল, তাৰ অধিক প্ৰমাণ আমি লাভ কৰিবলৈ সক্ষম হৈছোঁ। ভাৰতীয় ন্যায় সংহিতাৰ ধাৰা ২৭৪ আৰু এমব্লেম এক্ট ১৯৫০ অনুসৰি এয়া এক জামিনবিহীন অপৰাধ, যাৰ অধীনত সৰ্বাধিক ১০ বছৰ পৰ্যন্ত কাৰাদণ্ডৰ বিধান আছে। ৰাষ্ট্ৰীয় প্ৰতীকচিহ্ন জড়িত থকাৰ বাবে কেন্দ্ৰীয় তদন্তকাৰী সংস্থাসমূহেও এই কাণ্ডৰ তদন্ত কৰিব পাৰে। এই কাণ্ডত জড়িত প্ৰত্যেকজনকে অসম আৰক্ষীয়ে কৰায়ত্ত কৰিবলৈ ক্ষিপ্ৰতাৰে তদন্ত প্ৰক্ৰিয়া অব্যাহত ৰাখিছে। তেওঁ কংগ্ৰেছৰ মিঞা আই টি চেলৰ হোৱাটছএপ গ্ৰুপত শ্বেয়াৰ হোৱা মেছেজ আৰু জিচন নামৰ এজন ব্যক্তিয়ে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ নামত জালিয়াতিৰে প্ৰচাৰ কৰা পত্ৰৰ একাধিক স্ক্ৰীন শ্বটো সামাজিক মাধ্যমত প্ৰচাৰ কৰিছে। মন্ত্ৰীগৰাকীয়ে লগতে কয়— এই সুযোগতে ক্ৰমান্বয়ে ধ্বংসৰ গৰাহলৈ গৈ থকা কংগ্ৰেছ দলৰ ভুৱা বাতৰি প্ৰচাৰৰ দৰে এই নিকৃষ্ট ষড়যন্ত্ৰ উদ্‌ঘাটন কৰিবলৈ সক্ষম হোৱা আমাৰ শক্তিশালী কাৰ্যকৰ্তাসকলৰ নেটৱৰ্কক লৈ গৌৰৱ অনুভৱ কৰিছোঁ। কংগ্ৰেছৰ মিঞা আই টি চেলে এনে নিকৃষ্ট কাণ্ডৰ প্ৰত্যুত্তৰ অতিশীঘ্ৰে আইনী প্ৰক্ৰিয়াৰে লাভ কৰিব। পাছত এটা বিবৃতিত মন্ত্ৰী হাজৰিকাই কয় যে কংগ্ৰেছৰ মিঞা আই টি চেলে সুসংগঠিতভাৱে ভুৱা চৰকাৰী নথি ব্যৱহাৰ কৰি সামাজিক মাধ্যমত ভ্ৰান্তিকৰ প্ৰচাৰ চলোৱা ঘটনাই ৰাজ্যৰ ৰাজনৈতিক পৰিমণ্ডলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। মিঞা আই টি চেলৰ কাণ্ডই গণতন্ত্ৰলৈ কঢ়িয়াই আনিছে গভীৰ উদ্বেগ। কংগ্ৰেছৰ মিঞা আই টি চেলৰ সৈতে সম্পৰ্কিত এটা গোটে ভাৰত চৰকাৰৰ নকল লেটাৰ হেড আৰু ভুৱা স্বাক্ষৰ ব্যৱহাৰ কৰি ভ্ৰান্তিকৰ তথ্য তেওঁলোকৰ হোৱাটছএপ গ্ৰুপসমূহত প্ৰচাৰ কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। এয়া উদ্দেশ্যপ্ৰণোদিতভাৱে কৰা জালিয়াতি আৰু চৰকাৰী পৰিচয়ৰ অপব্যৱহাৰৰ সৈতে জড়িত এক গুৰুতৰ অপৰাধ। ইয়াৰ জৰিয়তে ন্যস্ত স্বাৰ্থজড়িত মহলে ভুল তথ্য বিয়পাই সাংবিধানিক পদমৰ্যাদাক বদনাম কৰিবলৈ পাকে-প্ৰকাৰে প্ৰচেষ্টা চলাইছে।

## দুটা ফৈদৰ সংঘৰ্ষত এজন নিহত

হোৱাৰ লগতে আন চাৰিজন আহত হৈছে। নিহত লোকজনক ছিকিনা গেহলাও বিছমিত বুলি চিনাক্ত কৰা হৈছে। আনহাতে, এই ঘটনাত মহেশ মুৰ্মু, যুৱিৰাজ ব্ৰহ্ম, আন্তিবশ্ৰী আৰু জিছমাইল মুৰ্মু নামৰ আন চাৰিজন লোক আহত হোৱা বুলি জানিব পৰা গৈছে। আহতসকলৰ ভিতৰত যুৱিৰাজৰ অৱস্থা সংকটজনক। কি কাৰণত এই ঘটনাৰ সূত্ৰপাত হয়, সেয়া বাতৰি লিখা পৰলৈকে জানিব পৰা হোৱা নাই। আনহাতে, ঘটনাস্থলীত একাংশ লোকে এখন স্ক'ৰপিঅ' বাহন জ্বলাই দিয়া বুলিও প্ৰকাশ। ইতিমধ্যে আহতসকলক কোকৰাঝাৰ মেডিকেল কলেজ হাস্পতালত ভৰ্তি কৰোৱা হৈছে। এই ঘটনাক লৈ অঞ্চলজুৰি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয় আৰু আৰক্ষীৰ শীৰ্ষ বিষয়া ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লোৱা বুলি জানিব পৰা গৈছে।

## ছিণ্ডিকেটৰে নাম সাঙোৰ খাইছে দিছপুৰ-বি টি চিৰ

সৰিয়হ ফুল দেখিছে। দিছপুৰৰ পৰা বিটিচিলৈ শাসকীয় দলৰ একাংশ নেতা-পালিনেতা আৰু একাংশ আৰক্ষী-প্ৰশাসনৰ লোকৰ প্ৰত্যক্ষ সহযোগত অবাধে অব্যাহত আছে এই ছিণ্ডিকেট। সেই বাবে প্ৰতিবিধ সামগ্ৰীৰ উৎসৰ দাম আৰু ৰাজ্যত সোমোৱাৰ পাছত বজাৰৰ দামৰ মাজত আকাশ-পাতাল পাৰ্থক্য পৰিলক্ষিত হৈছে। বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ চৰকাৰখনে ৰাজ্যত কোনোধৰণৰ ছিণ্ডিকেট নাই বুলি দাবী কৰি অহাৰ বিপৰীত ছবি এখনহে দৰাচলতে ৰাজ্যত দেখিবলৈ পোৱা যায়। পাণ, কণী, গাহৰি আদিত প্ৰত্যক্ষভাৱে শাসকীয় দলৰ নেতা ছিণ্ডিকেটত জড়িত বুলি অভিযোগ উঠাৰ বিপৰীতে পাচলিৰ ক্ষেত্ৰত স্থানীয়ভাৱে কিছু সৰু সৰু ছিণ্ডিকেট চক্ৰ গঢ় লৈ উঠাৰ অভিযোগ উঠিছে। পাচলিৰ ক্ষেত্ৰত গঢ়ি উঠা এনে ছিণ্ডিকেটৰ সৈতে মূলতঃ জড়িত হৈ আছে ৰাজনৈতিক আশীৰ্বাদপুষ্ট একাংশ পালিনেতা আৰু একাংশ আৰক্ষীৰ লোক। জানিব পৰা মতে, বহিঃৰাজ্যৰ পৰা অহা গাহৰি, পাণ আৰু কণীৰ ছিণ্ডিকেটত বিটিচিৰ শাসকীয় দলৰ একাংশ লোক জড়িত হৈ আছে। জনৈক দৈমাৰী, ৰায়, নেৱাৰ আৰু হুছেইনৰ নেতৃত্বত শ্ৰীৰামপুৰত আৰম্ভ হোৱা এনে ছিণ্ডিকেটৰ ধন দিছপুৰলৈও আহে বুলি অভিযোগ উঠিছে। কিছুদিন আগলৈ ছিণ্ডিকেট চক্ৰৰ নেতৃত্বত বেলেগ লোক আছিল যদিও বিটিচিৰ শাসনলৈ নতুন দল অহাৰ লগে লগে ছিণ্ডিকেট চক্ৰৰ লোকসকলো স্বাভাৱিকভাৱেই সলনি হ'ল। অভিযোগ মতে, দলীয়, সাংগঠনিক কামত ব্যৱহাৰ হৈছে ছিণ্ডিকেটৰ এনে ধন। ছিণ্ডিকেট চক্ৰৰ বাবেই কণীৰ দামো অনিয়ন্ত্ৰিত হাৰত বাঢ়ি আছে ৰাজ্যত। দিছপুৰৰ আশিসধন্য লোকৰ ছত্ৰছায়াত চলা এই ছিণ্ডিকেট নিয়ন্ত্ৰণৰ সাধ্য কাৰো নাই বুলি অভিযোগ উত্থাপন হৈছে। অতি ভয়ংকৰ ৰূপ ধাৰণ কৰা কণীৰ ছিণ্ডিকেটৰ বাবেই ৰাজ্যত একপ্ৰকাৰ নিয়ন্ত্ৰণহীন হৈ পৰিছে কণীৰ দাম। বিশেষকৈ যিকোনো উৎসৱৰ আগে আগে ৰাজ্যত হঠাতে বৃদ্ধি পায় কণীৰ দাম। আজি অন্ধ্ৰপ্ৰদেশকে ধৰি অন্য কেইখনমান ৰাজ্যত প্ৰতিটো কণীৰ গড় দাম ৫.১৭ টকাৰ পৰা ৫.৮৩ টকাৰ ভিতৰত যদিও অসমত বিক্ৰী হৈছে ৭.১৬ টকা দৰত। কোনোবাই এযোৰ কিনিলে ভৰিব লাগে ২০ টকা। উল্লেখ্য যে অসমলৈ দৈনিক ১৫ লাখটা কণী আহে। কণী আৰু গাহৰিৰ পৰাই ছিণ্ডিকেট চক্ৰই মাহেকত আদায় কৰে কেইবাকোটি টকা। মন কৰিবলগীয়া যে ৰাজ্যত যোৱা দুৰ্গা পূজাৰ পৰা আৰম্ভ হৈছিল কণীৰ দাম বৃদ্ধিৰ প্ৰক্ৰিয়া। দুৰ্গা পূজা, দেৱালী, ৰাস, খ্ৰীষ্টমাছ, নতুন বছৰ আৰু ভোগালী বিহু উদ্‌যাপনৰ সময়ত তিনি-চাৰি দিনৰ মূৰে মূৰে কণীৰ দাম বাঢ়ি আছিল। সকলো উৎসৱ শেষ হোৱাৰ পাছত কালিৰ পৰা কণীৰ দাম সামান্য হ্ৰাস পাইছে। জানিব পৰা মতে, উৎসৱৰ বতৰত কণী লৈ অহা ট্ৰাক আৰু ৰে'ল ষ্টেচনত বেছি ধন আদায় কৰে ছিণ্ডিকেট চক্ৰটোৱে। প্ৰাপ্ত তথ্য মতে, পঞ্জাৱ, হাৰিয়ানা, উত্তৰ প্ৰদেশ, মধ্যপ্ৰদেশৰ পৰা দৈনিক অসমলৈ গড় হিচাপত ২ৰ পৰা ৩ ট্ৰাক গাহৰি আহে। অসমত তেনে গাহৰি ট্ৰাকৰ পৰা নমোৱাৰ ক্ষেত্ৰত বাধা-নিষেধ আছে যদিও অসম আৰু চুবুৰীয়া ৰাজ্যৰ সীমাত নমোৱা হয় তেনে গাহৰি। অভিযোগ অনুসৰি প্ৰতিখন ট্ৰাকৰ পৰা সময়ভেদে ১ৰ পৰা ৩ লাখ টকা লয় ছিণ্ডিকেট চক্ৰই। সমপৰিমাণৰ ধন কণীৰ ক্ষেত্ৰতো আদায় কৰে ছিণ্ডিকেট চক্ৰই। উৎসৱৰ বতৰত বাঢ়ে আদায় কৰা ধনৰ পৰিমাণ। কিলোৰে প্ৰতি ১৯০ টকাকৈ বহিঃৰাজ্যৰ ব্যৱসায়ীয়ে বিক্ৰী কৰে গাহৰি। সেই গাহৰি গুৱাহাটীকে ধৰি ৰাজ্যৰ বিভিন্ন চহৰত কিলোৰে প্ৰতি ৪৪০ টকা পৰ্যন্ত দৰত বিক্ৰী হয়। চিধা অৰ্থত ছিণ্ডিকেটৰ বাবেই গাহৰিৰ মাংসৰ দাম অভাৱনীয় হাৰত বৃদ্ধি পাইছে আৰু সেই ফল ভোগ কৰিছে ৰাজ্যৰ সাধাৰণ গ্ৰাহকে। জানিব পৰা মতে, অসমৰ স্থানীয় গাহৰিৰ নগালেণ্ডলৈ সৰবৰাহ এ এছ এফৰ পৰিপ্ৰেক্ষিতত বন্ধ কৰি ৰাখিছে যদিও তাৰ মূল কাৰণ ছিণ্ডিকেট। নগালেণ্ডলৈ অসমৰ গাহৰি সৰবৰাহ কৰিলে অসমৰ গাহৰিপালকসকল উপকৃত হ'ল হয় যদিও নগালেণ্ডত গাহৰিৰ ছিণ্ডিকেটৰ আঁৰত আছে এগৰাকী মহিলা। নগালেণ্ডৰ শাসকীয় দলৰ এজন শীৰ্ষ নেতাৰ এইগৰাকী বোৱাৰীয়েকে চলাই গৈছে গাহৰিৰ ছিণ্ডিকেট। এতিয়া পশ্চিমবংগৰ পৰা অহা মিঠাপট্টি পাণৰো ছিণ্ডিকেটৰ বাবেই দাম বাঢ়িছে। জানিব পৰা মতে, কলকাতাত ভাল মিঠাপট্টি পাণ এখিলাৰ দাম ২ৰ পৰা ৫ টকা যদিও গুৱাহাটীত সেই দাম বাঢ়ি হৈছেহি ৬.২৫ টকাৰ পৰা ৭.৫০ টকাৰ ভিতৰত। বৰষুণৰ অভাৱত পাণৰ উৎপাদন হ্ৰাস আৰু ছিণ্ডিকেট চক্ৰক ধন আদায় দিবলগীয়া হোৱা বাবেই হঠাতে এনেদৰে প্ৰতি ৪০০ খিলা পাণৰ টোপোলা এটাৰ দাম পূৰ্বৰ ১,৫০০-১,৭০০ টকাৰ পৰা ৩,০০০ টকালৈ বৃদ্ধি পাইছে। ইফালে, ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ কৃষক প্ৰতি কিলো ব্ৰ'কলিত ২৫ টকা, ফুলকবিত ২৪ টকা, বন্ধাকবিত ১৪ টকা, তিয়ঁহৰ ৪০ টকা, বিলাহীত ৩০-৪০ টকাকৈ লাভ কৰে যদিও বজাৰত দুগুণ-তিনিগুণ অধিক দামত গ্ৰাহকে পাচলি ক্ৰয় কৰিব লাগে। মৰিগাঁও, নলবাৰী, বৰপেটা, খাৰুপেটীয়াৰ কেইবাজনো কৃষকে অভিযোগ কৰা অনুসৰি বজাৰত পাইকাৰী দৰত বেছিঁকে পাচলি কিনা মধ্যভোগী শ্ৰেণীটোৱে কৃষকক অধিক দাম দিব নোখোজে বা ক্ৰয় নকৰে। ফলত ঘৰলৈ ওভতাই নিয়াতকৈ কৃষকে ৰাজনৈতিক আশীৰ্বাদপুষ্ট এই চক্ৰটোৰ ওচৰত কম দামত বিক্ৰী কৰিবলৈ বাধ্য হৈ পৰে। সেই চক্ৰটোৱে পাছত নিজৰ ইচ্ছা মতে চহৰৰ বজাৰত পাইকাৰী হিচাপত পাচলি বেছি দামত বিক্ৰী কৰি দিয়ে। ফলত গ্ৰাহকে বেছি দামত ক্ৰয় কৰি থাকিবলগীয়া হৈছে পাচলি। ৰাজ্যত প্ৰতিবিধ নিত্যব্যৱহাৰ্য খাদ্য-সামগ্ৰীৰ দাম বৃদ্ধিৰ আঁৰত আছে এই গেং অব ফ'ৰ। এই চাৰিজনৰ নেতৃত্বত ছিণ্ডিকেট চলিছে যদিও এওঁলোকক নিয়ন্ত্ৰণ কৰি আছে জনৈক নাৰ্জাৰী উপাধিৰ এজন প্ৰভাৱশালী পৰিচিত ব্যক্তিয়ে। ছিণ্ডিকেটৰ হাতোৰা শেষ নোহোৱা পৰ্যন্ত ৰাজ্যৰ গ্ৰাহকে সকাহ লাভ কৰাৰ কোনো সম্ভাৱনা নাই।

**নিদ্ৰাত মগ্ন ডিব্ৰুগড়ৰ জলসম্পদ বিভাগ**

## আছুৰ বাৰঘণ্টীয়া অনশনত উত্তাল ফুলবাগান

**দৈনিক অসমৰ প্ৰতিনিধি**

**ডিব্ৰুগড়, ১৯ জানুৱাৰী ঃ** ব্ৰহ্মপুত্ৰই প্ৰতিবছৰে ডিব্ৰুগড়ৰ বিস্তীৰ্ণ অঞ্চল গ্ৰাস কৰাৰ পাছতো চৰকাৰ আৰু জলসম্পদ বিভাগ গভীৰ নিদ্ৰাত মগ্ন। মাইজানৰ পৰা বগীবিলৈকে ব্ৰহ্মপুত্ৰই চলি থকা বিধ্বংসী খহনীয়াই জনজীৱন সম্পূৰ্ণৰূপে বিধ্বস্ত কৰি পেলালেও জলসম্পদ বিভাগে কেৱল কাগজ-কলমতে কাম চলাই অহা দেখা গৈছে।— এই অভিযোগ ডিব্ৰুগড় ছাত্ৰ সন্থাৰ। ছাত্ৰ সংগঠনটোৰে অভিযোগ কৰা মতে বান আৰু খহনীয়া অসমৰ স্থায়ী সমস্যাত পৰিণত হোৱাৰ পাছতো সংশ্লিষ্ট মন্ত্ৰী আৰু বিভাগীয় কৰ্তৃপক্ষৰ নিষ্ক্ৰিয়তা এতিয়া জনসাধাৰণৰ বাবে উপহাসৰ বিষয় হৈ পৰিছে। মাইজান বৰুৱাকীয়া গাঁও, নাগাঘুলি, মথলা, চাদমাৰী, কয়লাঘাট, মোহনাঘাট আদি নদীকাষৰীয়া অঞ্চলসমূহ প্ৰতিবছৰে ব্ৰহ্মপুত্ৰৰ বুকুত বিলীন হৈ গৈছে। তথাপি এই ভয়ংকৰ বাস্তৱতাৰ প্ৰতি চৰকাৰৰ কোনো দায়িত্বশীল আৰু স্থায়ী পদক্ষেপ দেখা নগ'ল। সন্থাৰ সভাপতি তনুজ হ্যান্ডিকে অভিযোগ কৰি কয়— বাৰম্বাৰ অৱগত কৰা সত্ত্বেও বিভাগীয় উচ্চপদস্থ কৰ্মকৰ্তাসকল নিদ্ৰাত থকাৰ বাবেই আজিলৈ সমস্যাৰ কোনো স্থায়ী সমাধান হোৱা নাই। খৰালিকালতেই খহনীয়া প্ৰতিৰোধৰ কাম তৎপৰতাৰে কৰিব লাগিছিল যদিও জলসম্পদ বিভাগে ইচ্ছাকৃতভাৱে ইয়াক অৱহেলা কৰিছে। ঠিকাদাৰী প্ৰতিষ্ঠানসমূহে নিজৰ খেয়াল-খুচিৰে কাম চলোৱা, নিম্নমানৰ সামগ্ৰী ব্যৱহাৰ কৰা আৰু বাৰিষা আহিলেহে হঠাৎ কাম আৰম্ভ কৰাৰ আঁৰত গভীৰ ৰহস্য লুকাই থকাৰ সন্দেহো প্ৰকাশ কৰিছে সংগঠনটোৱে। সন্থাৰ সাধাৰণ সম্পাদক পাপু শইকীয়াই স্পষ্ট অভিযোগ কৰি কয়— ডিব্ৰুগড়ৰ জলসম্পদ বিভাগ এতিয়া জনস্বাৰ্থ ৰক্ষাৰ বিভাগ নহয়, একাংশ ঠিকাদাৰ আৰু অভিযন্তাৰ বাবে জলৰ পৰা সম্পদ সংগ্ৰহ কৰা এটা লুণ্ঠনৰ কেন্দ্ৰত পৰিণত হৈছে। খহনীয়া প্ৰতিৰোধৰ নামত শ শ কোটি টকা আবণ্টন দিয়াৰ পাছতো মাটিত তাৰ কোনো ফল দেখা নগ'ল, কেৱল ৰাজহুৱা ধনৰ অপচয় কৰা হৈছে। পূৰ্বতে কাম সম্পূৰ্ণ কৰা বুলি দাবী কৰা স্থানসমূহতেই আজি পুনৰ খহনীয়া আৰম্ভ হৈছে, যিয়ে বিভাগৰ কামৰ মান আৰু সততাৰ ওপৰত গুৰুতৰ প্ৰশ্নৰ উদ্ৰেক কৰিছে। ডিব্ৰুগড় আছুৱে নেতৃত্বই স্পষ্ট সকীয়নি দিয়ে যে খৰালিকালতেই খহনীয়া প্ৰতিৰোধৰ কাম ত্বৰান্বিত কৰি সম্পূৰ্ণ নকৰিলে আগন্তুক দিনত আন্দোলন অধিক তীব্ৰতৰ কৰা হ'ব। জলসম্পদ বিভাগে নিদ্ৰা ভাঙি দায়িত্বশীল ভূমিকা গ্ৰহণ কৰি তৎকালীন আৰু ফলপ্ৰসূ ব্যৱস্থা ল'বলৈ চৰকাৰৰ ওচৰত কঠোৰ দাবী জনায় সংগঠনটোৱে। জলসম্পদ বিভাগৰ অকৰ্মণ্যতাৰ বিৰুদ্ধে আজি ফুলবাগানত আছুৰ নেতৃত্বত ৰূপায়ণ কৰা হয় ১২ ঘণ্টীয়া অনশনৰ কাৰ্যসূচী। সন্ধিয়া ৬ বজাত অন্ত পৰা বাৰঘণ্টীয়া অনশন কাৰ্যসূচীত সদৌ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ সভাপতি ৰূপজ্যোতি বৰঠাকুৰ, দুৰ্গামন্দিৰ এল পি স্কুলৰ শিক্ষক দিলীপ সিংহ আৰু বৃহত্তৰ প্ৰেছ ক্লাবৰ সম্পাদক ৰাতুল বুঢ়াগোহাঁয়ে আমৰ ৰস খুৱাই অনশন ভংগ কৰোৱায়।

## আৰক্ষীৰ অপৰাধ শাখাৰ

লোকে বিষয়টোত গুৰুত্ব দিয়া নাছিল যদিও ধৈৰ্যৰ সীমা পাৰ হৈ যোৱাত আজি পুৱাই গৰিমা শইকীয়া গাৰ্গে আৰক্ষীৰ অপৰাধ শাখাত শিখা শৰ্মাৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে। এজাহাৰ দাখিল কৰাৰ পাছতে অপৰাধ শাখাই ভাৰতীয় ন্যায় সংহিতাৰ ১৫২/১৯৬/২৯৯/৩৫১/৩৫২/৩৫৩/৩৫৬ ধাৰাৰ অধীনত ২/২৬ নম্বৰত গোচৰ ৰুজু কৰি প্ৰাথমিক তদন্ততে শিখা শৰ্মাক গ্ৰেপ্তাৰ কৰে। অপৰাধ শাখাৰ এটা দলে মহানগৰীৰ পাথৰকোৱেৰীত থকা শৰ্মাৰ নীলাচল এপাৰ্টমেণ্টৰ এ ব্লকৰ চি-২ৰ পৰা তেওঁক গ্ৰেপ্তাৰ কৰে। আনহাতে, শিখা শৰ্মাক গ্ৰেপ্তাৰ কৰাৰ পাছতে ৰাজ্যজুৰি জুবিন অনুৰাগী আৰু ফেন ক্লাবে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি শিখা শৰ্মাক দৃষ্টান্তমূলক শাস্তি দিবলৈ দাবী জনোৱাৰ লগতে গৰিমা গাৰ্গে সামাজিক মাধ্যমযোগে আৰক্ষীক ধন্যবাদ জনায়। উল্লেখ্য যে ইয়াৰ পূৰ্বেও বিতৰ্কিত লেখিকাগৰাকীয়ে সামাজিক মাধ্যমত বিতৰ্কিত পোষ্ট দি জে'লৰ ভাত খাবলগীয়া হৈছিল। ইপিনে, শিখা শৰ্মাক গ্ৰেপ্তাৰৰ পাছতে অট্টালিকাটোত থকা আৱাসীসকলে কয়— আমাৰ ইয়াত ভাৰতীয়া হিচাপে থকা শিখা শৰ্মাৰ বাবে আমি আজি লজ্জিত হৈছোঁ। জুবিন গাৰ্গৰ দৰে এজন মহান ব্যক্তিক সমালোচনা কৰাটো মুঠেও গ্ৰহণযোগ্য নহয়। তেওঁৰ মালিকক আমি বহুবাৰ কৈছোঁ, শ্ৰীমতী শৰ্মাক ইয়াৰ পৰা যাবলৈ দিয়ক। আজিৰ পাছত আৰু তেওঁক এপাৰ্টমেণ্টটোত থাকিব দিয়াৰ প্ৰশ্নই নাহে। আনহাতে, আজি বিতৰ্কিত শিখা শৰ্মাৰ বিৰুদ্ধে জুবিনৰ অন্তৰংগ বন্ধু তথা পৰিচালক ৰাজেশ ভূএগ, জুবিন ফেন ক্লাবকে ধৰি বহু লোকে দিছপুৰ থানাকে ধৰি বিভিন্ন থানাত এজাহাৰ দাখিল কৰিছে। আজি গ্ৰেপ্তাৰ কৰাৰ পাছতে শিখা শৰ্মাক আদালতত হাজিৰ কৰায় আৰু আদালতে দুদিনৰ আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰে। ইফালে, আজি নিশাটো শিখা শৰ্মাক পাণবজাৰৰ মহিলা থানাতে ৰখা হ'ব বুলি জানিব পৰা গৈছে।

**দিছপুৰ থানাত এজাহাৰ দাখিল সাংবাদিক হেমন্ত শৰ্মাৰ**

বিতৰ্কিত লেখিকা শিখা শৰ্মাই সদ্যপ্ৰয়াত জুবিন গাৰ্গক কেন্দ্ৰ কৰি বিগত কিছুদিন ধৰি সামাজিক মাধ্যমত কৰি অহা অশালীন মন্তব্যত ক্ষুব্ধ হৈ দিছপুৰ থানাত এজাহাৰ দাখিল কৰে সাংবাদিক, লেখক হেমন্ত শৰ্মাই। শৰ্মাই কয় যে স্বল্প গ্লেমাৰত উটি-ভাহি ফুৰা এইগৰাকী নিকৃষ্ট মানসিকতাৰ মহিলাক ইমানদিনে মানসিক ৰোগী বুলি ভাবি আহিছিল যদিও শেহতীয়াকৈ তেওঁৰ কৰ্মকাণ্ডই সীমা অতিক্ৰম কৰিছে। এগৰাকী মৃত ব্যক্তিত্বৰ মানহানি কৰাৰ উপৰি অসমীয়া সমাজৰ আৱেগক আঘাত দিছে আৰু সামাজিক উত্তেজনা সৃষ্টিৰ পৰিস্থিতিও উদ্ভৱ হোৱা মন্তব্য কৰিছে শিখা শৰ্মাই। এজাহাৰত ঘটনাটোক মানহানি, উত্তেজনামূলক বক্তব্য আৰু সামাজিক মাধ্যম সংলগ্ন আইন উলংঘাৰ অন্তৰ্গত বুলিও উল্লেখ কৰি সাংবাদিক শৰ্মাই আৰক্ষীক কঠোৰ শাস্তিমূলক ব্যৱস্থা গ্ৰহণৰ বাবে অনুৰোধ জনাইছে।

**পাঠশালা থানাত এজাহাৰ জুবিন গাৰ্গ ফেন ক্লাবৰ**

**বজালীৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** বিতৰ্কিত মহিলা শিখা শৰ্মাৰ বিৰুদ্ধে সৰৱ হৈ পৰিছে জুবিন গাৰ্গ ফেন ক্লাব। ৰাজ্যৰ প্ৰতিটো জুবিন গাৰ্গ ফেন ক্লাবে আজি নিজ নিজ অঞ্চলৰ থানাত শিখা শৰ্মাৰ বিৰুদ্ধে দাখিল কৰিছে এজাহাৰ। বজালীত আজি পাঠশালা জুবিন গাৰ্গ ফেন ক্লাবৰ তৰফৰ পৰা পাঠশালা আৰক্ষী থানাত শিখা শৰ্মাৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰা হয়। ক্লাবৰ বিষয়ববীয়াসকলে এজাহাৰ দাখিল কৰি প্ৰাণৰ শিল্পীগৰাকীৰ অবৰ্তমানত ইচ্ছাকৃতভাৱে বাৰে বাৰে চৰিত্ৰ হনন কৰিবলৈ চেষ্টা কৰা কাৰ্যক তীব্ৰ ভাষাৰে গৰিহণা দিয়ে।

## ছিংগাপুৰৰ ৰাষ্ট্ৰপতি থাৰমানক

উপস্থিত হৈছে। উল্লেখ্য যে ১৯ জানুৱাৰীৰ পৰা ২৩ জানুৱাৰীলৈ পাঁচদিনীয়াকৈ অনুষ্ঠিত বিশ্বৰ সৰ্ববৃহৎ আৰু অতিশয় ফলপ্ৰসূ বাণিজ্যিক সন্মিলন ৱৰ্ল্ড ইক'নমিক ফ'ৰামৰ বাৰ্ষিক সন্মিলনত অসমে প্ৰথমবাৰৰ বাবে ভাগ লোৱাৰ সুযোগ লাভ কৰিছে। দেওবাৰে নিশা দিল্লীৰ পৰা ছুইজাৰলেণ্ডলৈ বুলি উৰামৰা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি জুৰিখত উপস্থিত হোৱাৰ পাছতে জুৰিখ বিমানবন্দৰত প্ৰৱাসী ভাৰতীয় সমাজে তেওঁক উষ্ম আদৰণি জনায়। ইয়াৰ পাছতে ডঃ শৰ্মা ৱৰ্ল্ড ইক'নমিক ফ'ৰাম ২০২৬ৰ অংশ হিচাপে জুৰিখত ছিংগাপুৰৰ ৰাষ্ট্ৰপতি থাৰমান ছন্মুগৰত্নমৰ সৈতে চমু বৈঠকত মিলিত হয়। এই সাক্ষাৎ সম্পৰ্কে সামাজিক মাধ্যমযোগে সদৰি কৰি মুখ্যমন্ত্ৰীয়ে কয়— ৰাষ্ট্ৰপতিগৰাকীৰ ভাৰতৰ প্ৰতি আন্তৰিকতা আৰু উষ্ম অভিবাদনে আমাৰ মত বিনিময়ক অধিক প্ৰাণৱন্ত কৰি তুলিছিল। উল্লেখ্য যে জুৰিখত অৱতৰণ কৰাৰ পাছত অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী চন্দ্ৰবাবু নাইডু, বিশ্ব বেংকৰ অধ্যক্ষ অজয় বাংগা আৰু কেন্দ্ৰীয় মন্ত্ৰী ৰামমোহন নাইডুৰ সৈতেও মুখ্যমন্ত্ৰী ডঃ শৰ্মাৰ সাক্ষাৎ হয়। মুখ্যমন্ত্ৰীয়ে ৱৰ্ল্ড ইক'নমিক ফ'ৰামৰ বাৰ্ষিক সাধাৰণ সভা ২০২৬ৰ উদ্বোধনী অনুষ্ঠান, আদৰণী অনুষ্ঠান, গ্ল'বেল লাইটহাউছ নেটৱৰ্ক ডীনাৰকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ কাৰ্যসূচী তথা অনুষ্ঠানত অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ে জনোৱা মতে, ডঃ হিমন্ত বিশ্ব শৰ্মাই আজিৰ প্ৰথমদিনৰ কাৰ্যসূচীৰ পাছত কাইলৈ অৰ্থাৎ দ্বিতীয় দিনৰ পৰা বিভিন্ন গুৰুত্বপূৰ্ণ বৈঠকত অংশগ্ৰহণ কৰিব। এই বৈঠকে অসম তথা ভাৰতবৰ্ষৰ উন্নয়নত অধিক গতিশীলতা প্ৰদান কৰাত যথেষ্ট সুযোগ সৃষ্টি কৰিব বুলি আশা কৰা হৈছে। অসমৰ ঔদ্যোগিক ৰূপান্তৰৰ উৎকৃষ্টতাৰ অনন্য উদাহৰণ ডুমডুমাস্থিত হিন্দুস্তান ইউনিলিভাৰ ফেক্টৰী, ইয়াৰ নতুন গোট। অনাগত সময়ছোৱাত ইয়াৰ সাফল্যসমূহ উপলব্ধ কৰা হ'ব। এই সন্মিলনত মুখ্যমন্ত্ৰী অসমত বিনিয়োগ, অৰ্থনীতি আদিকে ধৰি অসমৰ সৰ্বাংগীণ উন্নয়নৰ সৈতে জড়িত বিভিন্ন বিষয়ক লৈ আলোচনাত মিলিত হ'ব আৰু একাধিক বুজাবুজি চুক্তিত স্বাক্ষৰ কৰিব। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই এই সন্মিলনত বিশ্বৰ শীৰ্ষস্থানীয়, উন্নত দেশৰ ৰাষ্ট্ৰপ্ৰধানেই নহয়, বৃহৎ বহুজাতিক কোম্পানীৰ মুৰব্বী, বিশ্ব বেংক, আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধি, বিশ্ব বাণিজ্য সংস্থাৰ মুৰব্বী আদিৰ সৈতেও বৈঠকত মিলিত হ'ব আৰু অসম তথা ভাৰতৰ বিকাশ-উন্নয়নৰ বাবে বক্তব্য প্ৰদান কৰিব।

## শ্ৰীশ্ৰীগণেশ পূজাৰ আয়োজন

**দৈনিক অসমৰ প্ৰতিনিধি**
**জালুকবাৰী, ১৯ জানুৱাৰী ঃ** গুৱাহাটীৰ পশ্চিম প্ৰান্তৰ শ্ৰীশ্ৰীলংকেশ্বৰ ধামৰ নামনিত থকা গণেশ মন্দিৰত অহা ২২ জানুৱাৰীত বৰদা চতুৰ্থীৰ লগত সংগতি ৰাখি শ্ৰীশ্ৰীগণেশ পূজাৰ আয়োজন কৰা হৈছে। শ্ৰীশ্ৰীলংকেশ্বৰ ধাম আঞ্চলিক পৰিচালনা কমিটীৰ সভাপতি কামিনীকান্ত কলিতা আৰু সাধাৰণ সম্পাদক যাদব চন্দ্ৰ কলিতাই এটা বিবৃতিত জানিবলৈ দিয়া মতে, সিদিনা পুৱা ১০ বজাত ঘট স্থাপনেৰে পূজাৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হ'ব। তাৰ পাছত দুপৰীয়াৰ বজাত নাম-কীৰ্তন, দুই বজাত প্ৰসাদ আৰু ভোগ বিতৰণ, সন্ধিয়া ৬ বজাত বন্তি প্ৰজ্বলন আৰু আৰতি, নিশা ৭ বজাৰপৰা নাম-কীৰ্তন অনুষ্ঠিত হ'ব।

## বশিষ্ঠ আৰক্ষীৰ জালত ড্ৰাগছ বেপাৰী



**দৈনিক অসমৰ বাতৰি**
**গুৱাহাটী, ১৯ জানুৱাৰী ঃ** বশিষ্ঠ আৰক্ষীৰ এটা দলে তথ্যৰ ভিত্তিত লালমাটিৰ এটা গোপন স্থানত অভিযান চলাই এজন ড্ৰাগছ বেপাৰীক গ্ৰেপ্তাৰ কৰে। ধৃত ড্ৰাগছ বেপাৰীজন ধুবুৰীৰ বালাডোবাৰ নুৰ জামাল এছ কে (৪০) বুলি আৰক্ষী সূত্ৰে প্ৰকাশ। আৰক্ষীয়ে ধৃত ড্ৰাগছ বেপাৰীজনৰ পৰা এটা চাবোনৰ বাকচত ১১ গ্ৰাম হেৰ'ইন আৰু এটা মোবাইল ফোন জব্দ কৰে।

### কটাহবাৰী তিনিআলিত নাই যান-বাহন আৰক্ষী ঃ বিহিত ব্যৱস্থা গ্ৰহণৰ দাবী স্থানীয় ৰাইজৰ

# অভাৱনীয় যান-জঁটে অতিষ্ঠ কৰিছে নাগৰিকক



মহানগৰীৰ সদাব্যস্ত জি এছ ৰোডত তীব্ৰ যান-জঁট, সোমবাৰে

**দৈনিক অসমৰ প্ৰতিনিধি**
**গড়চুক, ১৯ জানুৱাৰী ঃ** মহানগৰীৰ অন্যতম সমস্যা হৈছে যান-জঁটৰ সমস্যা। অথচ এনে সমস্যা সমাধানৰ ক্ষেত্ৰত ব্যৰ্থ হোৱা দেখা গৈছে যান-বাহন আৰক্ষী। ফলত যাতায়াতৰ ক্ষেত্ৰত দুৰ্ভোগ ভুগি আহিছে মহানগৰীৰ বিভিন্ন অঞ্চলৰ বাসিন্দাসকলে। গুৱাহাটীৰ এনে এটা ব্যস্ততাপূৰ্ণ অঞ্চল হৈছে গড়চুকৰ কটাহবাৰী তিনিআলি। পুৱাৰে পৰা নিশাপৰ্যন্ত বিভিন্ন ধৰণৰ হাজাৰ হাজাৰ যান-বাহন আৰু পথচাৰীৰ সমাগম ঘটা এই ব্যস্ততাপূৰ্ণ অঞ্চলটোত দীৰ্ঘদিন ধৰি যান-বাহন নিয়ন্ত্ৰণ কৰিবলৈ যান-বাহন আৰক্ষীৰ ব্যৱস্থা নথকাত পথটো অতিক্ৰম কৰাৰ ক্ষেত্ৰত যমৰ যাতনা ভুগি আহিছে নাগৰিকে। ফলত অঞ্চলটোত সঘনাই পথ দুৰ্ঘটনা সংঘটিত হৈ আহিছে। তদুপৰি তিনিআলিটো অতিক্ৰম কৰিবলৈ হ'লে যান-বাহনৰ ভিৰৰ মাজে মাজে ঘণ্টাৰ পাছত ঘণ্টা ধৰি বৈ থাকিব লাগে পথচাৰী। বিশেষকৈ ভৰলুমুখৰ পৰা গড়চুক চাৰিআলিলৈকে যাত্ৰী কঢ়িওৱা গাড়ীৰ উপৰি ব্যক্তিগত পৰ্যায়ৰ গাড়ী, মালবাহী ডাম্পৰ ট্ৰাক, মিনি ট্ৰাক, অটোভান আৰু জাৰৰ-জোঁথৰ নিয়া গাড়ী চলাচল কৰে। যাত্ৰীবাহী গাড়ীৰ ভিতৰত মেজিক গাড়ী, কেণ্টাৰ, অটো, ই-ৰিক্সা, আদি চলাৰ উপৰি ব্যক্তিগত পৰ্যায়ৰ কাৰ, জীপছি, স্কুটী, মটৰচাইকেল আদিও অবিৰত চলাচল কৰে। তদুপৰি ব্যক্তিগত খণ্ডৰ স্কুল বাছসমূহো চলাচল কৰে। দিল্লী পাব্লিক স্কুল, ৰয়েল গ্লবেল বিশ্ববিদ্যালয়কে ধৰি ভালেকেইখন ব্যক্তিগত খণ্ডৰ ইংৰাজী, অসমীয়া মাধ্যমৰ স্কুলৰ গাড়ীও নিতৌ অহা-যোৱা কৰে। ৯ বজাৰ আগৰ পৰা অৰ্থাৎ স্কুল আৰম্ভ হোৱাৰ আগৰে পৰা বা দুই বজাৰ পৰা অৰ্থাৎ স্কুল ছুটী হোৱাৰ পাছত পথছোৱাত বিশেষ ভিৰ পৰিলক্ষিত হয়। তদুপৰি কটাহবাৰী তিনিআলিৰ পৰা মনসা মন্দিৰৰ আগেৰে কটাহবাৰী বাছ ষ্টপেজেৰে ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথেৰে আন্তঃৰাজ্যিক বাছ আস্থানলৈ বা বেলতলা হৈ দিছপুৰ তথা খানাপাৰালৈও বহু গাড়ী চলে। ইয়াৰোপৰি, অটোভান, মিনি ট্ৰাক, ডাম্পৰ মালবাহী ট্ৰাক এই পথেৰে দিনটো অনেকবাৰ অহা-যোৱা কৰে। সন্ধ্যা সময়ত এনে গাড়ীৰ ভিৰ অতিকৈ হয়। কটাহবাৰী এক নং মছজিদৰ পৰা তিনিআলি হৈ এই পথেৰে পাৰ হৈ যোৱালৈকে লেখাই নিছিগা অৱস্থা হয়। পথচাৰী ইপাৰ-সিপাৰ হওতে শংকাত পৰিব লগা হয়। তিনিআলিটোত ট্ৰেফিক নিয়ন্ত্ৰণৰ বিশেষ প্ৰয়োজন আছে যদিও ট্ৰেফিক পুলিচ নিয়োগ কৰা হোৱা নাই। সময়ে সময়ে এই পথছোৱাত গাড়ীয়ে গাড়ীয়ে খুন্দা লগাৰ লগতে দুৰ্ঘটনাও নোহোৱা নহয়। যান-বাহনৰ ভিৰলৈ চাই তিনিআলিটোত ট্ৰেফিক পইন্ট বহুৱাৰ প্ৰয়োজন হৈ আছে। অথচ ট্ৰেফিক পুলিচ এজনো নিয়োগ কৰা হোৱা নাই। সোনকালে ট্ৰেফিক পইন্ট বহুৱাই ট্ৰেফিক নিয়ন্ত্ৰণৰ ব্যৱস্থা নকৰিলে ঠাইখোকত দুৰ্ঘটনা সংঘটিত হৈ ধন-জন হানি হোৱাৰ আশংকা আছে।

## উত্তৰ গুৱাহাটীত আনন্দৰাম বৰুৱাৰ মৃত্যু তিথিত সশ্ৰদ্ধ সোঁৱৰণ


**দৈনিক অসমৰ প্ৰতিনিধি**
**উত্তৰ গুৱাহাটী, ১৯ জানুৱাৰী ঃ** আজি বিশ্ববিশ্ৰুত সংস্কৃত পণ্ডিত আনন্দৰাম বৰুৱাৰ ১৩৬ সংখ্যক মৃত্যু তিথি। পণ্ডিতগৰাকীৰ জন্মস্থান উত্তৰ গুৱাহাটীৰ ৰজাদুৱাৰত আনন্দৰাম বৰুৱা স্মৃতি সংৰক্ষণ সমিতি, নিঃস্বাৰ্থ মঞ্চ অসম, আনন্দৰাম উচ্চ বুনিয়াদী বিদ্যালয়, উত্তৰ গুৱাহাটী সাহিত্য চক্ৰ, উত্তৰ গুৱাহাটী লেখিকা সংস্থা, উত্তৰ গুৱাহাটী কবি সমাজৰ উদ্যোগত এখন শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। সংস্কৃত ভাষাৰ বিদগ্ধ পণ্ডিত, প্ৰথম অসমীয়া প্ৰশাসনিক বিষয়া, প্ৰথম অসমীয়া স্নাতক বিশ্ববিশ্ৰুত পণ্ডিতপ্ৰৱৰ আনন্দৰাম বৰুৱাৰ ৰজাদুৱাৰত থকা প্ৰতিমূৰ্তিৰ সন্মুখত উপস্থিত সকলোৱে বন্তি প্ৰজ্বলন আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অনুষ্ঠানত উপস্থিত থাকি আনন্দৰাম স্মৃতি সংৰক্ষণ সমিতি সৌৰভ কুমাৰ বৰকাকতি, উত্তৰ গুৱাহাটী কবি সমাজৰ সভাপতি গৌৰীকান্ত কাকতি, আনন্দৰাম উচ্চ বুনিয়াদী বিদ্যালয়ৰ প্ৰধান শিক্ষক দীনৰাম বৰা, সহঃ শিক্ষক আব্দুৰ ৰচিদ চৌধুৰী, চম্পা ডেকা উত্তৰ গুৱাহাটী সাহিত্য চক্ৰৰ সভাপতি, নিঃস্বাৰ্থ মঞ্চ অসমৰ সভাপতি ঊষা দেৱী, সম্পাদক প্ৰণতি বৰুৱা আৰু নিঃস্বাৰ্থ মঞ্চ অসমৰ উপদেষ্টা ইজুমণি বৰুৱাই আনন্দৰাম বৰুৱাই সমাজৰ শৈক্ষিক, প্ৰশাসনিক আৰু সামাজিক ক্ষেত্ৰত আগবঢ়োৱা বৰঙণিৰ ওপৰত আলোকপাত কৰে। উপস্থিত ছাত্ৰ-ছাত্ৰীসকলক আনন্দৰাম বৰুৱাৰ আদৰ্শ অনুকৰণ কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত আনন্দৰাম উচ্চবুনিয়াদী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলকৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীসকল উপস্থিত থাকে।



### ■ বিশ্ব হিন্দু মহাসংঘৰ বিৰোধিতা, মুখ্যমন্ত্ৰীক অভিযোগ ■

## উজান বজাৰৰ মন্দিৰৰ সন্মুখতে সুৰাৰ বিপণী

**দৈনিক অসমৰ বাতৰি**
**গুৱাহাটী, ১৯ জানুৱাৰী ঃ** গুৱাহাটী মহানগৰীৰ ঐতিহ্যমণ্ডিত উজান বজাৰৰ উমাশংকৰ শিৱ মন্দিৰৰ সন্মুখতে আদাবাৰীৰপৰা স্থানান্তৰিত কৰি জনৈক তাফিক আহমেদৰ ৰোডছাইড ৱাইন শ্বপ নামৰ বিলাতী সুৰাৰ বিপণীখন স্থাপন কৰিবলৈ অনুমতি দিয়া আবকাৰী বিভাগৰ হঠকাৰী সিদ্ধান্তৰ তীব্ৰ বিৰোধিতা কৰিছে বিশ্ব হিন্দু মহাসংঘ (অসম প্ৰদেশ)ই। ইতিমধ্যে মহাসংঘৰ তৰফৰপৰা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু জিলা উপায়ুক্তৰ ওচৰত আনুষ্ঠানিকভাৱে অভিযোগ দাখিল কৰিছে। বিশ্ব হিন্দু মহাসংঘৰ অসম প্ৰদেশৰ সাধাৰণ সম্পাদক প্ৰাঞ্জল কুমাৰ শৰ্মাই দাখিল কৰা অভিযোগ পত্ৰখনত কোৱা হয় যে ১৮৮৫ চনতে স্থাপিত পৌৰাণিক হনুমান মন্দিৰ, শ্ৰীশ্ৰী উগ্ৰতাৰা দেৱালয়, ঐতিহ্যপূৰ্ণ বাৰোৱাৰী দুৰ্গা মন্দিৰ, চত্ৰকাৰ দেৱালয়, দ'ল চ'ক জগন্নাথ মন্দিৰ, লতাশিল গণেশ মন্দিৰৰ দৰে হিন্দু ধৰ্মৰ মন্দিৰ, উপাসনাস্থলীৰে পূৰ্ণ স্থানত বিভাগীয় নীতি-নিয়ম উলংঘা নহ'লেও বিলাতী সুৰাৰ বিপণী স্থাপনৰ অনুমতি দিয়া কাৰ্য হিন্দু ধৰ্মীয় অনুভূতিক আঘাত দিয়া স্পৰ্শকাতৰ কাৰ্য। অভিযোগত কোৱা হয় যে প্ৰস্তাৱিত সুৰা বিপণীখনৰ সন্মুখৰ পথটো পাৰ হ'লেই আছে এখন প্ৰি-স্কুল আৰু প্ৰজাপতি ব্ৰহ্মকুমাৰী ঈশ্বৰীয় বিশ্ববিদ্যালয়ৰ যোগ সাধনা কেন্দ্ৰ আৰু সমীপতে আছে উজান বজাৰ হাইস্কুল আৰু মাণিক চন্দ্ৰ বৰুৱা হাইস্কুলৰ দৰে মহানগৰীৰ পুৰণি শিক্ষানুষ্ঠান। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ দৰে অনুষ্ঠান, বিবেকানন্দ কেন্দ্ৰকে ধৰি বহু ব্যক্তিগত ছাত্ৰাৱাস আৰু ছাত্ৰীনিৱাস থকা এনে এটা স্থানত বিলাতী সুৰাৰ বিপণী স্থাপন কৰা কাৰ্যৰ মহাসংঘই বিৰোধিতা কৰি যাব বুলিও স্পষ্ট কৰি দিয়ে। উল্লেখ্য যে এই বিলাতী সুৰাৰ বিপণীখন দেওবাৰে মুকলি কৰাৰ পাছতে স্থানীয় শতাধিক পুৰুষ-মহিলাই ইয়াৰ বিৰোধিতা কৰি প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে বিপণীখন বন্ধ কৰি দিয়ে।




## অভীপ্সা অধ্যয়ন চক্ৰৰ অধিৱেশন

**দৈনিক অসমৰ বাতৰি**
**গুৱাহাটী, ১৯ জানুৱাৰী ঃ** অভীপ্সা অধ্যয়ন চক্ৰৰ চতুৰ্বিংশতিতম দ্বিবাৰ্ষিক অধিৱেশনখন বামুণীমৈদামৰ জ্ঞানদীপ একাডেমীৰ প্ৰাংগনত ১৭ আৰু ১৮ জানুৱাৰীত দুদিনীয়া কাৰ্যসূচীৰে সম্পন্ন হৈ যায়। সভাপতি ৰুমী তালুকদাৰৰ দ্বাৰা পতাকা উত্তোলনেৰে আৰম্ভ কৰা সভাত বন্তি প্ৰজ্বলন কৰে প্ৰাক্তন সভাপতি অৰুণ চন্দ্ৰ শৰ্মাই আৰু স্মৃতি তৰ্পণ কৰে প্ৰাক্তন সভাপতি কেশৱ কলিতাই। ৰুমী তালুকদাৰৰ সভাপতিত্বত ১৮ জানুৱাৰীত আয়োজন কৰা মুকলি অধিৱেশনত যুটীয়া সম্পাদক ৰুমী শৰ্মা বৰঠাকুৰে অভীপ্সা অধ্যয়ন চক্ৰৰ দ্বিবাৰ্ষিক প্ৰতিবেদন পাঠ কৰে। আমন্ত্ৰিত অতিথি বিশিষ্ট কবি ৰুদ্ৰ সিংহ মটকে মুখপত্ৰ 'অধ্যয়ন' উন্মোচন কৰে। মুখ্য অতিথি শিক্ষাবিদ ডঃ ধৰণীধৰ গোস্বামীয়ে ভাষণত 'পৰিৱৰ্তনৰ গুৰুত্বপূৰ্ণ মুহূৰ্ত' যে সাহিত্যতো আহে তাৰ বিভিন্ন উদাহৰণ দিয়ে। সভাত বিশিষ্ট চিত্ৰশিল্পী মুনীন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্য আৰু অধিবক্তা সুনীতি সোণোৱালক বিশেষভাৱে সম্বৰ্দ্ধনা জনোৱা হয়। সভাত অধ্যয়ন চক্ৰৰ সদস্যসকলৰ সমৱেত সংগীত, বিকাশ বৰ্মনৰ বৰগীত, বীনু নাৰায়ণদেৱৰ জ্যোতিসংগীত আৰু সাংস্কৃতিক অনুষ্ঠানত জ্যোৎস্না চেতিয়া ফুকনৰ ৰচনাৰে এখনি সংগীতালেখ্য পৰিৱেশন কৰা হয়।

## হাঁহ-কুকুৰা, মাছ, মাংস, কণীৰ দোকানত পৌৰ নিগমৰ অভিযান

### ৭১খন দোকানক ৩২ হাজাৰ টকা জৰিমনা



**দৈনিক অসমৰ বাতৰি**
**গুৱাহাটী, ১৯ জানুৱাৰী ঃ** গুৱাহাটী পৌৰ নিগমৰ অধীনৰ পশু চিকিৎসা বিষয়াৰ নেতৃত্বত পশু চিকিৎসা কৰ্মচাৰী আৰু বলৱৎকাৰী শাখাই আজি মহানগৰীত অভিযান চলায়। অভিযানৰ সময়ত দলটোৱে লখৰা ৰোড, লালগণেশ, সাউকুছি তিনিআলি, এন কে শৰ্মা মাৰ্কেট সাউকুছি, লখৰা বজাৰ, কটাহবাৰী বজাৰ আৰু গড়চুক চাৰিআলি অঞ্চলৰ হাঁহ-কুকুৰা, মাছ, মাংস, কণীৰ দোকানসমূহ পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ সময়ত আটাইকেইটা অঞ্চলৰ ৭১খন হাঁহ-কুকুৰা, মাছ, মাংস দোকানৰ গৰাকীয়ে চৰকাৰী বিধি উলংঘা কৰাৰ অভিযোগত ৩২ হাজাৰ টকা জৰিমনা বিহে। উল্লেখ্য যে গুৱাহাটী পৌৰ নিগমৰ অধীনত মহানগৰীৰ হাঁহ-কুকুৰা, মাছ, মাংস, কণী আদিৰ দোকানত প্ৰায়ে এনেধৰণৰ অভিযান চলাই আহিছে। কিন্তু ইয়াৰ পাছতো মহানগৰীৰ একাংশ দোকান অসুৰক্ষিত অৱস্থাত থাকি জনস্বাস্থ্যৰ প্ৰতি ভাবুকি কঢ়িয়াই অনাৰ অভিযোগ বিভিন্ন সময়ত উত্থাপন হৈ আহিছে। এইক্ষেত্ৰত বিভাগীয় কৰ্তৃপক্ষক বিষয়টোৰ স্থায়ী সমাধান কৰাৰ আহ্বান জনাইছে গুৱাহাটীৰ সচেতন নাগৰিকে।

## এমেচাৰ ৰেডিঅ' অধ্যয়ন কেন্দ্ৰৰ প্ৰতিষ্ঠা দিৱস



**দৈনিক অসমৰ বাতৰি**
**গুৱাহাটী, ১৯ জানুৱাৰী ঃ** গুৱাহাটীৰ অপেছাদাৰী ৰেডিঅ' সংগঠন "এমেচাৰ ৰেডিঅ' অধ্যয়ন আৰু উন্নয়ন কেন্দ্ৰ"ৰ পঞ্চম সংখ্যক প্ৰতিষ্ঠা দিৱস আজি দিনজোৰা কাৰ্যসূচীৰে টেপেচিয়াস্থিত 'অসম ডনবস্ক' বিশ্ববিদ্যালয়'ৰ সভাগৃহত অনুষ্ঠিত হয়। অসমৰ বহুকেইগৰাকী ন-পুৰণি এমেচাৰ ৰেডিঅ' (হেম ৰেডিঅ') অপাৰেটৰৰ লগতে অসম ডনবস্ক' বিশ্ববিদ্যালয়কে ধৰি গুৱাহাটীৰ বহুকেইখন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীয়ে উক্ত প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত ভাগ লয়। পুৱা ৮ বজাত পতাকা উত্তোলনেৰে প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী আৰম্ভ কৰা হয়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে ভাগ লৈ বিশ্ববিদ্যায়খনৰ উপাচাৰ্য (ফাডাৰ) জ'চ পালেলিয়ে এমেচাৰ ৰেডিঅ'ৰ ওপৰত বিস্তৃত ব্যাখ্যা দাঙি ধৰাৰ লগতে তেওঁ সংগঠনটোৰ বছৰেকীয়া মুখপত্ৰ 'এয়াৰৱেভ' উন্মোচন কৰে। ডঃ মনময়ূৰী বৰুৱাই আদৰণী ভাষণ জনোৱা সভাত সন্মানীয় অতিথি হিচাপে ভাৰতীয় মহাকাশ গৱেষণা সংগঠন (ইছৰো)ৰ প্ৰাক্তন বিজ্ঞানী ডেভিদ চামাকানু আন্তবনদেৱে বিক্ৰম চেৰাভাই স্পেচ চেণ্টাৰৰ বহুমূলীয়া অভিজ্ঞতা দাঙি ধৰাৰ লগতে এমেচাৰ ৰেডিঅ'ৰ আৱশ্যকতাৰ ওপৰত বহুল ব্যাখ্যা আগবঢ়ায়। সভাত বিশিষ্ট অতিথি হিচাপে কামৰূপ মহানগৰ জিলা সাহিত্য সভাৰ সভাপতি প্ৰফুল্ল বৰ্মন, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা খৈয়ামউদ্দিন আহমেদ আৰু এলেন কেৰিয়াৰ প্ৰতিষ্ঠানৰ জ্যেষ্ঠ কাৰ্যনিৰ্বাহক কুলদীপ দাসেও ভাষণ দিয়ে। এ আৰ এছ ডি চিৰ সভাপতি তাহেৰউদ্দিন আহমেদে সঞ্চালনা কৰা সভাখনত সংগঠনটোৰ উপাধ্যক্ষ নলীন শৰ্মা, অৰুণ কুমাৰ মহন্ত, দীপক শৰ্মাৰ লগতে জ্যেষ্ঠ সদস্য অসীম ৰঞ্জন গগৈ, বিমলজ্যোতি গোস্বামী, চাদাকত ইছলাম, সঞ্জয় কাশ্যপ, সুমন সিন্‌হা, প্ৰভাত দেউৰী, সঞ্জয় দাসে হেম ৰেডিঅ'ৰ প্ৰদৰ্শনীমূলক যোগাযোগ সম্পন্ন কৰে। উক্ত সভাতেই অসমৰ সৰহসংখ্যক স্কুল-কলেজ আৰু প্ৰতিষ্ঠানক সামৰি হেম ৰেডিঅ' লাইচেঞ্চৰ বাবে পৰীক্ষাৰ প্ৰস্তুতি চলোৱাৰ উপৰি ইয়াৰ সম্প্ৰসাৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হয়।

## লেখিকা সংস্থাৰ বঁটা ঘোষণা

**দৈনিক অসমৰ বাতৰি**
**গুৱাহাটী, ১৯ জানুৱাৰী ঃ** লেখিকা সংস্থা অসমে প্ৰতি দুবছৰৰ মূৰে মূৰে বিভিন্ন শিতানত প্ৰদান কৰি অহা বঁটাসমূহ আজি ঘোষণা কৰে। ইয়াৰ ভিতৰত ২০২৬ বৰ্ষৰ বাবে সংগ্ৰামী মাতৃ বঁটা লাভ কৰিছে গুৱাহাটীৰ প্ৰণীতা বৰ্মনে। ২০২৫ বৰ্ষৰ বাবে সুকন্যা মাতৃ বঁটা লাভ কৰিছে মৰিগাঁৱৰ অৰুণা বৰাই। ২০২৪ বৰ্ষৰ নীলিমা দত্ত সোঁৱৰণী অনুবাদ সাহিত্য বঁটা লাভ কৰিছে যোৰহাটৰ অমৃত গোস্বামী আৰু ২০২৬ বৰ্ষৰ বাবে শিৱসাগৰ ডিমৌৰ কুঞ্জ দেৱী উপাধ্যায়ে। ২০২৪ বৰ্ষৰ মণিকা বৰুৱা সোঁৱৰণী সাংবাদিকতা বঁটা লাভ কৰিছে দৈনিক অগ্ৰদূতৰ বাৰ্তা সম্পাদক চেমিম চুলতানা আহমেদ আৰু ডি ৱাই ৩৬৫ৰ জ্যেষ্ঠ সাংবাদিক স্নিগ্ধাশিখা বৰাই। ২০২৫ বৰ্ষৰ গীতা উপাধ্যায় সেতু বন্ধন বঁটা লাভ কৰিছে গুৱাহাটীৰ চম্পা উপাধ্যায়ে। বঁটাসমূহ ঘোষণা কৰি লেখিকা সংস্থা অসমৰ সভাপতি মামণি গগৈ বৰুৱা আৰু প্ৰধান সম্পাদক উদয়ন্তী হাজৰিকা দত্তই কয় যে অহা ফেব্ৰুৱাৰীৰ প্ৰথম সপ্তাহত এই বঁটাসমূহ প্ৰদান কৰা হ'ব।

### জৰুৰী ফোন নম্বৰ

| | |
|---|---|
| আৰক্ষী | ঃ ১০০ |
| অগ্নি নিৰ্বাপণ | ঃ ১০১ |
| এম্বুলেন্স | ঃ ১০২ |
| মৃত্যুঞ্জয় | ঃ ১০৮ |
| চাইবাৰ | ঃ ১৯৩০ |

## গণৰাজ্য দিৱসত সম্পূৰ্ণ সেৱা মাহৰ কাৰ্যসূচী পৰিবহন বিভাগৰ

**দৈনিক অসমৰ বাতৰি**
**গুৱাহাটী, ১৯ জানুৱাৰী ঃ** ৭৭সংখ্যক গণৰাজ্য দিৱস উপলক্ষে কামৰূপ মহানগৰ জিলা পৰিবহন বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত ২৬ জানুৱাৰীৰপৰা সম্পূৰ্ণ জনসেৱা মাহৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। ফেব্ৰুৱাৰীৰ শেষলৈকে অনুষ্ঠিত হ'বলগীয়া সম্পূৰ্ণ জনসেৱা মাহৰ সময়ছোৱাত সাংবাদিক, অধিবক্তা, চিকিৎসক, সামৰিক-অৰ্ধসামৰিক, গৃহৰক্ষী বাহিনীৰ জোৱান, মুক্তিযুঁজাৰু পৰিয়ালৰ সদস্য, সাধাৰণ প্ৰশাসনিক বিষয়া-কৰ্মীকে ধৰি সমাজৰ সকলো শ্ৰেণীৰ নাগৰিকৰ যান-বাহনৰ নথিপত্ৰ বিষয়ক সমস্যাৰ তাৎক্ষণিকভাৱে সমাধান কৰি সুৰক্ষিত যাতাযাত অব্যাহত ৰখাৰ ক্ষেত্ৰত বিশেষভাৱে সহযোগিতা আগবঢ়োৱা হ'ব। শিকাৰু অনুজ্ঞাপত্ৰৰ আবেদন আৰু নৱীকৰণ, চালকৰ অনুজ্ঞাপত্ৰৰ আবেদন আৰু নৱীকৰণ, বাহনৰ কৰ-কাটল পৰিশোধ, বাহনৰ পঞ্জীয়ন-পত্ৰ নৱীকৰণৰ আবেদনকে ধৰি যাৱতীয় নথিপত্ৰ বিষয় সমাধানৰ ক্ষেত্ৰত বিভাগৰ সহায়কাৰী বিষয়া-কৰ্মীৰ দলে সেৱা আগবঢ়াব। বাহন চালনাৰ প্ৰশিক্ষণত অংশগ্ৰহণ কৰিব খোজাসকলক জনসেৱা মাহত কাৰ্যালয় খোলা থকা দিনত হোণ্ডা ড্ৰাইভিং ট্ৰেইনিং এডুকেচন চেণ্টাৰত উপস্থিত হৈ প্ৰশিক্ষণ গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে পৰিবহনৰ বিশেষ কৰ্তব্যৰত বিষয়া গৌতম দাসে। উল্লেখ্য যে জনসেৱা মাহত মহিলা, জ্যেষ্ঠ নাগৰিক, মুক্তিযুঁজাৰু পৰিয়ালৰ সদস্যক প্ৰয়োজন সাপেক্ষে যান-বাহনৰ নথিপত্ৰ বিষয়ক সমস্যাৰ ততালিকে সমাধানৰ ব্যৱস্থা কৰিব।

## গুৱাহাটীত পিয়াজিঅ'ৰ নতুন ডীলাৰ মুকলি




**গুৱাহাটী, ১৯ জানুৱাৰী ঃ** পিয়াজিঅ' ভেহিকলছ প্ৰাইভেট লিমিটেডে সোমবাৰে গুৱাহাটীত দ্বিতীয়টো ডীলাৰ আনুষ্ঠানিকভাৱে মুকলি কৰে। ভেছপা আৰু এপ্ৰিলিয়া বাহন দুখনেৰে গ্ৰাহকৰ পৰা আশাপ্ৰদ সঁহাৰি লাভ কৰা প্ৰতিষ্ঠানটোৱে এই নতুন ডীলাৰৰ জৰিয়তে পৰিসৰ বৃদ্ধি কৰাৰ পৰিকল্পনা কৰিছে। নতুনকৈ মুকলি কৰা ভাগৱতী অট'ম'বাইল ডীলাৰটোত পিয়াজিঅ'ৰ বাহনসমূহ ক্ৰয় কৰিব পাৰিব গ্ৰাহকসকলে। এই নতুন ডীলাৰটো মুকলি কৰে পিয়াজিঅ' ইণ্ডিয়াৰ দুচকীয়া বাহনৰ ব্যৱসায়ী শাখাৰ ই ভি পি অজয় ৰঘুবংশী আৰু ভাগৱতী অট'ম'বাইলৰ পৰিচালন সঞ্চালক ৰাতুল এ ভাগৱতীয়ে। গুৱাহাটীৰ নাৰেংগী পথত প্ৰায় ১, ৬০০ বৰ্গফুট এলেকাত এই ডীলাৰটো মুকলি কৰা হৈছে। এই সন্দৰ্ভত অজয় ৰঘুবংশীয়ে কয় যে নতুন ডীলাৰটো উত্তৰ-পূৰ্বাঞ্চলত তেওঁলোকৰ পৰিসৰ বৃদ্ধি কৰিব। অনুষ্ঠানত অভিনেতা ৰবি শৰ্মা আৰু কণ্ঠশিল্পী দীপলীনা ডেকা উপস্থিত থাকে।

## ৰূপালী জয়ন্তীৰ প্ৰস্তুতি

**দৈনিক অসমৰ বাতৰি**
**গুৱাহাটী, ১৯ জানুৱাৰী ঃ** অসমৰ সাহিত্য, কলা-সংস্কৃতি, স্বনিয়োজনৰ লগতে স্বাস্থ্য আৰু পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰখনত সুদীৰ্ঘ ২৪ বছৰে সেৱা আগবঢ়াই অহা উত্তৰ-পূৰ্বাঞ্চল প্ৰেৰণা ট্ৰাষ্টে ২০২৬ চনত ৰূপালী জয়ন্তী বৰ্ষত পদাৰ্পণ কৰিব। এই উপলক্ষে ট্ৰাষ্টে বছৰজোৰা বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিছে। বিগত সময়ছোৱাত ট্ৰাষ্টৰ সৈতে জড়িত হৈ অহা ব্যক্তিসকলৰ লগতে বিভিন্ন ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ স্বীকৃতি স্বৰূপে বঁটা লাভ কৰা ব্যক্তিসকলক সামৰি এখন স্মৃতিগ্ৰন্থ প্ৰকাশৰ ব্যৱস্থা কৰা হৈছে। তদুপৰি ৰূপালী জয়ন্তী উপলক্ষে ট্ৰাষ্টে সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ বৰঙণি আগবঢ়োৱা বহু বিশিষ্ট লোকক সম্বৰ্দ্ধনা জনোৱা হ'ব। এই বিষয়ে সবিশেষ জানিবলৈ ৯৮৫৪৩৬৭৯৭১ নম্বৰত যোগাযোগ কৰিব পাৰিব। তদুপৰি শিক্ষানুষ্ঠানসমূহত বিনামূলীয়া চকু চিকিৎসা শিবিৰো আয়োজন কৰিব বুলি ট্ৰাষ্টৰ সচিব প্ৰকাশ ডেকাই জনাইছে।

### তৃণমূল পৰ্যায়ৰপৰা চলাব নিৰ্বাচনী অভিযান

## উত্তৰ গুৱাহাটীত বিজেপিৰ বৰ্দ্ধিত কাৰ্যনিৰ্বাহক, নিৰ্বাচনী ৰণডংকা




**দৈনিক অসমৰ প্ৰতিনিধি**
**উত্তৰ গুৱাহাটী, ১৯ জানুৱাৰী ঃ** অসম বিধানসভাৰ নিৰ্বাচনৰ দিন চমু চাপি অহাৰ সময়তে শাসকীয় বিজেপিৰ আজি জালুকবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত উত্তৰ গুৱাহাটী মণ্ডল সমিতিৰ এখন দিনজোৰা বৰ্দ্ধিত কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। শিলসাঁকোস্থিত উদীত লক্ষ্মী বিবাহ ভৱনত উত্তৰ গুৱাহাটী মণ্ডল সমিতিৰ সভাপতি সুৰঞ্জন বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত সভাত মণ্ডলৰ সকলো বিষয়ববীয়া, বিভিন্ন মৰ্চাৰ বিষয়ববীয়াৰ লগতে মণ্ডলৰ অন্তৰ্গত বুথ সমিতিসমূহৰ সকলো বিষয়ববীয়া, উত্তৰ গুৱাহাটী পৌৰ সভাৰ পৌৰপতি, উপ-পৌৰপতি, ৱাৰ্ড সদস্যৰ লগতে দলৰ বহু শুভাকাংক্ষীও উপস্থিত থাকে। পুৱা ১০ বজাত আৰম্ভ হোৱা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে মণ্ডল সমিতিৰ যুটীয়া সাধাৰণ সম্পাদক সঞ্জীৱ শৰ্মাই। আদৰণী ভাষণত সুৰঞ্জন বৰুৱাই অনাগত বিধানসভা নিৰ্বাচনত মণ্ডল সমিতি, দলৰ বিভিন্ন মৰ্চা আৰু বুথ সমিতিবোৰৰ দায়িত্ব কি হ'ব তাক বিস্তৃতভাৱে আলোচনা কৰে। তেওঁ জালুকবাৰী সমষ্টিত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক অসমৰ ভিতৰতে আটাইতকৈ বেছি ভোটৰ ব্যৱধানত জয়ী কৰাব লাগিব বুলি কয়। সভাত গুৱাহাটী মহানগৰ সমিতিৰ সভাপতি তপন দাসে নিৰ্বাচনৰ কাৰণে সকলোকে মাৰ বান্ধি ওলাই আহি মানুহৰ ঘৰে ঘৰে গৈ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই উত্তৰ গুৱাহাটীত কৰা উল্লেখযোগ্য কামবোৰৰ কথা ৰাইজক বুজাবলৈ দলীয় কাৰ্যকৰ্তাসকলক আহ্বান জনায়। দলৰ ভেটিস্বৰূপ তৃণমূল পৰ্যায়ৰ কৰ্মীসকল মজবুত হৈ থাকিব লাগিব আৰু তেতিয়াহে আমি আমাৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক অধিক ভোটত জয়ী কৰি মজবুতকৈ ৰাখিব পাৰিম। সভাত বিজেপিৰ ৰাজ্যিক সমিতিৰ সদস্য পুষ্প ডেকা, জালুকবাৰী সমষ্টিৰ প্ৰভাৰী তথা গুৱাহাটী মহানগৰ জিলা সমিতিৰ উপ-সভাপতি মানসপ্ৰতিম দাস, গুৱাহাটী মহানগৰ জিলা সমিতিৰ সম্পাদক গংগাধৰ দাস, উত্তৰ গুৱাহাটী মণ্ডল সমিতিৰ প্ৰভাৰী প্ৰদীপ দে, উত্তৰ গুৱাহাটী পৌৰসভাৰ পৌৰপতি গিৰীশ মেধি আদিয়ে সাংগঠনিক দিশৰ ওপৰত ভাষণ দিয়ে। সভাত মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰী উপস্থিত থাকে।

# শিৱসাগৰত সাংস্কৃতিক মহাসভাৰ কেন্দ্ৰীয় শিল্পী দিৱসৰ সামৰণি

## নাট্য শিল্পী সঞ্জীৱ বৰাক ৰূপকোঁৱৰৰ সোঁৱৰণী 'সাংস্কৃতিক সমন্বয়' বঁটা



**দৈনিক অসমৰ প্ৰতিনিধি**
**শিৱসাগৰ, ১৯ জানুৱাৰী ঃ** শিৱসাগৰ জিলা সাংস্কৃতিক মহাসভাৰ উদ্যোগত একবিংশতিতম কেন্দ্ৰীয় শিল্পী দিৱসৰ সফল সামৰণি পৰে। পুৱা ৬ বজাত পৰিৱেশ পৰিষ্কাৰৰ পাছত ১০ বজাত জিলা পুথিভঁৰাল প্ৰাংগনত অৱস্থিত শিৱসাগৰ জিলা সাংস্কৃতিক মহাসভাৰদ্বাৰা নিৰ্মিত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা আৰু কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ যুগল প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত ত্ৰৈলোক্য দত্তই আঁত ধৰা অনুষ্ঠানটোত বন্তি প্ৰজ্বলন কৰে জিলা আয়ুক্ত মৃদুল যাদৱ , জিলা সাংস্কৃতিক মহাসভাৰ সভাপতি প্ৰেম গগৈ, উদ্‌যাপন সমিতিৰ সভাপতি ডাঃ বীণাপাণি হাজৰিকাই। দিনৰ ১২ বজাৰপৰা শিৱসাগৰ স্থানীয় কালী প্ৰসাদ মেম'ৰিয়েল হলত ৰাজ্যিক ভিত্তিত অনুষ্ঠিত জ্যোতি সংগীত প্ৰতিযোগিতা উদ্বোধন কৰে শিক্ষাবিদ তথা নিবন্ধকাৰ ডঃ প্ৰশান্ত কুমাৰ চুতীয়াই। বিয়লি তিনি বজাত জিলা সাংস্কৃতিক মহাসভাৰ সভাপতি প্ৰেম গগৈৰ সঞ্চালনাত অনুষ্ঠিত মুকলি সভাখন উদ্বোধন কৰে শিৱসাগৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ডঃ প্ৰকাশ কটকীয়ে। সভাখনৰ প্ৰাকমুহূৰ্তত শিল্পী সৌৰভ বঁটা প্ৰাপক চিত্তৰঞ্জন শইকীয়াৰ পৰিচালনাত দহজনীয়া এটি দলে দিহানাম পৰিৱেশন কৰি সকলোকে আপ্লুত কৰে। বিশিষ্ট অতিথিৰ ভাষণ প্ৰদান কৰে শিক্ষাবিদ ডঃ ক্ষীৰোদ গগৈয়ে। সভাখনত 'ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা সোঁৱৰণী সাংস্কৃতিক সমন্বয়' বঁটা এইবাৰ প্ৰদান কৰা হয় নাট্যশিল্পী, অধিবক্তা তথা শিৱসাগৰ পৌৰসভাৰ উপ-পৌৰপতি সঞ্জীৱ বৰাক, একেদৰে দিখৌমুখৰ সমাজপ্ৰাণ মহিলা তথা অৱসৰপ্ৰাপ্ত কৃতী শিক্ষয়িত্ৰী ৰঞ্জুমণি ফুকন বৰাক 'সমাজ হিতৈষী' বঁটা আৰু সাংবাদিক পৱন আগৰৱালাক 'সংবাদ মধুকৰ' বঁটা প্ৰদান কৰা হয়। জ্যোতি সংগীত প্ৰতিযোগিতাৰ 'উচ্চ' শাখাৰ প্ৰথম শ্ৰেষ্ঠ স্থান লাভ কৰে আইৰিন গগৈ, দ্বিতীয় ৰেৱতী চুতীয়া আৰু তৃতীয় স্থান লাভ কৰে অন্তৰীক্ষা শৰ্মাই। নিম্ন শাখাৰ দ্বিতীয় আৰাধ্যা পাত্ৰ আৰু তৃতীয় শ্ৰেষ্ঠ স্থান লাভ কৰে দেৱলীনা দেউৰীয়ে। চিত্ৰাংকন প্ৰতিযোগিতাৰ 'ক' শাখাৰ- প্ৰথম অৰ্চিতা গগৈ, দ্বিতীয় নিৰিড় চুতীয়া আৰু তৃতীয় জুমি কলিতা, 'খ' শাখাৰ প্ৰথম নিৰাজ প্ৰতিম ভৰদ্বাজ, দ্বিতীয় কৃষ্ণাক্ষী পূৰ্ণা বৰা আৰু তৃতীয় কাব্য কলিতা, 'গ' শাখাৰ প্ৰথম সমীৰ হাজৰিকা, দ্বিতীয় জখ্যাশ্ৰী বৰচেতীয়া আৰু তৃতীয় স্থান লাভ কৰে দৃষ্টি বন্যা বৰাই। চিত্ৰাংকন প্ৰতিযোগিতাৰ মুখ্য বিচাৰক চিত্ৰশিল্পী মুকুল গগৈ, জ্যোতি সংগীত প্ৰতিযোগিতাৰ বিচাৰকৰ আসন অলংকৃত কৰে ক্ৰমে বিশিষ্ট সংগীত শিল্পী জয়ন্ত দত্ত আৰু বিজুমণি দত্ত বৰুৱাই।




# যোৰহাটত অবৈধ সুৰাৰ ৰমৰমীয়া বেহা

## ঘাটী উৎখাত কৰিবলৈ আৰক্ষী অধীক্ষকলৈ আহ্বান

**দৈনিক অসমৰ প্ৰতিনিধি**
**নিমাতীঘাট, ১৯ জানুৱাৰী ঃ** যোৰহাটত বিভিন্ন প্ৰান্তত অবৈধ দেশী -বিদেশী মদৰ ৰমৰমীয়া বেপাৰ চলাৰ ব্যাপক চৰ্চা হৈ আহিছে। তদুপৰি কিছু দিনৰপৰা বিভিন্ন ধৰণৰ নিচাযুক্ত দ্ৰব্যৰ অবাধ প্ৰচলন বিভিন্ন মাধ্যমত প্ৰচাৰ হ'বলৈ ধৰিছে। যোৰহাটৰ বিভিন্ন ঠাইত কেইমাহমান সময়ৰ ভিতৰতে বহুকেইটা কৰুণ ঘটনা সংঘটিত হৈ বহু কেইজন লোকৰ মৃত্যু হৈছে। ব্যাপক নিচাজাতীয় দ্ৰব্য প্ৰচলনৰ অভিযোগ বহু দিনৰপৰা উত্থাপিত কৰি আহিছে ভুক্তভোগী পৰিয়াল লগতে বিভিন্ন সামাজিকক্ষেত্ৰত জড়িত লোকে। এই সন্দৰ্ভত ৰাইজে আৰক্ষীকো বিভিন্ন সময়ত অভিযোগ দি অহা বুলি উল্লেখ কৰিছে। কিন্তু এই অবৈধ মদৰ ৰমৰমীয়া বেপাৰৰ বিৰুদ্ধে সবৰ নহয় যোৰহাটৰ আবকাৰী বিভাগ, অভিযোগ স্থানীয় একাংশ ৰাইজৰ। মাহেকে, পখেকে আৰক্ষী একাক-দুকাক সেই এলেকাত আহে যদিও আবকাৰী বিভাগৰ বিষয়াৰ অধীনত থকা যোৰহাটৰ সেই ব্যৱসায় এলেকাত নাই আবকাৰী আৰক্ষীৰ অভিযান। এই অভিযোগ ভুক্তভোগী পৰিয়াল তথা বিভিন্ন সামাজিক ক্ষেত্ৰত জড়িত নেতৃত্ব থকা একাংশ নেতাই। যোৰহাটৰ বিভিন্ন প্ৰান্তত অবৈধ দেশী - বিদেশী নিচাযুক্ত পানীয় দ্ৰব্যৰ বিৰুদ্ধে সবৰ হৈ পৰিছে একাংশ লোক। নৱ নিযুক্ত যোৰহাট আৰক্ষী অধীক্ষকৰ লগতে সদৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াই অবৈধ মদ, ড্ৰাগছৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিছে লগতে গ্ৰাম্য অঞ্চলতো এই অভিযান তীব্ৰভাৱে চলোৱাৰ আহ্বান জনাইছে সচেতন লোকে। ইয়াৰ উপৰি উত্তৰ যোৰহাটৰ নিমাতী, ৰংদৈ, মাউৎ গাঁও, পটীয়াগাঁও, নাওবৈচা, বাই পাছ, লাহদৈগড়কে মুখ্য কৰি একাংশ স্থানৰ গুমটি দোকান, পাণ-তামোলৰ দোকান, আদিত বেহা চলোৱা অবৈধ চুলাই মদৰ বিৰুদ্ধে আবকাৰী বিভাগৰ তৎপৰতা নোহোৱাৰ ব্যাপক অভিযোগ তুলি একাংশই আবকাৰী বিভাগৰ তৎপৰতা নোহোৱাত সন্দেহ প্ৰকাশ কৰিছে। এই ক্ষেত্ৰত তৎপৰতা বৃদ্ধি কৰাৰ আহ্বান জনাইছে ভুক্তভোগী একাংশ পুৰুষ- মহিলাই। যোৰহাটৰ নৱনিযুক্ত আৰক্ষী অধীক্ষক, যোৰহাট সদৰৰ নৱনিযুক্ত আৰক্ষী বিষয়াই অবৈধ চুলাই মদৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে আৰু আদৰণি জনাইছে ৰাইজে।

# মাজুলীত চৰকাৰী পেঞ্চনাৰ সন্থাৰ প্ৰতিষ্ঠা দিৱস

**দৈনিক অসমৰ প্ৰতিনিধি**
**মাজুলী, ১৯ জানুৱাৰী ঃ** ১৯৫৭ চনতে ঐতিহ্যমণ্ডিত তেজপুৰত প্ৰতিষ্ঠা লাভ কৰা চৰকাৰী পেঞ্চনাৰ সন্থা, অসমৰ ৬৯সংখ্যক প্ৰতিষ্ঠা দিৱস ১৭ জানুৱাৰীত মাজুলীতো নিজেৰো কাৰ্যসূচীৰে পালন কৰা হয়। এই উপলক্ষে কমলাবাৰীত থকা জিলা পেঞ্চনাৰ ভৱনৰ সন্মুখত পুৱা সন্থাৰ পতাকা উত্তোলনেৰে দিনটোৰ কাৰ্যসূচী শুভাৰম্ভ কৰে মাজুলী জিলা চৰকাৰী পেঞ্চনাৰ সন্থাৰ সভাপতি কৃষ্ণকমল শইকীয়াই। ইয়াৰ পাছতে বন্তি প্ৰজ্বলন আৰু স্মৃতি তৰ্পণ কাৰ্যসূচী ৰূপায়ণ কৰে সন্থাৰ দুগৰাকী উপদেষ্টা ক্ৰমে হিতেশ্বৰ বৰা আৰু কমল চন্দ্ৰ শইকীয়াই। দুপৰীয়া ১১ বজাৰপৰা সন্থাৰ সভাপতি কৃষ্ণকমল শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাখনিৰ শুভাৰম্ভণি কৰা হয় সত্ৰীয়া শিল্পী মুহিকান্ত বৰা বৰবায়নৰ দ্বাৰা পৰিৱেশিত এটি বৰগীতেৰে। জিলা চৰকাৰী পেঞ্চনাৰ সন্থাৰ সম্পাদক অৰুণ কুমাৰ পাঠকে আঁত ধৰা সভাখনিৰ আৰম্ভণিতে বিশিষ্ট অতিথিসকলক আদৰণি জনোৱা হয়। জিলা পেঞ্চনাৰ সন্থাৰ উপদেষ্টা কমল চন্দ্ৰ শইকীয়াই মাজুলী জিলা চৰকাৰী পেঞ্চনাৰ সন্থাৰ ইতিহাস সম্পৰ্কে বক্তব্য আগবঢ়ায়। নিৰ্দিষ্ট বক্তাৰ ভাষণ দি মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ দেবজিৎ শইকীয়াই কয়, 'জ্যেষ্ঠ নাগৰিকসকল সমাজৰ পথিকৃৎ। আমাৰ সমাজৰ বৰ্তমানৰ ধৰণীস্বৰূপ জ্যেষ্ঠ নাগৰিকসকলে নিজৰ জীৱনৰ সঞ্চিত অভিজ্ঞতাৰে যদি ভৱিষ্যৎ প্ৰজন্মক মাৰ্গদৰ্শন কৰে তেতিয়া সমাজৰ পৰম উপকাৰ সাধিত হ'ব।' অনুষ্ঠানত শিশু মহীয়ান উপাধিপ্ৰাপক লোহিত বৰাক সম্বৰ্দ্ধনা জনোৱা হয়। সভাত অনাতাঁৰ শিল্পী অনিমা শইকীয়া আৰু দীপালী বৰাই জ্যোতি সংগীত পৰিৱেশন কৰে। সমজুৱাৰ তৰফৰপৰা ৰাজিক কাৰ্য নিৰ্বাহক সদস্য ললিত চন্দ্ৰ হাজৰিকা, ৰাজিক প্ৰাক্তন উপ-সভাপতি যতীন্দ্ৰ নাথ বৰুৱা, শিশুমহীয়ান লোহিত বৰা আদিয়ে বক্তব্য প্ৰদান কৰে। সভাত খগেন হাজৰিকা, বদন শইকীয়া, সত্যনাথ বৰা, গোপাল বৰা, জগন্নাথ দুৱৰীয়া, কৰুণা বৰা, বৰেশ্বৰ বৰা, দিলীপ শইকীয়া, সূৰ্য কুমাৰ বৰুৱা, ভৱত শইকীয়াকে প্ৰমুখ্যে শতাধিক লোক উপস্থিত থাকে।



# গোলাঘাটত মাৰোৱাৰী সন্মিলনৰ উদ্যোগত শিল্পী দিৱস

**দৈনিক অসমৰ প্ৰতিনিধি**
**গোলাঘাট, ১৯ জানুৱাৰী ঃ** মাৰোৱাৰী সন্মিলনৰ উদ্যোগত অখিল ভাৰতীয় মাৰোৱাৰী মহিলা সন্মিলন, মাৰোৱাৰী যুব মঞ্চ আৰু মাৰোৱাৰী যুব মঞ্চ সমৃদ্ধি শাখাৰ যৌথ উদ্যোগত ১৭ জানুৱাৰীত স্থানীয় মহেশ্বৰী ভৱনত বিস্তৃত কাৰ্যসূচীৰে শিল্পী দিৱস পালন কৰা হয়। শিল্পী দিৱস অনুষ্ঠানৰ আৰম্ভণি হয় ছাত্ৰ ছাত্ৰীসকলৰ মাজত অনুষ্ঠিত কৰা ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাৰ বিষয়ে দহশাৰী লিখা প্ৰতিযোগিতাৰে। মুঠ দুটা শাখাত অনুষ্ঠিত কৰা এই প্ৰতিযোগিতাৰ ক শাখাত প্ৰথম স্থান অধিকাৰ কৰে গীতিকা লড়িয়াই, দ্বিতীয় স্থান যুটীয়াভাৱে দখল কৰে বংশিকা লড়িয়া আৰু মেহেক বিয়ানীয়ে। আনহাতে, খ শাখাত প্ৰথম স্থান অধিকাৰ কৰে চাহিল মহেশ্বৰীয়ে আৰু দ্বিতীয় স্থানত থাকে অংশিকা খাণ্ডেলৱাল। অসমীয়া, হিন্দী আৰু ইংৰাজী তিনিওটা ভাষাতে ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালা সন্দৰ্ভত দহশাৰী লিখা প্ৰতিযোগিতাৰ অসমীয়া শাখাত বিমলা কাব্ৰা, হিন্দী শাখাত মীনা নাগৰী আৰু সৰলা বাজাজ আৰু ইংৰাজীত নিকিতা আগৰৱালা আৰু শুভ্ৰা কাৱাই বিচাৰকৰ দায়িত্ব পালন কৰে। বিজয়ীসকলক অখিল ভাৰতীয় মাৰোৱাৰী মহিলা সন্মিলনৰ তৰফৰপৰা পুৰস্কাৰ প্ৰদান কৰা হয়। ইয়াৰ পিছতে অনুষ্ঠিত হয় মুল কাৰ্যসূচী য'ত বিশিষ্ট সাংবাদিক তথা পৰিৱেশ কৰ্মী অপূৰ্ব বল্লভ গোস্বামীয়ে মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি জ্যোতি প্ৰসাদ আগৰৱালাৰ ব্যক্তিত্ব, কৰ্মজীৱন আৰু অসমীয়া সাহিত্য-সংস্কৃতিলৈ তেওঁৰ অনন্য অৱদানৰ বিষয়ে আলোকপাত কৰে। ইয়াৰ পূৰ্বে ৰূপকোঁৱৰৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰা হয়। পৰৱৰ্তী কাৰ্যসূচীত গুৰু বন্দনা কৰা হয় আৰু লগতে প্ৰতিধ্বনি দত্ত, তিষ্যা বাউৰী, দেবাংশী চাহু, সৃষ্টি বৰুৱা, অদ্ৰিকা উপাধ্যায়, কাইৰা গৈতান, হিতাংশী লড়িয়া, আদৰিকা ধানৰীয়া আৰু আকাংক্ষা দত্তবৰুৱা কথক নৃত্য পৰিবেশন কৰা হয়। ইয়াৰ পিছত ৰূপকোঁৱৰৰ কালজয়ী গীত 'লুইতৰে পানী যাবি অ' বৈ' শীৰ্ষক গীতটি পৰিৱেশন কৰে অখিল ভাৰতীয় মাৰোৱাৰী মহিলা সন্মিলনৰ সদস্যাসকলে। স্থানীয় কবিসকলৰদ্বাৰা জ্যোতি প্ৰসাদ আগৰৱালাৰ কেইবাটাও কবিতা আবৃত্তি কৰা হয় আৰু লগতে জ্যোতি সংগীত পৰিবেশন কৰা হয়। অনুষ্ঠানত অংশগ্ৰহণ কৰা সকলোকে একোটিকৈ নাহৰ পুলি উপহাৰ হিচাপে আগবঢ়োৱা হয়। পৰৱৰ্তী উল্লেখযোগ্য কাৰ্যসূচীত আছিল কমাৰবন্ধাৰ সমন্বয় সাংস্কৃতিক গোষ্ঠীৰদ্বাৰা প্ৰদৰ্শন কৰা 'আলোকৰে যাত্ৰা, ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালা' শীৰ্ষক আলেখ্য আৰু নৃত্য নাটিকা যি সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়। এইখন ডঃ মৃণাল বৰ্মনৰ দিহা-পৰামৰ্শ আৰু তত্বাৱধানত বৰ্ণালী বৰ্মন বৰাই বচনা আৰু পৰিচালনা কৰিছিল। অনুষ্ঠানত বিশিষ্ট তবলাবাদক হেমাংগ নাথ আৰু গীতিকাৰ, সংগীত শিল্পী বহিমুদ্দিন আহমেদক সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়। অৰুণ কাব্ৰাৰ নেতৃত্ব আৰু তত্বাৱধানত অনুষ্ঠিত কৰা শিল্পী দিৱসৰ এই অনুষ্ঠান সাফল্যমণ্ডিত কৰি তোলাৰ বাবে সকলোকে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে মাৰোৱাৰী সন্মিলনৰ সভাপতি ডী ডী মিশ্ৰা, সম্পাদক ৰবি শৰ্মা, কাৰ্যকৰী সভাপতি অজয় কানৈ আৰু কোষাধ্যক্ষ সঞ্জয় বিয়ানীয়ে।

# ডিমৌৰ আহোম পথাৰ গাঁৱত মাৰপিটৰ ঘটনাত এজনৰ মৃত্যু

## একে পৰিয়ালৰ যুৱতী-মহিলাসহ চাৰিজনক জেললৈ

**দৈনিক অসমৰ প্ৰতিনিধি**
**ডিমৌ, ১৯ জানুৱাৰী ঃ** ডিমৌৰ নিতাইপুখুৰী আৰক্ষী থানাৰ অন্তৰ্গত আহোম পথাৰ গাঁৱৰ এজন ব্যক্তিক হত্যা কৰাৰ অভিযোগত নিতাইপুখুৰী আৰক্ষীয়ে এটা পৰিয়ালৰ মহিলাসহ চাৰিজনকৈ ব্যক্তিক গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰে। এই ঘটনাক কেন্দ্ৰ কৰি গাঁওখনত অব্যাহত আছে চেপা উত্তেজনা। ঘটনা সন্দৰ্ভত স্থানীয় লোকৰপৰা জানিব পৰা মতে যোৱা তেৰ জানুৱাৰীৰ মাঘ বিহুৰ উৰুকাৰ আনন্দ-উছাহৰ মাজতে আহোম পথাৰ গাঁৱৰ এটা চুবুৰিত সংঘটিত হৈছিল এক অবাঞ্ছিত ঘটনা। উৰুকাৰ দিনটোত চুবুৰিটোৰ পৰিয়ালকেইটা একলগ হৈ ভোজ-ভাতৰ বাবে ব্যস্ত হৈ আছিল। উৰুকাৰ ভোজৰ আয়োজনখনীত শাক-পাচলি কাটি কাষতে থকা ঘৰলৈ গৈছিল মুখেশ্বৰ শৰ্মাৰ কন্যা পূৰ্ণিমা শৰ্মা। ইফালে চুবুৰিটোৰ ভোজৰ আয়োজনখনীত অনিমন্ত্ৰিত অতিথি হৈ থকা পিতু (মিন্টু) হাজৰিকা নামৰ বিবাহিত ব্যক্তিজনে মুখেশ্বৰ শৰ্মাৰ কন্যাক ঘৰলৈ যোৱা দেখি পিছে পিছে গৈ ঘৰৰ পিছফালৰ দুৱাৰেদি প্ৰৱেশ কৰি যুৱতীগৰাকীৰ অসৎ উদ্দেশ্যে সাবটি ধৰাত যুৱতীগৰাকীয়ে চিঞৰ-বাখৰ কৰে যদিও কাষতে ভোজ আয়োজনখনীত উচ্চ স্বৰত বাজি থকা শব্দ-যন্ত্ৰৰ বাবে সেয়া কোনেও শুনা নাপায়। এনে পৰিৱেশত পিতু হাজৰিকাৰ কবলৰ পৰা নিজকে বচাবলৈ যুৱতীগৰাকীয়ে ব্যক্তিজনক ওলোটাই আক্ৰমণ কৰে। স্থানীয় লোকৰ অভিযোগ অনুসৰি সুৰামত্ত অৱস্থাত থকা পিতু হাজৰিকাই যুৱতীগৰাকীৰ আক্ৰমণত তিষ্ঠিব নোৱাৰি ঘৰৰপৰা ওলাই আহিবলৈ বাধ্য হয়। ব্যক্তিজনৰ পিছে পিছে যুৱতীগৰাকীয়ে ভিতৰৰপৰা ওলাই আহি পিতু হাজৰিকাৰ অসৎ কৰ্ম সন্দৰ্ভত সকলোকে জনোৱাত পৰিস্থিতি উত্তপ্ত হৈ পৰে আৰু কোনো কোনোৱে শাৰীৰিকভাৱে কম-বেছি পৰিমাণে প্ৰহাৰ কৰে পিতু হাজৰিকাক। নিজৰ অপকৰ্মৰ বাবে প্ৰহৃত পিতু হাজৰিকাই কাৰো সহায় নোলোৱাকৈ নিজে উক্ত স্থানৰপৰা আঁতৰি যায়। কিন্তু ঘটনাস্থলীৰপৰা গুচি আহিলেও জানিব পৰা অনুসৰি উক্ত দিনা ঘৰলৈ উভতি নগৈ অন্য এটা ভেলাঘৰতে নিশা কটায় পিতু হাজৰিকাই। এনে পৰিৱেশত স্বাভাৱিকতে স্বাস্থ্যৰ অৱনতি ঘটা ব্যক্তিজনক ঘটনাৰ পিছদিনাও চিকিৎসালয়লৈ নিয়া হোৱা নাছিল আৰু স্থানীয় গাঁওপ্ৰধান বা গাঁওৰক্ষী বাহিনীয়ে বিষয়টো গুৰুত্ব প্ৰদান কৰা নাছিল। ঘটনাৰ তৃতীয়টো দিনত অৰ্থাৎ পোন্ধৰ জানুৱাৰীতহে পৰিয়ালৰ লোকে ডিমৌ আদৰ্শ চিকিৎসালয়লৈ নিয়া পিতু হাজৰিকাক ডিমৌৰ চিকিৎসকে উন্নত চিকিৎসাৰ বাবে ডিব্ৰুগড় এ এম চি এইচলৈ প্ৰেৰণ কৰে যদিও উক্ত দিনাই সন্ধিয়ালৈ মৃত্যু হয় ব্যক্তিজনৰ। যুৱতীক অসৎ আচৰণৰ পৰিণতিতে শাৰীৰিক আক্ৰমণৰ বলি হোৱাৰ লগতে উপযুক্ত সময়ত চিকিৎসা লাভ নকৰাৰ ফলত প্ৰাণ হেৰুৱাবলগীয়া হোৱা পিতু হাজৰিকাৰ ভাতৃয়ে ঘটনা সন্দৰ্ভত নিতাইপুখুৰী আৰক্ষীত এজাহাৰ দাখিল কৰে এখন এজাহাৰ। উক্ত এজাহাৰৰ ভিত্তিত ডিমৌ থানাৰ গোচৰ পঞ্জীয়ন কৰি আৰক্ষীয়ে পিতু হাজৰিকাক মাৰধৰ কৰি হত্যা কৰাৰ অভিযোগত পূৰ্ণিমা শৰ্মাৰ লগতে পিতৃ মুখেশ্বৰ শৰ্মা, খুড়াক-খুৰীয়েক প্ৰভুনাথ শৰ্মা আৰু দীপালি শৰ্মাক গ্ৰেপ্তাৰ কৰি কালি জেললৈ প্ৰেৰণ কৰে। অবাঞ্ছিত পৰিস্থিতিত পিতু হাজৰিকাৰ মৃত্যুত শোক প্ৰকাশ কৰা গাঁওবাসীয়ে পূৰ্ণিমা শৰ্মা নামৰ বিয়া ঠিক হৈ থকা যুৱতীগৰাকী আৰু পৰিয়ালটোৰ ক্ষেত্ৰতো গভীৰ সহানুভূতি প্ৰকাশ কৰিছে। বিবাহ মণ্ডপত বহাৰ প্ৰাকক্ষণত জেললৈ যাবলগীয়া হোৱা যুৱতীগৰাকীৰ হৈ বিভিন্নজনে প্ৰকাশ কৰিছে প্ৰতিক্ৰিয়া। লগতে ঘটনাটোৰ এক সমুচিত তদন্ত কামনা কৰিছে ৰাইজে।

# চিত্ৰাংকন প্ৰতিযোগিতাৰ আয়োজন

**দৈনিক অসমৰ প্ৰতিনিধি**
**পুলিবৰ (যোৰহাট), ১৯ জানুৱাৰী ঃ** যোৰহাট চৰকাৰী বালক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰগোট 'সান্নিধ্য ৯৫'ৰ উদ্যোগত এখনি প্ৰাইজমানি চিত্ৰাংকন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। অহাৰ ফেব্ৰুৱাৰী দিনৰ ১০ বজাত যোৰহাট নেহৰু পাৰ্কত অনুষ্ঠিত হ'ব লগা প্ৰতিযোগিতাখন নাৰ্ছাৰিৰপৰা প্ৰথম শ্ৰেণীলৈ 'ক' শাখা, দ্বিতীয় শ্ৰেণীৰপৰা চতুৰ্থ শ্ৰেণীলৈ 'খ' শাখা আৰু পঞ্চম শ্ৰেণীৰপৰা সপ্তম শ্ৰেণীলৈ 'গ' আৰু অষ্টম শ্ৰেণীৰপৰা দশম শ্ৰেণীলৈ 'ঘ' শাখাত অনুষ্ঠিত হ'ব। যোগদানৰ মাচুল নথকা প্ৰতিযোগিতাখনত আগ্ৰহী ছাত্ৰ-ছাত্ৰীয়ে আগতীয়াকৈ 'ক্লাছিক প্ৰিণ্টাৰ্ছ' (বৰদলৈ গেছ এজেঞ্চীৰ সমীপত) বা 'শংকৰদেৱ ছিপ্পালয়', ছিক্ক মাৰ্কেট পুৰণা বাছ আস্থান বজাৰত অথবা ৯৪৩৫৭০৪৮১৯, ৮৮৮৬৯১৪১৬ যোগাযোগ কৰিব পাৰিব।

# মৰঙি শিশু ভৱনত বাৰ্ষিক বঁটা প্ৰদান, বিদায় সভা



**দৈনিক অসম প্ৰতিনিধি**
**মৰঙি , ১৯ জানুৱাৰী ঃ** মৰঙিৰ জাতীয় বিদ্যালয়ৰ অন্যতম শিক্ষানুষ্ঠান মৰঙি শিশু ভৱনত ১৬ জানুৱাৰীত বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ বঁটা প্ৰদানৰ লগতে দশম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ বিদায় সভা অনুষ্ঠিত হয়। সভাৰ আৰম্ভণিতে বিদ্যালয়ৰ শীৰ্ষ শিক্ষক দ্বীপ পৰিৱেশন কৰে নৱম আৰু সপ্তম শ্ৰেণীৰ শিক্ষাৰ্থীসকলে। সভাত সভাপতি কৰে মৰঙিৰ বিশিষ্ট সমাজকৰ্মী ইমৰান হুছেইনে। সভাত বিশিষ্ট অতিথি হিচাপে ভাগ লৈ বিশিষ্ট শিক্ষাবিদ তথা সাহিত্যিক জীতেন কুমাৰ হাজৰিকাই কয়—ছাত্ৰ জীৱনত সংগ্ৰাম কৰিব লাগিব অধ্যয়ন, জ্ঞান আহৰণৰ বাবে। সংগ্ৰামে আমাক জীৱনত আগুৱাই নিব। ছাত্ৰ-ছাত্ৰীসকলে মানুহ হোৱাৰ সপোন দেখিব লাগিব। নম্বৰতকৈ জাতিক শক্তিশালী আৰু সমৃদ্ধিশালী কৰিব পাৰিলেহে জীৱন সাৰ্থক হয়। তদুপৰি মৰঙি শিশু ভৱনৰ শৈক্ষিক উত্তৰণ, শৈক্ষিক পৰিৱেশৰ উচ্চ প্ৰশংসা কৰে তেওঁ। সভাত ২০২৫-২০২৬ বৰ্ষৰ বাৰ্ষিক খেল-ধেমালিৰ বঁটা প্ৰদান কৰা হয়। ইয়াৰ পিছত আগন্তুক মেট্ৰিক পৰীক্ষাত অৱতীৰ্ণ হ'ব লগা বিদ্যালয়খনৰ শিক্ষাৰ্থীসকলক বিজয় তিলক প্ৰদান কৰাৰ লগতে উপহাৰ প্ৰদান কৰা হয়। শিক্ষক প্ৰাঞ্জল দাস, বিদ্যালয় পৰিচালনা সমিতিৰ সদস্যা কিৰণময়ী বুৰাগোহাঞি শইকীয়া, দিগন্ত হাজৰিকা, নলীন হাজৰিকাই ভাষণত শিক্ষাৰ্থীসকলক শুভ কামনা জনায়।

## মৰাণ মিলিত শিল্পী সমাজৰ উদ্যোগত 'শিল্পী দিৱস'

# গ্ৰামোফোন ৰেকৰ্ডত জ্যোতি সংগীত বাণীবন্ধনৰ শতবৰ্ষ অনুষ্ঠানৰ শুভাৰম্ভ

**দৈনিক অসমৰ প্ৰতিনিধি**
**মৰাণ, ১৯ জানুৱাৰী ঃ** মৰাণ মিলিত শিল্পী সমাজৰ উদ্যোগত ১৭ জানুৱাৰীৰ নিশা মৰাণত 'শিল্পী দিৱস' উদ্‌যাপন কৰা হয়। এই উপলক্ষে গ্ৰামোফোন ৰেকৰ্ডত জ্যোতি সংগীত বাণীবন্ধনৰ শতবৰ্ষ অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয়। উল্লেখযোগ্য যে, ১৯২৭ চনত পোনপ্ৰথমবাৰৰ বাবে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ সৃষ্টি 'গছে গছে পাতি দিলে...' শীৰ্ষক জ্যোতি সংগীতটি প্ৰফুল্ল চন্দ্ৰ বৰুৱাৰ কণ্ঠত গ্ৰামোফোন ৰেকৰ্ডত বাণীবদ্ধ কৰা হৈছিল। সেই ঐতিহাসিক মুহূৰ্তৰ স্মৃতিত এই শতবৰ্ষ অনুষ্ঠান আয়োজন কৰা হয়। মৰাণ মিলিত শিল্পী সমাজৰ নাটমন্দিৰত আয়োজিত শিল্পী দিৱসৰ সাংস্কৃতিক অনুষ্ঠানত অনুষ্ঠানৰ শুভাৰম্ভ কৰে



মৰাণহাটৰ গ্ৰামোফোন ৰেকৰ্ড সংগ্ৰাহায়ৰ সঞ্চালক তথা শিল্পী পেঞ্চনাৰ উমানন্দ দুৱৰাই। অনুষ্ঠানটোত শিল্পী সমাজৰ ভাতৃ সংগঠন 'সংগীত সত্ৰ'ৰ প্ৰশিক্ষাৰ্থীসকলে প্ৰশিক্ষক বিশ্বিতা সোণোৱালৰ তত্বাৱধানত 'গছে গছে পাতি দিলে' শীৰ্ষক জ্যোতি সংগীতটিৰে তাকে মনোমোহা নৃত্য পৰিৱেশন কৰে। লগতে ভগ্নী সংগঠন 'মৈত্ৰেয়ী'ৰ শিল্পীসকলে বিভিন্ন জ্যোতি সংগীত পৰিৱেশন কৰি উপস্থিত দৰ্শকক আপ্লুত কৰে। সাংস্কৃতিক অনুষ্ঠানটি উদ্বোধন কৰে মৰাণ মহিলা মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ তৰুণ গগৈয়ে। শিল্পী সমাজৰ সম্পাদক যদুনাথ পুৰীয়ে আঁত ধৰা অনুষ্ঠানতোত সভাপতি প্ৰদীপ শৰ্মাই উপস্থিত সাংস্কৃতিকপ্ৰেমী ৰাইজক আদৰণি জনায়। অনুষ্ঠানটোত সোণাৰিৰ বিশিষ্ট শিল্পী বিপিন শৰ্মাক মৰাণ মিলিত শিল্পী সমাজৰ তৰফৰপৰা বিশেষ সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়। ইফালে, সাংস্কৃতিক সম্পাদিকা নীলাক্ষি বৰুৱাৰ পৰিচালনাত অনুষ্ঠিত বঁটা বিতৰণী অনুষ্ঠানটোত ৩৫ বছৰ উৰ্দ্ধৰ জ্যোতি সংগীত প্ৰতিযোগিতাত স্থান লাভ কৰা প্ৰতিযোগীসকলক বঁটা প্ৰদান কৰা হয়। ইয়াৰ পূৰ্বে শিল্পী দিৱস উপলক্ষে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা, সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকা, হাৰ্টথ্ৰ'ব জুবিন গাৰ্গ, শিল্পী চৈয়দ চাদুল্লা, মৰাণ মিলিত শিল্পী সমাজৰ প্ৰতিষ্ঠাপক সম্পাদক ডঃ প্ৰতাপ শৰ্মা আৰু সাংস্কৃতিককৰ্মী সুৰেন গগৈৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰা হয়। পুৱা কাৰ্যসূচীৰ অংশ হিচাপে পতাকা উত্তোলন কৰে সভাপতি প্ৰদীপ শৰ্মাই। শ্বহীদ তৰ্পণ কাৰ্যসূচী মুকলি কৰে মাৰোৱাৰী সন্মিলনৰ মৰাণ শাখাৰ সম্পাদক বিনোদ আগৰৱালাই আৰু স্মৃতি তৰ্পণ কাৰ্যসূচী মুকলি কৰে প্ৰাক্তন ছাত্ৰনেতা তথা অৱসৰপ্ৰাপ্ত শিক্ষক পবিত্ৰ কুমাৰ চুতীয়াই। ইফালে, শিল্পী দিৱসৰ লগত সংগতি ৰাখি ১৬ জানুৱাৰীৰ দুপৰীয়া মৰাণৰ সমীপৱৰ্তী দলপা আদৰ্শ জাতীয় বিদ্যালয়ত ৰূপালী জয়ন্তী বৰ্ষৰ সামৰণী অনুষ্ঠানৰ সহযোগত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত জ্যোতি সংগীত প্ৰতিযোগিতাৰো আয়োজন কৰা হয়। উক্ত অনুষ্ঠানসমূহে অঞ্চলটোত শিল্প-সংস্কৃতি সংৰক্ষণ আৰু জ্যোতি সংগীতৰ ঐতিহ্য নতুন প্ৰজন্মলৈ আগবঢ়োৱাত বিশেষ ভূমিকা পালন কৰিছে বুলি উপস্থিত ৰাইজে মত প্ৰকাশ কৰে।

# শিক্ষক-সাংবাদিক জিতেন ডেকাৰ দেহাৱসান

## বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ গভীৰ শোক প্ৰকাশ



ডিব্ৰুগড় জিলাৰ চেপন টেংনাবাৰী ওৱাং গাঁৱৰ বাসিন্দা, চেপন হাটীপতি উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক (বিজ্ঞান) তথা চেপন অঞ্চলৰ সংবাদকৰ্মী আৰু মৰাণ প্ৰেছ ক্লাবৰ উপ-সভাপতি জিতেন ডেকাৰ কালি পুৱা প্ৰায় ৮-৫৫ বজাত চেপনত দেহাৱসান ঘটে। মৃত্যুকালত তেওঁৰ বয়স আছিল ৫৭ বছৰ। প্ৰয়াত শ্ৰীকান্ত ডেকাৰ পুত্ৰ জিতেন ডেকাই ১৯৯৬ চনত চেপন হাটীপতি উচ্চ মাধ্যমিক বিদ্যালয়ত বিজ্ঞান শিক্ষকৰূপে যোগদান কৰি মৃত্যুলৈকে নিষ্ঠা, সততা আৰু দায়িত্ববোধেৰে শিক্ষকতাৰ দায়িত্ব পালন কৰি আহিছিল। তেওঁ চেপন জাতীয় বিদ্যাপীঠৰ প্ৰতিষ্ঠাপক সম্পাদকৰ দায়িত্ব পালন কৰাৰ লগতে বকতা-খালৈঘূগুৰা সাংস্কৃতিক উন্নয়ন সমিতিৰ সদস্য হিচাপে সামাজিক আৰু সাংস্কৃতিক ক্ষেত্ৰতো অৱদান আগবঢ়াইছিল। ডেকাৰ মৃত্যুত কৰ্মস্থলী চেপন হাটীপতি উচ্চ মাধ্যমিক বিদ্যালয়লৈ নি এক ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰা হয়। উক্ত অনুষ্ঠানত বিদ্যালয় পৰিয়াল লগতে চেপন আঞ্চলিক ছাত্ৰ সন্থা, ডিব্ৰুগড় জিলা হাইস্কুল শিক্ষক সংস্থা, চেপন জাতীয় বিদ্যাপীঠ, চেপন দৈনিক বজাৰ সমিতি, মৰাণ প্ৰেছ ক্লাব, বকতা-খালৈঘূগুৰা সাংস্কৃতিক উন্নয়ন সমিতি আৰু চেপন আৰক্ষী চকী আদিয়ে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইফালে, জিতেন ডেকাৰ অকাল বিয়োগত মৰাণ শাখা সাহিত্য সভা আৰু মৰাণ মিলিত শিল্পী সমাজে গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নী, দশম শ্ৰেণীৰ অধ্যয়নৰত একমাত্ৰ কন্যা, একমাত্ৰ জ্যেষ্ঠ ভাতৃ, তিনিগৰাকী ভগ্নীসহ অসংখ্য আত্মীয়-স্বজনক এৰি যায়।

# টেঙাখাতৰ পাখৰিজনীয়াত গীত-নৃত্য-কথাৰে 'হে গণশিল্পী প্ৰণামো তোমাক' কাৰ্যসূচীৰ সামৰণি

## ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকন-বক্তৃতা-জ্যোতি সংগীত আৰু ৰাজীৱ শদিয়াৰ গীত প্ৰতিযোগিতা

**দৈনিক অসমৰ প্ৰতিনিধি**
**টেঙাখাত, ১৯ জানুৱাৰী ঃ** ডিব্ৰুগড় জিলাৰ টেঙাখাত পাখৰিজনীয়াত সামাজিক-সাংস্কৃতিক অনুষ্ঠান 'প্ৰজন্ম'ৰ উদ্যোগত আৰু পাখৰিজনীয়া গাঁও তথা অঞ্চলবাসী ৰাইজৰ সহযোগত প্ৰয়াত মুকুল ফুকন বংগমঞ্চত ১৩ আৰু ১৭ জানুৱাৰীত গণশিল্পী ৰাজীৱ শদিয়াৰ প্ৰথম মৃত্যুবাৰ্ষিকী আৰু শিল্পী দিৱসৰ লগত সংগতি ৰাখি দুদিনীয়া কাৰ্যসূচীৰে 'হে গণশিল্পী প্ৰণামো তোমাক' শীৰ্ষক অনুষ্ঠান বিস্তৃত কাৰ্যসূচীৰে ১৭ জানুৱাৰীত সফল সামৰণি পৰে। কাৰ্যসূচীৰ লগত সংগতি ৰাখি ১৩ জানুৱাৰীৰ পুৱা ৮ বজাত প্ৰয়াত ৰাজীৱ শদিয়াৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সন্ধিয়া ৫ বজাত সমূহীয়া বন্তি প্ৰজ্বলনেৰে শিল্পীগৰাকীক বিশেষভাৱে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ১৭ জানুৱাৰীৰ কাৰ্যসূচীৰ লগত সংগতি ৰাখি পুৱা ৮ বজাত জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন অনুষ্ঠানেৰে কাৰ্যসূচী শুভাৰম্ভ কৰে। ৯ বজাৰপৰা ছাত্ৰ- ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা, বক্তৃতা প্ৰতিযোগিতা, জ্যোতি সংগীত আৰু ৰাজীৱ শদিয়াৰ গীত প্ৰতিযোগিতা অনুষ্ঠিত হয়। সন্ধিয়া ৭ বজাৰপৰা ডিবিয়াল উচ্চ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ পলাশজ্যোতি শৰ্মাৰ সঞ্চালনাত 'সমসাময়িক অসমত জ্যোতিপ্ৰসাদ আৰু ৰাজীৱ শদিয়াৰ গীতৰ প্ৰাসংগিকতা' শীৰ্ষক আলোচনাচক্ৰত গোৱালপাৰা মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপিকা আৰু বিশিষ্ট যুৱ বক্তা ডঃ জ্ঞানশ্ৰী বৰা, প্ৰয়াত ৰাজীৱ শদিয়াৰ সহধৰ্মিণী উপাসনা বৰুৱা বৰকলিয়াল গগৈয়ে মুখ্য আলোচক আৰু সাংবাদিক তিলক ফুকন, মনজিৎ বৰা আলোচক হিচাপে অংশগ্ৰহণ কৰি সমসাময়িক অসমত জ্যোতিপ্ৰসাদ আগৰৱালা আৰু ৰাজীৱ শদিয়াৰ গীতৰ প্ৰাসংগিকতাৰ বিষয়ে আলোচনা আগবঢ়ায়। আলোচনাচক্ৰত আৰু কেইগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। আৰম্ভণিতে অতিথিসকলক সৈতে চিনাকি আৰু সম্বৰ্দ্ধনা অনুষ্ঠানৰ আঁত ধৰে সম্পাদক দিপনজ্যোতি ফুকনে। নিশা আমন্ত্ৰিত শিল্পীবৃন্দৰ সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত হয়। এই অনুষ্ঠানতে বিজয়ী প্ৰতিযোগীক মানপত্ৰ আৰু বঁটা প্ৰদান কৰে।

# কলিয়াবৰৰ কামাখ্যা গাঁৱত বন্যহস্তীৰ উপদ্ৰৱ



## দৈনিক তহিলং কৰিছে ইটোৰ পাছত সিটো পকী ঘৰ ■ ক্ষতিপূৰণৰ দাবী ভুক্তভোগী ৰাইজৰ

**দৈনিক অসমৰ প্ৰতিনিধি**

**কলিয়াবৰ, ১৯ জানুৱাৰী ঃ** কলিয়াবৰৰ কামাখ্যা গাঁৱত বন্য হস্তীৰ উপদ্ৰৱ বৃদ্ধিয়ে গঞা ৰাইজক অতিষ্ঠ কৰি তুলিছে। দৈনিক হাতীয়ে ভাঙি তহিলং কৰিছে ইটোৰ পাছত সিটো পকী ঘৰ। কালি সন্ধিয়া সময়ত কামাখ্যা গাঁৱত বন্যহস্তীয়ে ভাঙিলে ভঁৰাল ঘৰ আৰু পকীবেৰ। কামাখ্যা পাহাৰৰ পৰা খাদ্যৰ সন্ধানত ওলাই অহা এটা বনৰীয়া হাতীয়ে সমীপৰ কামাখ্যা গাঁৱৰ নয়নজ্যোতি শৰ্মাৰ পকী ঘৰটো ভাঙি বিস্তৰ ক্ষতি কৰে। ক্ষতিৰ পৰিমাণ লক্ষাধিক টকা হ'ব বুলি ঘৰৰ গৰাকীয়ে জানিবলৈ দিছে। ইপিনে, ইয়াৰ দুদিন পূৰ্বে মাধতাৰীৰ বুবুল বৰুৱাৰ ভঁৰাল ঘৰ আৰু পোৰাভেটিৰ ভুৱনেশ্বৰ গোস্বামীৰ পকী বেৰ ভাঙি বিস্তৰ ক্ষতি কৰে। বন বিভাগৰ লোক উপস্থিত হৈ ঘটনাৰ বুজ লয় যদিও ভুক্তভোগী ৰাইজে শীঘ্ৰে ক্ষতিপূৰণ দিয়াৰ দাবী উত্থাপন কৰিছে। উল্লেখ্য যে বিগত ডেৰকুৰি বছৰৰো অধিক কাল ধৰি কলিয়াবৰৰ বৃহৎ অঞ্চলটোত বন্য হস্তীয়ে বহু লোকৰ ঘৰ-দুৱাৰ ভাঙি তহিলং কৰাৰ উপৰি জনজীৱনৰ বিস্তৰ ক্ষতি কৰি আহিছে যদিও বন বিভাগ তথা স্থানীয় জনপ্ৰতিনিধিগৰাকীয়ে বন্য হস্তীৰ উপদ্ৰৱ ৰোধ কৰাত গুৰুত্ব নিদিয়াৰ অভিযোগ উঠিছে।

# অমৃত ভাৰত এক্সপ্ৰেছক বৰপেটাৰোডত উষ্ম আদৰণি

**দৈনিক অসমৰ প্ৰতিনিধি**

**বৰপেটাৰোড, ১৯ জানুৱাৰী ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কালি দুখন নতুন ৰে'ল অমৃত ভাৰত এক্সপ্ৰেছ শুভাৰম্ভ কৰাৰ পাছতেই কামাখ্যা-ৰোহটক এক্সপ্ৰেছ উপস্থিত হয় বৰপেটাৰোড ৰে'ল ষ্টেচনত। বিধায়ক মনোৰঞ্জন তালুকদাৰ, বৰপেটাৰোড পৌৰসভাৰ পৌৰপতি ৰাজেশ সৰকাৰ, ৰে'ল বিষয়া সুনীল কুমাৰ কালসীসহ বৰপেটাৰোডৰ কেইবাজনো বিশিষ্ট ব্যক্তিয়ে ফ্লেগ অফ কৰে। নতুন ৰে'ল দুখন ডিব্ৰুগড়-গুমটিনগৰ আৰু কামাখ্যা-ৰোহটক ষ্টেচনৰ মাজত চলাচল কৰিব। নতুনকৈ চলাচল আৰম্ভ কৰা দুয়োখন অমৃত ভাৰত এক্সপ্ৰেছে বৰপেটাৰোড ৰে'লৱে ষ্টেচনত ষ্ট'পেজ হব। এই ৰে'লসেৱাই অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ লগতে বৰপেটাৰোড আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলৰ যাত্ৰীসকলৰ বাবে ভ্ৰমণৰ সুবিধাৰ লগতে বেপাৰ-বাণিজ্যৰ সুবিধা সহজ কৰি তুলিব বুলি আশা প্ৰকাশ কৰে বিধায়ক মনোৰঞ্জন তালুকদাৰে। উক্ত অনুষ্ঠানত উপস্থিত থাকে উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ কেইবাজনো উচ্চপদস্থ বিষয়াৰ লগতে সৰভোগ সমষ্টিৰ বিধায়ক মনোৰঞ্জন তালুকদাৰ তথা বৰপেটাৰোড পৌৰসভাৰ পৌৰপতি ৰাজেশ সৰকাৰ,ৰে'ল বিষয়া সুনীল কুমাৰ কালসী, ৰঙিয়া সংমণ্ডলৰ ছিনিয়ৰ ডিভিজনেল কমাৰ্চিয়েল মেনেজাৰ যতীন কল্যাণ, বৰনগৰ ৰাজহ চক্ৰৰ চক্ৰবিষয়া নিৰ্মল শৰ্মাৰ লগতে বৰপেটাৰোডৰ কেইবাজনো বিশিষ্ট ব্যক্তি এই অনুষ্ঠানত উপস্থিত থাকে।

# ৰাজ্যৰ বিভিন্ন প্ৰান্তত শিল্পী দিৱস

### চিত্ৰশিল্পী কিশোৰ কুমাৰ দাসক সম্বৰ্দ্ধনা

**দৈনিক অসমৰ প্ৰতিনিধি**

**মৰিগাঁও, ১৯ জানুৱাৰী ঃ** সমগ্ৰ ৰাজ্যৰ লগতে মৰিগাঁও জিলাতো বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্মদিন উপলক্ষে বৰ্ণাঢ্য কাৰ্যসূচীৰে শিল্পী দিৱস উদ্‌যাপন কৰে। মৰিগাঁও জিলা সাহিত্য সভাই হাতীবাট - শিমলুগুৰি স্বৰ্ণ শাখাৰ উদ্যোগত শিল্পী দিৱস উদ্‌যাপন কৰাৰ লগতে বাৰপূজীয়া শাখা সাহিত্য সভাই বাৰপূজীয়াত অনুষ্ঠিত কৰে দিনজোৰা শিল্পী দিৱসৰ কাৰ্যসূচী। আনহাতে, জিলাখনৰ বিভিন্ন বিদ্যালয়, মহাবিদ্যালয়ৰ লগতে জিলা প্ৰশাসনৰ উদ্যোগত মৰিগাঁও জিলা শিক্ষা বিভাগ আৰু জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ সহযোগত আজি শিল্পী দিৱস উদ্‌যাপন কৰা হয়। জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ সভাকক্ষত অনুষ্ঠিত অনুষ্ঠানৰ আৰম্ভণিতে বন্তিপ্ৰজ্বলন কৰি ৰূপান্তৰৰ শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি নিবেদন কৰে মৰিগাঁও জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক ডঃ অপূৰ্ব ঠাকুৰীয়া আৰু জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ অধ্যক্ষ তথা বিশিষ্ট চিত্ৰশিল্পী কিশোৰ কুমাৰ দাসে। অনুষ্ঠানত মৰিগাঁও জিলাৰ বিভিন্ন বিদ্যালয়ৰ নিৰ্বাচিত শিক্ষাৰ্থীসকলৰ মাজত দুটা শাখাত জ্যোতি সংগীত প্ৰতিযোগিতা অনুষ্ঠিত হয়। জিলা আয়ুক্ত অনামিকা তেৰাৱীয়ে শিল্পী দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি কয় যে অসমীয়া জাতিয়ে শিল্পীক সদায় উপযুক্ত সন্মান দি আহিছে। শেহতীয়াকৈ জুবিন গাৰ্গৰ ক্ষেত্ৰত জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে মানুহে যি আবেগেৰে প্ৰাণৰ শিল্পীগৰাকীক মৰম আৰু শ্ৰদ্ধাৰে ওপচাই পেলালে সেয়া সঁচাই অতুলনীয় আৰু অকল্পনীয়। অনুষ্ঠানত জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ অধ্যক্ষ তথা অসমৰ এগৰাকী আগশাৰীৰ চিত্ৰশিল্পী কিশোৰ কুমাৰ দাসে মুখ্য বক্তা হিচাপে উপস্থিত থাকি অসমীয়া সংস্কৃতি আৰু বোলছবি জগতখনৰ কাৰণে জ্যোতিপ্ৰসাদ আগৰৱালাই দি যোৱা অৱদানক শ্ৰদ্ধাৰে স্মৰণ কৰে। শিল্পী দিৱসৰ কাৰ্যসূচীত অসম উন্নতি সভাৰ সম্পাদক অতনু শৰ্মা, সাংবাদিক প্ৰতাপ হাজৰিকাৰ লগতে ডায়েটৰ শিক্ষক শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। আনহাতে, জ্যোতি সংগীত প্ৰতিযোগিতাৰ বঁটা বিজয়ীসকলকো শিল্পী দিৱস উদ্‌যাপন অনুষ্ঠানতে পুৰস্কাৰ প্ৰদান কৰাৰ লগতে জিলা প্ৰশাসনৰ ফালৰপৰা চিত্ৰশিল্পী কিশোৰ কুমাৰ দাসক বিশেষভাৱে সম্বৰ্দ্ধনা জনোৱা হয়।

### গৌৰীপুৰত জ্যোতিপ্ৰসাদ আগৰৱালাৰ স্মৃতিচাৰণ সভা

**গোলোকগঞ্জৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** ধুবুৰী জিলাৰ গৌৰীপুৰ শাখা সাহিত্য সভাৰ উদ্যোগত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ স্মৃতি দিৱস পালন কৰে। সেই উপলক্ষে পুৱা গৌৰীপুৰৰ গদাধৰ নৈৰ পাৰৰ জ্যোতিপ্ৰসাদ পথত থকা আগৰৱালাৰ আৱক্ষ মূৰ্তিত মাল্যাৰ্পণ কৰে প্ৰফুল্ল বৰ্মন আৰু বন্তি প্ৰজ্বলন কৰে ছোৰহাব আলী শ্বেখে। পাছত গৌৰীপুৰ ৰাজহুৱা পুথিভঁৰালস্থিত শাখাৰ অস্থায়ী কাৰ্যালয়ত এখন স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। স্মৃতিচাৰণ সভাৰ উদ্বোধনী গীত পৰিৱেশন কৰে শিল্পী মালৱিকা ডিহিদাৰ আৰু সংগীবৃন্দই। শাখাৰ সভাপতি ছোৰহাব আলী শ্বেখে সভাপতিত্ব কৰা সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে শাখাৰ সম্পাদক অতুল চন্দ্ৰ ৰায়ে। উক্ত সভাত 'গৌৰীপুৰৰ প্ৰতিধ্বনি' জ্যোতিপ্ৰসাদ সংখ্যা উন্মোচন কৰে ডঃ দ্বীপেন্দ্ৰ কুমাৰ অধিকাৰীয়ে। স্মৃতিচাৰণ সভাত ক্ষীতিশ চন্দ্ৰ ৰায়, সত্যব্ৰত চক্ৰৱৰ্তীয়ে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ জীৱন আৰু কৰ্মৰাজিৰ ওপৰত বিশদভাৱে আলোকপাত কৰি ভাষণ প্ৰদান কৰে।

### আৰিকুছিত জুবিন সংগীত বিদ্যালয়ত

**বৰভাগৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** নলবাৰী জিলাৰ আৰিকুছিৰ মালোপাৰাত অৱস্থিত জুবিন সংগীত বিদ্যালয়ত জ্যোতিপ্ৰসাদ আগৰৱালাৰ স্মৃতিত শিল্পী দিৱস উদ্‌যাপন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে জ্যোতিপ্ৰসাদৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু বন্তিপ্ৰজ্বলন কৰে অৱসৰপ্ৰাপ্ত শিক্ষক তথা শিল্পী অখিল দেৱ শৰ্মাই। পুষ্পাঞ্জলি অৰ্পণ কৰে শিক্ষয়িত্ৰী তথা সমাজসেৱিকা মঞ্জু বৈশ্য, অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী আৰিফা বেগম আৰু বিমলা ডেকাই। অনুষ্ঠানত জুবিন সংগীত বিদ্যালয়ৰ ছাত্ৰীসকলে এটি দলীয় নৃত্যৰে আৰম্ভণি কৰে। লগতে জাহানাৰা বেগম, নাহিদ আখতাৰ, ৰেজিনা বেগম, জুবি আহমেদ আৰু হিয়া আহমেদে একক নৃত্য পৰিৱেশন কৰে আৰু অৰ্ণৱ ডেকা, আফ্ৰিন চুলতানা, ৰিয়া আহমেদে গীত পৰিৱেশন কৰে। অনুষ্ঠানত জুবিন সংগীত বিদ্যালয়ৰ উপদেষ্টা হাইদৰ আলী, বিদ্যালয়ৰ শিক্ষয়িত্ৰী জেউতি বৰুৱা, অহেদুল ৰহমান আৰু কমল ডেকা উপস্থিত থাকে। অনুষ্ঠানতো পৰিচালনা কৰে জুবিন সংগীত বিদ্যালয়ৰ অধ্যক্ষ ৰঞ্জিত দাসে।

# বিশ্বনাথত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নামধৰ্ম সমাজৰ পঞ্চদশ দ্বি-বাৰ্ষিক ৰাজ্যিক অধিৱেশন

## বিভিন্ন জাতি-জনগোষ্ঠীৰ সমন্বয়থলীত পৰিণত মঘাই ওজা বিহুতলী

**দৈনিক অসমৰ প্ৰতিনিধি**

**বিশ্বনাথ চাৰিআলি, ১৯ জানুৱাৰী ঃ** বিশ্বনাথত তিনিদিনীয়াকৈ অনুষ্ঠিত শ্ৰীমন্ত শংকৰদেৱৰ নামধৰ্ম সমাজৰ ৰাজ্যিক অধিৱেশনৰ কালি সামৰণি পৰে। অন্তিম দিনা বিভিন্ন জাতি-জনগোষ্ঠীৰ সমন্বয়ৰে উলিওৱা হয় বিশাল ভাগৱত আৰু সাংস্কৃতিক শোভাযাত্ৰা। বিভিন্ন জাতি-জনগোষ্ঠীৰ লগতে অসমৰ বীৰ-বীৰংগনা, হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতীকী মূৰ্তি আদিৰে উলিওৱা হয় এই শোভাযাত্ৰা। বিশ্বনাথ চাৰিআলিৰ মঘাই ওজা বিহুতলীৰ পৰা গায়ন-বায়নৰ গুৰুঘাত, দবাৰ গুম্‌গুমনি, ভকত-বৈষ্ণৱৰ হৰিনামৰ ধ্বনি আৰু আই-মাতৃৰ উৰুলিৰ মাজত আৰম্ভ হয় শোভাযাত্ৰা। এই শোভাযাত্ৰা উদ্বোধন কৰে জনপ্ৰিয় শিল্পী শিৰোমণিখ্যাত মানস ভাগৱতীয়ে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা হাজাৰ হাজাৰ ভকত-বৈষ্ণৱৰ লগতে স্থানীয় বহুসংখ্যক লোকে অংশগ্ৰহণ কৰে শোভাযাত্ৰাত। পাছত শ্ৰীমন্ত শংকৰদেৱৰ নামধৰ্ম সমাজৰ ৰাজ্যিক সভাপতি মাণিক গগৈৰ সভাপতিত্বত অনুষ্ঠিত হয় মুকলি সভা। মুকলি সভাৰ আদৰণী ভাষণ দিয়ে




উদ্‌যাপন সমিতিৰ সভাপতি, বিশ্বনাথৰ বিধায়ক প্ৰমোদ বৰঠাকুৰে। সভা উদ্বোধন কৰে শ্ৰীমন্ত শংকৰদেৱৰ নামধৰ্ম সমাজৰ প্ৰাক্তন ৰাজ্যিক সভাপতি দীনেশ মহন্তই। সভাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডঃ জিতেন হাজৰিকাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি মহাপুৰুষগৰাকীয়ে আগবঢ়াই যোৱা অৱদানৰ বিষয়ে উল্লেখ কৰে আৰু গুৰুজনাৰ সৃষ্টিৰাজিৰ সংৰক্ষণৰ সন্দৰ্ভত গুৰুত্ব দিয়ে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সমাজৰ প্ৰধান সম্পাদক ৰাজুমণি দত্তই। দুটুল কোচ আৰু মোহন বৰাই আঁত ধৰা সভাত ৰাজ্যিক যুৱ সমাৰোহৰ দুল কোঁৱৰ, আদৰণী সমিতিৰ কাৰ্যকৰী সভাপতি লক্ষ্মীকান্ত শইকীয়া, চিত্ত শইকীয়া, অকণ শইকীয়া, যুটীয়া সাধাৰণ সম্পাদক দুটুল কোচ, ৰঞ্জু কোচ প্ৰমুখ্যে জিলা, আঞ্চলিক আৰু ৰাজ্যিক সমিতিৰ বিষয়ববীয়াসকল, আই-মাতৃ সমাজৰ বিষয়ববীয়া আৰু বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

# ৰহাৰ চিত্ৰশিল্পী অৱনী শইকীয়ালৈ শিল্পী পেঞ্চন ঘোষণাত উৎফুল্লিত ৰাইজ

**দৈনিক অসমৰ প্ৰতিনিধি**

**ৰহা, ১৯ জানুৱাৰী ঃ** শিশুপ্ৰেমী, লেখক, সাংবাদিক, ব্যতিক্ৰমী শিশু অনুষ্ঠান 'অকণিৰ কবিতা ঘৰ, অসম'ৰ প্ৰতিষ্ঠাপক তথা প্ৰধান পৰিচালক ৰহাৰ অৱনী কুমাৰ শইকীয়াক অসম চৰকাৰৰ শিল্পী পেঞ্চন প্ৰদান কৰাত ৰহাত আনন্দৰ বন্য বোৱাৰ লগতে অলেখ গুণমুগ্ধই শুভেচ্ছা জ্ঞাপন কৰে। আজীৱন সমাজসেৱাত ব্ৰতী থকা অৱনী শইকীয়াই চৰকাৰী স্বীকৃতি লাভ কৰাত 'অকণিৰ কবিতা ঘৰ'ৰ লগতে ৰহা আঞ্চলিক সাংবাদিক সন্থা, ৰহা আঞ্চলিক ছাত্ৰ সন্থা, যুৱ-ছাত্ৰ পৰিষদ, মানৱ অধিকাৰ সংগ্ৰাম সমিতি, সাহিত্য সভাৰ ৰহা আঞ্চলিক সমিতিকে ধৰি বহু দল-সংগঠনে সম্বৰ্দ্ধনা জ্ঞাপন কৰে। উল্লেখ্য যে জন্মসূত্ৰে নগাঁও জিলাৰ হাতীচোং তথা বৰ্তমান ৰহাৰ বাসিন্দা অৱনী কুমাৰ শইকীয়া বৃহত্তৰ ৰহাত পৰিচিত ছাৰ ওৰফে অৱনী ছাৰ নামেৰে। 'মধুচন্দ্ৰা' ছদ্মনামেৰে পৰিৱেশ সুৰক্ষাৰ লগতে বিভিন্ন লেখাৰে এক সুকীয়া পৰিচয় গঢ়ি তোলা অৱনী কুমাৰ শইকীয়াই শিশুসকলৰ সৰ্বাংগীণ বিকাশ সাধনৰ বাবে ১৯৯৪ বৰ্ষত ৰহাত 'অকণিৰ কবিতা ঘৰ' নামেৰে এটি শিশু অনুষ্ঠানৰ জন্ম দিছিল, যিটো বৰ্তমান এক ব্যতিক্ৰমধৰ্মী শিশু অনুষ্ঠান হিচাপে পৰিগণিত হৈছে উদ্যোক্তাসকলৰ ব্যতিক্ৰম কৰ্মৰাজিৰ জৰিয়তে। বৰ্তমান ৭০ উৰ্দ্ধৰ এই শিল্পীজনৰ কৰ্মৰ স্বীকৃতি হিচাপে বিভিন্ন সময়ত ভিন্ন অঞ্চলৰ ৰাইজে শইকীয়াক সম্বৰ্দ্ধনাৰ জৰিয়তে স্বীকৃতি প্ৰদান কৰি আহিছিল। চৰকাৰে ঘোষণা কৰা শিল্পী পেঞ্চনৰ তালিকাত তেওঁৰ নাম অন্তৰ্ভুক্ত হোৱাত সন্তুষ্টি প্ৰকাশ কৰিছে ৰহাৰ ৰাইজে।

# শুকতি পোতা বিলৰ পাৰত ভোগালীৰ এসাঁজ

**দৈনিক অসমৰ প্ৰতিনিধি**

**দক্ষিণপাট, ১৯ জানুৱাৰী ঃ** নগাঁও জিলাৰ দক্ষিণপাটৰ বৰক'লাৰ হাৰিয়া পাৰৰ শুকতি পোতা বিলৰ পাৰত মুকলি পথাৰৰ প্ৰাকৃতিক পৰিৱেশত বৰক'লা আদৰ্শ লালুং গাঁৱৰ তিৱা জনগোষ্ঠীৰ লোকে মাঘ মাহৰ প্ৰথমটো দেওবাৰে 'ভোগালীৰ এসাঁজ' প্ৰীতিভোজৰ আয়োজন কৰে। বিভিন্ন জাতি-জনগোষ্ঠীৰ সমন্বয়, সম্প্ৰীতি গঢ়ি তোলা বৰক'লা গাঁৱৰ প্ৰীতিভোজস্থলীতে উদীয়মান লেখক বিশ্বজিৎ বৰদলৈৰ 'ভাগৱত কি ?' নামৰ গ্ৰন্থখন উন্মোচন কৰা হয়। গ্ৰন্থ উন্মোচনী সভাত সভাপতিত্ব কৰে বৰক'লা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ প্ৰতাপ সিঙে। জ্ঞানী জচবীৰ সিঙে বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভণি কৰা সভাত গ্ৰন্থখন উন্মোচন কৰে কামপুৰ সাহিত্য সভাৰ সভাপতি লক্ষীকান্ত নাথ আৰু মনচুন কলা পৰিষদ শাখা সাহিত্য সভাৰ সভাপতি ক্ষিতীশ দাসে। গ্ৰন্থ উন্মোচনী সভাৰ সভাপতি প্ৰতাপ সিঙে ভাষণত কয় যে 'গাঁৱেই হ'ল সংস্কৃতিৰ ধ্বজাবাহক। গাঁৱৰ কেঁচা মাটিৰ গোন্ধতেই প্ৰকৃত আনন্দ বিচাৰি পোৱা যায়। তেওঁ লগতে কয় আধুনিক সময়ত দ্ৰুত পৰিৱৰ্তনৰ সময়তো গ্ৰন্থৰ চাহিদা অটুট আছে আৰু আগলৈকো থাকিব। সমাজকৰ্মী স্বৰূপানন্দ বৰদলৈ আৰু নন্দেশ্বৰ ডেকাৰজাই আঁতধৰা গ্ৰন্থ উন্মোচনী সভাত তিৱা সাহিত্য সভাৰ নগাঁও জিলাৰ সভাপতি বীৰেন লালুং, তিৱা ছাত্ৰ সন্থাৰ উপদেষ্টা প্ৰহ্লাদ মছৰং, তিৱা ছাত্ৰ সন্থাৰ সভাপতি প্ৰশান্ত কোঁৱৰ আৰু জ্ঞানী যছবীৰ সিঙ, অধ্যাপিকা পূৰৱী বৰদলৈয়ে বিশ্বজিৎ বৰদলৈৰ গ্ৰন্থ সম্পৰ্কে বক্তব্য আগবঢ়ায়। গাম্ভীৰ্যপূৰ্ণ সভাত বৰ্ষীয়ান কবি কমল ডেকাৰজা, অনুসূচিত জাতি উন্নয়ন ব'ৰ্ডৰ নগাঁও জিলাৰ অধ্যক্ষ নৰেন দাস, পাখিমৰীয়া-জামুগুৰি জিলা পৰিষদৰ সদস্য অৰ্ণৱ দাস, নগাঁও জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি সঞ্জয় কাকতি, সমাজকৰ্মী মহেন্দ্ৰ নাথ, দক্ষিণপাট গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি যুগপ্ৰসাদ বৰদলৈ, খগেন বৰদলৈ, দক্ষিণ জাগিয়াল গাঁও পঞ্চায়তৰ উপ-সভানেত্ৰী গীতাৰাণী দাস, কণ্ঠশিল্পী স্বৰাজ দাস, কোষেশ্বৰ দাস, ৰাজীৱ বৰাকে ধৰি বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখ্য যে গ্ৰন্থ উন্মোচনৰ পাছতে ভোগালী বিহু উপলক্ষে বিলৰ পাৰত সমূহীয়া প্ৰীতিভোজত সকলোৱেই অংশ লয়। নিশালৈ অৰূপ ডেকাৰ পৰিচালনাৰে সামাজিক নাটক 'ৰণাংগনৰ ৰূপহী' মঞ্চস্থ হয়।

# পুষ্পৰাম কঁহাৰ শিল্পী বঁটা প্ৰদান




**দৈনিক অসমৰ প্ৰতিনিধি**

**সৰ্থেবাৰী, ১৯ জানুৱাৰী ঃ** অসম সাহিত্য সভাৰ সৰ্থেবাৰী শতদল শাখা 'ভাৰতী অধ্যয়ন চক্ৰ'ই ১৭ জানুৱাৰীত জেল বাটিৰ বিশিষ্ট কাঁহশিল্পী মুকুল ৰয়ক ২০২৬ বৰ্ষৰ পুষ্পৰাম কঁহাৰ শিল্পী বঁটা প্ৰদান কৰে। ভাৰতী অধ্যয়ন চক্ৰৰ অধীনত গঠিত লক্ষীকান্ত-হেমচন্দ্ৰ ভূঞা সোঁৱৰণী ন্যাসৰ দ্বাৰা প্ৰদান কৰা এই বঁটাত আছে ফুলাম গামোচা, চেলেং চাদৰ, জাপি, কাঁহৰ স্মাৰক, সম্বৰ্দ্ধনাপত্ৰ আৰু নগদ ধন। চক্ৰৰ সভাপতি নিখিলেশ ডেকাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত মুখপত্ৰ 'আল্পা গংগা'ৰ বিশেষ কবিতা সংখ্যাটি উন্মোচন কৰে জ্যেষ্ঠ লেখিকা প্ৰজ্ঞাশ্ৰী পাৰ্বতী পাটোৱাৰীয়ে। সভাত ভাৰতী অধ্যয়ন চক্ৰৰ উদ্যোগত ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত কৰা কবিতা প্ৰতিযোগিতাত স্থানপ্ৰাপ্তসকলক পুৰস্কাৰ প্ৰদান কৰা হয়। সভাৰ আৰম্ভণিতে অৱসৰপ্ৰাপ্ত অধ্যক্ষ অধৰ চন্দ্ৰ ডেকাই ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই অসমীয়া ভাষা, সাহিত্য-সংস্কৃতিলৈ আগবঢ়োৱা অৱদানৰ বিষয়ে আলোচনা কৰে। উপদেষ্টা মৃণাল মল্ল পাটোৱাৰীয়ে ৰাইজমেলৰ নেতা পুষ্পৰাম কঁহাৰৰ স্মৃতি যুগমীয়া কৰাৰ লগতে সৰ্থেবাৰীৰ কাঁহ শিল্পত উন্নত বাচন-বৰ্তন নিৰ্মাণৰ বাবে নতুন শিল্পীসকলক অনুপ্ৰেৰণা যোগোৱাৰ উদ্দেশ্যে সু-চিকিৎসক অনন্ত ভূঞাই গঠন কৰা লক্ষীকান্ত-হেমচন্দ্ৰ সোঁৱৰণী ন্যাসৰ বিষয়ে উল্লেখ কৰি শিল্পী দিৱসৰ লগত ৰজিতা খুৱাই এই শিল্পী বঁটা প্ৰদান কৰাত সন্তোষ প্ৰকাশ কৰে। সভাত অসম সাহিত্য সভাৰপৰা আজীৱন সভ্যৰ স্বীকৃতিপ্ৰাপ্ত ১১৭গৰাকী নতুন সভ্যক স্বীকৃতিপত্ৰ প্ৰদান কৰা হয়। পুৱাৰ ভাগত অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে চক্ৰৰ সভাপতি নিখিলেশ ডেকাই। জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে খগেশ্বৰ ডেকাই আৰু পুষ্পাঞ্জলি প্ৰদান কৰি স্মৃতি তৰ্পণ কৰে মৃণালমল্ল পাটোৱাৰীয়ে। অনুষ্ঠানৰ আঁত ধৰে ভাৰপ্ৰাপ্ত সম্পাদক ধঞ্জিত ডেকাই।

## দৰঙী লোকশিল্পী নন্দিৰাম নাথ ওজা-দৈৱকী দেৱী সোঁৱৰণী তোৰণ উন্মোচন

# পাণীন্দ্ৰ মোহন নাথৰ অভিনন্দন গ্ৰন্থ উন্মোচন-সম্বৰ্দ্ধনা

**দৈনিক অসমৰ প্ৰতিনিধি**

**ছিপাঝাৰ, ১৯ জানুৱাৰী ঃ** ছিপাঝাৰৰ ত্ৰিনয়নপুৰ নিৱাসী ক্ৰীড়া ব্যক্তিত্ব,অশীতিপৰ অভিনেতা, দৰঙী কলা-কৃষ্টি উন্নয়ন সংঘৰ এসময়ৰ সম্পাদক, অৱসৰপ্ৰাপ্ত বিষয়া পাণীন্দ্ৰ মোহন নাথৰ আৰ্থিক অনুদানেৰে স্থানীয় বিষ্ণু মন্দিৰৰ সিংহদ্বাৰত তেওঁৰ প্ৰয়াত পিতৃ-মাতৃৰ নামত নিৰ্মিত দৰঙী লোকশিল্পী 'ব্যাসজ্যোতি' অভিধাৰে বিভূষিত নন্দিৰাম নাথ ওজা আৰু দৈৱকী দেৱী সোঁৱৰণী তোৰণ আৰু 'ছিপাঝাৰ ডায়মণ্ড ক্লাব সামূহিক কেন্দ্ৰ'ৰ এসময়ত ক্ৰীড়া বিভাগৰ সম্পাদক, শিল্পীপ্ৰাণ পাণীন্দ্ৰ মোহন নাথ অভিনন্দন গ্ৰন্থ 'কলাৰত্ন কথকতা' শীৰ্ষক গ্ৰন্থ উন্মোচন আৰু শিল্পী সম্বৰ্দ্ধনা অনুষ্ঠান ১৭ জানুৱাৰীত ছিপাঝাৰৰ ত্ৰিনয়নপুৰত অনুষ্ঠিত হয়। এই উপলক্ষে পুৱা ১০ বজাত মন্দিৰৰ সোঁৱৰণী তোৰণ উন্মোচন কৰি মঙলদৈ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ডঃ লোকেশ্বৰ নাথে। ১১.৩০ বজাত সাহিত্যপ্ৰেমী হেৰম্ব কুমাৰ নাথৰ সঞ্চালনাত অনুষ্ঠিত অভিনন্দন গ্ৰন্থ উন্মোচনী অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে মহেন্দ্ৰ বৰুৱাই। ইয়াৰ পাছত ত্ৰিনয়নপুৰ উন্নয়ন সমিতিৰ সভাপতি ননী কুমাৰ শইকীয়াই স্মৃতি তৰ্পণ কৰে। অভিনন্দন গ্ৰন্থ উন্মোচনী সভা উদ্বোধন কৰে শশীধৰ নাথে। অনুষ্ঠানত শিল্পী পেঞ্চনাৰ, ব্যাস শিল্পী তীৰ্থনাথ ওজাক চেলেং চাদৰ, ফুলাম গামোচা, স্মাৰক, অভিনন্দন গ্ৰন্থৰে সভাত সম্বৰ্দ্ধনা জ্ঞাপন কৰে পাণীন্দ্ৰ মোহন নাথৰ পৰিয়ালে। সভাত সম্বৰ্দ্ধিত শিল্পীগৰাকীয়ে দৰঙী ব্যাস সংগীতৰ ৰাগ পৰিৱেশন কৰে। তেওঁক ত্ৰিনয়নপুৰ উন্নয়ন সমিতি, মহিলা সমিতিয়েও সম্বৰ্দ্ধনা জ্ঞাপন কৰে। উক্ত সভাত সাংবাদিক হৰেন ডেকা সম্পাদিত অভিনন্দন গ্ৰন্থ 'কলাৰত্ন কথকতা' শীৰ্ষক গ্ৰন্থ উন্মোচন কৰি সাহিত্যিক, জ্যেষ্ঠ সাংবাদিক, 'নতুন দৈনিকৰ' কাকতৰ সম্পাদক শংকৰ কাকতিয়ে। সভাত কণিকা দেৱী আৰু সংগীবৃন্দই দৰঙী 'চিয়াগীত', লেনী শইকীয়া আৰু গাৰ্গী হাজৰিকাই আধুনিক নৃত্য পৰিৱেশন কৰে। আনহাতে, পুৱাৰ ভাগত ত্ৰিনয়নপুৰ বিষ্ণু মন্দিৰত ত্ৰিনয়নপুৰ উন্নয়ন সমিতিৰ সম্পাদক ৰূপেশ্বৰ নাথে বন্তি প্ৰজ্বলন কৰাৰ পাছত কিৰণ দেৱীৰ দলে দিহানাম পৰিৱেশন কৰে।

# শব্দৰ ধেমালি ঃ ১১২



**পথালিকৈ**

১। সাধাৰণতে পাৰিশ্ৰমিক নোহোৱাকৈ কৰা হীন বিধৰ কাম (৩)
৩। লৰাৰ, লৰোৱা কাৰ্য (৩)
৬। মাটিৰ ওখ ঢিপ (৩)
৮। হত আৰু আহত (৪)
৯। হস্ত, কৰ (২)
১১। ঋণ, চোক (২)
১২। ৰজাৰ পত্নী (২)
১৩। মাতৃ, জননী (২)
১৪। ছোৱালী (৩)
১৬। ৰাগ, ক্ৰোধ (২)
১৭। দ'ল, দেৱালয় (২)
১৮। চেয়াৰ, এবিধ আসন (২)
১৯। মাৰ যোৱা, বুৰা (২)
২০। সহস্ৰলোচন, দেৱৰাজ (২)
২১। শুভ, শ্ৰেষ্ঠ, উত্তম (২)
২২। এটা অসমীয়া উপাধি (৩)
২৪। বন্তি, প্ৰদীপ (২)
২৫। মূৰৰ সোঁ-মাজৰ ভাগ (২)
২৬। অস্থায়ীভাৱে বাম খেতি কৰিবলৈ লোৱা মাটি (২)
২৮। চাবুক (২)
৩০। যি শিক্ষানুষ্ঠানত শিক্ষাৰ্থীসকলক বাধ্যতামূলকভাৱে ছাত্ৰী বা ছাত্ৰী নিৱাসত থাকিব লাগে, তেনে (৪)
৩১। পুত্ৰ, নন্দন (৩)
৩৩। চোৰাংচোৱা (৩)
৩৪। ফোঁট (৩)

**থিয়কৈ**

১। টানকৈ বা বলেৰে পেলোৱা মৰা (৩)
২। অসমীয়া তিৰোতাই ব্যৱহাৰ কৰা বস্ত্ৰ এবিধ (২)
৩। সাধাৰণ বিধৰ (২)
৪। এবিধ গছ (৩)
৫। বৰাই, অহংকাৰ (৪)
৭। সাপ, ভুজংগ (২)
১০। বাম, কম দযুক্ত (৩)
১১। বিধাতা, পৰমেশ্বৰ (২)
১৩। যদুৱা, ধাৰ নথকা (২)
১৪। অৱশিষ্ট, অসমাপ্ত (২)
১৫। দুৰ্বল, ক্লান্ত (৩)
১৬। উলু বা আন বনৰ ঠাৰি (৩)
১৭। প্ৰকাণ্ড, বৰ ডাঙৰ (২)
১৮। শশধৰ, জোনবাই (২)
১৯। বৰ, অধিক, খুব (২)
২০। এইখিনিতে অন্ত (২)
২১। এবিধ বনৰীয়া জন্তু (৩)
২৩। প্ৰহৰী, চাউদাং (৪)
২৪। ওখ, পানীত তল নোযোৱা (মাটি) (২)
২৬। সূতলাহি (৩)
২৭। ভাতৃ, সহোদৰ (২)
২৯। টান খোলাযুক্ত কোমলদেহী-প্ৰাণী বিশেষ (৩)
৩১। প্ৰত্যুষ, ফজীৰ (২)
৩২। — বাচক, — পূৰ্বে, — বৃত্ত, —হাস,—মধ্যে — মধ্যে (২)

**শব্দৰ ধেমালি ঃ ১১১ৰ উত্তৰ**

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| গা | ন্ধ | ক | লা | ই | ■ | ■ | উ | ষ | ৰ |
| ই | ■ | ■ | ■ | মা | তৃ | ভা | ষা | ■ | ক্ষ |
| বা | ■ | হা | ফ | ৰ | ■ | ■ | ■ | ম | ক |
| ই | ■ | লি | ■ | ত | ৰ | ফ | ■ | তো | ■ |
| চা | মে | চা | মে | ■ | জা | প | ■ | ৰা | ■ |
| ■ | হ | ■ | দে | হ | ■ | ৰা | গ | ল | তা |
| ■ | ন | ■ | লা | য় | ক | ■ | গ | ■ | ল |
| ভা | ত | ■ | ■ | ■ | টো | পো | লা | ■ | কা |
| বু | ■ | ব | জ | ৰু | ৱা | ■ | ■ | ■ | ং |
| কি | লা | ৰ | ■ | ■ | ল | জ্ঞা | জ | ন | ক |

ঐশানুব্ৰত

# পোৰাকুছিত ভোগালী উৎসৱ

**দৈনিক অসমৰ প্ৰতিনিধি**

**ঘগ্ৰাপাৰ, ১৯ জানুৱাৰী ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰৰ ওচৰৰ পোৰাকুছিত অৱস্থিত 'চিফুং দ্য আৰ্টিষ্ট'ৰ উদ্যোগত ১৬ জানুৱাৰীৰ সন্ধিয়া ভোগালী উৎসৱ অনুষ্ঠিত কৰা হয়। দিনৰ ভাগত শিশু আৰু মহিলাসকলৰ মাজত পৰাম্পৰাগত গ্ৰাম্য খেলসমূহ অনুষ্ঠিত কৰে। সন্ধিয়া শ্ৰদ্ধাঞ্জলি জ্ঞাপন অনুষ্ঠানৰ পাছত কবিতাৰ অনুষ্ঠান অনুষ্ঠিত হয়। কবি প্ৰণৱ কুমাৰ বৰ্মনে আদৰণী ভাষণ আগবঢ়ায়। নাট্যশিল্পী পৰী শৰণীয়াই পৰিচালনা কৰা কবিতাৰ অনুষ্ঠানটিত নলবাৰী জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰী মুখ্য অতিথি হিচাপে উপস্থিত থাকি কেইবাটাও কবিতা পাঠ কৰে। বিশিষ্ট কবি যোগেশ বিকাশ গগৈয়েও কবিতা পাঠ কৰাৰ লগতে কণ্ঠশিল্পী দীপক কুমাৰ দাসে গীত পৰিৱেশন কৰে। এই অনুষ্ঠানত স্থানীয় মহিলাসকলে বিয়াগীত, শিশুসকলে নৃত্য পৰিৱেশন কৰি দৰ্শকক আমোদ দিয়ে। প্ৰতিযোগিতাৰ পুৰস্কাৰসমূহ বিতৰণ কৰাৰ পাছত অসম সংগীত পৰিৱেশনৰে অনুষ্ঠানৰ সামৰণি পৰে। শেষত সকলোৱে লগে-ভাগে 'ন-খোৱা' পৰাম্পৰাগত পৰ্ব পালন কৰে।

## দেশী জনগোষ্ঠীয় মঞ্চ-দেশী যুৱ-ছাত্ৰ মঞ্চৰ যৌথ উদ্যোগ

# তামাৰহাটৰ কামানডাংগাত 'পুষণা' উদ্‌যাপন

**দৈনিক অসমৰ প্ৰতিনিধি**

**তামাৰহাট, ১৯ জানুৱাৰী ঃ** ধুবুৰী জিলাৰ তামাৰহাট থানাৰ অন্তৰ্গত কামানডাংগাত ১৭ জানুৱাৰীত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে দেশী জনগোষ্ঠীৰ জাতীয় 'পুষণা' উৎসৱ উদ্‌যাপন কৰা হয়। দেশী জনগোষ্ঠীয় মঞ্চৰ কামানডাংগা, তামাৰহাট, ডিংডিংগা, হাতীধূৰা আৰু কুমাৰগঞ্জ আঞ্চলিক কমিটীৰ সহযোগত ধুবুৰী জিলা দেশী জনগোষ্ঠীয় মঞ্চ আৰু দেশী যুৱ-ছাত্ৰ মঞ্চই উক্ত পুষণা উৎসৱ উদ্‌যাপন কৰে। কাৰ্যসূচী মতে পুৱা ৮ বজাত পুষণা উদযাপন সমিতিৰ সভাপতি আব্দুল মজিদ শ্বেখে দেশী জনগোষ্ঠীয় মঞ্চৰ পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। ইয়াৰ পিছত ক্ৰমে ছহিদ বেদী, অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গ, ৰাজবংশী গীতৰ সম্ৰাজ্ঞী পদ্মশ্ৰী প্ৰতিমা পাণ্ডে বৰুৱা আৰু ৰূপ কোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। ৯ বজাত প্ৰদৰ্শনীৰ দ্বাৰ মুকলি কৰায়। এঘাৰ বজাত কোচ ৰাজবংশী, ৰাভা, আদিবাসী, দেশী জনগোষ্ঠীৰ সাংস্কৃতিক দল আৰু বিভিন্ন বাদ্য যন্ত্ৰৰে বিশাল সাংস্কৃতিক শোভাযাত্ৰা উলিয়াই অঞ্চলটো



পৰিভ্ৰমণ কৰি পৰিৱেশ মুখৰ কৰি তোলে। দেশী জনগোষ্ঠীয় মঞ্চৰ সাংগঠনিক সম্পাদক ইমদাদুল খন্দকাৰৰ সভাপতিত্বত দিনৰ তিনি বজাৰ পৰা অনুষ্ঠিত হোৱা মুকলি সভাত খিলঞ্জীয়া মঞ্চৰ সভাপতি মৃণাল হাজৰিকাই মুখ্য অতিথিৰ ভাষণত উল্লেখ কৰে যে কিছুমানে দেশী সকলক বাংলাদেশী বুলি তুচ্ছ-তাচ্ছল্য কৰে যদিও দেশী সকল আচলতে প্ৰকৃত খিলঞ্জীয়া। ইয়াৰ উপৰি হাজৰিকাই কয় যে ধৰ্মই কোনো জাতিক জীয়াই নাৰাখে। জীয়াই থাকিবলৈ হলে যুদ্ধ কৰিব লাগিব। যিয়ে যুদ্ধ কৰিব জানে সিয়ে জীয়াই থাকিব। দেশী জনগোষ্ঠীৰ লোক সকলে এলেহুৱা স্বভাব এৰি কৃষি কৰ্ম, শিক্ষা, ব্যৱসায়-বাণিজ্য, আদিত আগবাঢ়িব লাগিব বুলি কয়। দেশী জনগোষ্ঠীয় মঞ্চৰ উপদেষ্টা শ্বেখ হেদায়েতুল্লাই কয় যে আমাৰ দেশী জনগোষ্ঠী লোক সকলৰ স্বকীয় বৈশিষ্ট্য, ভাষা, সাহিত্য, কলা-সংস্কৃতি, সাজ-পাৰ আৰু নিজস্ব খাদ্য অভ্যাস আছে। কিন্তু আমি আজি বিভিন্ন কাৰণত পৰিচয় সংকটত পৰিছো। আমাৰ স্বকীয় পৰিচয় উদ্ধাৰৰ বাবে আমি চেষ্টা অব্যাহত ৰাখিব লাগিব। সভাত গৌৰীপুৰ ৰাজপৰিয়ালৰ উত্তৰ পুৰুষ তথা বিশিষ্ট সমাজ সেৱক প্ৰবীৰ বৰুৱা আৰু হস্তি কন্যা খ্যাত পাৰ্বতী প্ৰসাদ বৰুৱা কোচ ৰাজবংশী জনগোষ্ঠী আৰু দেশী জনগোষ্ঠীৰ লোক সকল পূৰ্বৰ পৰাই সাংস্কৃতি ক্ষেত্ৰত আগবঢ়া বুলি উল্লেখ কৰে। ইয়াৰ উপৰি সভাত গৌৰীপুৰ পি চি ইনষ্টিটিউচনৰ অধ্যক্ষ মেহেবুব হোছেইন, অৱসৰপ্ৰাপ্ত খণ্ড প্ৰাথমিক শিক্ষা বিষয়া ছাইফুল আলী আহমেদ, ধুবুৰী জিলা দেশীয় জনগোষ্ঠীয় মঞ্চৰ সভাপতি আৰু সাধাৰণ সম্পাদক সহিদুৰ ৰহমান আৰু আব্দুল্লা খন্দকৰ, ধুবুৰী জিলা দেশী যুৱ-ছাত্ৰ মঞ্চৰ সভাপতি আৰু সাধাৰণ সম্পাদক ছাইফুল ৰহমান আৰু আব্দুছ ছবুৰ আলীকে ধৰি বিশিষ্ট ব্যক্তি সকল উপস্থিত থাকে। উল্লেখ্য যে পুষণা উৎসৱৰ লগত সংগতি ৰাখি নামনি অসমত বসবাস কৰা কোচ ৰাজবংশী, ৰাভা, বড়ো, আদিবাসী, দেশী আদি জনগোষ্ঠীৰ লোকসকলে পুষণাত প্ৰস্তুত কৰা পৰম্পৰাগত পিঠা-পনাৰ বিপনিৰো ব্যাবস্থা কৰা হয়। সন্ধিয়া নিমন্ত্ৰিত শিল্পীসকলৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠানো অনুষ্ঠিত হয়।



## দুই শিল্পীক সম্বৰ্দ্ধনা ৰূপাই শতদল শাখা সাহিত্য সভাৰ

**দৈনিক অসমৰ প্ৰতিনিধি**

**ডুমডুমা, ১৯ জানুৱাৰী ঃ** তিনিচুকীয়া জিলাৰ ৰূপাই শতদল শাখা সাহিত্য সভাৰ উদ্যোগত ১৭ জানুৱাৰীত শিল্পী দিৱস উদ্‌যাপন কৰা হয়। শাখাৰ সভাকক্ষত অনুষ্ঠিত এই অনুষ্ঠানত প্ৰাক্তন সভাপতি তথা বিশিষ্ট সাহিত্যিক বদন শৰ্মাই মহান শিল্পী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰাৰ লগতে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানটি মুকলি কৰে। ইয়াৰ পাছতে শাখাৰ মহিলাসকলে 'চিৰ চেনেহী মোৰ ভাষা জননী' গীত পৰিৱেশন কৰে। শাখাৰ সভাপতি বেণু বৰাৰ পৌৰোহিত্যত এখন সভা অনুষ্ঠিত হয়। শাখাৰ সম্পাদক ৰাতুল গগৈ আৰু সদস্যা সংগীতা বৰুৱা ডেকাই আঁত ধৰা সভাত আৰম্ভণিতে বিশিষ্ট সাহিত্যিক বদন শৰ্মাই জ্যোতিপ্ৰসাদ আগৰৱালাৰ জীৱন সম্পৰ্কে লিখা এটি প্ৰবন্ধ পাঠ কৰে। ইয়াৰ পাছতে ডুমডুমা অঞ্চলৰ লগতে সমগ্ৰ ৰাজ্যখনৰে এগৰাকী প্ৰবীণ সংগীত শিল্পী তথা 'অ' জুৰ মলয়া' গীতৰ স্ৰষ্টা প্ৰদীপ দহোটীয়া আৰু ডুমডুমাৰ নাট্যশিল্পী মনোজ বৰুৱাক শাখাৰ তৰফৰপৰা বিশেষ সম্বৰ্দ্ধনা জনায়। অসম সাহিত্য সভাৰ সাংগঠনিক সম্পাদক সুনীল গুৰুং, প্ৰচাৰ বিভাগৰ উপ-সভাপতি পুলক কুমাৰ গগৈ, ৰূপাই শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি চন্দ্ৰকান্ত সন্দিকৈ, ডুমডুমা শতদল শাখা সাহিত্য সভাৰ সভাপতি দেবেন ডেকা উপস্থিত থাকে।

ঝাৰখণ্ডৰ বিশিষ্ট সাহিত্যিক অভয়ানন্দ পাঠকলৈ ডাঃ বীৰেন্দ্ৰ নাথ বৰুৱা ৰাষ্ট্ৰীয় বঁটা

# নিজম পৰিল লিডু ৰাষ্ট্ৰীয় সাহিত্য সন্মিলনৰ বাকৰি

### বিভিন্ন ৰাজ্যৰ ডেৰ শতাধিক কবি-সাহিত্যিকৰ অংশগ্ৰহণ ঃ লোক-সংস্কৃতিৰ গৱেষক ডঃ অনিল শইকীয়ালৈ ভূপেন চন্দ্ৰ নেওগ লোক-সংস্কৃতি ৰাষ্ট্ৰীয় বঁটা ঃ সমাজকৰ্মী ডঃ পুষ্প গগৈলৈ সুৰেন ফুকন সমাজহিতৈষী ৰাষ্ট্ৰীয় বঁটা



**দৈনিক অসমৰ প্ৰতিনিধি**

**তিনিচুকীয়া, ১৯ জানুৱাৰী ঃ** তিনিচুকীয়া জিলাৰ লিডু মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত দুদিনীয়াকৈ আয়োজন কৰা লিডু ৰাষ্ট্ৰীয় সাহিত্য সন্মিলনৰ কালি সামৰণি পৰে। প্ৰথমদিনা সন্ধিয়া বিয়লি ৪ বজাত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকা স্মৰণ আৰু জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰে কাৰ্যসূচী শুভাৰম্ভ কৰা হয়। বন্তি প্ৰজ্বলনেৰে সন্মিলনৰ শুভাৰম্ভ কৰে ডঃ প্ৰণয় ফুকনে। তাৰ পাছতে ববিতা দাস চৌধুৰী আৰু সংগীবৃন্দই 'লিডু এখনি ধুনীয়া ঠাই' শীৰ্ষক সমৱেত সংগীত পৰিৱেশন কৰে। আদৰণী ভাষণ প্ৰদান কৰে লিডু ৰাষ্ট্ৰীয় সাহিত্য সন্মিলনৰ সভাপতি ডঃ ৰঞ্জিত দত্তই। আনুষ্ঠানিকভাৱে লিডু ৰাষ্ট্ৰীয় সাহিত্য সন্মিলনৰ শুভ উদ্বোধন কৰে ঝাৰখণ্ডৰ বিশিষ্ট সাহিত্যিক এ এন পাঠকে। মুখ্য অতিথিৰ ভাষণ আগবঢ়ায় সাহিত্য অকাডেমিৰ অনুবাদ বঁটা বিজয়ী, কলকাতাৰ বাসুদেৱ দাসে। তাৰ পাছতে কলকাতাৰ অধ্যাপিকা কবি ৰিতু সেন চৌধুৰী, গুৱাহাটীৰ সাহিত্যিক মুকুট শৰ্মা, কবি আৰু সমালোচক উদয় কুমাৰ শৰ্মাই ভাষণ আগবঢ়ায়। ৰিজুমণি শইকীয়া তামুলী, গীতাঞ্জলি বৰকটকী ভাগৱতী, আফ্ৰুজা আখতাৰ কনিষ্ক ভট্টাচাৰ্য কলিকাতা, পুৰুষোত্তম উপাধ্যায় গুৱাহাটী আদিৰ কবিতা আবৃত্তিয়ে অনুষ্ঠানটো জীপাল কৰি তোলে। তাৰ পাছতে 'অসমীয়া উপন্যাস ঃ এটি চমু অৱলোকন' বিষয়ত ডঃ চিত্ৰজিৎ শইকীয়াই ভাষণ আগবঢ়ায়। ডাঃ প্ৰণয় ফুকনৰ সঞ্চালনাত আয়োজিত কবি সমাৰোহত ৰাজৰ্ষি পত্ৰনবিশ, সৰ্বজিৎ সৰকাৰ, সংকেট মাহাত্ৰে, ৰিতুপৰ্ণা খান, বিমান সাহা, বিকাশ গণ চৌধৰী, পুৰুষোত্তম উপাধ্যায়, ববী পাৰাৰ, দিগন্ত ভাজনী, ৰিতু সেন চৌধৰী, সাৰ্থক ৰয় চৌধৰী, শশীকান্ত সিং, কনিষ্ক ভট্টাচাৰ্য, তপন বৰুৱা, ৰুদ্ৰ গগৈ, প্ৰণৱজ্যোতি দত্ত আদি দেশৰ কবিসকলে কবিতা পাঠ কৰে। শলাগৰ শৰাই আগবঢ়ায় অৰুণজ্যোতি নিবনুৱাই। কালি লিডু ৰাষ্ট্ৰীয় সাহিত্য সন্মিলনৰ কাৰ্যসূচী আৰম্ভ হয়। মুখ্য সম্পাদক ৰাণাজ্যোতি নেওগ আৰু সম্পাদক অৰুণজ্যোতি নিবনুৱাই আঁত ধৰা বিশিষ্ট সাংবাদিক জগত চাংমাই লিডু কলেজৰ অধ্যক্ষ ডঃ কৃপাপ্ৰসাদ উপাধ্যায়ৰ উপস্থিতিত আৰু ডঃ ৰঞ্জিত দত্তৰ সঞ্চালনাত অনুষ্ঠিত অনুষ্ঠানটোত সুকুমাৰ চেতিয়া (ডিব্ৰুগড়), গীতা দেৱী নেওগ (লিডু), নীলু দাস (মাৰ্ঘেৰিটা) আৰু সংকেট মাহাত্ৰে (মুম্বাই)ই কবিতা আবৃত্তি কৰে। তাৰ পাছতে ৰাষ্ট্ৰীয় বঁটা প্ৰদান অনুষ্ঠান অনুষ্ঠিত হয়। ডঃ বীৰেন্দ্ৰ নাথ বৰুৱা ৰাষ্ট্ৰীয় বঁটা আগবঢ়োৱা হয় অভয়ানন্দ পাঠক (ধানবাদ,ঝাৰখণ্ড), ভূপেন চন্দ্ৰ নেওগ লোক-সংস্কৃতি সাধনা ৰাষ্ট্ৰীয় বঁটা আগবঢ়োৱা হয় ডঃ অনিল শইকীয়া (মৰাণ) আৰু সুৰেন ফুকন সমাজহিতৈষী ৰাষ্ট্ৰীয় বঁটা আগবঢ়োৱা হয় ডঃ পুষ্প গগৈ (ধেমাজি)লৈ। লিডু ৰাষ্ট্ৰীয় সাহিত্য সন্মিলন শুভ উদ্বোধন কৰে বিশিষ্ট চিন্তাবিদ ডঃ ময়ূৰ বৰাই। তাৰ পাছতে তপন বৰুৱা আৰু ৰুদ্ৰ গগৈ ৰাজৰ্ষি পত্ৰনবিশ আৰু মুকুট শৰ্মা, ডঃ বিকাশ বৰুৱাৰ সঞ্চালনাত কবি সন্মিলনৰ প্ৰথম-দ্বিতীয় আৰু তৃতীয় সত্ৰ অনুষ্ঠিত হয়। তৃপ্তি দাস, সান্ত্বনা বুঢ়াগোহাঁই (তিনিচুকীয়া), ববী বৰা (গুৱাহাটী), পদ্মজা শইকীয়া (সোণাৰি), বৰ্ণালী অৱন্ধৰা গগৈ (সোণাৰি), গীতাঞ্জলি কলিতা গগৈ (শদিয়া),মিনি সৰকাৰ (শদিয়া), ভৱানীপ্ৰসাদ ঢুংগানা (শদিয়া), ইলা বৰা বৰশইকীয়া (ডিগবৈ), নৱযানী বৰুৱা (ডিগবৈ), উজ্জ্বল চক্ৰৱৰ্তী (লাহোৱাল), সদানন্দ হাজং (শদিয়া), মমি দুৱৰা, দুলুমণি দেৱী (মাকুম), মামণি ডেকা (ডিগবৈ), ৰিদিপ বৰুৱা (ডিগবৈ), ৰমেশ চন্দ্ৰ তালুকদাৰ (নামৰূপ), কাৰ্তিক চন্দ্ৰ তালুকদাৰ (নামৰূপ), জিমন চাচনি, হেমন্ত চাচনি (চাচনী), ডঃ পৱিত্ৰ গগৈ, অনুৰূপা কোঁৱৰ, ছুইটী দত্ত (লিডু), বৰ্ণালী গগৈ, উৰ্মিলা ৰাখেত (মাৰ্ঘেৰিটা), দীপক কুমাৰ সেনাপতি (পানীতোলা), প্ৰদীপ কুমাৰ গাভৰুপৰীয়া (তেজপুৰ), ছিদ্দিকুৰ ৰহমান (উত্তৰ লখিমপুৰ), ববী এটিবাচ (যোৰহাট), উজ্জ্বল চক্ৰৱৰ্তী (ডিব্ৰুগড়), দুলুমণি দেৱী সদানন্দ হাজং, জুনুমণি বৰা, ইন্দু দত্ত, উজীৰ মীনাক্ষি দাস বৰুৱা, ৰিতুমণি ফুকন, নিজৰা গগৈ, কাৰ্তিক চন্দ্ৰ তালুকদাৰ জীতা দত্ত, মণিকা গগৈ, দীপালী গগৈ, ৰিতুৰাজ নাথ, মণিকা গগৈ, ইন্দিৰা ফুকন হাজৰিকা, মমী শইকীয়া দুৱাৰা, সান্ত্বনা বুঢ়াগোহাঁই হাজৰিকা, ৰমেশ চন্দ্ৰ দাস, কাৰ্তিক চন্দ্ৰ তালুকদাৰ, জয়সূৰ্য বৰা, ডঃ ৰুণজুন শইকীয়া, সৰ্বজিৎ সৰকাৰ, স্বপ্নালী গগৈ বড়ো, আনাক চুনা মুন বড়ো, পুলেন বৰশইকীয়া, নৱযানী বৰুৱা শইকীয়া, মামণি ডেকা, মীৰা দত্ত, জুবিলী গগৈ, ৰুবী ৰঞ্জনা, বীণা কোঁৱৰ বৰুৱা, ৰিদীপ বৰুৱা, মণিকা শেনচোৱা, ৰাজশ্ৰী সেনাপতি গগৈ, উৰ্বশী মৰাণ, ৰুমী ফুকন বুঢ়াগোহাঁই, পূৰ্ণিমা দুৱৰা দিহিঙীয়া আদি ডেৰশৰো অধিক কবিয়ে কবিতা পাঠ কৰে। ডঃ ৰঞ্জিত দত্তৰ কাব্যগ্ৰন্থ 'আধালিখা কবিতাৰ দৰে' প্ৰণৱজ্যোতি দত্তৰ কাব্যগ্ৰন্থ 'চিন্তাৰ শিলালিপি' আৰু লগতে 'জীৱনৰ ৰং' নামৰ তিনিখন গ্ৰন্থ উন্মোচন হয়।



মহেশ্বৰ বৰকটকী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসত মগেন নৰহ

## ছাত্ৰ-ছাত্ৰীক সকলো দিশত আগুৱাই নিবলৈ শিক্ষাগুৰুৱে সঠিক পথ নিৰ্দেশনা দিয়ক

**দৈনিক অসমৰ প্ৰতিনিধি**

**টীয়ক, ১৯ জানুৱাৰী ঃ** টীয়কৰ মহেশ্বৰ বৰকটকী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৬৯সংখ্যক প্ৰতিষ্ঠা দিৱস ১৭ জানুৱাৰীত দিনজোৰা কাৰ্যসূচীৰে পালন কৰা হয়। বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি অজিত দোলাকাষৰীয়াই পতাকা উত্তোলনেৰে শুভাৰম্ভ কৰা দিৱসত মহান শিল্পী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক অতুলচন্দ্ৰ ফুকনে। দুপৰীয়া অনুষ্ঠিত মুকলি সভা উদ্বোধন কৰি টীয়ক সমজিলা আয়ুক্ত (শিক্ষা বিভাগ) মগেন নৰহে ছাত্ৰ-ছাত্ৰীক সকলো দিশতে আগবঢ়াই নিয়াৰ ক্ষেত্ৰত আন্তৰিকতাৰে প্ৰচেষ্টা চলাবলৈ শিক্ষক- শিক্ষয়িত্ৰীক আহ্বান জনায়। এই সভাত বিদ্যালয়ৰ অধ্যক্ষা মেৰিণা বেগমে বিদ্যালয়ৰ ইতিবৃত্ত আৰু গৰিমা ব্যাখ্যা কৰি আদৰণী ভাষণ দিয়ে। অন্বেষা ফুকন আৰু সঞ্জীৱন ফুকনৰ সম্পাদনাত প্ৰকাশিত বিদ্যালয়ৰ আলোচনী 'বিম্বন' উন্মোচন কৰে যোৰহাটৰ জ্যেষ্ঠ সাংবাদিক, লেখক যোগেশ ওজাই। শিক্ষক অসীম কুমাৰ গগৈয়ে আঁত ধৰা সভাত অসম চৰকাৰৰ শিল্পী সন্মানপ্ৰাপ্ত শিশু সাহিত্যিক অৰুণ চন্দ্ৰ দাসে জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীতৰ মাধ্যমেৰে বক্তব্য প্ৰদান কৰে। উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত সৰ্বোচ্চ নম্বৰ লাভ কৰা বিদ্যালয়ৰ কংকণা শইকীয়া আৰু ভাগ্যদীপ শইকীয়াক এই সভাত 'কেতেকী বুঢ়াগোহাঁই স্মৃতি ন্যাস বঁটা' প্ৰদান কৰা হয়। বিদ্যালয় সপ্তাহৰ সাহিত্য আৰু সাংস্কৃতিক বিভাগৰ বঁটাসমূহো এই সভাত প্ৰদান কৰা হয়। তদুপৰি অসম লোকসেৱা আয়োগৰ পৰীক্ষাৰ যোগেদি পৰিবহন প্ৰণয়নকাৰী পৰিদৰ্শক পদবীত নিযুক্তি লাভ কৰাৰ লগতে অসম চৰকাৰৰ তিনিটাকৈ পদৰ বাবে নিৰ্বাচিত হৈ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই অনা বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ বিনোদ গোৱালাক আৰু ২০২৫ বৰ্ষৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত ষ্টাৰ নম্বৰপ্ৰাপ্ত শিক্ষাৰ্থীসকলক সভাত সম্বৰ্দ্ধনা জনোৱা হয়। সভাত শিক্ষয়িত্ৰী ডঃ বনদীপা গগৈৰ পৰিচালনাত ছাত্ৰ-ছাত্ৰীয়ে বৰণীয়া সাংস্কৃতিক অনুষ্ঠান প্ৰদৰ্শন কৰে। এই সভাত অৱসৰপ্ৰাপ্ত শিক্ষক হেমেন কুমাৰ শইকীয়াই,অৱসৰপ্ৰাপ্ত শিক্ষক সূৰ্য ফুকন, হেমপ্ৰভা গগৈ, বন্তিশিখা বৰা,পঞ্চায়তৰ সদস্যা গীতা বৰকটকী, পৰিচালনা সমিতিৰ উপ-সভাপতি দীপেন বৰগোহাঁই, শৈলেন দোলাকাষৰীয়া আদি উপস্থিত থাকে।

## মৰাণহাট সাহিত্য সভাৰ সপ্তদশ প্ৰতিষ্ঠা দিৱস

**দৈনিক অসমৰ প্ৰতিনিধি**

**মৰাণ, ১৯ জানুৱাৰী ঃ** অসম সাহিত্য সভাৰ অন্যতম সক্ৰিয় শাখা হিচাপে পৰিচিত মৰাণহাট স্বৰ্ণ শাখা সাহিত্য সভাৰ সপ্তদশ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস কালি দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। মৰাণ মিৰিহোলাৰ উদয়ন সংঘৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত এই কাৰ্যসূচীত সাহিত্য-সংস্কৃতিপ্ৰেমী ৰাইজৰ উল্লেখযোগ্য উপস্থিতিয়ে অনুষ্ঠানটোক অধিক অৰ্থবহ কৰি তোলে। শাখা সাহিত্য সভাৰ সভাপতি প্ৰদীপ কুমাৰ সন্দিকৈয়ে পতাকা উত্তোলন কৰে। ইয়াৰ পাছত উপ-সভানেত্ৰী নৱলতা ফুলকোঁৱৰ চেতিয়াই সাহিত্যৰ পূৰ্বসূৰিসকলৰ স্মৃতিত স্মৃতি তৰ্পণ কৰে। দিনৰ প্ৰথম পৰ্বত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত দুটা শাখাত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়। দিনৰ ১ বজাৰপৰা শাখা সভাপতি প্ৰদীপ কুমাৰ সন্দিকৈৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰে ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সভাপতি বদন গগৈয়ে। সভাত নিৰ্দিষ্ট বক্তাৰূপে অংশগ্ৰহণ কৰি মৰাণ মহিলা মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক জয়শ্ৰী ফুকনে 'ভূপেন হাজৰিকাৰ গীতত মানৱতাবাদ' শীৰ্ষক বিষয়ত সাৰগৰ্ভ আৰু বিশ্লেষণাত্মক ভাষণ প্ৰদান কৰে। তেওঁ বিশ্ববৰেণ্য শিল্পী ডঃ ভূপেন হাজৰিকাৰ শৈক্ষিক জীৱন, সংগীত সাধনা আৰু মানৱতাবাদী চিন্তাধাৰাৰ বিষয়ে বিশদভাৱে আলোকপাত কৰে। আমন্ত্ৰিত অতিথিৰূপে বক্তব্য ৰাখে ৰাজ্যিক কৃতী শিক্ষক বঁটাপ্ৰাপক শিক্ষয়িত্ৰী স্বপ্নালী গগৈ আৰু সাংবাদিক অণিমা চেতিয়াই। লগতে সভাত কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য পৰমেশ্বৰ নলবৰীয়া আৰু মৰাণ শাখা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি নীত্যেন বৰুৱায়ো নিজৰ বক্তব্যত শাখাৰ অতীত যাত্ৰা আৰু সাহিত্যিক অৱদানৰ কথা স্মৰণ কৰে। সভাৰ আৰম্ভণিতে শাখা সাহিত্য সভাৰ সদস্যাসকলে অসম সাহিত্য সভাৰ গীত পৰিৱেশন কৰে। সাংস্কৃতিক পৰ্বত কামিনী বৰপাত্ৰগোহাঁই আৰু কিৰণ্ময়ী তামাঙে গীত পৰিৱেশন কৰাৰ লগতে টুটুমণি গগৈ, চিত্ৰলেখা দিহিঙীয়া বৰগোহাঁই আৰু ৰেখা শইকীয়া চুতীয়াই কবিতা পাঠ কৰি অনুষ্ঠানটোক সৌন্দৰ্যমণ্ডিত কৰে। এই উপলক্ষে শাখা সাহিত্য সভাৰ আজীৱন সদস্যসকলক প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানৰ অন্তত চিত্ৰাংকন প্ৰতিযোগিতাৰ বিজয়ী ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বঁটা বিতৰণ কৰা হয়।

## মৰঙিত 'তোৰে মোৰে আলোকৰে যাত্ৰা' শীৰ্ষক কথা-সুৰ, কবিতাৰ অনুষ্ঠান



**দৈনিক অসমৰ প্ৰতিনিধি**

**মৰঙি, ১৯ জানুৱাৰী ঃ** গোলাঘাট জিলাৰ বৃহত্তৰ মৰঙিৰ অন্যতম স্বেচ্ছাসেৱী সংগঠন 'প্ৰগতি'ৰ উদ্যোগত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্ম দিৱসৰ লগত সংগতি ৰাখি ১৭ জানুৱাৰীৰ সন্ধিয়া কথা-সুৰ আৰু কবিতাৰ এক ব্যতিক্ৰমী অনুষ্ঠান অনুষ্ঠিত কৰে। অসমীয়া সাহিত্য সন্মিলনীৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক দীপক বৰা, 'প্ৰগতি'ৰ কৰ্মকৰ্তা ভাস্কৰ বৰুৱা আৰু নয়ন খাউণ্ডে আঁত ধৰা 'তোৰে মোৰে আলোকৰে যাত্ৰা' শীৰ্ষক অনুষ্ঠানত নুমলীগড় শোধনাগাৰৰ জ্যেষ্ঠ মুখ্য মহাপ্ৰবন্ধক তথা কবি কাজল শইকীয়া, উপ-মহাপ্ৰবন্ধক মৃণাল কুমাৰ গোস্বামী, নুমলীগড় শোধনাগাৰ শাখা সাহিত্য সভাৰ সম্পাদক প্ৰণৱজ্যোতি শইকীয়া, বিদুৰভাই খ্যাত অভিনেতা উজ্জ্বল ৰাজখোৱা, মৰঙি প্ৰেছ ক্লাবৰ সভাপতি হেমন্ত শইকীয়া, অসম গেছ কোম্পানী লিমিটেডৰ অধ্যক্ষ ধীৰেন সন্দিকৈ, সামাজিক উন্নয়ন ফ'ৰামৰ সাধাৰণ সম্পাদক ধ্ৰুৱজ্যোতি বৰা, কালিয়নী শাখা সাহিত্য সভাৰ সম্পাদক কৰবী গগৈ, ত্ৰিবেণী সংগীত কলা একাডেমীৰ অৰুণ গগৈ, ৰুণজুন গগৈকে ধৰি বহুসংখ্যক কবি আৰু সংগীত শিল্পীৰ উপস্থিতিত কবি জুৰি সন্দিকৈ, পাৰ্থপ্ৰতিম শইকীয়া, ভাৰত সন্দিকৈ, মৃণাল কুমাৰ গোস্বামী আদিয়ে কবিতা পাঠ আৰু ৰাজনীশ বৰা, মুনমী বৰা, হিমাংশু বৰুৱা , ৰাহুল বৰা, হীৰকজ্যোতি শইকীয়া, বিভা দাস, ডঃ কাজল শইকীয়াকে ধৰি বহুসংখ্যকে গীত পৰিৱেশন কৰে।

## শিক্ষক নিৰাজুদ্দিন আহমেদৰ প্ৰবন্ধ সংকলন 'দৃষ্টিপাত' উন্মোচন

**দৈনিক অসমৰ প্ৰতিনিধি**

**শিমলুগুৰি, ১৯ জানুৱাৰী ঃ** শিল্পী দিৱসৰ লগত সংগতি ৰাখি শিমলুগুৰিস্থিত মিঠাপুখুৰী মধ্য অসমীয়া বিদ্যালয়ৰ মায়াৰিনী প্ৰেক্ষাগৃহত মিঠাপুখুৰী মধ্য অসমীয়া বিদ্যালয়ৰে বিষয় শিক্ষক নিৰাজুদ্দিন আহমেদৰ 'দৃষ্টিপাত' নামৰ এখন প্ৰবন্ধ গ্ৰন্থৰ উন্মোচন কৰা হয়। গ্ৰন্থখন উন্মোচন কৰে বিশিষ্ট লেখিকা, শিক্ষয়িত্ৰী কৃষ্ণা শইকীয়াই। গ্ৰন্থ উন্মোচনী সভাত সভাপতিত্ব কৰে শিমলুগুৰি শংকৰদেৱ শিশু নিকেতনৰ প্ৰধান আচাৰ্য ৰজনী বৰগোহাঁয়ে। সভাত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে সংবাদকৰ্মী বিপিন হাজৰিকা। শিক্ষক কুমাৰ কিশোৰ বৰাই আঁত ধৰা সভাত ছাত্ৰীসকলে মণিপুৰী নৃত্য প্ৰদৰ্শন কৰে। সভাত শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, অভিভাৱককে ধৰি বহুকেইজন সাংবাদিক উপস্থিত থাকে।

সংশ্লিষ্ট বিভাগৰ অৱহেলাত স্থবিৰ কেন্দ্ৰৰ কাম-কাজ

## এৰাবাৰীত পৰিণত ফিল'বাৰী নুনিপাম-ৰেচম সূতা সংশোধন কেন্দ্ৰ



**দৈনিক অসমৰ প্ৰতিনিধি**

**ফিল'বাৰী, ১৯ জানুৱাৰী ঃ** তিনিচুকীয়া জিলাৰ ফিল'বাৰীৰ ৰবৰগুৰি সোণোৱাল গাঁৱৰ দুবিঘা মাটিকালিৰে আগুৰি থকা নুনিপাম আৰু সূতা সংশোধন কেন্দ্ৰটো অসম চৰকাৰৰ ৰেচম বিভাগৰ গুৰুত্বহীনতাৰ ফলত বৰ্তমান এৰাবাৰীত পৰিণত হৈছে। তিনিচুকীয়া জিলা ৰেচম অধীক্ষকৰ কাৰ্যালয়ৰ অধীনৰ এই পাম আৰু সূতা সংশোধন কেন্দ্ৰটো পৰিচালনাৰ বাবে বিভাগটোৱে দুজন কৰ্মচাৰী নিয়োগ কৰি ৰাখিছে যদিও বহু দিনৰপৰাই এজনো কৰ্মচাৰীক স্থানীয় ৰাইজৰ প্ৰত্যক্ষ নোহোৱাৰ অভিযোগ উঠিছে। বিগত ১৯৬৭-৬৮ চনতে অসম চৰকাৰৰ ৰেচম বিভাগে স্থাপন কৰা এই সূতা সংশোধন কেন্দ্ৰটোৰ জৰিয়তে বৃহত্তৰ ফিল'বাৰী অঞ্চলৰ মুগা, পাট আৰু এৰী পলুপালকসকল যথেষ্ট লাভান্বিত হোৱাৰ লগতে এই কেন্দ্ৰ সংলগ্ন ক্ষেত্ৰ ৰেচম প্ৰদৰ্শকৰ জৰিয়তে ৰেচম পলুৰ কণী বিতৰণকে ধৰি বিভিন্ন চৰকাৰী সুবিধাও পালকসকলে লাভ কৰিবলৈ সক্ষম হৈছিল। যাৰ ফলত ফিল'বাৰী অঞ্চলৰ থলুৱা লোকসকলৰ মাজত পৰম্পৰাগত ৰেচম পালন এক বিপ্লৱ হিচাপে গঢ় লৈ উঠিছিল। কিন্তু বিভাগটোৰ অৱহেলাসূচক মনোভাবৰ ফলত বিগত প্ৰায় পোন্ধৰতা বছৰত এই কেন্দ্ৰটো আৰু সংলগ্ন নুনি পামখনৰ প্ৰতি কোনো যত্ন নোলোৱাত ক্ৰমান্বয়ে সূতা সংশোধনৰ যন্ত্ৰপাতিসহ পকী গৃহটো নষ্ট হ'বলৈ ধৰে। সূতা সংশোধনৰ ব্যৱস্থা বন্ধ হোৱাত ৰেচম পালকসকলেও ঘৰত পলু পালন কমাই দিয়াত এই পৰম্পৰা বন্ধ হোৱাৰ পৰ্যায় উপক্ৰম হৈছে। ফিল'বাৰীৰ, বিজ্ঞানসন্মত পদ্ধতিৰে ৰেচম পালনৰ আগ্ৰহী পালকসকলে কেন্দ্ৰটোত নিযুক্ত ক্ষেত্ৰ প্ৰদৰ্শক আৰু সহকাৰীক বিভাগীয় কঠোৰ নিৰ্দেশনাৰে ৰেচম পালকৰ স্বাৰ্থ সুৰক্ষিত কৰি কৰ্মত নিমগ্ন কৰোৱাৰ ব্যৱস্থা কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষক আহ্বান জনাইছে।

আঞ্চলিক টাই আহোম ছাত্ৰ সন্থাৰ উদ্যোগ

## টিংখাঙত ৩১ জানুৱাৰীৰপৰা মে-ডাম-মে-ফি

**দৈনিক অসমৰ প্ৰতিনিধি**

**টিংখাং, ১৯ জানুৱাৰী ঃ** জিলাৰ টিংখাঙৰ ৰাইদঙীয়া প্ৰাথমিক বিদ্যালয়ৰ প্ৰাংগনত টিংখাং আঞ্চলিক টাই আহোম ছাত্ৰ সন্থাৰ উদ্যোগত ৰাইদঙীয়া প্ৰগতিমুখী যুৱক সংঘ আৰু দাঁতিকাষৰীয়া ৰাইজৰ সহযোগত ৩১ জানুৱাৰী আৰু ১ ফেব্ৰুৱাৰীত মে-ডাম-মে-ফি আৰু টিংখাং আঞ্চলিক টাই আহোম ছাত্ৰ সন্থাৰ সাধাৰণ অধিৱেশন আয়োজন কৰিছে। তদুপলক্ষে প্ৰথম দিনা পুৱা সামূহিক চাফাই অভিযান,পতাকা উত্তোলন,বন্তিপ্ৰজ্বলন,মৈদাম তৰ্পণ আৰু ডাম পূজা অনুষ্ঠিত হ'ব। দ্বিতীয় দিনা পুৱা ৯ বজাৰপৰা শিশু প্ৰতিভা বিকাশ অনুষ্ঠান আৰম্ভ হ'ব। এই অনুষ্ঠানত তৃতীয় শ্ৰেণীৰপৰা ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত কবিতা আবৃত্তি আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ইয়াৰ পাছতে প্ৰাণৰ শিল্পী জুবিন গাৰ্গ আৰু গণশিল্পী ৰাজীৱ শদিয়াৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। আবেলি ৩ বজাৰপৰা মুকলি সভা অনুষ্ঠিত হ'ব। টিংখাং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ অশোক গগৈয়ে উদ্বোধন কৰিবলগীয়া মুকলি সভাত নাহৰকটীয়া সমষ্টিৰ বিধায়ক তৰংগ গগৈৰ লগতে সদৌ টাই আহোম ছাত্ৰ সন্থাৰ নেতৃবৰ্গই অংশগ্ৰহণ কৰিব। নিশা অনুষ্ঠিত হ'ব সাংস্কৃতিক অনুষ্ঠান।

## দুলীয়াজানত 'মে-ডাম-মে-ফী'

**দৈনিক অসমৰ প্ৰতিনিধি**

**দুলীয়াজান, ১৯ জানুৱাৰী ঃ** টাইপাৰ দুলীয়াজান আঞ্চলিক সমিতিয়ে ভাদৈ আঞ্চলিক সমিতি আৰু বৃহত্তৰ দুলীয়াজানবাসী ৰাইজৰ সহযোগত অহা ৩১ জানুৱাৰীত দুলীয়াজান বিহুতলীত মে-ডাম-মে-ফী' অনুষ্ঠিত হ'ব। তদুপলক্ষত ২৫ জানুৱাৰীত দুলীয়াজান পূব জালনী প্ৰাথমিক বিদ্যালয়ত চিত্ৰাংকন আৰু ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। 'বৰ অসম গঢ়োতা চাওলুং চুকাফা, লাচিত বৰফুকন আৰু 'মে-ডাম-মে-ফী' শীৰ্ষক বিষয়ৰ যিকোনো এটা বিষয়ত নবম শ্ৰেণীৰ পৰা স্নাতক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীয়ে ৰচনা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব পাৰিব। আনহাতে, ৩১ জানুৱাৰীৰ পুৱা মে-ডাম-মে-ফীৰ পতাকা উত্তোলন কৰিব উদ্‌যাপন সমিতিৰ সভাপতি মঞ্জিত গগৈয়ে আৰু টাই আহোম যুৱ পৰিষদ, অসমৰ পতাকা উত্তোলন কৰিব টাইপাৰ দুলীয়াজান আঞ্চলিক সমিতি আৰু ভাদৈ আঞ্চলিক সমিতিৰ সভাপতিয়ে। ইয়াৰ পাছতে মে-ডাম তৰ্পণ কৰিব টাইপাৰ কেন্দ্ৰীয় সমিতিৰ মুখপাত্ৰ মানস প্ৰতিম গগৈ, উদ্‌যাপন সমিতিৰ সম্পাদক কুঞ্জন কোঁৱৰ, টাইপাৰ দুলীয়াজান আঞ্চলিক সমিতিৰ যুটীয়া সম্পাদক মানসজ্যোতি গগৈ আৰু ভাদৈ আঞ্চলিক সমিতিৰ ভাৰপ্ৰাপ্ত সম্পাদক দুৰ্লভ গগৈয়ে।

মাজুলীত শিল্পী দিৱসৰ অনুষ্ঠানত সংগীত নাটক অকাডেমি বঁটাপ্ৰাপক কৰুণা বৰা

## জ্যোতিপ্ৰসাদৰ চিন্তা-চেতনাত গুৰুজনাৰ দৰ্শন সম্পৃক্ত হৈ আছিল

**দৈনিক অসমৰ প্ৰতিনিধি**

**মাজুলী, ১৯ জানুৱাৰী ঃ** মহাপুৰুষ শংকৰদেৱৰ অৱদানক প্ৰাধান্য দি ৰূপকোৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই অসমীয়া কলা-সংস্কৃতি বিকাশত আত্মনিয়োগ কৰিছিল। তেওঁৰ নিজৰ মাজতে কলা-সংস্কৃতি, সাহিত্য চৰ্চাৰ এখন বিশাল ক্ষেত্ৰ আছিল আৰু সেই ক্ষেত্ৰখনৰ মাজেদিয়েই 'জয়মতী' চলচ্চিত্ৰৰে অসমীয়া ছবিৰ দুৱাৰ মুকলি কৰিছিল। তেওঁৰ চিন্তা-চেতনাত গুৰুজনাৰ দৰ্শন সম্পৃক্ত হৈ আছিল। মাজুলী জিলা সাহিত্য সভাৰ কমলাবাৰী ৰামধনু শতদল শাখা আৰু কমলাবাৰী একাডেমী বিদ্যালয়ৰ সহযোগত ১৭ জানুৱাৰীত আয়োজিত শিল্পী দিৱসৰ কাৰ্যসূচীত এইদৰে কয় সংগীত নাটক অকাডেমি বঁটাপ্ৰাপক কৰুণা বৰাই। সেইদিনা পুৱা ৮.৩০ বজাত পৰিৱেশ নিকাকৰণ, ৯ বজাত পতাকা উত্তোলন কৰে ৰামধনু শাখা সাহিত্য সভাৰ সভাপতি ডিম্বেশ্বৰ দত্তই। জ্যোতিপ্ৰসাদৰ প্ৰতিকৃতিত স্মৃতি তৰ্পণ কৰে মাজুলী জিলা সাহিত্য সভাৰ উপ- সভাপতি খগেন হাজৰিকা আৰু ৰামধনু শাখা সাহিত্য সভাৰ উপ-সভাপতি অমিয়াদেৱী বৰঠাকুৰে। ১০ বজাৰপৰা অসম সাহিত্য সভাৰ শীৰ্ষ গীত 'চিৰ চেনেহী মোৰ ভাষা জননী' গীতেৰে আৰম্ভ কৰা মুকলি সভাত সভাপতিত্ব কৰে জিলা সাহিত্য সভাৰ সভাপতি প্ৰফুল্ল কুমাৰ বৰুৱাই। কমলাবাৰী একাডেমীৰ প্ৰধান শিক্ষয়িত্ৰী গীতাঞ্জলি বৰাই উদ্বোধন কৰা সভাত দুগৰাকী প্ৰবীণ শিল্পী বসন্ত মিলি আৰু আকাশবাণীৰ শিল্পী অণিমা শইকীয়া হাজৰিকাক সম্বৰ্দ্ধনা জনোৱা হয়। জিলা সাহিত্য সভাৰ সম্পাদক সঞ্জীৱ বৰা আৰু ৰামধনু শতদল শাখা সাহিত্য সভাৰ সম্পাদক সমীৰণ গোস্বামীয়ে আঁত ধৰা অনুষ্ঠানটিত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে মাজুলী জিলা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি প্ৰভাত বৰা বুঢ়াভকত, অসম সাহিত্য সভাৰ সাংগঠনিক সম্পাদক ৰামসাগৰ নাথ, ৰাজ্যিক কাৰ্যনিবাহক মনোজ্যোতি ৰেগনে বক্তব্য ৰাখে। অনুষ্ঠানটিত শিশু শিল্পী জৰ্জিনা মহন্তৰ নৃত্য আৰু কৰিণা হাজৰিকাৰ জ্যোতি সংগীত, কৌশল্যা বায়ন, ৰুবী শইকীয়া, লাখি গামৰ কবিতা আবৃত্তিয়ে সকলোকে আপ্লুত কৰে।



## এ আই ইউ ডি এফত যোগদান কৰি প্ৰাক্তন বিধায়ক আব্দুল আজিজৰ ঘোষণা

# চামগুৰি সমষ্টিত বেলি মাৰ যাব কংগ্ৰেছৰ



**দৈনিক অসমৰ প্ৰতিনিধি**

**পুৰণিগুদাম, ১৯ জানুৱাৰী ঃ** আগন্তুক বিধানসভা নিৰ্বাচনৰ দিন যিমানেই চমু চাপি আহিছে সিমানেই তৎপৰতা আৰম্ভ কৰিছে প্ৰতিটো ৰাজনৈতিক দলে। কালি নগাঁও জিলাৰ চামগুৰি সমষ্টিৰ হাতীপুখুৰীত এআইইউডিএফ দলৰ এক বিশাল যোগদান সভা অনুষ্ঠিত হয়। পাঁচ সহস্ৰাধিক লোকৰ উপস্থিতিত অনুষ্ঠিত সভাত এসময়ৰ সংখ্যালঘু ছাত্ৰ নেতা তথা প্ৰাক্তন বিধায়ক আব্দুল আজিজে আনুষ্ঠানিকভাৱে এআইইউডিএফ দলত যোগদান কৰে। উক্ত যোগদান সভাত উপস্থিত থাকে ধিং সমষ্টিৰ বিধায়ক আমিনুল ইছলাম, এআইইউডিএফ দলৰ নেতা মতিউৰ ৰহমান আৰু মহিলা নেত্ৰী আশা বেগম। এআইইউডিএফ দলত যোগদান কৰিয়েই প্ৰাক্তন বিধায়ক আব্দুল আজিজে চামগুৰিত কংগ্ৰেছৰ পৰিয়ালকেন্দ্ৰিক ৰাজনীতিৰ ক্ষুৰধাৰ সমালোচনা কৰে। তেওঁ কয় যে এইবাৰ চামগুৰি সমষ্টিত আছে ৯২ শতাংশ সংখ্যালঘু ভোটাৰ। এই ৯২ শতাংশ সংখ্যালঘু ভোটাৰে এইবাৰ চামগুৰিৰ প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব। আব্দুল আজিজে এআইইউডিএফ দলত যোগদান কৰাত শংকিত হৈ পৰিছে কংগ্ৰেছ দল। যোৱা লোকসভা নিৰ্বাচনত আজমলে পৰাজয়ৰ পোটক তুলিবলৈ চামগুৰিত এজন শক্তিশালী প্ৰাৰ্থীৰ সন্ধানত আছিল। আজমলে ধুবুৰীৰ লোকসভা নিৰ্বাচনৰ পোটক তুলিবলৈ চামগুৰিত এআইইউডিএফ প্ৰাৰ্থী হিচাপে আব্দুল আজিজক প্ৰক্ষেপ কৰিব বুলি যোগদান সভাৰ পৰা এক ইংগিত পোৱা গৈছে। চামগুৰিত আব্দুল আজিজ সংখ্যালঘু ছাত্ৰ নেতা হৈ থকাৰ পৰাই আছে কিছু জনপ্ৰিয়তা। আব্দুল আজিজে যোৱা ছটা মাহ ধৰি চামগুৰি সমষ্টিৰ চুকে-কোণে প্ৰতিটো দিন ৰাইজৰ লগত মত বিনিময়ত ব্যস্ত থকা দেখিবলৈ পোৱা গৈছিল। চামগুৰি সমষ্টিত যদি আজমলে আব্দুল আজিজক এআইইউডিএফ দলৰ প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰে তেনেহ'লে চামগুৰিৰপৰা কংগ্ৰেছৰ পৰিয়ালকেন্দ্ৰীক ৰাজনীতিৰ বিদায় নিশ্চিত বুলিও এআইইউডিএফৰ একাংশ নেতাই মন্তব্য কৰিছে।

## নিকাছিৰ বিশিষ্ট সমাজকৰ্মী মিত্ৰ ভাণ্ডাৰীৰ দেহাৱসান

**দৈনিক অসমৰ প্ৰতিনিধি**

**মুছলপুৰ, ১৯ জানুৱাৰী ঃ** বাক্‌সা জিলাৰ নিকাছি অঞ্চলৰ বিশিষ্ট সমাজকৰ্মী তথা বাক্‌সা জিলা গোৰ্খা ছাত্ৰ সন্থাৰ প্ৰাক্তন কাৰ্যালয় সম্পাদক মিত্ৰ ভাণ্ডাৰীৰ (৪১) কালি দেহাৱসান ঘটে। নিকাছিৰ ধনশ্ৰীপুৰ নিৱাসী দীননাথ ভাণ্ডাৰী আৰু টিকা ভাণ্ডাৰীৰ পুত্ৰ মিত্ৰ ভাণ্ডাৰীয়ে ২০০১ চনৰপৰা সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ উত্তৰ বাক্‌সা শাখা, বাক্‌সা আঞ্চলিক সমিতিৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক, অবিভক্ত বাক্‌সা জিলাৰ কাৰ্যালয় সম্পাদকৰ দায়িত্বত থাকি সংগঠনৰ বিভিন্ন কাম-কাজ কৰাৰ লগতে গোৰ্খা জাতি তথা সমাজৰ উন্নতিৰ হকে কাম কৰি আহিছিল। উল্লেখ্য যে মিত্ৰ ভাণ্ডাৰীয়ে বিগত বৰ্ষৰপৰা দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ শয্যাশায়ী হৈ আছিল। ভাণ্ডাৰীৰ মৃত্যুত অসম গোৰ্খা সন্মিলন, সদৌ অসম গোৰ্খা ছাত্ৰ সন্থা, অসম নেপালী সাহিত্য সভাই গভীৰ শোক প্ৰকাশ কৰে। মৃত্যুৰ সময়ত ভাণ্ডাৰীয়ে পিতৃ-মাতৃ, পত্নী, দুগৰাকী পুত্ৰ আৰু এগৰাকী কন্যা সন্তানক এৰি থৈ যায়।

## পাকাবেতবাৰীত অগপৰ বুথ সন্মিলন সম্পন্ন

# দলক নতুন উদ্যমেৰে আগবঢ়াই নিয়াৰ সংকল্প




**দৈনিক অসমৰ প্ৰতিনিধি**

**বৰপেটা, ১৯ জানুৱাৰী ঃ** নতুন চিন্তা, নতুন ধাৰণা, নতুন সংকল্প আৰু নতুন উদ্যমেৰে আগবাঢ়িছে অগপ। বিগত চাৰিটা দশকধৰি অসমত আঞ্চলিকতাবাদৰ অটল স্তম্ভ হিচাপে পৰিগণিত হৈ অহা অসম গণ পৰিষদ দলৰ অন্যতম চালিকাশক্তি হৈছে বুথ আৰু আঞ্চলিক সমিতিসমূহ। এই উদ্দেশ্যে প্ৰতিটো সাংগঠনিক স্তৰত অনুষ্ঠিত সমিতিসমূহৰ সন্মিলনে কৰ্মকৰ্তাসকলৰ উদ্যম আৰু মনোবল বৃদ্ধিৰ সমান্তৰালভাৱে জনসংযোগ তীব্ৰতৰ কৰাৰ ক্ষেত্ৰত অৰিহণা যোগাইছে। ১৭ জানুৱাৰীত অগপৰ নতুন উদ্যমেৰে উজ্জীৱিত কৰি তোলাৰ লক্ষ্যৰে বিভিন্ন বিষয়ত আলোচনাৰ বাবে আৰু বৰপেটা জিলাৰ অন্তৰ্গত ২৫নং পাকাবেতবাৰী বিধানসভা সমষ্টিৰ উদ্যোগত কালঝাৰত এখন বুথ সন্মিলন অনুষ্ঠিত হৈ যায়। উক্ত সন্মিলনত অগপৰ তত্ত্বাৱধায়ক, কেন্দ্ৰীয় উ-সভাপতি তথা সৰুক্ষেত্ৰী সমষ্টিৰ প্ৰাক্তন বিধায়ক ডাঃ তাৰাপ্ৰসাদ দাস, বৰপেটা জিলা অসম গণ পৰিষদৰ সভাপতি তথা বৰপেটা সমষ্টিৰ প্ৰাক্তন বিধায়ক গুণীন্দ্ৰ দাস, বৰপেটা জিলা যুৱ পৰিষদৰ সভাপতি অঞ্জন দেউৰী আৰু অসম গণ পৰিষদৰ ২৫নং পাকাবেতবাৰী বিধানসভা সমষ্টি সমিতিৰ সভাপতি তাইজুদ্দিন আহমেদকে ধৰি কেইবাগৰাকী দলীয় নেতৃবৃন্দই উপস্থিত থাকি আগন্তুক অসম বিধানসভা নিৰ্বাচনক উদ্দেশ্যি কাৰ্যকৰ্তাসকলক সক্ৰিয়তাৰে দলৰ কাম-কাজ কৰি যাবলৈ আহ্বান জনায়। সভাত সমষ্টি সমিতিৰ সভাপতি, সাধাৰণ সম্পাদক তথা ভাতৃ-ভগ্নী সংগঠনৰ সভাপতি আৰু কাৰ্যকৰী সভাপতিসকলেও অংশগ্ৰহণ কৰে। ইপিনে, ভক্তৰডবাস্থিত হৰেন্দ্ৰ-চিত্ৰা কনিষ্ঠ মহাবিদ্যালয় (ছিনিয়ৰ ছেকেণ্ডাৰী)ৰ ৩৩সংখ্যক মহাবিদ্যালয় সপ্তাহ আৰু বঁটা বিতৰণী সভাত সৰুক্ষেত্ৰী সমষ্টিৰ প্ৰাক্তন বিধায়ক ডাঃ তাৰাপ্ৰসাদ দাসে অংশগ্ৰহণ কৰি শিক্ষামূলক ভাষণ প্ৰদান কৰে।

# সৰুপেটাত হাতে লেখা আলোচনী 'মুকুতা' উন্মোচন

### 'নিজ হাতেৰে লেখা সংকলিত ৰূপত সংৰক্ষণৰ প্ৰচেষ্টা নিতান্তই আদৰণীয়'

**দৈনিক অসমৰ প্ৰতিনিধি**

**সৰুপেটা, ১৯ জানুৱাৰী ঃ** 'নিজৰ হাতেৰে লেখা একো একোটা লিখনি সংকলিত ৰূপত সংৰক্ষণৰ প্ৰচেষ্টা অকল ব্যতিক্ৰমীয়েই নহয়, আদৰণীয়ও'। ১৭ জানুৱাৰী সৰুপেটা সাহিত্য সভা ভৱনত 'ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ সোঁৱৰণ'ত সৰুপেটা শতদল শাখা সাহিত্য সভাৰ উদ্যোগত অনুষ্ঠিত 'শিল্পী দিৱস'ৰ অনুষ্ঠানত সৰুপেটা শাখা সাহিত্য সভাৰে বিভিন্ন সময়ত জড়িত বিভিন্নগৰাকী ব্যক্তিৰ নিজৰ হাতেৰে লেখা 'মুকুতা' শীৰ্ষক আলোচনী এখন উন্মোচন কৰি বৰপেটা জিলা সাহিত্য সভাৰ সম্পাদক প্ৰদীপ কুমাৰ দাসে এই মন্তব্য কৰে। সৰুপেটা শতদল সাহিত্য সভাৰ যোগেন বৰ্মনৰ সভাপতিত্বত আৰু সম্পাদক চম্পক কুমাৰ দাসে আঁত ধৰা সভাত বৰপেটা জিলা সাহিত্য সভাৰ সম্পাদকগৰাকীয়ে সৰুপেটা শতদল সাহিত্য সভাৰ এনে কাৰ্যৰ ভূয়সী প্ৰশংসা কৰাৰ লগতে এনে প্ৰচেষ্টা অব্যাহত থকাৰো তেওঁ কামনা কৰে। উল্লেখযোগ্য যে সেইদিনা দিনৰ ১০ বজাত সৰুপেটা জিলা পৰিষদৰ সদস্য অৰবিন্দ বৰ্মনে জ্যোতিপ্ৰসাদৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলনৰ জৰিয়তে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰাণকৃষ্ণ তালুকদাৰে স্মৃতি তৰ্পণ কাৰ্যসূচী মুকলি কৰে। ইয়াৰ পিছতেই জ্যোতিপ্ৰসাদ আগৰৱালাৰ জীৱন দৰ্শনৰ ওপৰত প্ৰবীণ সঙ্গীত শিল্পী হৰেকৃষ্ণ তালুকদাৰ আৰু সদস্য বিৰিঞ্চি কলিতাই চমুকৈ আলোকপাত কৰে। অনুষ্ঠানত দীপজ্যোতি বৈশ্য, ৰুমি বৈশ্য আৰু গীতুমণি দাসে জ্যোতিপ্ৰসাদ আগৰৱালা ৰচিত কবিতা আবৃত্তি কৰে।



## অসম জ্যেষ্ঠ নাগৰিক সন্মিলন

# হোজাইত ২৪ জানুৱাৰীত মধ্যকালীন অধিৱেশন

**দৈনিক অসমৰ প্ৰতিনিধি**

**হোজাই, ১৯ জানুৱাৰী ঃ** হোজাইত অনুষ্ঠিত হ'ব অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ একাদশ বাৰ্ষিক মধ্যকালীন অধিৱেশন। হোজাইৰ সাহিত্যৰথী বেজবৰুৱা ভৱনত ২৪ জানুৱাৰীত দিনজোৱা কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগীয়া অধিবেশনত ৩০খন জিলাৰ পৰা ১০০০তকৈ অধিক প্ৰতিনিধিয়ে কৰিব অংশগ্ৰহণ। লগতে অধিবেশনৰ মুকলি সভাত মন্ত্ৰী পীযূষ হাজৰিকা, তুলিৰাম ৰংহাং, সাংসদ কামাখ্যা প্ৰসাদ তাছা, জ্যেষ্ঠ নাগৰিক কল্যাণ পৰিষদৰ অধ্যক্ষ প্ৰদীপ ঠাকুৰীয়াসহ হোজাই আৰু লামডিঙৰ বিধায়ক থাকিব উপস্থিত। লগতে উক্ত অধিৱেশনত হোজাই জিলাৰ ৫০ উৰ্দ্ধৰ নাগৰিকসকলক বিনামূলীয়া চিকিৎসা আৰু ঔষদ প্ৰদান কৰা হ'ব বুলিও ব্যক্ত কৰিছে সভাপতি কৃষ্ণ কুমাৰ শৰ্মা আৰু সাধাৰণ সম্পাদক আদৰণী সমিতিৰ অনুপ কুমাৰ বৰঠাকুৰে।

## লেখিকা সমাৰোহ সমিতিৰ সুৰভি আলোচনাচক্ৰৰ উদ্যোগ

# মৰিগাঁৱৰ 'চাৰণবিলৰ পাৰত কবিতাৰ ঝংকাৰ', ৪গৰাকী লেখিকাক 'সাহিত্যৰত্ন'



**দৈনিক অসমৰ প্ৰতিনিধি**

**ভূৰবন্ধা, ১৯ জানুৱাৰী ঃ** সদৌ অসম লেখিকা সমাৰোহ সমিতি, মৰিগাঁও শাখাৰ সাহিত্য সুৰভি আলোচনাচক্ৰৰ এই মাহৰ বৈঠকখন কালি মৰিগাঁও জিলাৰ ঔজাৰীস্থিত ঐতিহ্যমণ্ডিত চাৰণ বিলৰ পাৰত এক নৈসৰ্গিক পৰিৱেশত অনুষ্ঠিত হয়। 'চাৰণ বিলৰ পাৰত কবিতাৰ ঝংকাৰ' শিৰোনামেৰে অনুষ্ঠিত সাহিত্য সুৰভি আলোচনাচক্ৰৰ বৈঠকখনৰ সঞ্চালনা কৰে প্ৰাক্তন বিধায়ক, বিশিষ্ট কবি হৰেন্দ্ৰ বৰাই। মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সভাপতি, জ্যেষ্ঠ সাংবাদিক অজিত শৰ্মাই উদ্বোধন কৰা অনুষ্ঠানটোৰ আঁত ধৰে সাহিত্য সুৰভি আলোচনাচক্ৰৰ সম্পাদিকা পলী মজুমদাৰে। ডেৰকুৰিৰো অধিক নবীন-প্ৰবীণ কবি-সাহিত্যিকে কবিতা আৰু লেখা পাঠ কৰা মনোজ্ঞ অনুষ্ঠানটোত চাৰিগৰাকী শিল্পীয়ে গীত পৰিৱেশন কৰি অনুষ্ঠানটো জীপাল কৰি তোলে। অনুষ্ঠানত পঠিত লেখা সন্দৰ্ভত পৰ্যালোচনা আগবঢ়ায় অৱসৰপ্ৰাপ্ত অধ্যাপক, জ্যেষ্ঠ সাংবাদিক মহেন্দ্ৰনাথ হাজৰিকাই। অনুষ্ঠানটোত লেখিকা সমাৰোহৰ মৰিগাঁও জিলা শাখাৰ সভাপতি ৰীণা ডেকা, মৰিগাঁও শতদল শাখা সাহিত্য সভাৰ সভাপতি পোনা দেৱী মহন্ত, সম্পাদক ৰোহিণী কুমাৰ হাজৰিকা, কবি, লেখক থানেশ্বৰ ডেকা, দেৱেন নাথ, বুবুল কাকতি, ৰাতুল শৰ্মা প্ৰমুখ্যে বহুকেইজন বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানতে সদৌ অসম লেখিকা সমাৰোহ সমিতিয়ে মৰিগাঁও শাখাৰ চাৰিগৰাকী সদস্যালৈ আগবঢ়োৱা 'সাহিত্যৰত্ন' উপাধিৰ মানপত্ৰ, স্মাৰক আৰু অংগ বস্ত্ৰ প্ৰদান কৰা হয়। সাহিত্যৰত্ন উপাধি লাভ কৰা সন্মানীয় সদস্যাকেইগৰাকী হ'ল ক্ৰমে পুষ্পলতা বুঢ়াগোহাঁই, মীৰা বৰা, নিৰুপমা মহন্ত আৰু ৰীণা শৰ্মা।



## চান্দৰডিঙা পাহাৰত সাংবাদিকৰ প্ৰীতি সন্মিলন

# জাফাৰ ধুবুৰী জিলা সমিতি গঠন

**দৈনিক অসমৰ প্ৰতিনিধি**

**চাপৰ, ১৯ জানুৱাৰী ঃ** চাপৰ মাল্টি-মিডিয়া প্ৰেছ ক্লাব আৰু বিলাসীপাৰাৰ একাংশ সাংবাদিকৰ যৌথ উদ্যোগত কালি ঐতিহ্যমণ্ডিত চান্দৰডিঙা পাহাৰত এখন প্ৰীতি সন্মিলন অনুষ্ঠিত কৰা হয়। প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰা পাহাৰীয়া পৰিৱেশত অনুষ্ঠিত এই কাৰ্যসূচীয়ে সাংবাদিক সমাজৰ মাজত একতা, সম্প্ৰীতি আৰু সৌহাৰ্দৰ এক সুন্দৰ পৰিৱেশ সৃষ্টি কৰিছে। দৈনন্দিন পেছাগত ব্যস্ততাৰ মাজতো কিছু সময় উলিয়াই সাংবাদিকসকলে এই মিলনমেলাত অংশগ্ৰহণ কৰে। প্ৰীতি সন্মিলনত প্ৰীতি ভোজৰ অংশ হিচাপে সাংবাদিকসকলেই একেলগে ৰন্ধা-বঢ়াৰ ব্যৱস্থা কৰে। এই কাৰ্যসূচীৰ গুৰুত্বপূৰ্ণ দিশ হিচাপে জাফাৰ ধুবুৰী জিলা সমিতি আনুষ্ঠানিকভাৱে গঠন কৰা হয়। গণ অধিকাৰ কাকতৰ চাপৰৰ সাংবাদিক আৰিফুল হুছেইনৰ সভাপতিত্ব এখন সভা অনুষ্ঠিত হয়। জাফাৰ কেন্দ্ৰীয় সমিতিৰ প্ৰচাৰ সম্পাদক হীৰক জ্যোতি মেধিৰ উপস্থিতিত সভাত উদয়াদিত্য ৰায়ক সভাপতি আৰু আমিনুল ইছলামক সম্পাদক হিচাপে লৈ ধুবুৰী জিলা সমিতিখন গঠন কৰে। এই অনুষ্ঠানত সাংবাদিকসকলে গীত গাই, নৃত্য কৰি আৰু হাস্যৰসৰে ভৰা আলাপ-আলোচনাৰে আনন্দঘন মুহূৰ্ত উপভোগ কৰে। সমগ্ৰ পৰিৱেশটো উৎসৱমুখৰ হৈ উঠে।

# ওৰাঙত কৃত্ৰিম প্ৰজনন সম্পৰ্কীয় সজাগতা অনুষ্ঠান সম্পন্ন



**দৈনিক অসমৰ প্ৰতিনিধি**

**ঢেকিয়াজুলি/ওৰাং, ১৯ জানুৱাৰী ঃ** কালি দিনৰ ১০ বজাত ওৰাং ৰাজ্যিক পশু চিকিৎসালয়ৰ অন্তৰ্গত পশ্চিম চমুৱা গাঁৱত ৰাষ্ট্ৰীয় গকুল মিছন (RGM)ৰ সৌজন্যত অসম পশুধন উন্নয়ন অভিকৰণ (ALDA)ৰদ্বাৰা পৰিচালিত কৃত্ৰিম প্ৰজনন সম্পৰ্কীয় এক সজাগতা সভা অনুষ্ঠিত হয়। ওৰাং ভি চি ডি চিৰ সদস্য নগেন মাহাতুৰ সভাপতিত্বত অনুষ্ঠিত সভাত উদ্দেশ্য ব্যাখ্যা কৰে ওৰাং ৰাজ্যিক পশু চিকিৎসালয়ৰ পশু চিকিৎসা বিষয়া ডাঃ ভূপেন কুমাৰ শৰ্মাই। কৃত্ৰিম প্ৰজননৰ বহুলভাৱে প্ৰচাৰৰ বাবে তথা সজাগতা বৃদ্ধিৰ বাবে তেওঁ বক্তৃতা ৰাখে। এই ছেগতে তেওঁ পশুপালন বিভাগৰদ্বাৰা পৰিচালিত কেন্দ্ৰীয় চৰকাৰৰ লগতে ৰাজ্য চৰকাৰৰ অধীনত চলি থকা বিভিন্ন আঁচনিসমূহৰ বিষয়ে ৰাইজক অৱগত কৰে। উক্ত অনুষ্ঠানত KABIL N.G.O ৰ Team Leader থমাছ বসুমতাৰী আৰু Community Mobilizer পংকজ মাহাতুৰে ৰাইজক উদ্দেশ্যি এক বিশেষ বক্তৃতা ৰাখে। অনুষ্ঠানত পশ্চিম চমুৱা গাঁৱৰ প্ৰায় দুশ পশুধনক বিনামূলীয়া চিকিৎসা প্ৰদান কৰা হয় আৰু পেলুৰ দৰৱ প্ৰদান কৰা হয়। অনুষ্ঠানত চমুৱা গাঁৱৰ পশু সখী ৰেৱতী ৰাভাৰ লগতে ওৰাং ৰাজ্যিক পশু চিকিৎসালয়ৰ ক্ষেত্ৰ সহায়কদ্বয় নেলছন বসুমতাৰী আৰু ফাৰহানা য়াচমিনে সক্ৰিয় ভূমিকা পালন কৰে। অনুষ্ঠানটোত ৰাইজৰ সঁহাৰি প্ৰশংসনীয় বুলি উদ্যোক্তাসকলে সংবাদ মাধ্যমক জানিবলৈ দিছে।

## ২৭ জানুৱাৰীত উদ্‌যাপন হ'ব বড়ো শান্তি চুক্তি বৰ্ষ ঃ হাগ্ৰামা

# কোকৰাঝাৰত হাস্পতাল-ৰিছাৰ্চ চেণ্টাৰ উদ্বোধন

**দৈনিক অসমৰ প্ৰতিনিধি**

**কোকৰাঝাৰ, ১৯ জানুৱাৰী ঃ** কোকৰাঝাৰ চহৰৰ পাখ্ৰিগুৰিত কালি 'নীলাচল' নামকৰণৰ এটি ব্যক্তিগতখণ্ডৰ হস্পিতাল আৰু ৰিছাৰ্চ কেন্দ্ৰ মুকলি হয়। তদুপলক্ষে কালি অত্যাধুনিক চিকিৎসাৰ সা-সুবিধা উপলব্ধ হাস্পতালখন আনুষ্ঠানিক উদ্বোধন কৰে বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীয়ে। তেওঁ বিটিচিৰ সদৰ কোকৰাঝাৰত দীৰ্ঘদিনৰপৰা এনে ধৰণৰ অত্যাধুনিক চিকিৎসালয় এখনৰ প্ৰয়োজনীয়তা আছিল আৰু চিকিৎসালয়খনৰ স্বত্বাধিকাৰী ডাঃ এছ চি ৰাভা আৰু তেওঁৰ পৰিয়ালৰ আশাশুধীয়া প্ৰচেষ্টাত নিৰ্মিত হস্পিতালখনে তেওঁৰ বহু দিনীয়া সপোনক সাকাৰ কৰি তোলা বুলি কয়। হাগ্ৰামা মহিলাৰীয়ে হাস্পতালখন ব্যক্তিগতখণ্ডৰ যদিও ৰোগীসকলে উন্নতমানৰ চিকিৎসা সেৱা লাভ কৰিব বুলি আশা প্ৰকাশ কৰে। ইপিনে হাস্পতাল উদ্বোধন কৰি হাগ্ৰামা মহিলাৰীয়ে সংবাদ মহলৰ আগত গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত যোৱা কালি 'বাগুৰুম্বা' নৃত্য প্ৰদৰ্শনৰ ঐতিহাসিক ক্ষণৰ সাক্ষী হ'বলৈ পাই নিজকে আনন্দিত হোৱাৰ গৌৰৱ অনুভৱ ব্যক্ত কৰে। সংবাদমহলৰ আগত হাগ্ৰামা মহিলাৰীয়ে অহা ২৭ জানুৱাৰীত বড়ো শান্তি চুক্তি উদ্‌যাপন কৰিব বুলি সদৰি কৰি কয়— 'তেওঁ প্ৰমোদ বড়োৰ নিচিনা নহয়।' ২০২০ চনৰ ২৭ জানুৱাৰীৰ বড়ো শান্তি চুক্তি দিৱস বৰ্ষক বিটিচিয়ে পালন কৰিব। প্ৰমোদ বড়োই ১০ ফেব্ৰুৱাৰীৰ বিটিচি চুক্তিক পালন নকৰে। নীলাচল হাস্পতাল উদ্বোধনী অনুষ্ঠানত বিটিচিৰ পাৰিষদ ধনেশ্বৰ গয়াৰী আৰু স্থানীয় বিধায়ক লৰেঞ্চ ইছলাৰী আৰু বিটিচিৰ স্বাস্থ্য বিষয়া, চিকিৎসকসকলো উপস্থিত আছিল।

# কপিলী শতদল সাহিত্য সভাৰ মঞ্চত শিল্পী দিৱস

**দৈনিক অসমৰ প্ৰতিনিধি**

**বজালী, ১৯ জানুৱাৰী ঃ** বজালীৰ পূব পিপলা গাঁৱৰ বৰবৰীৰ ৰাসমন্দিৰ প্ৰাংগনৰ কপিলী শতদল শাখা সাহিত্য সভাৰ স্থায়ী কাৰ্যালয়ত ১৭ জানুৱাৰীত শিল্পী দিৱস কপিলী শতদল শাখা সাহিত্য সভাৰ উদ্যোগত অনুষ্ঠুপীয়াকৈ উদ্‌যাপন কৰা হয়। তদুপলক্ষে অনুষ্ঠানৰ কাৰ্যসূচী পতাকা উত্তোলনেৰে শুভাৰম্ভ কৰা হয়। পতাকা উত্তোলন কৰে কপিলী শতদল শাখা সাহিত্য সভাৰ সভাপতি চাহদাৎ আলী আহমেদে। ইয়াৰ পাছত স্মৃতি তৰ্পণ কৰে মহেন্দ্ৰ কলিতা প্ৰমুখ্যে কপিলী শতদল শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতিত্ৰয় আৰু আজীৱন সভ্যসকলে। স্মৃতি তৰ্পণ কাৰ্যসূচীৰ সামৰণিৰ পাছত সাহিত্য-সংস্কৃতিৰ বিষয়ে এখন আলোচনাচক্ৰ অনুষ্ঠিত হয়। আলোচনাচক্ৰত প্ৰাক্তন সভাপতি মন্মথ চন্দ্ৰ ডেকা, ফণীধৰ ডেকা, অক্ষয় ডেকা প্ৰমুখ্যে মহেন্দ্ৰ কলিতা আৰু অসম সাহিত্য সভাৰ সভ্যসকলে অংশ লয়। শিল্পী দিৱসৰ সমূহ কাৰ্যসূচীৰ আঁত ধৰে কপিলী শতদল শাখা সাহিত্য সভাৰ সম্পাদক হেমেন ডেকাই।

# মানকাচৰত 'ছিয়া ছীড'ৰ খেতিৰে সেউজ বিপ্লৱৰ সূচনাৰ আশা কৃষকৰ



**দৈনিক অসমৰ প্ৰতিনিধি**

**ধৰ্মশালা, ১৯ জানুৱাৰী ঃ** দক্ষিণ শালমাৰা-মানকাচৰ জিলাত কৃষিক্ষেত্ৰত এক নতুন দিগন্তৰ সূচনা কৰি এজন কৃষকে 'ছীয়া ছীড'ৰ খেতিৰে সেউজ বিপ্লৱ গঢ়াৰ প্ৰয়াস অব্যাহত ৰাখিছে। স্মৰ্তব্য যে জিলাখনত বছৰ বছৰ ধৰি গতানুগতিকতাৰেই এইখিনি জাৰকালিৰ শস্য হিচাপে সৰিয়হ খেতি কৰিয়েই নিৰ্ভৰশীল হৈ আহিছে ইয়াৰ কৃষিজীৱী পৰিয়ালে। কিন্তু এইবাৰ এক নতুন উদ্ভাৱনী চিন্তাৰ সন্ধান পাই ছিয়া ছিড (Sea Seeds) খেতি কৰি কৃষি বিপ্লৱ গঢ়াৰ দিশে অগ্ৰসৰ হৈছে এজন কৃষক। 'হাটশিঙিমাৰী ফাৰ্মাৰ প্ৰ'ডিউচাৰ কোম্পানী' চমুকৈ এফ পি চিৰ উদ্যোগত মানকাচৰত প্ৰথমবাৰৰ বাবে আৰম্ভ কৰা হৈছে এই 'ছিয়া ছিড'ৰ খেতি। ইতিমধ্যে কেইবাজনো কৃষকে এই ছীয়া ছীডৰ খেতি কৰি লাভৱান হোৱাৰ সম্ভাৱনা দেখা পোৱা বুলি এই প্ৰতিবেদকক জানিবলৈ দিছে। মন কৰিবলগীয়া যে জাৰকালিৰ এই সময়ছোৱাত সাধাৰণ কৃষকসকলে সৰিয়হ খেতিত মনোনিবেশ কৰে, ঠিক সেই সময়ছোৱাতে এই ছিয়া ছিড খেতি কৰাৰ এক ব্যতিক্ৰমী চিন্তাই আন কৃষকসকলকো এতিয়া উৎসাহিত কৰিছে। ছীয়া ছীডৰ খেতি কৰা একাংশ কৃষকে জনোৱা মতে, এই খেতিৰ সময়ছোৱাত মাটিৰ ব্যৱহাৰৰ সঠিক ব্যৱহাৰ আৰু কৃষি প্ৰণালীৰদ্বাৰা প্ৰায় সৰিয়হ খেতিৰ দৰেই নিয়মীয়া পৰিচৰ্যা কৰি গ'লেই আশা কৰা ধৰণে ফচল লাভ কৰিব পৰা যাব বুলি জানিবলৈ দিছে। ইপিনে, জিলাখনৰ কৃষি বিশেষজ্ঞসকলৰ মতে, এই খেতিৰ বাবে অতিৰিক্ত প্ৰযুক্তিগত জ্ঞান বা জটিল ব্যৱস্থাৰ একো প্ৰয়োজন নহয় বৰঞ্চ সীমিত এলেকাতো কৃষকে এই খেতি কৰি সহজেই লাভান্বিত হ'ব পাৰে। আনপিনে, এফ পি চিৰ তৰফৰপৰা জনোৱা মতে, এক বিঘা মাটিত ছিয়া ছিড খেতি কৰিবলৈ প্ৰায় ৪ হেজাৰৰপৰা ৫ হেজাৰ টকা পৰ্যন্ত ব্যয় হয়। কিন্তু উৎপাদিত ছিয়া ছিডৰ বজাৰ মূল্য সৰিয়হতকৈ বহু বেছি হোৱাৰ সম্ভাৱনা থকাৰ বাবে কৃষকে অন্ততঃ দুগুণ লাভালাভ কৰিব পাৰে বুলি আশা প্ৰকাশ কৰিছে। লক্ষণীয়ভাৱে, সাধাৰণতে কৃষকক আটাইতকৈ বেছি চিন্তিত কৰি তোলে বজাৰ ব্যৱস্থাই। কিন্তু এই ক্ষেত্ৰতো ছিয়া ছিড খেতিয়ে কৃষকক এক নতুন নিশ্চয়তা প্ৰদান কৰিছে। কৃষকৰ পথাৰত উৎপাদিত সম্পূৰ্ণ ছিয়া ছিড হাটশিঙিমাৰী ফাৰ্মাৰ প্ৰডিউচাৰ কোম্পানীয়ে নিজেই ক্ৰয় কৰিব বুলি আগবঢ়োৱা আশ্বাসে বজাৰত হ'বপৰা আৰ্থিক মন্দাৱস্থাৰ দিশটোও এতিয়া নোহোৱাত কৃষকসকলে যথেষ্ট উৎসাহিতহে হৈছে এতিয়া এই অঞ্চলৰ। আনপিনে, মধ্যস্বত্বভোগীৰ ওপৰত নিৰ্ভৰশীলতা নাথাকি কৃষকে নিজ খেতিৰ উপযুক্ত মূল্য লাভ কৰাৰ পথ সুগম হোৱাত কৃষকসকলে এইবেলি লাভান্বিত হোৱাৰ আশা পালি ৰাখিছে। তদুপৰি উল্লেখ কৰিব পাৰি যে, একেটা মাটিত, একেটা সময়ছোৱাত, প্ৰায় একেধৰণৰ পৰিশ্ৰমে সৰিয়হৰ তুলনাত অধিক লাভ পাব পাৰিলে কৃষকৰ আৰ্থিক অৱস্থা সুদৃঢ় হোৱাটো নিশ্চিত। এই নতুন পদক্ষেপে আগন্তুক দিনত মানকাচৰৰ লগতে সমগ্ৰ দক্ষিণ শালমাৰা-মানকাচৰ জিলাত কৃষিক্ষেত্ৰত এক ইতিবাচক পৰিৱৰ্তন আনিব বুলি আশা কৰা হৈছে। নতুন চিন্তা, নতুন খেতি আৰু নিশ্চিত বজাৰৰ সৈতে ছিয়া ছিড খেতিয়ে মানকাচৰৰ কৃষকৰ বাবে কেৱল এটা বিকল্প নহয়, বৰঞ্চ এক নতুন সম্ভাৱনাৰ পথ মুকলি কৰিছে। পৰম্পৰাগত খেতিৰ সৈতে আধুনিক আৰু লাভজনক কৃষি ব্যৱস্থাৰ সংযোগে গ্ৰাম্য অৰ্থনীতিক অধিক শক্তিশালী কৰাৰ দিশত এই উদ্যোগ এক গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি হিচাপে পৰিগণিত হ'ব বুলি জিলাখনৰ কৃষি বিশেষজ্ঞৰ লগতে কৃষক ৰাইজে আশা প্ৰকট কৰিছে।

## জুই সম্প্ৰসাৰিত হৈছে কেইবাখনো চহৰলৈ, এতিয়ালৈ ১৯জনৰ প্ৰাণহানি

# চিলিত সংহাৰী বনজুই, ৫০ সহস্ৰাধিক লোক গৃহহীন



**ছাণ্টিয়াগো, ১৯ জানুৱাৰী ঃ** দক্ষিণ আমেৰিকাৰ দেশ চিলিত তাণ্ডৱ চলাইছে বনজুয়ে। সময় আগবঢ়াৰ লগে লগে ন ন অঞ্চললৈ জুই সম্প্ৰসাৰিত হ'বলৈ ধৰাত কেইবাটাও প্ৰান্তত জৰুৰী অৱস্থা ঘোষণা কৰিছে চিলি চৰকাৰে। আন্তঃৰাষ্ট্ৰীয় সংবাদ সংস্থা এএফপিৰ প্ৰতিবেদনত প্ৰকাশ পোৱা মতে নিয়ন্ত্ৰণৰ বাহিৰলৈ যোৱা বনজুয়ে দক্ষিণ চিলিৰ বিস্তৰ এলেকা তচ্‌নচ্‌ কৰি পেলাইছে। হাবিৰ সমীপৱৰ্তী জনবসতিপূৰ্ণ এলেকাসমূহ সম্পূৰ্ণৰূপে জুইত জাহ যোৱাৰ ফলত এই পৰ্যন্ত ১৯জন লোকৰ প্ৰাণহানি হোৱাৰ খবৰ আহিছে। প্ৰাপ্ত খবৰ অনুসৰি তীব্ৰবেগী বতাহ আৰু উষ্ণ জলবায়ুৰ বাবে ভয়ংকৰ ৰূপ লোৱা বনজুয়ে চিলিৰ ৰাজধানী ছাণ্টিয়াগোৰ পৰা প্ৰায় ৫০০ কিলোমিটাৰ দক্ষিণত থকা নুবল আৰু বায়োবিঅ' প্ৰান্তত বিস্তৰ ক্ষতি কৰিছে। বনজুয়ে এফালৰ পৰা দুয়োটা প্ৰান্তৰ আৱাসিক এলেকাসমূহ গ্ৰাস কৰি যোৱাত ৫০ হেজাৰৰো অধিক লোক গৃহহীন হৈছে। স্থানীয় লোকৰ ভাষ্য অনুসৰি দেওবাৰে নিশা প্ৰায় ২.৩০ বজাত অকস্মাতে বনজুই নিয়ন্ত্ৰণহীন হৈ পৰে। তাৰ পাছত ধুমুহাবেগে অহা জুইৰ লেলিহান শিখাই হাবিৰ



দাঁতিত থকা চহৰৰ আৱাসসমূহক আৱৰি ধৰে। তেনে ভয়ংকৰ পৰিস্থিতিত আতংকিত আৱাসীসকলে সকলো বয়-বস্তু এৰি ঘৰৰ পৰা পলাই গৈ কোনোমতে নিজৰ প্ৰাণ ৰক্ষা কৰে। চিলিৰ প্ৰশাসনে জনোৱা মতে বনজুইৰ ফলত পেলকো নামৰ স্থানত সৰ্বাধিক লোকৰ প্ৰাণ হানি হৈছে। পেলকোৰ ওচৰতে থকা লিৰফভেন নামৰ প্ৰায় ২০ হেজাৰ জনসংখ্যাৰ বন্দৰচহৰখনো বিধ্বস্তপ্ৰায় হৈ গৈছে। পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি চিলিৰ ৰাষ্ট্ৰপতি গেব্ৰিয়েল বোৰিকে নুবল আৰু বায়োবিঅ'ত জৰুৰী অৱস্থা ঘোষণা কৰিছে। বনজুই নিৰ্বাপণৰ বাবে চিলি চৰকাৰে আপ্ৰাণ চেষ্টা অব্যাহত ৰাখিছে। খোদ ৰাষ্ট্ৰপতি গেব্ৰিয়েল বোৰিক অগ্নি প্ৰতিৰোধৰ কাম পৰ্যৱেক্ষণৰ বাবে কোন্সেপ্সিয়ন চহৰত উপস্থিত হৈছে। ৰাষ্ট্ৰপতিগৰাকীয়ে প্ৰভাৱিত চহৰসমূহত নিশাৰ ভাগত সান্ধ্য আনি জাৰি কৰিছে। আশংকা কৰা হৈছে যে দেশখনত বনজুইত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা বৃদ্ধি পাব পাৰে।



### আৰ জে ডিক নৰূপত গঠনৰ প্ৰস্তুতি

## পুত্ৰৰ হাতত নেতৃত্ব দি ৰাজনীতিৰপৰা সন্ন্যাস ল'ব লালু প্ৰসাদে!

**পাটনা, ১৯ জানুৱাৰী ঃ** বিগত বিহাৰ নিৰ্বাচনত বিজেপি-জে ডি ইউৰ জোঁটৰ সন্মুখত ধূলিসাৎ হৈ গৈছিল আৰ জে ডি। সেয়ে এইবাৰ নতুনকৈ দল গঠন কৰিবলৈ আগবাঢ়িছে লালু প্ৰসাদ যাদৱ। ক্ষমতাৰ কেন্দ্ৰলৈ আহিছে পুত্ৰ তেজস্বী যাদৱ। জানিব পৰা মতে বিহাৰ বিধানসভাত বিৰোধী দলনেতা তেজস্বী যাদৱক ৰাষ্ট্ৰীয় জনতা দল (আৰ জে ডি)ৰ কাৰ্যকৰী সভাপতি নিযুক্ত কৰা হ'ব পাৰে। শাৰীৰিক অসুস্থতাৰ বাবে দলৰ শীৰ্ষ পদৰপৰা আঁতৰিব পাৰে দলটোৰ মুৰব্বী লালু প্ৰসাদ। ২৫ জানুৱাৰীত অনুষ্ঠিত হ'ব আৰ জে ডিৰ জাতীয় কাৰ্যনিৰ্বাহক সমিতিৰ সভা। সেই সভাতেই এই সিদ্ধান্ত লোৱা হ'ব পাৰে বুলি ধাৰণা কৰিছে বিশেষজ্ঞসকলে। দলীয় সূত্ৰে জানিব পৰা মতে তেজস্বীক দলৰ মুৰব্বী কৰাৰ সিদ্ধান্ত সৰ্বসন্মতিক্ৰমে ইতিমধ্যে গ্ৰহণ কৰা হৈছে। আসন্ন বৈঠকত তেওঁক আৰু বৃহত্তৰ সাংগঠনিক দায়িত্ব দিয়া হ'ব বুলি আশা কৰা হৈছে। ইপিনে চিকিৎসকে লালু প্ৰসাদক বিশ্ৰাম লোৱাৰ আৰু মানসিক চাপ নল'বলৈ পৰামৰ্শ দিছে।

## দুঘণ্টাৰ বাবে ভাৰতত উপস্থিত ইউ এ ইৰ ৰাষ্ট্ৰপতি


### ভাতৃ বুলি আঁকোৱালি ধৰিলে প্ৰধানমন্ত্ৰী মোডীয়ে



**নতুন দিল্লী, ১৯ জানুৱাৰী ঃ** দুঘণ্টীয়া ভ্ৰমণসূচীৰে আজি নতুন দিল্লীত উপস্থিত হয় সংযুক্ত আৰব আমিৰশ্বাহীৰ ৰাষ্ট্ৰপতি শ্বেইফ মহম্মদ বিন জায়েদ আল নাহিয়ান। ৰাষ্ট্ৰপতি নাহিয়ানক দিল্লীৰ বিমানবন্দৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে নিজে উপস্থিত হৈ উষ্ণ আদৰণি জনোৱাৰ লগতে নাহিয়ানৰ ভাৰত ভ্ৰমণ অত্যন্ত গুৰুত্বপূৰ্ণ বুলি মত প্ৰকাশ কৰে। 'স্বাগতম মোৰ ভাতৃ' বুলি ৰাষ্ট্ৰপতি নাহিয়ানক আলিংগন কৰে মোডীয়ে। নাহিয়ানে ৰাষ্ট্ৰপতি পদ গ্ৰহণ কৰাৰ পাছত এয়া হ'ল তেওঁৰ তৃতীয়টো ভাৰত ভ্ৰমণ। এটা বিশেষ সূত্ৰই জনোৱা মতে মধ্যপ্ৰাচ্যত অব্যাহত থকা উত্তেজনাৰ বাবেই তেওঁ এক গুৰুত্বপূৰ্ণ আলোচনাৰ মাধ্যমেৰে সমাধানসূত্ৰ বিচাৰি প্ৰধানমন্ত্ৰী মোডীক সোঁশৰীৰে সাক্ষাৎ কৰে। উল্লেখ্য যে ইৰানৰ গণপ্ৰতিবাদত ইতিমধ্যে পাঁচ সহস্ৰাধিক লোকে প্ৰাণ হেৰুওৱাৰ পাছত আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ ইছলামিক দেশৰ ওপৰত আক্ৰমণ চলোৱাৰ ভাবুকিক লৈ ত্ৰস্তমান হৈ পৰিছে একাংশ ৰাষ্ট্ৰনেতা। আনহাতে বৈদেশিক পৰিক্ৰমা মন্ত্ৰণালয়ৰ এটা বিবৃতিত প্ৰকাশ কৰা মতে ৰাষ্ট্ৰপতি নাহিয়ানৰ আজিৰ ভাৰত ভ্ৰমণে দুয়ো দেশৰ কূটনৈতিক সম্পৰ্ক অধিক সুদৃঢ় কৰি তুলিব।

## কয়দীৰ বিদ্ৰোহত অস্থিৰ গুৱাটেমালা

### দেশত জৰুৰী অৱস্থা ঘোষণা ৰাষ্ট্ৰপতিৰ



**গুৱাটেমালা, ১৯ জানুৱাৰী ঃ** গুৱাটেমালাৰ কাৰাগাৰত কয়দীৰ বিদ্ৰোহ আৰু ৪৬জনকৈ নিৰাপত্তাৰক্ষীক পণবন্দী কৰাৰ ঘটনাক কেন্দ্ৰ কৰি মধ্য আমেৰিকাৰ দেশ গুৱাটেমালাৰ পৰিস্থিতি ভয়াৱহ হৈ উঠিছে। পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি দেশখনত ৩০ দিনৰ বাবে জৰুৰী অৱস্থা ঘোষণা কৰিছে ৰাষ্ট্ৰপতি বাৰ্গাডো অৰেৱালোৱে। ৰাজধানী গুৱাটেমালা আৰু আশে-পাশে অপৰাধীৰে হোৱা সংঘৰ্ষত সাতজন আৰক্ষী বিষয়া নিহত হোৱাৰ পাছত এনে সিদ্ধান্ত লোৱা হৈছে। তথ্য অনুসৰি দেশখনৰ দক্ষিণ-পশ্চিম এলেকাৰ উচ্চ সুৰক্ষা ব্যৱস্থাসম্পন্ন তিনিটা কাৰাগাৰৰ এটা কয়দীৰ দখলৰ পৰা নিৰাপত্তাৰক্ষীয়ে নিজৰ নিয়ন্ত্ৰণত লোৱাৰ সময়তে হোৱা সংঘৰ্ষত আৰক্ষী বিষয়াকেইগৰাকী নিহত হৈছিল। ইয়াৰ পূৰ্বে শনিবাৰে নিশা হঠাতে বিদ্ৰোহ কৰা কয়দীসকলে তিনিখন কাৰাগাৰ নিজৰ নিয়ন্ত্ৰণত লৈ তাত নিয়োজিত ৪৬জন নিৰাপত্তাৰক্ষীক পণবন্দী কৰিছিল। দেওবাৰে আৰক্ষী আৰু নিৰাপত্তাৰক্ষীৰ বৃহৎ দলে তাৰে এখন কাৰাগাৰত অভিযান চলাই পণবন্দী হৈ থকা ৯জন নিৰাপত্তাৰক্ষীক মোকলাই আনিবলৈ সক্ষম হয়। তাৰ পাছত অন্য দুখন কাৰাগাৰো নিজৰ নিয়ন্ত্ৰণত লৈ সকলো পণবন্দীকে আৰক্ষী আৰু নিৰাপত্তাৰক্ষীয়ে মুকলি কৰে। কিন্তু তাৰ ঠিক পাছতে গুৱাটেমালা চিটীত অপৰাধীৰ দলে আৰক্ষীৰ ওপৰত ভয়ংকৰ আক্ৰমণ কৰে। দেশখনৰ গৃহমন্ত্ৰী মাৰ্কো এণ্টনিঅ' ভিলেডাই জনোৱা মতে অপৰাধী গোটৰ আক্ৰমণত সাতজন আৰক্ষী বিষয়া নিহত হোৱাৰ লগতে অন্য ১০জন আৰক্ষী আহত হৈছে। বিপৰীতে আৰক্ষীয়ে দুটা ৰাইফল আৰু দুখন বাহনসহ গ্ৰেপ্তাৰ কৰিছে আঠজন অপৰাধীক। ঘটনাক কেন্দ্ৰ কৰি পৰিস্থিতি ইমানেই ভয়াৱহ হৈ উঠে যে দেশখনৰ ৰাষ্ট্ৰপতিগৰাকীয়ে জনতাক সম্বোধন কৰিব লগা হয়। সম্বোধনকালতে তেওঁ আৰক্ষী বিষয়াকেইগৰাকীক হত্যাৰ ঘটনাৰ বাবে তিনি দিন ৰাষ্ট্ৰীয় শোক ঘোষণা কৰাৰ লগতে আগন্তুক ৩০ দিনলৈ সমগ্ৰ দেশতে জৰুৰী অৱস্থা ঘোষণা কৰে। দেশখনৰ গৃহমন্ত্ৰীয়ে স্পষ্ট কৰি দিছে যে কোনো কাৰণতে চৰকাৰ অপৰাধীচক্ৰৰ ওচৰত নতশিৰ নহয় আৰু বুজাবুজিও নকৰে। দেশখনৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষা বিভাগে আজি সকলো শিক্ষানুষ্ঠান বন্ধ ঘোষণা কৰে। উল্লেখযোগ্য যে গুৱাটেমালাত বাৰিয়ো-১৮ আৰু জাৰা চালভাত্ৰুছা-১৩সহ কেইবাটাও বৃহৎ তথা কুখ্যাত গেংষ্টাৰৰ দল সক্ৰিয় হৈ আছে। এতিয়া সেই গেংষ্টাৰৰ গোটসমূহ উৎখাত কৰাৰ লক্ষ্যৰে দেশখনত অভিযান চলাবলৈ যো-জা কৰিছে আৰক্ষী আৰু নিৰাপত্তাৰক্ষীয়ে।

### উন্নাও ধৰ্ষণকাণ্ড

## অভিযুক্ত কুলদীপ ছেংগাৰৰ আবেদন খাৰিজ

**নতুন দিল্লী, ১৯ জানুৱাৰী ঃ** দেশ কঁপোৱা উত্তৰ প্ৰদেশৰ উন্নাও ধৰ্ষণকাণ্ডৰ মূল অভিযুক্ত তথা বিজেপিৰ প্ৰাক্তন বিধায়ক কুলদীপ ছেংগাৰৰ আবেদন খাৰিজ কৰিছে দিল্লী উচ্চ ন্যায়ালয়ে। আবেদন খাৰিজ কৰি ন্যায়ালয়ে উন্নাও-কাণ্ডৰ পীড়িতাৰ পিতৃৰ আৰক্ষীৰ জিম্মাত মৃত্যুৰ গোচৰত কুলদীপ ছেংগাৰক ১০ বছৰৰ কাৰাদণ্ডৰ ৰায় প্ৰত্যাহাৰ কৰিবলৈ অস্বীকাৰ কৰিছে। ইয়াৰ পূৰ্বে দিল্লী উচ্চ ন্যায়ালয়ে উন্নাও ধৰ্ষণকাণ্ডৰ গোচৰত বিজেপিৰ প্ৰাক্তন বিধায়কগৰাকীক আজীৱন কাৰাদণ্ডৰ ৰায়ত স্থগিতাদেশ দিছিল। তাৰ পাছত বিষয়টো উচ্চতম ন্যায়ালয়ৰ মজিয়ালৈ গৈছিল আৰু ন্যায়ালয়ে অভিযুক্ত



ছেংগাৰৰ জামিনত স্থগিতাদেশ দিয়ে। সৰ্বোচ্চ ন্যায়ালয়ে পীড়িতাক পৃথকে এখন আবেদন দাখিল কৰাৰো প্ৰস্তাৱ দিয়ে। উল্লেখযোগ্য যে ২০১৭ চনত উন্নাওত এগৰাকী নাবালিকাক ধৰ্ষণ কৰাৰ ঘটনাই সমগ্ৰ দেশতে তোলপাৰ লগাইছিল। সেই ঘটনাৰ গোচৰত দিল্লীৰ এখন বিশেষ আদালতে ২০১৯ চনত তদানীন্তন বিজেপি বিধায়ক কুলদীপ ছেংগাৰক দোষী সাব্যস্ত কৰিছিল। আদালতে ভাৰতীয় দণ্ডবিধি আৰু পক্‌ছো আইনৰ বিভিন্ন ধাৰাৰ অধীনত ছেংগাৰক যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰিছিল। লগতে তেওঁক ২৫ লাখ টকাৰ জৰিমনাও বিহা হৈছিল। পাছত দিল্লী উচ্চ ন্যায়ালয়ে বিশেষ আদালতৰ ৰায়ত স্থগিতাদেশ দিয়াত সৃষ্টি হৈছিল ব্যাপক প্ৰতিক্ৰিয়াৰ।

### ■ আমেৰিকাক ইউৰোপৰ প্ৰত্যাহ্বান! ■

## ট্ৰাম্পৰ ভাবুকিৰ পাছত গ্ৰীনলেণ্ডলৈ ৭খন দেশৰ সেনা প্ৰেৰণ



**লণ্ডন, ১৯ জানুৱাৰী ঃ** মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে গ্ৰীনলেণ্ড দখলৰ ভাবুকি দিয়াৰ পাছত একত্ৰিত হৈছে ইউৰোপৰ দেশসমূহ। ট্ৰাম্পৰ ভাবুকিৰ প্ৰতিক্ৰিয়া স্বৰূপে নাটোৰ কেইবাখনো সদস্যৰাষ্ট্ৰই 'অপাৰেচন আৰ্কটিক এণ্ডুয়োৰেন্স' শীৰ্ষক এক যৌথ সামৰিক অনুশীলন আৰম্ভ কৰিছে। অনুশীলনৰ বাবে ফ্ৰান্সে গ্ৰীনলেণ্ডলৈ প্ৰেৰণ কৰিছে দেশখনৰ ২৭ নং মাউণ্টেইন ইনফেণ্ট্ৰী ব্ৰিগেডৰ ১৫জন সৈনিক। ১৩জন সৈনিক প্ৰেৰণ কৰিছে জাৰ্মানীয়ে। নৰৱে, নেদাৰলেণ্ড আৰু ফিনলেণ্ডে প্ৰেৰণ কৰিছে দুজনকৈ সৈনিক। বৃটেইনৰ পৰাও গ্ৰীনলেণ্ডলৈ গৈছে এজন সেনা বিষয়া। সেনা প্ৰেৰণৰ কথা জানিবলৈ দিছে ছুইডেনেও। সামগ্ৰিকভাৱে ইতিমধ্যে নিয়োজিত হৈ থকা ডেনমাৰ্কৰ সেনাৰ উপৰি অন্য ইউৰোপীয় দেশৰ ৩৫ৰ পৰা ৪০জন সৈনিক গ্ৰীনলেণ্ডত উপস্থিত হোৱা বুলি জানিব পৰা গৈছে। তথ্য অনুসৰি গ্ৰীনলেণ্ডত বৰ্তমান ডেনমাৰ্কৰ প্ৰায় দুশ সৈনিক মোতায়েন হৈ আছে। ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰোৱে কৈছে যে আহি থকা দিনবোৰত স্থল, বায়ু আৰু সামুদ্ৰিক ক্ষেত্ৰত গ্ৰীনলেণ্ডৰ সুৰক্ষা ব্যৱস্থা অধিক শক্তিশালী কৰা হ'ব। গ্ৰীনলেণ্ডৰ বিষয়ক লৈ নাটোৰ দেশসমূহ ঐক্যবদ্ধ বুলিও মেক্ৰোৱে দাবী কৰে। আঠখন ইউৰোপীয় দেশে এনেদৰে গ্ৰীনলেণ্ডলৈ সেনা প্ৰেৰণ কৰি মাৰ্কিন ৰাষ্ট্ৰপতি ট্ৰাম্পক কঠোৰ বাৰ্তা দিয়া বুলি চৰ্চিত হৈছে। দেশকেইখনে সংকেত দিছে যে আমেৰিকাই গ্ৰীনলেণ্ড দখলৰ চেষ্টা চলালে সমগ্ৰ ইউৰোপৰ দেশসমূহে বাধাৰ প্ৰাচীৰ হৈ থিয় দিব।

## শান্তিৰ ন'বেল নাপাই নাৰাজ ট্ৰাম্পৰ নৰৱেৰ প্ৰধানমন্ত্ৰীলৈ পত্ৰ

**ৱাশ্বিংটন, ১৯ জানুৱাৰী ঃ** আঠখনকৈ যুদ্ধৰ অৱসান ঘটোৱাৰ দাবী কৰিও শান্তিৰ ন'বেল বঁটা লাভত ব্যৰ্থ হ'ল ড'নাল্ড ট্ৰাম্প। পাছত মাৰিয়া মোছাডোৱে নিজৰ ন'বেল বঁটা মাৰ্কিন ৰাষ্ট্ৰপতিগৰাকীক গতাই দিলে যদিও সেই কাৰ্যক বৈধতা প্ৰদান নকৰিলে নৰৱেৰ ন'বেল কমিটীয়ে। ইয়াকে লৈ নাৰাজ ৰাষ্ট্ৰপতি ট্ৰাম্পে পত্ৰ লিখিছে নৰৱেৰ প্ৰধানমন্ত্ৰী জোনাছ গহৰ ষ্টোৰলৈ। পত্ৰখনত আশাহত ট্ৰাম্পে লিখিছে যে এতিয়াৰে পৰা শান্তিৰ বিষয়ে ভবাৰ কোনো দায়িত্ব তেওঁৰ নাই। এতিয়া তেওঁ কেৱল আমেৰিকাৰ হিতকে অগ্ৰাধিকাৰ দিব, কিয়নো শান্তিৰ ন'বেল বঁটা নাপালে। তথ্য অনুসৰি নৰৱেৰ প্ৰধানমন্ত্ৰীলৈ লিখা পত্ৰখন আমেৰিকাৰ ৰাষ্ট্ৰীয় সুৰক্ষা পৰিষদৰ কৰ্মচাৰীসকলে কেইবাটাও দূতাৱাসলৈ প্ৰেৰণ কৰিছে। পত্ৰখনত শান্তিৰ ন'বেল বঁটা নোপোৱা বাবে ট্ৰাম্পে হতাশা প্ৰকাশ কৰিছে। পত্ৰখনত ট্ৰাম্পে পুনৰ গ্ৰীনলেণ্ডৰ কথা টানি আনি কৈছে যে যেতিয়ালৈ গ্ৰীনলেণ্ড সম্পূৰ্ণভাৱে আমেৰিকাৰ নিয়ন্ত্ৰণলৈ নাহে, তেতিয়ালৈ বিশ্ব সুৰক্ষিত নহয়। ইয়াৰ পূৰ্বে গ্ৰীনলেণ্ডক লৈ ট্ৰাম্পৰ স্থিতিক সমৰ্থন নকৰাৰ বাবে আমেৰিকাই ইউৰোপৰ আঠখন দেশৰ ওপৰত কালি অতিৰিক্ত শুল্ক আৰোপৰ সিদ্ধান্তপ্ৰকাশ কৰিছিল। ৰাষ্ট্ৰপতি ট্ৰাম্পে এইবাৰ নৰৱেৰ প্ৰধানমন্ত্ৰীলৈ লিখা পত্ৰখনে বিশ্বত ব্যাপক চৰ্চা লাভ কৰিছে।

### ৭১টা সাম্প্ৰদায়িক ঘটনা বুলি স্বীকাৰ মহম্মদ ইউনুছৰ

## বাংলাদেশত বিগত বৰ্ষত ৬৪৫টা সংখ্যালঘু সম্পৰ্কীয় সংঘাত



**ঢাকা, ১৯ জানুৱাৰী ঃ** বিগত বৰ্ষত বাংলাদেশত সংঘটিত সংখ্যালঘু নিৰ্যাতন আৰু অন্যান্য আইন-শৃংখলাজনিত ঘটনাৰ তথ্য সদৰি কৰিছে চৰকাৰে। মহম্মদ ইউনুছ নেতৃত্বাধীন অন্তৰ্বৰ্তীকালীন চৰকাৰখনে আজি প্ৰকাশ কৰা তথ্য মতে ২০২৫ চনত ৬৪৫টা এনে দুষ্কাৰ্য সংঘটিত হৈছে, য'ত সংখ্যালঘু সম্প্ৰদায়ৰ লোকসকল জড়িত আছিল। আৰক্ষী বিভাগৰ পৰা লাভ কৰা তথ্যৰ ভিত্তিত মুখ্য উপদেষ্টা ইউনুছে সামাজিক মাধ্যমত আজি কয় যে এই সকলো ঘটনাৰ এফ আই আৰ, চাৰ্জশ্বীট, তদন্তৰ প্ৰতিবেদন আদি পুংখানুপুংখভাৱে পৰীক্ষা কৰাৰ অন্তত এই সংখ্যা নিশ্চিত হৈছে। তেওঁ লগতে কয়— ইয়াৰ ভিতৰত ৭১টা সাম্প্ৰদায়িক আৰু ৫৭৪টা অসাম্প্ৰদায়িক ঘটনা। সাম্প্ৰদায়িক ঘটনাবোৰৰ বিশেষকৈ ধৰ্মীয় স্থান বা উপাস্য দেৱ-দেৱীৰ মূৰ্তি ভঙা বা ধ্বংস কৰা আদিয়েই প্ৰধান। অৱশ্যে ৰাষ্ট্ৰপ্ৰধানগৰাকীয়ে এই সকলো ঘটনাৰ বিৰুদ্ধে আৰক্ষীয়ে কঠোৰ ব্যৱস্থা লোৱা বুলি উল্লেখ কৰি কয় যে ইতিমধ্যে কেইবাশ লোকক গ্ৰেপ্তাৰ কৰাৰ লগতে এতিয়াও বহু ঘটনাৰ তদন্ত অব্যাহত আছে। বাংলাদেশত স্বচ্ছতা আৰু নিৰপেক্ষতাৰে সকলো অপশক্তিক মষিমূৰ কৰি শান্তি স্থাপনৰ বাবে তেওঁৰ চৰকাৰ দায়বদ্ধ। ইয়াৰ বিপৰীতে ভাৰত চৰকাৰে দেশখনত সংখ্যালঘু নিৰ্যাতনে অভিলেখ সৃষ্টি কৰা বুলি অভিযোগ কৰি আহিছে। বিগত ডিচেম্বৰত বৈদেশিক পৰিক্ৰমা মন্ত্ৰণালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে হিন্দুৰ ওপৰত চলোৱা অমানুষিক নিৰ্যাতনক তীব্ৰ গৰিহণা দি অন্তৰ্বৰ্তী চৰকাৰখনে দায়িত্ব লোৱাৰে পৰা বাংলাদেশৰ ২৯ শতাধিক হিংসাত্মক ঘটনা সংঘটিত হোৱা বুলি মন্তব্য কৰিছিল।

## গণৰাজ্য দিৱসৰ কাৰ্যসূচীলৈ ১০ সহস্ৰাধিক বিশিষ্ট ব্যক্তিক আমন্ত্ৰণ

### পেৰেডৰ সংগীত ব্যৱস্থাপনাৰ দায়িত্বত অস্কাৰ বিজয়ী কিৰাভানি

**নতুন দিল্লী, ১৯ জানুৱাৰী ঃ** সমাগত গণৰাজ্য দিৱসক লৈ দিল্লীৰ কৰ্তব্য পথত বিভিন্ন সামৰিক বিভাগৰ জোৱানে কুচকাৱাজ আৰম্ভ কৰিছে। ইয়াৰ মাজতে কেন্দ্ৰীয় চৰকাৰে আজি ৭৭ সংখ্যক গণৰাজ্য দিৱসত ১০ সহস্ৰাধিক বিশেষ ব্যক্তিক আমন্ত্ৰণৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই সন্দৰ্ভত আজি পি আই বিৰ এটা বিবৃতিত উল্লেখ কৰে যে সমগ্ৰ দেশৰ বিভিন্ন ক্ষেত্ৰত সফলতা লাভ কৰা আৰু দেশ নিৰ্মাণ তথা 'জন ভাগীদাৰি' অভিযানক সফল কৰি তোলা পেৰা-এথলিটৰ পৰা খেতিয়কলৈ গণৰাজ্য দিৱসৰ মূল কাৰ্যসূচীত অংশগ্ৰহণৰ বাবে আমন্ত্ৰণ জনোৱা হৈছে। বিশেষকৈ উপাৰ্জন তথা কৰ্মসংস্থাপন সৃষ্টি, উদ্ভাৱন, গৱেষণা, সমাজসেৱা আদি ক্ষেত্ৰত তৃণমূল পৰ্যায়ত অসামান্য বৰঙণি আগবঢ়োৱা এইসকল লোকক উক্ত দিনা সন্মান জনোৱা হ'ব। আনহাতে ব্লকবাষ্টাৰ ছবি 'আৰ আৰ আৰ'ৰ 'নাটু নাটু' গীতৰ সুৰকাৰ এম এম কেৰাভানিয়ে এইবাৰৰ গণৰাজ্য দিৱসৰ পেৰেডৰ সংগীত ব্যৱস্থাপনা কৰিব। অস্কাৰ বিজয়ী সুৰকাৰগৰাকীয়ে এক্সত আজি এই সন্দৰ্ভত কয়— 'বন্দে মাতৰম'ৰ ১৫০ বছৰীয়া বাৰ্ষিকী উপলক্ষে এই পেৰেডৰ সংগীত ব্যৱস্থাপনাৰ দায়িত্ব পোৱাটো মোৰ বাবে সৌভাগ্য। ইফালে উক্ত অনুষ্ঠানত সমগ্ৰ দেশৰ ২,৫০০গৰাকী শিল্পীয়ে অংশগ্ৰহণ কৰিব বুলি সাংস্কৃতিক মন্ত্ৰণালয়ৰ সূত্ৰত প্ৰকাশ। গণৰাজ্য দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচীত এইবাৰ ইউৰোপিয়ান কাউন্সিলৰ অধ্যক্ষ এণ্টোনিঅ' লুইছ ছাণ্টোছ ডা কোষ্টা আৰু ইউৰোপিয়ান কমিছনৰ অধ্যক্ষ উৰছুলা ভনলিয়েন মুখ্য অতিথি ৰূপে উপস্থিত থাকিব।

## জম্মু-কাশ্মীৰত সংঘৰ্ষত আহত এজন সেনা জোৱান শ্বহীদ



**শ্ৰীনগৰ, ১৯ জানুৱাৰী ঃ** জম্মু-কাশ্মীৰত তালাচী অভিযানৰ মাজতে সন্ত্ৰাসবাদীৰে হোৱা সংঘৰ্ষত আহত এজন সেনা জোৱান শ্বহীদ হৈছে। কালি কেন্দ্ৰীয়শাসিত ৰাজ্যখনৰ কিস্তৱাৰত হোৱা ভয়ংকৰ সংঘৰ্ষত আঠজনকৈ সেনা জোৱান আহত হৈছিল। তাৰে হাৱালদাৰ গজেন্দ্ৰ সিং নামৰ জোৱানজনে আজি চিকিৎসাধীন অৱস্থাতে শেষ নিশ্বাস ত্যাগ কৰে। ইফালে কিস্তৱাৰৰ মণ্ডৰাল-সিংহপোৰাৰ ওচৰৰ সোনাৰ নামৰ গাঁওখনৰ হাবিত এতিয়াও আত্মগোপন কৰি থকা সন্ত্ৰাসবাদীৰ দলটোৰ সন্ধানত অপাৰেচন ত্ৰাসী-১ অব্যাহত ৰাখিছে সেনা আৰু আৰক্ষীয়ে। সেনাৰ বিষয়াই জনোৱা মতে অঞ্চলটোত পাকিস্তান সমৰ্থিত জৈছ-ই-মহম্মদ নামৰ সন্ত্ৰাসবাদী সংগঠনটোৰ দুইৰ পৰা তিনিটা সন্ত্ৰাসবাদীয়ে আত্মগোপন কৰি আছে। সন্ত্ৰাসবাদীকেইটাৰ সন্ধান উলিওৱাৰ বাবে স্নিফাৰ ডগৰ লগতে ড্ৰোনৰো সহায় লৈ থকা হৈছে। ইফালে জম্মু-কাশ্মীৰৰ খৌৰ ছেক্টৰত আৰক্ষীয়ে পল্লনৱালাৰ কছৰিয়াল নামৰ গাঁওখনৰ মুকলি পথাৰত আজি পাকিস্তানী বিমানৰ আকাৰৰ এটা বেলুন উদ্ধাৰ কৰিছে। বগা আৰু সেউজীয়া ৰঙৰ বেলুনটোত পি আই এ, অৰ্থাৎ পাকিস্তানী ইণ্টাৰনেচনেল এয়াৰলাইন্স লিখা আছে। এই বিষয়তো তদন্ত আৰম্ভ কৰিছে আৰক্ষীয়ে।

### চৰকাৰৰ 'মগনীয়ামুক্ত চহৰ' অভিযানত সপোন আধৰুৱা হৈ ৰ'ল মংগীলালৰ

## ইন্দোৰত অট্টালিকা, বাহনৰ গৰাকী এজন ভিক্ষাৰী



**ইন্দোৰ, ১৯ জানুৱাৰী ঃ** ভিক্ষাৰীক লৈ সমাজৰ পূৰ্বপ্ৰচলিত সকলো ধ্যান-ধাৰণা নস্যাৎ কৰিলে এজন ভিক্ষাৰী সন্দৰ্ভত উন্মোচিত শেহতীয়া খবৰে। ছালছিগা ভিকহুৰ জীৱন নিৰ্বাহৰ মান সন্দৰ্ভত বিভিন্ন মহলত চৰ্চা অব্যাহত থকাৰ মাজতে ইন্দোৰৰ ছাৰাফা বজাৰৰ খুজি-মাগি পেট প্ৰৱৰ্তোৱা এজন বিশেষভাৱে সক্ষম লোকৰ কাহিনীয়ে সংবাদ শিৰোনাম দখল কৰিছে। চকা লগোৱা লোৰ পীৰা এখনত কোনোমতে চুঁচৰি-বাগৰি উক্ত বজাৰখনত পদপথত সদায় উপস্থিত হয় মংগীলাল নামৰ লোকজন। অৱশ্যে তেওঁ কোনো লোকৰ ওচৰত হাত নাপাতে। কিন্তু বাটৰুৱাসকলে স্বইচ্ছাই তেওঁৰ দুৰৱস্থা দেখি দুই-চাৰি টকা দলিয়াই থৈ যায়। এনেদৰেই হয়তো তেওঁৰ দিনটোৰ উপাৰ্জন ৪০০-৫০০ টকা হয়। কিন্তু হঠাতে ঘটিল অঘটন। মধ্য প্ৰদেশ চৰকাৰে চলোৱা 'মগনীয়ামুক্ত চহৰ' শীৰ্ষক অভিযানৰ অংশ স্বৰূপে মহিলা আৰু শিশু উন্নয়ন বিভাগে পদক্ষেপ গ্ৰহণ কৰি এই লোকজনক আশ্ৰয় শিবিৰলৈ অনাৰ যো-জা চলায়। 'মগনীয়া' মংগীলালক সোধা-পোছাৰ সময়ত বিভাগীয় বিষয়াসকলৰ চকু কপালত উঠে। কিয়নো, মংগীলালৰ নামত এটা তিনি মহলীয়া অট্টালিকা, এটা চৰকাৰী আৱাসকে ধৰি মুঠ তিনিটা বাসগৃহ আছে। তদুপৰি তেওঁৰ আছে তিনিখন অটোৰিক্সা আৰু এখন মাৰুতি-ছুজুকি কাৰ। মহিলা আৰু শিশু উন্নয়ন বিষয়া দীনেশ মিশ্ৰই সন্দেহজনক লোকজনক জেৰা কৰাত এই কথাও নিশ্চিত হয় যে তেওঁ খুজি-মাগি পোৱা টকাখিনি নিজৰ জীৱন নিৰ্বাহত ব্যয় নকৰে। বৰং সেই ধনখিনি ছাৰাফা বজাৰৰ ক্ষুদ্ৰ ব্যৱসায়ীসকলক সুদত দিয়ে। দীৰ্ঘদিন ধৰি এনেদৰে সুদ আদায় কৰি শেহতীয়াকৈ তেওঁ চাৰি-পাঁচ লাখ টকা ধাৰলৈ দিয়া বুলি স্বীকাৰ কৰে আৰু ইয়াৰ পৰাই দৈনিক প্ৰায় দুহেজাৰ টকা সুদ লাভ কৰে। তদুপৰি বাসগৃহ, অটোৰিক্সা, বাহন সকলো ভাড়াত দি ২০২১ চনৰ পৰা ভিক্ষাবৃত্তি গ্ৰহণ কৰা মংগীলালে সম্প্ৰতি এটা আশ্ৰয় শিবিৰত থাকে। বৰ্তমান লোকজনক উজ্জয়িনী আশ্ৰয় শিবিৰলৈ স্থানান্তৰ কৰাৰ লগতে তেওঁৰ বেংক একাউণ্ট আৰু সম্পত্তিৰ তদন্ত আৰম্ভ কৰিছে বিভাগীয় কৰ্তৃপক্ষই।

**অসম বিশ্ববিদ্যালয়ৰ ২৩ সংখ্যক সমাৱৰ্তন**

# আই জি পি পাৰ্থ সাৰথি মহন্তক ডি লিট ডিগ্ৰী প্ৰদান



## উদ্যোগপতি আনন্দ মহিন্দ্ৰাও সন্মানিত

**দৈনিক অসমৰ প্ৰতিনিধি**

**শিলচৰ, ১৯ জানুৱাৰী ঃ** শিলচৰৰ অসম বিশ্ববিদ্যালয়ৰ ২৩ সংখ্যক সমাৱৰ্তনত আজি আই জি পি পাৰ্থ সাৰথি মহন্তক ডি লিট ডিগ্ৰী প্ৰদান কৰা হয়। সমাৱৰ্তনত বিশেষ অতিথি হিচাপে উপস্থিত থাকে কলকাতাৰ বেলুড় মঠৰ ৰামকৃষ্ণ মিছন বিবেকানন্দ শিক্ষা আৰু গৱেষণা প্ৰতিষ্ঠানৰ স্বামী আত্মপ্ৰিয়ানন্দজী। আই জি পি পাৰ্থ সাৰথি মহন্তই তেওঁৰপৰা আনুষ্ঠানিকভাৱে ডি লিট ডিগ্ৰী গ্ৰহণ কৰে। উল্লেখ্য যে ডি লিট সন্মান লাভ কৰা পাৰ্থ সাৰথি মহন্তই অসমৰ প্ৰথমজন আৰক্ষী বিষয়া যিয়ে এই সন্মানেৰে বিভূষিত হৈছে। ১৯ জানুৱাৰীৰপৰা ২১ জানুৱাৰীলৈ অনুষ্ঠিত বিশ্ববিদ্যালয়খনৰ ২৩ সংখ্যক সমাৱৰ্তনত সমাজৰ প্ৰতি তেওঁৰ অসাধাৰণ সেৱাৰ স্বীকৃতিস্বৰূপে মহন্তক এই সন্মান প্ৰদান কৰা হয়। ১৯৯৯ বেচৰ আই পি এছ বিষয়া মহন্তই আৰক্ষী সেৱাৰ ক্ষেত্ৰত সংস্কাৰমুখী আৰু জনকেন্দ্ৰিক দৃষ্টিভংগীৰ লগতে সামাজিক বিষয় আৰু মানৱীয় মূল্যবোধক উজ্জ্বল কৰি তোলা সৃষ্টিশীল কামৰ বাবে এই সন্মানীয় ডিগ্ৰী লাভ কৰে। অসম বিশ্ববিদ্যালয়ক কৃতজ্ঞতা জ্ঞাপন কৰি মহন্তই কয়, 'অসম বিশ্ববিদ্যালয়ে মোক এই সন্মান দিছে আৰু মই ইয়াক সম্পূৰ্ণ হৃদয়েৰে গ্ৰহণ কৰিছোঁ। মই সমাজৰ কামৰ লগত জড়িত আৰু ই কেৱল পূৰ্ণকালীন সমাজকৰ্মীৰ দায়িত্ব নহয়। যদি আমি নিজৰ কাম সততাৰে কৰোঁ, তেন্তে সেয়া নিজেই সমাজৰ বাবে এক বৃহৎ সেৱা আৰু এজন আৰক্ষী বিষয়াৰ বাবে এই দায়িত্ব আৰু অধিক গুৰুত্বপূৰ্ণ।' তেওঁ আৰু কয়, 'এনে স্বীকৃতি কেতিয়াও ব্যক্তিগত কৃতিত্ব নহয়। যেতিয়া কোনো আৰক্ষী বিষয়াই বঁটা বা সন্মান লাভ কৰে, সেয়া বিভাগৰপৰাই হওক, চৰকাৰৰপৰাই হওক বা কোনো শিক্ষানুষ্ঠানৰপৰাই হওক, তেতিয়া সেয়া কেৱল এজন বিষয়াৰ নহয়। সেয়া সমগ্ৰ দলৰ। কোনো আৰক্ষীয়েই ছুপাৰমেন নহয়। আমি অকলে আমাৰ কাম কৰিব নোৱাৰোঁ আৰু আমাক সদায় আমাৰ দলৰ সহায়ৰ প্ৰয়োজন হয়।' শিৱসাগৰত জন্মগ্ৰহণ কৰা মহন্তই বৰ্তমান অসমৰ বিশেষ টাস্ক ফৰ্চ (এছ টি এফ)ৰ আৰক্ষী মহাপৰিদৰ্শক হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। অসম বিশ্ববিদ্যালয়ৰ আচাৰ্য অৰূপ ৰাহা আৰু উপাচাৰ্য ৰাজীৱ মোহন পন্তৰ লগতে অন্যান্য গণ্যমান্য ব্যক্তি আৰু অতিথিসকল এই অনুষ্ঠানত উপস্থিত থাকে। উল্লেখ্য যে অসম বিশ্ববিদ্যালয়ৰ ২৩ সংখ্যক সমাৱৰ্তনত মুঠ ১৩,৬৬৬ গৰাকী ছাত্ৰ-ছাত্ৰীক ডিগ্ৰী প্ৰদান কৰা হয়। মহন্তৰ উপৰি মহিন্দ্ৰা গোষ্ঠীৰ অধ্যক্ষ আনন্দ মহিন্দ্ৰাকো সন্মানীয় ডি লিট প্ৰদান কৰা হৈছে।

**বৰপেটাত চোৰৰ তাণ্ডৱ**

## লুটি নিলে আ-অলংকাৰ

**দৈনিক অসমৰ প্ৰতিনিধি**

**বৰপেটা, ১৯ জানুৱাৰী ঃ** বৰপেটা চহৰৰ লগতে দীঘলীয়াকাষৰীয়া অঞ্চলত সঘনাই চুৰিকাৰ্য সংঘটিত হোৱাত চহৰবাসী সন্ত্ৰস্ত হৈ পৰিছে। বৰপেটা চহৰৰ মেটুৰাকুছিত ভাৰাতীয়া হিচাপে থকা ৰাতুল দাস নামৰ লোকজনৰ ঘৰৰপৰা চোৰে সোণৰ আ-অলংকাৰ লুট কৰি নিয়ে। মাঘৰ বিহুত শহুৰেকৰ ঘৰলৈ যোৱা ৰাতুল দাস পৰিয়ালসহ আজি ঘৰলৈ উভতি আহি ঘৰৰ দৰ্জা খোলা দেখি ভিতৰত প্ৰৱেশ কৰি ভিতৰৰ বয়বস্তু ছেদেলি-ভেদেলি হৈ থকা প্ৰত্যক্ষ কৰে। জানিব পৰা মতে, চোৰে ঘৰৰ ভিতৰৰপৰা সোণৰ চেইন, আঙুঠি, কাণফুলি, খাৰু আদি লৈ যায়। বৰপেটা সদৰ থানাৰপৰা এক কিলোমিটাৰ ভিতৰত এনেদৰে চোৰে চুৰিকাৰ্য সংঘটিত কৰাত ৰাইজে আশংকা প্ৰকাশ কৰিছে। ইতিমধ্যে ঘটনা সংক্ৰান্তত বৰপেটা সদৰ থানাৰ আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে।




**যোৰহাট বিজ্ঞান মহোৎসৱৰ আৰম্ভ**

# বিজ্ঞান মনস্কতাৰ অভাৱতে সমাজত অঘটন সংঘটিত হৈ আছে ঃ ডঃ মিশ্ৰ

**দৈনিক অসমৰ প্ৰতিনিধি**

**যোৰহাট, ১৯ জানুৱাৰী ঃ** 'অসমত বিভিন্ন কাৰণত ৰাজপথত আন্দোলন বহুত হয়। কিন্তু, ডাইনী হত্যাক লৈ আন্দোলন অদ্যাপি হোৱা নাই। বীৰুবালা ৰাভাই অকলেই এই ক্ষেত্ৰত যুঁজ দিছিল। বিজ্ঞানমনস্কতাৰ অভাৱৰ কাৰণেই আমাৰ সমাজত এতিয়াও অঘটন সংঘটিত হৈ আছে। যোৰহাট বিজ্ঞান সমিতিৰ বিজ্ঞান মহোৎসৱে এনেবোৰ ক্ষেত্ৰত ইতিবাচক প্ৰভাৱ পেলাব বুলি আমি আশাবাদী।'—অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ অধ্যক্ষ ডঃ অৰূপ কুমাৰ মিশ্ৰই যোৰহাট বিজ্ঞান মহোৎসৱৰ উদ্বোধন কৰি আজি এইদৰে কয়। ডঃ মিশ্ৰই প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ কাম পৰিস্থিতিতক্ষেত্ৰ নিয়ন্ত্ৰণ কৰা বুলি উল্লেখ কৰি বিগত চাৰি বছৰত পৰিষদে বহু কাম কৰা বুলি প্ৰকাশ কৰে। অসম বিজ্ঞান সমিতিৰো সভাপতিৰ দায়িত্ব বহন কৰা ডঃ মিশ্ৰই যোৰহাটৰ ভোগদৈ নদী চাফা কৰাৰ কাৰণে বিজ্ঞান মহোৎসৱত প্ৰস্তাৱ ল'বলৈ আহ্বান জনায়। বিজ্ঞান মহোৎসৱত ডঃ যোগেন্দ্ৰ নাথ বৰুৱা ক্ষেত্ৰ ইয়াৰ পূৰ্বে উদ্বোধন কৰে প্ৰধানমন্ত্ৰীৰ ৰাষ্ট্ৰীয় বাল পুৰস্কাৰ লাভ কৰা শিশু বিজ্ঞানী, যোৰহাটৰ আইশ্বৰী প্ৰিয়া বৰাই। আয়োজক সমিতিৰ সভাপতি ডঃ বিচিত্ৰ কুমাৰ বৰঠাকুৰে আদৰণি ভাষণ দিয়া আৰু সম্পাদক ৰমেন গগৈয়ে মহোৎসৱৰ বিষয়ে আলোকপাত কৰা সভাত ডঃ যোগেন্দ্ৰ নাথ বৰুৱাৰ পুত্ৰ, চিকিৎসক মানস প্ৰতিম বৰুৱা, ডঃ চৌধুৰী নাথ শইকীয়াই ভাষণ প্ৰদান কৰে। সভাত বয়োজ্যেষ্ঠ বিজ্ঞানী ডঃ বীৰেন্দ্ৰ নাথ গোস্বামী, ডঃ নিৰ্মলা শৰ্মা, সূৰ্য গগৈ, মহেন্দ্ৰ নাথ গগৈ আৰু ডঃ চৌধুৰী নাথ শইকীয়াক সম্বৰ্দ্ধনা জনায়। ডঃ মৌচুমী মাধৱে আঁতধৰা অনুষ্ঠানত ডঃ অদিতি বেজবৰুৱাক সভাপতি আৰু অনুৰাধা দেৱীক সম্পাদকৰূপে লৈ গঠন কৰা সম্পাদনা সমিতিয়ে যুগুতোৱা স্মৃতিগ্ৰন্থ 'অনুবীক্ষণ' উন্মোচন কৰে কেন্দ্ৰীয় এৰী-মুগা গৱেষণা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ সঞ্চালক ডঃ কাৰ্তিক কুমাৰ নেওগে। মহোৎসৱৰ প্ৰদৰ্শনীৰ দ্বাৰ উদ্‌ঘাটন কৰি 'নেইষ্ট'ৰ সঞ্চালক ডঃ ভি এম তিৱাৰীয়ে উদ্ভাৱনৰ ক্ষেত্ৰত যোৰহাট বিখ্যাত বুলি উল্লেখ কৰে আৰু এই উদ্ভাৱনক অনুপ্ৰেৰণা দিয়া আৰু উজলাই তোলাৰ কাৰণে বিজ্ঞান মহোৎসৱে সুবিধা দিব বুলি ব্যক্ত কৰে। সভাত শলাগ জনায় আয়োজক সমিতিৰ সম্পাদক ডঃ দণ্ডেশ্বৰ দত্তই। অসম বিজ্ঞান সমিতিৰ যোৰহাট শাখাৰ উদ্যোগত আৰু যোৰহাট জিলা প্ৰশাসন, অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ, অসম বিজ্ঞান-প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদ, যোৰহাট জিলা আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, যোৰহাট জিলা ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৱেশ, যোৰহাট বিজ্ঞান কেন্দ্ৰ আৰু তাৰকাগৃহ, যোৰহাট পৰিৱেশ মঞ্চ, অসম শৈক্ষিক কেন্দ্ৰ আৰু এছপী-ৰ সহযোগত যোৰহাটৰ বৰভেটিৰ বিজ্ঞান চৌহদত অনুষ্ঠিত মহোৎসৱত আজি যোৰহাটৰ বিভিন্ন অঞ্চলৰ বিদ্যালয়ৰ চাৰি শতাধিক ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু বিজ্ঞানপ্ৰেমীৰ সমাৱেশ ঘটে। অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ উদ্যোগত মহোৎসৱৰ প্ৰথমখন কাৰিকৰী সত্ৰ সঞ্চালনা কৰে পৰিষদৰ সদস্য সচিব ডঃ গৌতম কৃষ্ণ মিশ্ৰই। ডঃ পুলকজ্যোতি ভূঞাই পৰিচালনা কৰা কাৰিকৰী সত্ৰত পৰিষদৰ জ্যেষ্ঠ বিষয়া কান্তেশ্বৰ কলিতাই বক্তব্য আগবঢ়ায়। গৱেষণাপত্ৰ উপস্থাপন কৰে শিৱসাগৰ শাখাৰ নিতালি দলে, গুৱাহাটীৰ মুখ্য কাৰ্যালয়ৰ অংকুৰণ পাঠক, গোলাঘাটৰ মানৱজ্যোতি শইকীয়াই। আজি ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত বিজ্ঞান আৰ্হি আৰু আকস্মিক বক্তৃতা প্ৰতিযোগিতা উদ্বোধন কৰে বিদ্যালয়সমূহৰ পৰিদৰ্শক বুলি গগৈ ভূঞাই। সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে নাট্যকাৰ প্ৰশান্ত কুমাৰ দাসে। নিশাৰ আকাশ নিৰীক্ষণ কাৰ্যসূচী পৰিচালনা কৰে যোৰহাট বিজ্ঞান কেন্দ্ৰ আৰু তাৰকাগৃহৰ পুৰৱী দেৱীয়ে। ইয়াৰ আগেয়ে পুৱা পতাকা উত্তোলন কৰে যোৰহাট বিজ্ঞান সমিতিৰ উপদেষ্টা উমেশ চন্দ্ৰ বৰা আৰু সভাপতি ডঃ বিচিত্ৰ কুমাৰ বৰঠাকুৰে। কাইলৈ অসম বিজ্ঞান সমিতিৰ উদ্যোগত হ'বলগীয়া কাৰিকৰী সত্ৰ সঞ্চালনা কৰিব যোৰহাট বিজ্ঞান সমিতিৰ উপদেষ্টা ডঃ ৰমেশ চন্দ্ৰ বৰুৱাই আৰু কেন্দ্ৰীয় এৰী-মুগা গৱেষণা কেন্দ্ৰৰ কাৰিকৰী সত্ৰ সঞ্চালনা কৰিব টোকোলাই চাহ গৱেষণা কেন্দ্ৰৰ সঞ্চালক ডঃ ভেংকটেশ্বন চেলভাৰাজে। ইয়াৰ পাছতে কুইজ আৰু থলীতে সংবাদ লিখন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। অসম বিজ্ঞান সমিতিৰ উদ্যোগত হ'বলগীয়া শেষৰখন কাৰিকৰী সত্ৰ সঞ্চালনা কৰিব কৃষি বিজ্ঞানী ডঃ কুশল কুমাৰ বৰুৱাই। বিয়লি 'ধেমালিৰ ছলেৰে বিজ্ঞান' অনুষ্ঠান প্ৰদৰ্শন হ'ব।

# দেৰগাঁৱত সুদখোৰৰ মানসিক অত্যাচাৰত চৰম পন্থা যুৱকৰ

## অভিযুক্তক গ্ৰেপ্তাৰৰ দাবী

**দৈনিক অসমৰ প্ৰতিনিধি**

**দেৰগাঁও, ১৯ জানুৱাৰী ঃ** দেৰগাঁও থানাৰ অন্তৰ্গত বনগাঁও গড়গুৰিৰ এজন ২৭ বছৰীয়া যুৱকে সুদখোৰৰ মানসিক অত্যাচাৰত চৰম পন্থা ল'বলৈ বাধ্য হয়। পৰিয়ালৰ তৰফৰপৰা মৃত মনদীপ বৰাৰ বায়েক সুপ্ৰিয়া বৰাই দেৰগাঁও থানাত দাখিল কৰা এজাহাৰ মতে, বনগাঁও বেংগলীপট্টীৰ সুমিত দাসৰপৰা মনদীপে কিছু টকা সুতত ধাৰলৈ লৈছিল। কিন্তু, সময়মতে টকা ঘূৰাই দিব নোৱাৰি সুমিত দাসক জনাইছিল। ইয়াৰ পাছৰেপৰা সুমিত আৰু তেওঁৰ পত্নী ৰিজুমণি দাসে বিভিন্ন সময়ত মনদীপক মানসিক অত্যাচাৰ চলাবলৈ আৰম্ভ কৰে। শেহতীয়াকৈ মাঘ বিহুৰ দিনা মটৰ চাইকেলেৰে ঘৰলৈ আহি থকা অৱস্থাত সুদখোৰ সুমিত দাসে মনদীপৰ মটৰ চাইকেলখন কাঢ়ি ৰাখি সুতসহ সমুদায় টকা পৰিশোধ কৰিলেহে মটৰ চাইকেল ঘূৰাই দিব বুলি কোৱাৰ লগতে তিৰস্কাৰ কৰে। অভিযোগ মতে, সুদখোৰ সুমিত আৰু পত্নী ৰিজুমণি দাসে সুত আৰু মূল বিচাৰি মনদীপক মানসিক অত্যাচাৰ চলাই থাকে। অত্যধিক মানসিক চাপ আৰু অপমানত মনদীপে ১৮ জানুৱাৰীত বিষাক্ত দ্ৰব্য সেৱন কৰে। মনদীপক সংকটজনক অৱস্থাত যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হয় যদিও কালি যুৱকজনৰ মৃত্যু হয়। ইয়াৰ পাছত সুদখোৰ সুমিতৰ বিৰুদ্ধে ৰাইজ ওলাই আহিছে আৰু সুমিত দাসৰ লগতে ৰিজুমণি দাসক ২৪ ঘণ্টাৰ ভিতৰত গ্ৰেপ্তাৰৰ দাবী জনাইছে। দেৰগাঁও থানাত শনিবাৰেই সুদখোৰ স্বামী-স্ত্ৰীৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰাৰ পাছতো আজি পৰ্যন্ত গ্ৰেপ্তাৰ নকৰাৰ অভিযোগ উঠিছে।

৩ পৃষ্ঠাৰ পৰা

# বিশিষ্ট আলোকচিত্ৰ শিল্পী

নগাঁও কল্লোল ভৱনত আয়োজিত এক অনুষ্ঠানত উক্ত বঁটা প্ৰদান কৰে বিশিষ্ট চলচ্চিত্ৰ পৰিচালক অৰূপ মান্নাই। এই বঁটাত আছে সম্বৰ্দ্ধনা পত্ৰ, স্মাৰক আৰু নগদ ধন ২০ হাজাৰ টকা। এই বঁটা গ্ৰহণ কৰি তপন দাসে আৱেগিক হৈ কয়— বঁটা গ্ৰহণ কৰি মই ধন্য মানিছোঁ। এয়া জীৱনৰ এক গুৰুত্বপূৰ্ণ মুহূৰ্ত। কৃতজ্ঞতা প্ৰকাশ কৰিবলৈ মোৰ শব্দৰ অভাৱ। প্ৰসিদ্ধ আলোকচিত্ৰ শিল্পী প্ৰয়াত অমূল্য মান্নাৰ প্ৰসংগ উল্লেখ কৰি তেওঁ কয়— অমূল্য মান্না আমাৰ বাবে আলোকচিত্ৰ জগতৰ পথ প্ৰদৰ্শক আছিল। ফটোগ্ৰাফী কলা অন্য কলাতকৈ পৃথক। যিসকলে ফটোগ্ৰাফী কলা হিচাপে লয়, সেইসকলে যি ফটো তোলে সেয়া সম্পূৰ্ণ নিজৰ বুলি ভাবি লয়। যিহেতু তেওঁ ফটোখন বিক্ৰীৰ বাবে তোলা নাই, সেয়ে নিজৰ ইচ্ছা অনুযায়ী পৰীক্ষা-নিৰীক্ষা কৰিব পাৰে। তেওঁ ভাষণ প্ৰসংগত লগতে কয়— ১৯৭২ চনত সপ্তম শ্ৰেণীত পঢ়ি থাকোঁতেই মই এটা কেমেৰা কিনিছিলোঁ। মোৰ দুৰন্ত হেঁপাহ আছিল এজন ভাল ফটোগ্ৰাফাৰ হোৱাৰ। ফটোগ্ৰাফাৰ হোৱাৰ প্ৰতি থকা দুৰ্বলতাৰ বাবেই সপোনত নভবা কথা এটা আজি বাস্তৱত দেখিবলৈ পাইছোঁ। শ্ৰদ্ধাৰ অমূল্য মান্না ছাৰৰ ছাত্ৰ নহ'লেও আজি তেওঁৰ মহাপ্ৰয়াণৰ শ্ৰদ্ধাঞ্জলিৰ এই পবিত্ৰ দিনটোত তেওঁৰ নামত উছৰ্গা কৰা বঁটাপ্ৰাপ্তিয়ে মোক যেন মোৰ কামৰ স্বীকৃতি প্ৰদান কৰিলে এই অনুভৱেই হৈছে। ফটোগ্ৰাফী শিকিবলৈ কলাসুলভ মন থাকিব লাগিব বুলি মন্তব্য কৰি দাসে কয়— মানুহ নিৰোগী হৈ থকাৰ আন এটা মহৌষধ ফটোগ্ৰাফী। ইয়াৰ দ্বাৰা মানুহ চিৰসেউজ হৈ থাকিব পাৰে। প্ৰসংগক্ৰমে আলোকচিত্ৰ শিল্পী তপন দাসে বৰ্তমানলৈকে ১৬খন চিনেমাৰ স্থিৰচিত্ৰ গ্ৰহণ কৰা সন্দৰ্ভত শ্ৰুতিমধুৰ ভাষণেৰে কেমেৰাত বন্দী কৰা ৰোমাঞ্চকৰ অভিজ্ঞতাৰ বিষয়ে দোহাৰি সকলোকে মুগ্ধ কৰি তোলে। অনুষ্ঠানৰ আৰম্ভণিতে প্ৰয়াত অমূল্য মান্নাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে তেওঁৰ একালৰ সহযোগী বিশিষ্ট শিল্পী তাৰিণী মোহন শৰ্মাই। ইয়াৰ পাছতেই সদ্যপ্ৰয়াত অসমৰ বিশিষ্ট আলোকচিত্ৰ শিল্পী নলিনী বৰুৱাৰ আত্মাৰ চিৰশান্তি কামনা কৰি মৌন প্ৰাৰ্থনা কৰা হয়। আলোকচিত্ৰ শিল্পী অমূল্য মান্নাৰ নাতিনী অভিনন্দা মান্নাই এটা গণেশ বন্দনাৰে সভাৰ আৰম্ভণি কৰে। সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি বিশিষ্ট অনুবাদক কৃষ্ণ দুলাল বৰুৱাই নিজৰ ভাষণ প্ৰসংগত অমূল্য মান্নাৰ জীৱনৰ ওপৰত ৰেখাপাত কৰে। তেওঁ অমূল্য মান্না অসমৰ প্ৰথমজন ফটো সাংবাদিক আৰু সাংস্কৃতিক সংবাদসেৱাৰ বাটকটীয়া বুলি মননশীল বক্তব্য আগবঢ়ায়। স্মৃতিৰক্ষা সমিতিৰ সম্পাদক মুকুল প্ৰসাদ বৰঠাকুৰে আঁত ধৰা অনুষ্ঠানটোত শলাগৰ শৰাই আগবঢ়াই ফটোগ্ৰাফী ইনষ্টিটিউটৰ অধ্যক্ষ অৰূপ মান্নাই। অনুষ্ঠানটোত নৌচাদ আখতাৰ হাজৰিকা, নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ তথা নগাঁও জিলা সাহিত্য সভাৰ সভাপতি ডঃ শৰৎ বৰকটকী, নগাঁও প্ৰেছ ক্লাবৰ সভাপতি জিতেন বৰকটকী, অমূল্য মান্না স্মৃতিৰক্ষা সমিতিৰ সভাপতি তথা জ্যেষ্ঠ সাংবাদিক শৈলেন শইকীয়া, নাট্যকাৰ অজিত বৰঠাকুৰ, সুৰজিৎ গোস্বামী, গকুল চেত্ৰী, সপোনটি বৰদলৈ, মুৰুলী শৰ্মা, প্ৰাঞ্জল বৰদলৈ, উজ্জ্বল বৰুৱা, প্ৰতীক ভট্টাচাৰ্য, বিপুল কুমাৰ বৰা, উজ্জ্বলজ্যোতি দাস, কানু লস্কৰ, নৃপেন শইকীয়া প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

# ৩জনৰ মৃত্যু

থিতাতে নিহত হয় স্কুটী আৰোহীগৰাকী। গুৱাহাটীৰ দিশৰপৰা ৰঙিয়া অভিমুখে আহি আছিল স্কুটীখন। দীৰ্ঘদিন ধৰি উৰণ সেতুত থকা ষ্ট্ৰীটলাইট নজ্বলোৱাৰ ফলত অবৈধ ট্ৰাক পাৰ্কিঙৰ বাবে এই দুৰ্ঘটনা সংঘটিত হোৱা বুলি অভিযোগ কৰিছে স্থানীয় ৰাইজে। নিহত স্কুটী আৰোহীগৰাকী দৰং জিলাৰ আউলাচৌকাৰ দীপাংকৰ চহৰীয়া বুলি চিনাক্ত হৈছে। কণ্টেইনাৰখনৰ নম্বৰ ডব্লিউ বি ০৫ এ ৩০৩৬ আৰু স্কুটীখনৰ নম্বৰ এ এছ ১৩ ইউ ৩১৪৬।

**বাক্সাত ডাম্পাৰৰ খুন্দাত এজনৰ মৃত্যু**

**মুছলপুৰৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** বাক্সাত তীব্ৰবেগী ডাম্পাৰৰ দৌৰাত্ম্য দিনকদিনে বৃদ্ধি পোৱাৰ সময়তে কালি জিলাখনৰ মুছলপুৰ মহকুমাৰ অন্তৰ্গত বালাবাৰীৰ পূৰ্ণ গয়াৰী নামৰ এজন যুৱকৰ ডাম্পাৰৰ খুন্দাত মৃত্যু হয়। ঘটনাৰ বিৱৰণি অনুসৰি, কালি পূৰ্ণ গয়াৰীয়ে মটৰ চাইকেলেৰে গৈ থকা অৱস্থাত পিছফালৰপৰা এ এছ ২৭ চি ৫৭২৭ নম্বৰৰ এখন তীব্ৰবেগী ডাম্পাৰে খুন্দা মাৰে। ফলত যুৱকজন গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। সংকটজনক অৱস্থাত তেওঁক চিকিৎসালয়লৈ লৈ যোৱা হয় যদিও আদবাটতে তেওঁৰ মৃত্যু হয়। উল্লেখ্য যে বাক্সাৰ মুছলপুৰ সদৰ থানাৰ অন্তৰ্গত নিকাছি-চিনাদী সংযোগী পথত এই দুৰ্ঘটনাটো সংঘটিত হয়। ইফালে, ক্ষুব্ধ স্থানীয় ৰাইজে আজি তীব্ৰবেগী ডাম্পাৰৰ দৌৰাত্ম্য বন্ধ কৰাৰ বাবে বাক্সা জিলা আৰক্ষী-প্ৰশাসনক দাবী জনায়।

**নাগ্ৰীজুলিৰ দৈমাবাৰীত পথ দুৰ্ঘটনাত এজন নিহত**

**তামুলপুৰৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** তামুলপুৰ থানাৰ নাগ্ৰীজুলি আৰক্ষী চকীৰ অন্তৰ্গত দৈমাবাৰীত আজি আবেলি সংঘটিত এক পথ দুৰ্ঘটনাত থিতাতে এজন লোক নিহত হয়। নিহত লোকজন কাউলি হৰিণচৰা গাঁৱৰ চুপল কিস্কু (৪৫) বুলি জানিব পৰা গৈছে। সাহপুৰ- কুসুমজুলি পথৰ লালডোঙৰ এখন দলঙত সংঘটিত হৈছে এই পথ দুৰ্ঘটনাটো। কাউলী হৰিণচৰাৰ চুপল কিস্কু নামৰ লোকজনে আজি দিনৰ ভাগত সাহপুৰ গাঁৱলৈ আলহী খাবলৈ আহিছিল। আলহী খাই আবেলি নিজৰ এ এছ ২৮ ই ৫৯০১ নম্বৰৰ স্কুটীৰে ঘৰলৈ উভতি যোৱাৰ পথত নিয়ন্ত্ৰণ হেৰুৱাই লালডোঙৰ পকী দলঙৰ ৰেলিঙত প্ৰচণ্ড জোৰে খুন্দা মাৰি ছিটিকি পৰে আৰু থিতাতে নিহত হয় লোকজন। ঘটনাৰ খবৰ পাই নাগ্ৰীজুলি আৰক্ষী চকীৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰে আৰু মৰণোত্তৰ পৰীক্ষাৰ দিহা কৰে।

# আমাৰ অধিকাৰ পাবই

বাক্সা জিলা সমিতিৰ ২১ সংখ্যক বাৰ্ষিক অভিৱৰ্তনৰ আজি সামৰণি পৰে। মুছলপুৰ চহৰৰ দুৰ্গা মন্দিৰ খেলপথাৰ প্ৰাংগনত অনুষ্ঠিত এই অভিৱৰ্তনত আজি পুৱা পতাকা উত্তোলন কৰে বাক্সা জিলা বড়ো ছাত্ৰ সন্থাৰ সভাপতি নন্দেশ্বৰ বড়োৱে। বডোফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে নিখিল বড়ো ছাত্ৰ সন্থাৰ উপ-সভাপতি উমেশ দৈমাৰীয়ে। শ্বহীদ তৰ্পণ কৰে মুছলপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ প্ৰিয়নাথ বসুমতাৰীয়ে। ইয়াৰ পাছত দিনৰ ভাগত অনুষ্ঠিত হয় মুকলি সভা। এবছুৰ বাক্সা জিলা সমিতিৰ সভাপতি নন্দেশ্বৰ বড়োৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাখন উদ্বোধন কৰি কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই কয় যে নিখিল বড়ো ছাত্ৰ সন্থাই বড়ো জাতিৰ উত্তৰণত বৃহৎ ভূমিকা গ্ৰহণ কৰি আহিছে। ১৯৬৭ চনৰ ১৫ ফেব্ৰুৱাৰীত কোকৰাঝাৰৰ ট্ৰাইবেল ৰেষ্ট হাউছত নিখিল বড়ো ছাত্ৰ সন্থা গঠনৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱা হৈছিল বুলি মন্তব্য কৰি মন্ত্ৰী ব্ৰহ্মই কয়, সেই দিনটোৰপৰা সুদীৰ্ঘ সময়ছোৱাত নিখিল বড়ো ছাত্ৰ সন্থাই অৰাজনৈতিক সংগঠন হিচাপে বড়ো জাতিৰ বিকাশৰ মূল নায়কৰ ভূমিকা গ্ৰহণ কৰি আহিছে। আনহাতে, সভাৰ মুখ্য অতিথি, এবছুৰ সভাপতি দ্বীপেন বড়োৱে কয়, 'বড়ো জাতিক বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰাৰ বাবে এবছুৱে অহৰ্নিশে কাম কৰি আছে। বড়ো আন্দোলনৰদ্বাৰা বড়ো জাতিক প্ৰতিষ্ঠা কৰা হ'ল আৰু এতিয়া বড়ো জাতিক অগ্ৰণী জাতি হিচাপে প্ৰতিষ্ঠা কৰিবলৈ এবছুৱে গুণগত শিক্ষা, মাতৃভাষা মাধ্যম, কলা-সাহিত্য-সংস্কৃতিত অধিক গুৰুত্ব দিয়াৰ উপৰি সমাজৰপৰা নিচাযুক্ত দ্ৰব্য নাইকিয়া কৰা, বেআইনী কাৰ্যকলাপ নাইকিয়া কৰাত গুৰুত্ব আৰোপ কৰিছে।' এবছুৱে বিগত ৫৮ বছৰে বড়ো জাতিক সঠিক পথৰ সন্ধান দিয়াৰ লগতে সমাজৰ উত্তৰণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে বুলিও মন্তব্য কৰে এবছুৰ সভাপতিগৰাকীয়ে। 'আমি চুক্তি কৰিছোঁ, ৰূপায়ণ কৰিছোঁ আৰু আমি অধিকাৰ পাবই লাগিব।'—তেওঁ কয়। ইপিনে, ৰাজ্য চৰকাৰে বড়ো জনগোষ্ঠীৰ জাতীয় নৃত্য 'বাগুৰুম্বা'ক বিশ্ব দৰবাৰলৈ নিয়াৰ বাবে প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই যি কাৰ্যব্যৱস্থা হাতত ল'লে, তাৰ বাবে তেওঁক এবছুৰফালৰপৰা ধন্যবাদ জ্ঞাপন কৰে। 'বি টি আৰ, ডিমা হাছাও আৰু কাৰ্বি আংলঙৰ ষষ্ঠ অনুসূচীৰ কাম ৰাজ্য আৰু কেন্দ্ৰ চৰকাৰে আগবঢ়াই নিয়ক। আমি আমাৰ ভৱিষ্যৎ অন্ধকাৰ কৰিবলৈ বিচৰা নাই। আমি আমাৰ অধিকাৰ পাবই লাগিব। এতিয়ালৈ আমাৰ পাঁচ হাজাৰ লোক শ্বহীদ হৈছে। পহিলা ফেব্ৰুৱাৰীৰপৰা সংসদৰ বাজেট অধিৱেশনত বড়ো জাতিক প্ৰতিশ্ৰুতি দিয়ামতে ৰূপায়ণৰ বাবে দায়িত্ব লওক। সংসদত বিধেয়ক আনি হ'লেও বড়ো চুক্তিৰ দফা পূৰণ কৰক।' এনেদৰে দাবী জনায় তেওঁ। ২০০৩ চনৰ বড়ো চুক্তিমৰ্মে ৯৫ খন বিবদমান গাঁও সম্পৰ্কত এতিয়ালৈ মীমাংসা হোৱা নাই। কাৰ্বি আংলঙৰ বড়ো (পাহাৰীয়া) লোকসকলক এছ টি (পাৰ্বত্য) আৰু ২০২০ চনৰ বড়ো চুক্তিমৰ্মে কাৰ্বিসকলক এছ টি (ভৈয়াম) কৰিব লাগে বুলি এবছুৱে দাবী কৰে। আমি বড়ো আৰু কাৰ্বিৰ মৰ্যাদাৰ বাবে যুঁজিছোঁ। দুয়োটা সমস্যা একেলগে সমাধান হ'ব লাগে। ইফালে, ১৭ জানুৱাৰীত প্ৰধানমন্ত্ৰীয়ে অংশ লোৱা গুৱাহাটীৰ সৰুসজাইত বাগুৰুম্বা দহৌত অংশ লোৱাৰ বাবে নিখিল বড়ো ছাত্ৰ সন্থাৰ সভাপতি হিচাপে তেওঁ তালৈ হৈছিল। কিন্তু, অনুষ্ঠানটোৰ নিৰাপত্তাৰ দায়িত্বত থকা একাংশ বিষয়াই তেওঁৰ প্ৰৱেশপত্ৰ থকাৰ পাছতো প্ৰৱেশত বাধা প্ৰদান কৰাত ক্ষোভ প্ৰকাশ কৰে এবছুৰ সভাপতিজনে। আজিৰ মুকলি সভাত এবছুৰ উপ-সভাপতি উমেশ দৈমাৰী, প্ৰাক্তন উপ-সভাপতি ৰৌমদৌন বসুমতাৰী, বি টি চিৰ পাৰিষদ মণ্টু বড়োকে ধৰি কেবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# কাজিৰঙাত পুনৰ

ঢেঁকীয়াপতীয়া বাঘিনীৰ শৱদেহ উদ্ধাৰ হৈছে। বাগৰি বনাঞ্চলৰ কাঠপৰা বন শিবিৰ এলেকাৰ এখন কাঠনিৰ মাজৰ বনপথতে বাঘিনীজনীৰ শৱদেহটো উদ্ধাৰ কৰে কৰ্তব্যৰত বনকৰ্মীয়ে। বাঘিনীজনীৰ শৱদেহটো পোৱাৰ পাছত আজি পুৱা পূব অসম বন্যপ্ৰাণী সংমণ্ডলৰ ডি এফ অ' অৰুণ বিগ্নেশৰ নেতৃত্বত বন বিষয়া আৰু পশু চিকিৎসকৰ দল ঘটনাস্থলীত উপস্থিত হয়। দলটোৰ সৈতে যোৱা পাণবাৰীৰ বন্যপ্ৰাণী পুনৰ সংস্থাপন আৰু সংৰক্ষণ কেন্দ্ৰৰ পশু চিকিৎসক ডাঃ মোহিত নাউল আৰু কাজিৰঙাৰ বিভাগীয় পশু চিকিৎসক ডাঃ সৌৰভ বুঢ়াগোহাঞিয়ে ঘটনাস্থলীতে বাঘিনীজনীৰ মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰে। এই পৰীক্ষাৰ পাছত ডি এফ অ' অৰুণ বিগ্নেশে বাঘিনীজনীৰ পাৰস্পৰিক যুঁজত মৃত্যু হোৱা বুলি জানিবলৈ দিয়ে। মৰণোত্তৰ পৰীক্ষাত চাৰি বছৰীয়া পূৰ্ণবয়স্ক বাঘিনীজনীৰ শৰীৰৰ বিভিন্ন স্থানত গভীৰ আঘাতৰ উপৰি ৰাজহাড়ো ভগা অৱস্থাত পোৱা বুলি বিষয়াজনে প্ৰকাশ কৰে। মৰণোত্তৰ পৰীক্ষাৰ পাছত কেন্দ্ৰীয় ব্যাঘ্ৰ সংৰক্ষণ প্ৰাধিকৰণৰ নিৰ্দেশ মতে সকলোৰে উপস্থিতিত ঘটনাস্থলীতেই বাঘিনীজনীৰ শৱদেহটো জ্বলাই দিয়া হয়। উল্লেখ্য যে চলিত মাহতেই বাগৰি বনাঞ্চলত উদ্ধাৰ হোৱা ঢেঁকীয়াপতীয়া বাঘিনীৰ এইটো দ্বিতীয় শৱদেহ। ইয়াৰ পূৰ্বে যোৱা ৪ জানুৱাৰীত বাগৰি বনাঞ্চলৰ পশ্চিম বিমলি বন শিবিৰ এলেকাত পাৰস্পৰিক যুঁজত মৃত্যু হোৱা ঢেঁকীয়াপতীয়া বাঘিনীৰ শৱদেহ উদ্ধাৰ হৈছিল।

# পকেট মানিৰ বাবেই

পতন হ'ব। — এই মন্তব্য সাংসদ তথা অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি গৌৰৱ গগৈৰ। গৌৰৱ গগৈয়ে আজি দিনজোৰা কাৰ্যসূচীৰে গোৱালপাৰাত উপস্থিত হৈ প্ৰথমে গোৱালপাৰা চহৰৰ সমীপৱৰ্তী ভালুকডুবিৰ ৰাজীৱ ভৱনৰ সন্মুখত থকা প্ৰয়াত তৰুণ গগৈ আৰু জুবিন গাৰ্গৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইয়াৰ পাছত সাংবাদিকৰে হোৱা বাৰ্তালাপাত আগন্তুক নিৰ্বাচনত অখিল গগৈয়ে আসন বিচৰা সন্দৰ্ভত তেওঁ কয় যে অখিল গগৈয়ে তেওঁৰ সভাত কি কয় কৈ থাকক। এশখনৰ অধিক আসনত কংগ্ৰেছে প্ৰতিদ্বন্দ্বিতা কৰিব। বন্ধুত্বৰ ক্ষেত্ৰত আসন বুজাবুজি হোৱা কথাটো সংবাদ মাধ্যমৰ আগত কোৱা কথা নহয় বুলিও কয়। তেওঁ কয়— বাগুৰুম্বা নৃত্য প্ৰধানমন্ত্ৰীৰ আগত প্ৰদৰ্শন কৰাটো ভাল পাইছোঁ, কিন্তু বিটিআৰ নিৰ্বাচনত বিজেপিয়ে কিয় মুখথেকেচা খালে সেইটো প্ৰধানমন্ত্ৰীক ক'লেনে নক'লে সেয়া মই মুখ্যমন্ত্ৰীৰ পৰা জানিব বিচাৰোঁ। কাজিৰঙাৰ এলিভেটেড কৰিড'ৰ সন্দৰ্ভত কয় যে হিমন্ত বিশ্ব শৰ্মাক ঠিকাদাৰৰ পৰা পকেট মানী লাগে। সেইবাবে এলিভেটেড কৰিড'ৰ নিৰ্মাণ কৰিব বিচাৰিছে। মুখ্যমন্ত্ৰীয়ে বেছিকৈ ফ্লাইঅভাৰৰ ওপৰত গুৰুত্ব দিয়াৰ কাৰণ হ'ল তেওঁক ঠিকাদাৰৰ পৰা পকেট মানী লাগে। বিজেপিৰ লগত সুসম্পৰ্ক থকা কিছুমান লোকে জনজাতীয় লোকৰ মাটি বেদখল কৰিছে। ইয়াৰ পাছত সভাপতিগৰাকীয়ে গোৱালপাৰা পশ্চিম সমষ্টিৰ অন্তৰ্গত দদান মন্দিৰত উপস্থিত হৈ সেৱা জনায়। তদুপৰি তেওঁ পশ্চিম গোৱালপাৰাৰ বলাইখামাৰত উপস্থিত হৈ মাটি বেদখল হোৱা প্ৰায় ৩৫টাকৈ জনজাতীয় পৰিয়ালক সাক্ষাৎ কৰে। ভুক্তভোগী পৰিয়ালৰ লোকসকলক সাক্ষাৎ কৰি গৌৰৱ গগৈয়ে কয় যে বিজেপি চৰকাৰে বাৰে বাৰে কৈ থাকে যে তেওঁলোকে খিলঞ্জীয়া লোকক সুৰক্ষা দিয়ে। কিন্তু খিলঞ্জীয়া লোকৰ মাটি বেদখল কৰা দলটোৱে হৈছে বিজেপি দল। কিন্তু কংগ্ৰেছে সকলো জাতি-জনগোষ্ঠীৰ মাটি সুৰক্ষা প্ৰদান কৰিব। ভোটাৰ তালিকাৰ পৰা বহু লোকৰ নাম কৰ্তন কৰা সন্দৰ্ভত সাংবাদিকে সোধা এটা প্ৰশ্নৰ উত্তৰত গৌৰৱ গগৈয়ে কয় যে বিজেপি দলৰ ভয় হৈছে যে অসমৰ মানুহে যদি বাস্তৱতে ভোট দিয়ে তেন্তে বিজেপিৰ পৰাজয় নিশ্চিত। সেইবাবে ক'ৰবাত উত্তৰ প্ৰদেশ, ক'ৰবাত বিহাৰৰ পৰা মানুহ আনি ভোটাৰ তালিকাত সোমাইছে আৰু ক'ৰবাত অসমৰ লোকক ভোটৰ পৰা বঞ্চিত কৰা হৈছে। তেওঁ লগতে প্ৰশ্ন কৰে বিজেপিয়ে যদি ইমানেই ভাল কাম কৰিছে, বিজেপি দল যদি ইমানেই জনপ্ৰিয় তেন্তে ভোটাৰ তালিকাত ইমান কিয় খেলিমেলি কৰিছে। ভোটাৰ তালিকা সন্দৰ্ভত বিজেপিৰ ৰাজ্যিক সভাপতিয়ে জুম মিটিঙত কি আলোচনা হৈছিল সেয়া অসমৰ সকলো ৰাইজে জানে যদিও আজিলৈকে কোনোধৰণৰ তদন্ত নহ'ল। গতিকে তেওঁ কেন্দ্ৰীয় নিৰ্বাচন আয়োগক এই সন্দৰ্ভত তদন্তমৰ্মে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। ইপিনে, গৌৰৱ গগৈয়ে বলাইখামাৰাত দুগৰাকী মুক্তিযোদ্ধাৰ সৈতে মত বিনিময় কৰে। ইয়াৰ পাছত অসমৰ আটাইতকৈ স্বচ্ছ আৰু পৰিষ্কাৰ গাঁও ৰাংছাপাৰাত উপস্থিত হৈ গাৰো জনগোষ্ঠীৰ জ্যেষ্ঠ নাগৰিকৰ সৈতে মত বিনিময় কৰে। ইয়াৰ পাছত দেৰেকত উপস্থিত হয় আৰু ৰাইজৰ লগত মত বিনিময় কৰি বলবলাৰ কাচিখাগ্ৰাত ৰাজহুৱা সভাত অংশগ্ৰহণ কৰে। গৌৰৱ গগৈৰ আজিৰ কাৰ্যসূচীত সংগ দিয়ে গোৱালপাৰা জিলাৰ চাৰিগৰাকী বিধায়ক ক্ৰমে এ কে ৰছিদ আলম, আফতাব উদ্দিন মোল্লা, যাদৱ স্বৰ্গীয়াৰী আৰু আব্দুৰ ৰছিদ মণ্ডলে। তদুপৰি জিলা কংগ্ৰেছৰ সভাপতি দিগন্ত কুমাৰ মেধি, জিলা কংগ্ৰেছৰ বিষয়ববীয়াসকল আৰু আগন্তুক বিধানসভা নিৰ্বাচনৰ প্ৰাৰ্থিত্বপ্ৰত্যাশীসকলে সংগ দিয়ে।

# 'দৈনিক অসম'ৰ সঞ্জয়

ফ'কাছৰ দশম বৰ্ষপূৰ্তি অনুষ্ঠানত এই বঁটা প্ৰদান কৰা হ'ব সঞ্জয় বৰুৱাক। সাংবাদিকতাৰ সমান্তৰালকৈ বৰুৱাই গঠন কৰা পৰিৱেশ সংৰক্ষণমূলক সংস্থা 'সেউজ ছ'চাইটী' বিভিন্ন কামত জড়িত হৈ আহিছে। অসমৰ সৰ্ববৃহৎ সৰ্প উদ্ধাৰকাৰী দল হিচাপে পৰিচিত 'সৰ্পবান্ধৱ সৌৰভ বৰকটকী গোট'ৰো তেওঁ বৰ্তমান মুখ্য সম্পাদকৰ দায়িত্বত আছে।

# আজিৰেপৰা কাৰ্বি সাহিত্য

ক্ৰীড়া বাকৰি। প্ৰাণ পাই উঠিব কাৰ্বি লামেত আমেই (কাৰ্বি সাহিত্য সভাৰ)ৰ ৩৪সংখ্যক অধিৱেশন। পশ্চিম কাৰ্বি আংলং জিলাৰ ১ নং দোৱাৰ আমলা পৰিষদীয় সমষ্টিৰ অধীনৰ ভকচং হৰ্নবিল ক্ৰীড়া বাকৰিত ন-পুৰণি কাৰ্বি ভাষাৰ কবি-সাহিত্যিকৰ উপস্থিতিত সৃষ্টি হ'ব উদুলি-মুদুলি পৰিৱেশৰ। ইতিমধ্যে আদৰণী সমিতিয়ে ভকচঙৰ হৰ্নবিল বাকৰি সজাই-পৰাই তুলিছে। দহ হাজাৰ লোকে একলগে বহিব পৰা মূল মণ্ডপৰ লগতে পঁইসত্তৰখন বিপণী, বিশাল ভোজনালয় আদি সাজি উলিওৱা হৈছে। অধিৱেশনস্থলীৰ সংযোগী পথসমূহ মেৰামতি কৰি উলিওৱা হৈছে। অধিৱেশনত ন-পুৰণি সাহিত্যিকৰ ১০০ খন গ্ৰন্থ প্ৰকাশ পাব। ২৩ জানুৱাৰীলৈ চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব লগা কাৰ্বি জনগোষ্ঠীৰ ভাষা-সাহিত্যৰ ধ্বজাবাহক কাৰ্বি লামেত আমেই অৰ্থাৎ কাৰ্বি সাহিত্য সভাৰ ৩৪ সংখ্যক অধিৱেশনখনিৰ বাবে ভকচঙৰ হৰ্নবিল ক্ৰীড়া বাকৰিত উদুলি-মুদুলি পৰিৱেশে বিৰাজ কৰিছে।

# আজমলৰ তলাটোৰ চাবি

অনুষ্ঠিত গণ সমাৱেশত ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈয়ে মুখ্য অতিথি হিচাপে অংশ লৈ কয় যে এইবাৰ কংগ্ৰেছ, ৰাইজৰ দল, অসম জাতীয় পৰিষদে মিলি চৰকাৰ গঠন কৰিব। তেওঁ কয়, 'আজিৰ তাৰিখত অসমৰ মানুহৰ কোনো নিৰাপত্তা নাই। বিশেষকৈ ধৰ্মীয় সংখ্যালঘু মানুহবোৰে এতিয়া ঘৰৰপৰা ওলাব নোৱাৰা পৰিস্থিতিৰ সৃষ্টি হৈছে। বজৰং দলৰ লগতে হিন্দুত্ববাদী দল-সংগঠনৰ নেতা-কৰ্মীৰ অত্যাচাৰত এতিয়া অসমৰ মানুহ ভয়ত থাকিব লগা হৈছে। বিজেপিক অসমৰ শাসনভাৰৰপৰা খেদিব লাগিলে অসমৰ সংখ্যালঘু মানুহে এ আই ইউ ডি এফক খেদি পঠিয়াব লাগিব।' তেওঁ কয় যে বিজেপি হিন্দু সাম্প্ৰদায়িক হোৱাৰ বিপৰীতে এ আই ইউ ডি এফ হৈছে মুছলমান সাম্প্ৰদায়িক দল। গতিকে দুয়োটা সাম্প্ৰদায়িক দলকে ৰাজনীতিৰপৰা বিদায় দি অসমত শান্তি-সম্প্ৰীতিৰে বসবাস কৰাৰ সুযোগ দিব লাগে। আধুনিক যুগত ধৰ্মৰ নামত ৰাজনীতি কৰা ৰাজনৈতিক দলক সকলোৱে মিলি ব্ৰহ্মপুত্ৰত উটুৱাই দিব লাগিব। গগৈয়ে কয়, 'বৰ্তমান অসমৰ ৰাজনীতিত বিজেপি আৰু এ আই ইউ ডি এফ দল দুটা এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি হৈ কাম কৰি আছে।' ৰাইজৰ দলৰ সভাপতি গগৈয়ে কয়, 'মই আহোম মানুহ। ১৭ বাৰ মোগলৰ বিৰুদ্ধে যুদ্ধ কৰি অসম ৰক্ষা কৰাসকলৰ বংশধৰ। যদি আপোনালোকে এ আই ইউ ডি এফক ব্ৰহ্মপুত্ৰত দলিয়াব পাৰে, তেন্তে উজনি অসমৰপৰা মই অকলেই বিজেপিক প্ৰতিহত কৰিম।' মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক সমালোচনা কৰি তেওঁক বশ কৰাই '২৬ৰ নিৰ্বাচনৰ মূল লক্ষ্য বুলি কয় অখিল গগৈয়ে। 'অসমৰ ৰাজনীতিত বদৰুদ্দিন আজমলৰ এ আই ইউ ডি এফৰ প্ৰতীক তলাটো আজমলৰ হাতত থাকিলেও তলাটোৰ ছাবিপাত হিমন্ত বিশ্ব শৰ্মাৰ হাততহে থাকে। অৰ্থাৎ হিমন্ত বিশ্ব শৰ্মাৰ শ্ৰুতলিপি মতে কাম কৰে বদৰুদ্দিন আজমলে।' —এনেদৰে মন্তব্য কৰি তেওঁ কয় যে মুছলমান মানুহে এ আই ইউ ডি এফক ভোট দিলে উজনি অসমৰ হিন্দু মানুহে বিজেপিক ভোট দিবই। হিন্দু-মুছলমানৰ ৰাজনীতি বাদ দি সকলোৱে দামবৃদ্ধিৰ বিৰুদ্ধে ভোট দিবলৈ আহ্বান জনায় অখিল গগৈয়ে। গণ সমাৱেশত গগৈয়ে পুনৰ কয় যে '২৬ৰ নিৰ্বাচনত ৰাইজৰ দলক আগন্তুক নিৰ্বাচনত হ'বলগীয়া চৰকাৰৰ অংশীদাৰ হোৱাৰ সুযোগ দিলে ৰাজ্যৰ মিঞা মুছলমান লোকক মাটিৰ পট্টা প্ৰদান কৰা হ'ব। সাংবাদিকৰে হোৱা বাৰ্তালাপত বিধায়ক অখিল গগৈয়ে কয়, ২০২৬ৰ নিৰ্বাচনত এ আই ইউ ডি এফক বাদ দি বাকী বিৰোধী দলসমূহৰ মাজত মিত্ৰতা হোৱাটো এশ শতাংশ নিশ্চিত। মিত্ৰতাৰ ক্ষেত্ৰত ৰাইজৰ দলে কোনো পূৰ্বচৰ্ত আৰোপ কৰা নাই যদিও নামনি অসমৰ সংখ্যালঘুপ্ৰধান অঞ্চলত দুই-এটা সমষ্টি ৰাইজৰ দলক এৰি নিদিলে কিছু কিছু তেনে সমষ্টিত বন্ধুত্বমূলক প্ৰতিদ্বন্দ্বিতা হোৱাৰ অৱকাশ নথকা নহয়। আগন্তুক নিৰ্বাচনক লৈ বিধায়ক গগৈয়ে কয় যে বিৰোধী দল হিচাপে এ আই ইউ ডি এফক কোনেও বিশ্বাস কৰিব পৰা নাই। তেনে অৱস্থাত নিৰ্বাচনত বিৰোধীয়ে প্ৰাৰ্থী দিয়াৰ সম্ভাৱনা একেবাৰেই ক্ষীণ। সভাত ৰাইজৰ দলৰ হৈ চেঙা সমষ্টিৰ প্ৰাৰ্থিত্বপ্ৰত্যাশী অধিবক্তা ছেলিমা আহমেদ, মেহবুব আলী, মেৰাজ ওৱাছিকুৰ ৰহমানৰ লগতে কেবাজনো ব্যক্তিয়ে ভাষণ দিয়ে।

# গোষ্ঠী সংঘৰ্ষত ক্ষতিগ্ৰস্তক

সদস্যসকলৰ বাবে পুনৰ সংস্থাপনৰ দাবী উত্থাপন কৰে। গোসাঁইগাঁও মহকুমাৰ পেচাডাবৰি গাঁৱত আজি এ ডি এফৰ প্ৰাক্তন সৈন্যাধ্যক্ষ হাবেল মুৰ্মু, সাধাৰণ সম্পাদক সনীল মুৰ্মু আৰু এন এছ এল এৰ প্ৰাক্তন অধ্যক্ষ নাথানিয়েল হেমব্ৰমৰ উপস্থিতিত আয়োজিত সংবাদ মেলত তেওঁলোকে কয় যে লাঞ্ছিত আৰু বঞ্চিত আদিবাসী জনগোষ্ঠীৰ স্বাৰ্থত দীৰ্ঘ সময় সংগ্ৰাম কৰাৰ অন্তত চৰকাৰৰ আহ্বান তথা প্ৰতিশ্ৰুতিত বিগত ২০২০ চনৰ ২৩ জানুৱাৰীত দুয়োটা সংগঠনৰ সদস্যসকলে আত্মসমৰ্পণ কৰিছিল। আত্মসমৰ্পণ কৰা প্ৰতিজন সদস্যক চৰকাৰে গাইপতি এক লাখ পঞ্চাশ হাজাৰ টকা পুনৰ সংস্থাপনৰ বাবে দিয়াৰ কথা আছিল। কিন্তু, এ ডি এফৰ সৰ্বমুঠ ৫২৬ জন সদস্য আছিল। ইয়াৰে ১৮৫ জন সদস্যই পুনৰ সংস্থাপনৰ টকা লাভ কৰিছে যদিও ৩৪১ জনে পুনৰ সংস্থাপনৰ ধন লাভ কৰিবলৈ সক্ষম হোৱা নাই। আনহাতে, এন এছ এল এৰ ২৬৬ জন সদস্য আছিল। ইয়াৰে ৭৭ জন সদস্যই পুনৰ সংস্থাপনৰ ধন লাভ কৰিছে যদিও ১৮৯ সদস্যই কোনো সাহায্য লাভ কৰিবলৈ সক্ষম হোৱা নাই। ফলত পুনৰ সংস্থাপনৰপৰা বঞ্চিত দুয়োটা সংগঠনৰ সদস্যসকলে অতি কষ্টৰে জীৱন অতিবাহিত কৰিবলগীয়া হৈছে। জাতিৰ স্বাৰ্থত কাম কৰা প্ৰাক্তন সংগ্ৰামীসকলে জীৱিকাৰ সন্ধানত বহিঃৰাজ্যলৈ যোৱাৰ লগতে কিছুমানে সাধাৰণ শ্ৰমিক হিচাপে জীৱিকা-নিৰ্বাহ কৰি আছে। উক্ত বঞ্চিত সদস্যসকলক সমাগত বিধানসভা নিৰ্বাচনৰ পূৰ্বে পুনৰ সংস্থাপনৰ দাবী কৰে তেওঁলোকে। অন্যথা চৰকাৰৰ বিৰোধিতা কৰাৰ হুংকাৰ দিয়ে সংগঠন দুটাৰ নেতাসকলে। আনহাতে, ১৯৯৬, ১৯৯৮ আৰু ২০১৪ চনত সংঘটিত গোষ্ঠী সংঘৰ্ষত ক্ষতিগ্ৰস্ত আদিবাসী পৰিয়ালসকলক চৰকাৰৰফালৰপৰা পৰ্যাপ্ত পুনৰ সংস্থাপন দিবলৈ চৰকাৰৰ ওচৰত দাবী কৰে সংগঠন দুটাৰ নেতাসকলে। তদুপৰি আদিবাসীসকলৰ সমস্যাসমূহ ৰাজনৈতিকভাৱে সমাধান কৰাৰ লগতে চৰকাৰৰ সকলো আঁচনি সমভাৱে আদায়ৰ বাবে সদনত আদিবাসী নেতাৰ প্ৰয়োজন আছে বুলি উল্লেখ কৰি আদিবাসী সংখ্যাগৰিষ্ঠ সমষ্টিত বিজেপিৰপৰা আদিবাসী লোকক প্ৰাৰ্থিত্ব প্ৰদান কৰিবলৈ নেতাসকলে দাবী জনায়।

■ আফ্ৰিকা কাপ অব নেচন্‌ছ ঃ ১-০ গ'লত পৰাস্ত মৰক্কো ■

## নাটকীয় ফাইনেলত ছেনেগাল চেম্পিয়ন




**ৰাবাট, ১৯ জানুৱাৰী ঃ** আফ্ৰিকা কাপ অব নেচন্‌ছৰ নাটকীয় ফাইনেলত কালি আয়োজক মৰক্কোক পৰাস্ত কৰি শেষ হাঁহি মাৰে ছেনেগালে। এটা বিতৰ্কিত পেনাল্টীৰ বাবে খেলৰ মাজতে ছেনেগালৰ সম্পূৰ্ণ দলটোৱে খেলপথাৰ ত্যাগ কৰে। প্ৰায় ১৪ মিনিট সময় ধৰি খেলপথাৰত সৃষ্টি হয় উত্তপ্ত পৰিস্থিতি। পাছত বুজাবুজি হয় আৰু ছেনেগালৰ দলটো পুনৰ খেলপথাৰলৈ ঘূৰি আহে। অতিৰিক্ত সময়ৰ ৯৪ মিনিটত ছেনেগালৰ পেপ গুৱেই নিৰ্ণায়ক গ'লটোৰে দলক জয়ী কৰায়। এই জয়েৰে ছেনেগালে টুৰ্নামেণ্টখনত দ্বিতীয়টো খিতাপ দখল কৰিলে। ২০২১ চনত ছেনেগালে প্ৰথমবাৰ আফ্ৰিকা কাপ অব নেচন্‌ছত চেম্পিয়ন হৈছিল।



## প্ৰথমবাৰলৈ বিজয় হাজাৰে ট্ৰফীত চেম্পিয়ন বিদৰ্ভ

ফাইনেলত ৩৮ ৰানত পৰাস্ত সৌৰাষ্ট্ৰ

**বেংগালুৰু, ১৯ জানুৱাৰী ঃ** প্ৰথমবাৰৰ বাবে বিজয় হাজাৰে ট্ৰফীত চেম্পিয়নৰ খিতাপ দখল কৰিলে বিদৰ্ভই। কালি অনুষ্ঠিত টুৰ্নামেণ্টৰ ফাইনেলত সৌৰাষ্ট্ৰক ৩৮ ৰানত পৰাস্ত কৰে দলটোৱে। বিদৰ্ভৰ এই জয়ৰ মূলতে আছিল অথৰ্ব টাইডেৰ ১২৮ ৰানৰ দৰ্শনীয় ইনিংছ। আনহাতে, বলিঙত দলটোৰ হৈ গুৰুত্বপূৰ্ণ ভূমিকা লয় যশ ঠাকুৰে। তেওঁ ৪টাকৈ উইকেট দখল কৰে। বিদৰ্ভই প্ৰথমে বেটিং কৰি অথৰ্বৰ শতকীয় ইনিংছ আৰু যশ ৰাথোড়ৰ ৫৪ ৰানৰ সহায়ত ৮ উইকেটত ৩১৭ ৰান কৰে। প্ৰত্যুত্তৰত সৌৰাষ্ট্ৰ ৪৮.৫ অভাৰত ২৭৯ ৰানত অলআউট হয়। দলটোৰ হৈ পি মানকাডে ৮৮ আৰু চিৰাগ জানিয়ে ৬৪ ৰান কৰে। ৯৭টা বলত চেঞ্চুৰী সম্পূৰ্ণ কৰা অথৰ্ব টাইডেই লাভ কৰে 'প্লেয়াৰ অব দি মেচ' বঁটা।



*অষ্ট্ৰেলিয়ান অ'পেনৰ প্ৰথম ৰাউণ্ডৰ খেলত ককো গউফ।*

ৰঞ্জী ট্ৰফী

## হাৰিয়ানাৰে মেচলৈ অসম দল

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ১৯ জানুৱাৰী ঃ** হাৰিয়ানাৰ বিৰুদ্ধে অহা ২২ জানুৱাৰীৰ পৰা উত্তৰ গুৱাহাটীৰ ফুলুংস্থিত এচিএ ক্ৰিকেট একাডেমী গ্ৰাউণ্ডত হ'বলগীয়া ৰঞ্জী ট্ৰফী এলিট গ্ৰুপ মেচৰ বাবে অসম দলটো আজি ঘোষণা কৰিছে অসম ক্ৰিকেট সন্থাই। দলটো--- সুমিত ঘাড়িগাওকাৰ (অধিনায়ক), শিৱ শংকৰ ৰয়, ৰিতুৰাজ বিশ্বাস, স্বৰূপম পুৰকায়স্থ, ঋষভ দাস, প্ৰদ্যুন শইকীয়া, ডেনিছ দাস, অনুৰাগ তালুকদাৰ, মুখতাৰ হুছেইন, আয়ুষ্মান মালাকাৰ, দীপজ্যোতি শইকীয়া, আকাশ সেনগুপ্তা, ৰাহুল সিং, প্ৰতিম লহকৰ আৰু নীহাৰ ডেকা।

টী-২০ বিশ্বকাপ ঃ ২১ জানুৱাৰীলৈ সময়সীমা বিচিবিক

# বাংলাদেশে নেখেলিলে সুযোগ পাব স্কটলেণ্ডে!

**নতুন দিল্লী, ১৯ জানুৱাৰী ঃ** যদিহে বাংলাদেশে ভাৰতলৈ টী-২০ বিশ্বকাপ খেলিবলৈ নাহে তেন্তে আইচিচিয়ে টুৰ্নামেণ্টখনত স্কটলেণ্ডক সুযোগ দিব পাৰে। বাংলাদেশ ক্ৰিকেট ব'ৰ্ডক আইচিচিয়ে ২১ জানুৱাৰী পৰ্যন্ত সময়সীমা বান্ধি দিছে আৰু নিজৰ স্থিতি স্পষ্ট কৰিবলৈ কয়। মুস্তাফিজুৰ ৰহমানক আইপিএলৰ পৰা বাদ দিয়াৰ পাছত বাংলাদেশে ভাৰতলৈ টী-২০ বিশ্বকাপ খেলিবলৈ নাহে বুলি কৈছিল আৰু তেওঁলোকৰ মেচবোৰ শ্ৰীলংকালৈ স্থানান্তৰ কৰিবলৈ প্ৰস্তাৱ দিছিল। সেই প্ৰস্তাৱ আইচিচিয়ে খাৰিজ কৰিছে আৰু সেয়া সম্ভৱ নহয় বুলি স্পষ্ট কৰি দিছে। ১৭ জানুৱাৰীত ঢাকাত বিচিবিৰ শীৰ্ষ বিষয়াৰ সৈতে আইচিচিৰ বৈঠক অনুষ্ঠিত হয় আৰু সেই বৈঠকতে বাংলাদেশে ভাৰতলৈ খেলিবলৈ আহিব নে নাহে সেয়া অৱগত কৰিবলৈ কয়। যদিহে ২১ জানুৱাৰীৰ ভিতৰত বিচিবিয়ে নিজৰ স্থিতিত অটল থাকে তেতিয়া বাংলাদেশক টুৰ্নামেণ্টখনৰ পৰাই বাদ দিয়া হ'ব পাৰে। তেনে পৰিস্থিতিত বাংলাদেশৰ স্থান ল'ব পাৰে স্কটলেণ্ডে। বৰ্তমানৰ আইচিচিৰ ৰেংকিঙৰ আধাৰত স্কটলেণ্ডে খেলাৰ সুযোগ পোৱাৰ সম্ভাৱনা অধিক। উল্লেখ্য যে ১৭ জানুৱাৰীৰ বৈঠকত বিচিবিয়ে আইচিচিক টী-২০ বিশ্বকাপত বৰ্তমানৰ 'চি' গ্ৰুপৰ ঠাইত গ্ৰুপ সলনি কৰি 'বি'লৈ বাংলাদেশক নিয়াৰ বাবে প্ৰস্তাৱ দিছিল। সেই প্ৰস্তাৱো নাকচ কৰে আইচিচিয়ে। ইফালে, বাংলাদেশৰ সমৰ্থনত পাকিস্তানেও টুৰ্নামেণ্টখনৰ পৰা নাম প্ৰত্যাহাৰ কৰিব পাৰে বুলি ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ বাতৰিত প্ৰকাশ। শেহতীয়া পৰিস্থিতিক লৈ বাংলাদেশে পাকিস্তান ক্ৰিকেট ব'ৰ্ডৰ পৰা কূটনৈতিক সহায় বিচৰা বুলি খবৰ ওলাইছে। বাংলাদেশৰ মেচসমূহ শ্ৰীলংকালৈ স্থানান্তৰ কৰাৰ বাবে পিচিবিয়েও আইচিচিক হেঁচা দিব।

বিজয় মাৰ্চেণ্ট ট্ৰফী

## প্ৰথম ইনিংছত অসমৰ ২৪৪ ৰান

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ১৯ জানুৱাৰী ঃ** অসমে মহাৰাষ্ট্ৰৰ বিৰুদ্ধে ৰাজকোটৰ নিৰঞ্জন শ্বাহ ষ্টেডিয়ামত চলি থকা বিজয় মাৰ্চেণ্ট ট্ৰফী এলিট গ্ৰুপৰ ছেমি ফাইনেলত ২৪৪ ৰান কৰি আজি প্ৰথম ইনিংছ সামৰিছে। অসমৰ দলটোৱে কালিৰ ১৯০/৬ৰ পৰা দ্বিতীয় দিনৰ খেল আৰম্ভ কৰে আৰু আজি ৫৪ ৰান যোগ দি ইনিংছৰ সামৰণি মাৰে। দলীয় ইনিংছত আজি সমীৰ মাহাতোৱে ৪৩, নিহাল বৈশ্যই ৩৬, প্ৰিন্স বৰাই ১০ ৰান আৰু দিগ্‌বিজয় এন ছেত্ৰীয়ে অপঃ ৮ ৰানৰ বৰঙণি যোগায়। মহাৰাষ্ট্ৰৰ একনাথ দেভাড়েই তিনিটা আৰু শৌৰ্য দেশমুখে দুটা উইকেট লয়। মহাৰাষ্ট্ৰই নিজৰ প্ৰথম ইনিংছ মুকলি কৰি দিনান্তত ৩ উইকেটত ১৭২ ৰান (৬৩ অভাৰ) কৰিছে। দলৰ অধিনায়ক প্ৰজাল মোৰে ৫২ আৰু অ'পেনাৰ একনাথ দেভাড়েই ৪৬ ৰান কৰি আউট হোৱাৰ বিপৰীতে ফিতিজ য়েদেই ৩৪ আৰু ৰাঘৱ যোগেশ নায়কে ৩৫ ৰান কৰি ক্ৰীজত আছে। অসমৰ সমীৰ মাহাতোৱে দুটা আৰু নিত্ৰিক ৰাজ গগৈয়ে এটা উইকেট লয়। মহাৰাষ্ট্ৰৰ দলটো প্ৰথম ইনিংছত ৭২ ৰানত পাছপৰি আছে।

ৰাষ্ট্ৰীয় স্কুল গেমছ হেণ্ডবল

## অসমৰ জয়েৰে আৰম্ভণি

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ১৯ জানুৱাৰী ঃ** অসমে গুজৰাটৰ সোমনাথত আজিৰে পৰা আৰম্ভ হোৱা ৬৯ সংখ্যক ৰাষ্ট্ৰীয় স্কুল গেমছৰ অনূৰ্দ্ধ ১৭ ছোৱালীৰ হেণ্ডবল প্ৰতিযোগিতাত সুন্দৰ আৰম্ভণি কৰিছে। গ্ৰুপৰ প্ৰথম খেলত অসমৰ দলটোৱে জম্মু-কাশ্মীৰক ১১-৭ ব্যৱধানত পৰাস্ত কৰিছে। গ্ৰুপৰ পৰৱৰ্তী মেচত অসমে পশ্চিমবংগ আৰু তামিলনাডুৰ বিপক্ষে অৱতীৰ্ণ হ'ব।

## অষ্ট্ৰেলিয়ান অ'পেন ঃ জ'ক'ভিচ, গউফ, মেডভেডেভ দ্বিতীয় ৰাউণ্ডত

**মেলবৰ্ন, ১৯ জানুৱাৰী ঃ** ছাৰ্বিয়াৰ টেনিছ তাৰকা ন'ভাক জ'ক'ভিচ, আমেৰিকা যুক্তৰাজ্যৰ ককো গউফ আৰু ৰুছিয়াৰ ডানিল মেডভেডেভে অষ্ট্ৰেলিয়ান অ'পেনৰ দ্বিতীয় ৰাউণ্ডত উপনীত হৈছে। কালিৰেপৰা আৰম্ভ হোৱা বছৰটোৰ প্ৰথমখন গ্ৰেণ্ড শ্লাম টুৰ্নামেণ্টত আজি মহিলাৰ ছিংগল্‌ছত তৃতীয় বাছনিৰ গউফে উজবেকিস্তানৰ কামিলা ৰাখিমোভাক ৬-২, ৬-৩ পোনপটীয়া শ্বেটত পৰাস্ত কৰে। আনহাতে, মেডভেডেভে নেদাৰলেণ্ডছৰ জেস্পাৰ ডি জঙক ৭-৫, ৬-২, ৭-৬ ব্যৱধানত পৰাস্ত কৰি দ্বিতীয় ৰাউণ্ডত উপনীত হয়। ইফালে সহজ জয়েৰে অভিযান আৰম্ভ কৰিছে জ'ক'ভিচে। আজি স্পেইনৰ পেড্ৰো মাৰ্টিনেজক ৬-৩, ৬-২, ৬-২ শ্বেটত পৰাস্ত কৰে তেওঁ। এয়া হৈছে টুৰ্নামেণ্টখনত জ'ক'ভিচৰ শততম মেচ জয়। বিশ্ব ৰেংকিঙৰ ছয় নম্বৰ স্থানৰ খেলুৱৈ এলেক্স ডি মিনাৰেও চমকপ্ৰদ প্ৰদৰ্শনেৰে মেকেঞ্জী মেকডোনাল্ডক ৬-২, ৬-২, ৬-৩ শ্বেটত পৰাস্ত কৰে। অষ্ট্ৰেলিয়ান অ'পেনৰ প্ৰাক্তন ফাইনেলিষ্ট মাৰিন চিলিকেও আজি দুৰন্ত প্ৰদৰ্শনেৰে জাৰ্মানীৰ ডেনিয়েল এল্টমেয়েৰক ৬-০, ৬-০, ৭-৬ শ্বেটত পৰাস্ত কৰে। ২০১৮ চনত টুৰ্নামেণ্টখনত ৰানাৰ্ছ আপ হৈছিল ৩৭ বছৰীয়া চিলিক। ইফালে ২০১৪ চনত টুৰ্নামেণ্টখনৰ চেম্পিয়ন ষ্টান ৱাৱিংকাই ছাৰ্বিয়াৰ লাছলো জেৰেক ৫-৭, ৬-৩, ৬-৪, ৭-৬ শ্বেটত পৰাস্ত কৰে। ৪০ বছৰীয়া ৱাৱিংকাৰ অষ্ট্ৰেলিয়ান অ'পেনত এয়াই হ'ব অন্তিম প্ৰতিদ্বন্দ্বিতা। চলিত ছিজনেই তেওঁৰ অন্তিম হ'ব বুলি ইতিমধ্যে ঘোষণা কৰিছে। ইপিনে কাইলৈ দ্বিতীয় বাছনিৰ য়ানিক ছিন্নাৰ ফ্ৰান্সৰ হুগো গাষ্টনৰ বিৰুদ্ধে প্ৰথম ৰাউণ্ডৰ মেচত অৱতীৰ্ণ হ'ব। মহিলাৰ শাখাত ডিফেণ্ডিং চেম্পিয়ন মেডিছন কীছেও কাইলৈ ইউক্ৰেইনৰ অ'লেকছান্দ্ৰা অলিনকভাৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিব।



অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ

## বিদ্যুৎ পৰিষদক হৰুৱালে বাডে

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ১৯ জানুৱাৰী ঃ** গুৱাহাটী ক্ৰীড়া সন্থাৰ উদ্যোগত জজ খেলপথাৰত অনুষ্ঠিত অষ্টম অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ আজিৰ খেলত বাড ক্ৰিকেট ক্লাবে অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ স্প'ৰ্টছ ক্লাবক ৮ উইকেটত পৰাস্ত কৰিছে। মেচখনত বিদ্যুৎ পৰিষদৰ দলটোৱে প্ৰথমে বেট ধৰি ২৪.২ অভাৰত আটাইকেইটা উইকেটত ১০৫ ৰান কৰে। দলৰ হৈ পৰাগ ঠাকুৰীয়াই ২২ আৰু ত্ৰিদীপ ভট্টাচাৰ্যই ১৬ ৰান কৰে। প্ৰত্যুত্তৰত বাডে ১৫ অভাৰত ২ উইকেটৰ বিনিময়ত বিজয় লক্ষ্যত উপনীত হয়। দলৰ জয়ত নিবিড় ডেকাই অপৰাজিত ৩১, কৌশিক গিৰিয়ে অপৰাজিত ৩০ আৰু সঞ্জয় কুমাৰ সিঙে ২৬ ৰানৰ বৰঙণি যোগায়। বাড ক্ৰিকেট ক্লাবৰ কৌশিক গিৰিয়ে মেচৰ শ্ৰেষ্ঠ খেলুৱৈৰ পুৰস্কাৰ লাভ কৰে।

## গ্ৰীনৱৰ্ল্ডৰ বৃহৎ জয়

দৈনিক অসমৰ ক্ৰীড়া প্ৰতিনিধি

**গোলাঘাট, ১৯ জানুৱাৰী ঃ** ফৰকাটিং ষ্টেডিয়ামত অনুষ্ঠিত অসম প্ৰিমিয়াৰ ক্লাব ক্ৰিকেট প্ৰতিযোগিতাৰ গোলাঘাট মণ্ডলৰ আজিৰ খেলত গ্ৰীনৱৰ্ল্ড ক্লাবে অভিষেক ৰজকৰ দৰ্শনীয় শতক আৰু অক্ষত গুপ্তাৰ আকৰ্ষণীয় অৰ্দ্ধ শতকৰ সহায়ত দেৰগাঁও ক্ৰিকেট ক্লাবক ২১৪ ৰানৰ বিশাল ব্যৱধানত পৰাস্ত কৰে। গ্ৰীনৱৰ্ল্ডে পোনতে বেটিং কৰি অভিষেকৰ ৰজকৰ ১০৬ আৰু অক্ষত গুপ্তাৰ ৫৭ ৰানৰ সহায়ত ৩৬.৫ অভাৰত ৩০৪ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত দেৰগাঁৱে ২১.২ অভাৰত সকলো উইকেট হেৰুৱাই ৯০ ৰানহে কৰিবলৈ সক্ষম হয়। গ্ৰীনৱৰ্ল্ডৰ চফিকুল ইছলামে ৫টা আৰু তাজ খানে ৪টা উইকেট দখল কৰে।

কোকৰাঝাৰ জিলা ক্ৰীড়া সন্থাৰ মহাৰজত জয়ন্তী

## ভলীবল, কাবাডী, এথলেটিক্‌ছ আৰম্ভ

দৈনিক অসমৰ প্ৰতিনিধি

**কোকৰাঝাৰ, ১৯ জানুৱাৰী ঃ** কোকৰাঝাৰ জিলা ক্ৰীড়া সন্থাৰ পথাৰত আজিৰেপৰা চাৰিদিনীয়া কাৰ্যসূচীৰে কোকৰাঝাৰ জিলা ক্ৰীড়া সন্থাৰ মহাৰজত জয়ন্তী আৰম্ভ হৈছে। ক্ৰীড়া সন্থাৰ পতাকা উত্তোলনেৰে শুভাৰম্ভ কৰে বিটিচিৰ পাৰিষদ তথা কোকৰাঝাৰ জিলা ক্ৰীড়া সন্থাৰ সভাপতি ধনেশ্বৰ গয়াৰীয়ে। মহাৰজত জয়ন্তীৰ অংশৰূপে ২৯ সংখ্যক আন্তঃক্লাব ভলীবল লীগ প্ৰতিযোগিতা আজিৰেপৰা আৰম্ভ হৈছে। ইহি হিউ এছ চি আৰু আলাৰী এছ চি ক্লাবৰ মাজত অনুষ্ঠিত ভলীবল লীগ মেচৰ উদ্বোধন কৰে বিটিচিৰ পাৰিষদ যুৱৰাজ বসুমতাৰীয়ে। ভলীবল লীগত জিলাখনৰ ১৫টা ক্লাবে অংশগ্ৰহণ কৰিছে। ইয়াৰ পাছতে কোকৰাঝাৰ জিলা আন্তঃক্লাব কাবাডী লীগ আৰম্ভ হয়। ল'ৰা আৰু ছোৱালী উভয় শাখাতে অনুষ্ঠিত কাবাডী লীগ প্ৰতিযোগিতাত জিলাখনৰ কেইবাটাও দলে অংশগ্ৰহণ কৰে। একেদৰে কোকৰাঝাৰ জিলা ক্ৰীড়া সন্থাৰ পথাৰত আজিৰেপৰা আৰম্ভ হৈছে ৩০ সংখ্যক আন্তঃক্লাব এথলেটিকছ প্ৰতিযোগিতা। তদুপৰি ২১সংখ্যক বড়োলেণ্ড শ্বহীদ স্বৰ্ণকাপ ভলীবল চেম্পিয়নশ্বিপ ২২ জানুৱাৰীৰপৰা আৰম্ভ হ'ব।

## ক্ৰিকেট ক্লাব অব নাজিৰাৰ জয়

দৈনিক অসমৰ প্ৰতিনিধি

**নাজিৰা, ১৯ জানুৱাৰী ঃ** অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ খেলত ক্ৰিকেট ক্লাব অব নাজিৰাই নাজিৰা কেন্দ্ৰীয় ক্লাবক ৫ উইকেটত পৰাস্ত কৰি পৰৱৰ্তী খেললৈ অগ্ৰসৰ হৈছে। টছত জিকি নাজিৰা কেন্দ্ৰীয় ক্লাবৰ দলে ৩২.৫ অভাৰত ১৭১ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ক্ৰিকেট ক্লাবে ৩৩.৪ অভাৰত ৫টা উইকেট হেৰুৱাই জয়ৰ লক্ষ্য অতিক্ৰম কৰে।




*ভাৰতৰ বিৰুদ্ধে ২-১ ব্যৱধানত এদিনীয়া ছিৰিজত জয়ী হোৱা নিউজিলেণ্ড দলৰ উল্লাস, ইন্দোৰত।*

## মৰিগাঁৱত বৈৰাগীহাৰৰ জয়

দৈনিক অসমৰ প্ৰতিনিধি

**ভূৰবন্ধা, ১৯ জানুৱাৰী ঃ** মৰিগাঁৱৰ ক্ষীৰোদ বৰুৱা ষ্টেডিয়ামত অনুষ্ঠিত অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ মৰিগাঁও জিলা মণ্ডলৰ আজি অনুষ্ঠিত খেলত বৈৰাগীহাৰ যুৱক সংঘই মৰিগাঁও পুলিচ ক্লাবক ৪ উইকেটত পৰাস্ত কৰে। প্ৰথমে বেটিং কৰি মৰিগাঁও পুলিচ ক্লাবে ২৭.১ অভাৰত ১১২ ৰানহে সংগ্ৰহ কৰে। বৈৰাগীহাৰৰ হৈ বিনীত মালাকাৰে ৪টা আৰু কৃষালয় চক্ৰৱৰ্তীয়ে ৩টা উইকেট দখল কৰে। প্ৰতুত্যৰত লক্ষ্য অনুসৰণ কৰি বৈৰাগীহাৰ দলে ২৬.৫ অভাৰত অতিজ বিশ্বাসৰ ৩৩ ৰানৰ সহায়ত ৬টা উইকেট হেৰুৱাই জয়ৰ লক্ষ্যত উপনীত হয়।




## ব্লুষ্টাৰৰ জয়

দৈনিক অসমৰ ক্ৰীড়া প্ৰতিনিধি

**নলবাৰী, ১৯ জানুৱাৰী ঃ** অসম ক্ৰিকেট সন্থাৰ উদ্যোগত আৰু নলবাৰী ক্ৰীড়া সন্থাৰ সহযোগত নলবাৰী মহাবিদ্যালয় খেলপথাৰত চলি থকা অষ্টম 'আসাম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ'ৰ আজিৰ খেলত ব্লুষ্টাৰ ক্ৰিকেট ক্লাবে অংকুৰ গোষ্ঠীক ৭ উইকেটত পৰাস্ত কৰে। অংকুৰ গোষ্ঠীয়ে প্ৰথমে বেটিং কৰি ১৮.২ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই মাত্ৰ ৫৪ ৰানহে সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ব্লুষ্টাৰ ক্ৰিকেট ক্লাবে ১২.১ অভাৰত ৩ উইকেটৰ বিনিময়ত ৫৫ ৰান সংগ্ৰহ কৰি জয়ী হয়।

## প্ৰাক্তন টেনিছ খেলুৱৈ হাছিবউদ্দিন আহমেদৰ মৃত্যু



**গুৱাহাটী, ১৯ জানুৱাৰী ঃ** প্ৰাক্তন ৰাজ্যিক টেনিছ খেলুৱৈ হাছিবউদ্দিন আহমেদৰ আজি আকস্মিকভাৱে মৃত্যু হয়। তেওঁৰ বয়স হৈছিল ৫৪ বছৰ। তেওঁৰ মৃত্যুত গুৱাহাটী টেনিছ সন্থাই গভীৰ শোক প্ৰকাশ কৰাৰ লগতে টেনিছ ক্ষেত্ৰখনলৈ তেওঁৰ অৱদানৰ বিষয়ে শ্ৰদ্ধাৰে সোঁৱৰে। গুৱাহাটী টেনিছ সন্থাৰ সকলো সদস্যৰ হৈ সন্থাৰ সভাপতি কল্যাণ কুমাৰ দাসে তেওঁৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে সন্থাই শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

## কুঁৱাৰাৰ বেডমিণ্টনত বাবলু-জগদীশ বিজয়ী

দৈনিক অসমৰ প্ৰতিনিধি

**পাটাছাৰকুছি, ১৯ জানুৱাৰী ঃ** কুঁৱাৰা বেডমিণ্টন ক্লাবৰ উদ্যোগত ৰক্তিম প্ৰতিম শৰ্মা সোঁৱৰণী দ্বিতীয় বাৰ্ষিক দিবা-নৈশ বেডমিণ্টন প্ৰতিযোগিতা (দ্বৈত) কালি নিশা কুঁৱাৰা ৰাস মন্দিৰ প্ৰাংগনত অনুষ্ঠিত হয়। নিৰ্মল হালৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ কিশোৰ কুমাৰ শৰ্মাই উদ্বোধন কৰা প্ৰতিযোগিতাত ২৪টা দলে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাত ৰঙিয়াৰ বাবলু চৌধুৰী আৰু জগদীশ ৰামচিয়াৰী যুটীয়ে বিজয়ী দল হিচাপে নগদ আঠ হাজাৰ টকা, ট্ৰফী আৰু পদক, দ্বিতীয় বিজয়ী দল তেজপুৰৰ ধীৰাজ আৰু প্ৰাণজিতৰ যুটীয়ে নগদ পাঁচ হাজাৰ টকা, ট্ৰফী আৰু পদক আৰু তৃতীয় বিজয়ী দল পাঠশালাৰ নিশান্ত আৰু ৰূপজ্যোতিৰ যুটীয়ে ট্ৰফীৰ লগতে পদক লাভ কৰে।

ছাব-জুনিয়ৰ ৰাষ্ট্ৰীয় ৰাগবী প্ৰতিযোগিতা

## অসমৰ ১৫ অনূৰ্দ্ধ ল'ৰাৰ দল ৰাওনা

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ১৯ জানুৱাৰী ঃ** ওড়িশাৰ ভুৱনেশ্বৰস্থিত কলিংগ ষ্টেডিয়ামত ২০-২১ জানুৱাৰীত হ'বলগীয়া ছাব-জুনিয়ৰ ৰাষ্ট্ৰীয় ৰাগবী প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে অসমৰ ১৫ বছৰ অনূৰ্দ্ধ ল'ৰাৰ দলটো ৰাওনা হৈছে। অসম ৰাগবী সন্থাৰ সাধাৰণ সম্পাদক অজিত কুমাৰ কলিতাই আজি এই কথা জনাইছে। দলটোৰ সদস্যসকল হৈছে-- নিখিল কলিতা, কেজ্যোনথ বসুমতাৰী, ত্ৰিদীপ চেতিয়া, আকাশ বসুমতাৰী, প্ৰণৱ দৈমাৰী, মিথিচাৰ ৰামচিয়াৰী, ভৰিস্বৰ বড়ো, অভিষেক শৰ্মা, নিকোলাছ ৰাভা, বিশাল ৰাভা, কুকিল ৰাভা আৰু নয়ন ডেকা। প্ৰশিক্ষক হিতৰাজ বৰ্মন আৰু মেনেজাৰ ৰূপে গৈছে পাৰ্থ প্ৰতিম চৌধুৰী।

ডিব্ৰুগড়ৰ বাণীপুৰত প্ৰবীণ নাগৰিকৰ ক্ৰীড়া সমাৰোহ

## ১৫০গৰাকী পুৰুষ-মহিলাৰ অংশগ্ৰহণ

দৈনিক অসমৰ প্ৰতিনিধি

**ডিব্ৰুগড়, ১৯ জানুৱাৰী ঃ** ডিব্ৰুগড়ৰ বাণীপুৰ প্ৰবীণ নাগৰিক সংঘই ২০০৮ চনৰ পৰা প্ৰতি দুবছৰৰ অন্তৰে অন্তৰে প্ৰবীণ নাগৰিকসকলৰ সুস্বাস্থ্য অটুট ৰখাৰ উদ্দেশ্যে, লগতে খেল-ধেমালিৰ প্ৰতি ৰাইজৰ মাজত সজাগতা সৃষ্টি কৰাৰ লক্ষ্য আগত ৰাখি প্ৰবীণ নাগৰিকসকলৰ মাজত ক্ৰীড়া সমাৰোহ অনুষ্ঠিত কৰি আহিছে। কালি বাণীপুৰৰ ৰাজহুৱা খেলপথাৰত দিনজোৰা কাৰ্যসূচীৰে বাণীপুৰ প্ৰবীণ নাগৰিক সংঘৰ নৱম দ্বি-বাৰ্ষিক ক্ৰীড়া সমাৰোহ অনুষ্ঠিত হয়। সমাৰোহখনত ডিব্ৰুগড় জিলাৰ বিভিন্ন অঞ্চলৰ পৰা (৩৫ বছৰ বয়সৰ পৰা ৮৫ বছৰীয়) প্ৰায় ১৫০গৰাকী প্ৰবীণ পুৰুষ-মহিলা খেলুৱৈয়ে অংশগ্ৰহণ কৰে। বাণীপুৰ প্ৰবীণ নাগৰিক সংঘৰ পতাকা উত্তোলন কৰে সভাপতি হলিৰাম ফুকনে। মটক স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী ডেভিদ চেতিয়া, ডিব্ৰুগড় জিলা মাষ্টাৰ্ছ এথলেটিকৰ কাৰ্যকৰী সভাপতি মূল্যধৰ বৰুৱা, ক্ৰীড়াবিদ জিতেন বৰা, সদৌ অসম মাষ্টাৰ্ছ এথলেটিক এছ'চিয়েচনৰ উপ-সভাপতি দীপক বৰুৱাকে প্ৰমুখ্য কৰি ভালেসংখ্যক ক্ৰীড়াপ্ৰেমী সমাৰোহত উপস্থিত থাকি উদ্যোক্তাসকলৰ শলাগ লয়। তদুপৰি পুৰুষ-মহিলা উভয় শাখাৰে ক্ৰীড়া প্ৰতিযোগিতা আৰম্ভ হয়। খেলৰ বিভাগসমূহ আছিল--- ৫ কিঃ মিঃ বেগাই খোজকঢ়া, ১০০ মিটাৰ দৌৰ, ২০০ মিটাৰ দৌৰ, ৪০০ মিটাৰ দৌৰ, লং জাম্প, ট্ৰিপল জাম্প, ডিছকাছ থ্ৰ', জেভেলিন থ্ৰ'। পুৰুষ-মহিলা উভয়ৰে খেলৰ বিভাগসমূহ হৈছে--- ৪০০ মিটাৰ ৰীলে, ৮০০ মিটাৰ দৌৰ, শ্বটপুট থ্ৰ' আৰু হেমাৰ থ্ৰ'।

বৰপেটাত সদৌ অসম পাঞ্জা প্ৰতিযোগিতা

## সতীশ, দীপাংকৰ, সঞ্জয়, জ্যোতিষ্মানৰ খিতাপ দখল

দৈনিক অসমৰ ক্ৰীড়া প্ৰতিনিধি

**বৰপেটা, ১৯ জানুৱাৰী ঃ** অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ বৰপেটা নগৰ শাখাৰ উদ্যোগত কালি বৰপেটাৰ ৰংঘৰ ক্লাবৰ প্ৰেক্ষাগৃহত আয়োজিত বৰপেটা জিলা পাঞ্জা প্ৰতিযোগিতাত সতীশ বাছফৰ, দীপাংকৰ দাস, সঞ্জয় দে আৰু জ্যোতিষ্মান কৌশিকে চেম্পিয়নৰ খিতাপ দখল কৰে। চাৰিটা ইভেণ্টত আয়োজিত প্ৰতিযোগিতাৰ অনূৰ্দ্ধ ৬০ বছৰ শাখাত সতীশ বাছফৰে খিতাপ দখল কৰাৰ বিপৰীতে ৰানাৰ্ছ আপৰ খিতাপ লাভ কৰে ত্ৰিদীপ নাথে। এই শাখাত তৃতীয় স্থান লাভ কৰে মৌছম কাশ্যপে। আনহাতে ৬০-৭০ শাখাত চেম্পিয়নৰ খিতাপ অৰ্জন কৰে দীপাংকৰ দাসে, ৰানাৰ্ছ আপৰ খিতাপ দখল কৰে ধৃতিমান নাথে। তৃতীয় স্থান দখল কৰে মনজিৎ কলিতাই। প্ৰতিযোগিতাৰ ৭০-৮০ শাখাত সঞ্জয় দেই চেম্পিয়নৰ খিতাপ আঁজুৰি অনাৰ বিপৰীতে ঋতুৰাজ নাথে ৰানাৰ্ছ আপত ক্ষান্ত থাকে। তৃতীয় স্থান দখল কৰে হৃষীৰাজ আৰ্যই। ইফালে ৮০ উৰ্দ্ধ শাখাত চেম্পিয়নৰ খিতাপ দখল কৰে জ্যোতিষ্মান কৌশিকে। ৰানাৰ্ছ আপৰ খিতাপ দখল কৰে সাগৰ দেই। তৃতীয় স্থান দখল কৰে প্ৰীতম পাটিৰিয়ে। প্ৰতিযোগিতাখনত বিভিন্ন জিলাৰ শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছিল।



দৈনিক অসম প্ৰাইভেট লিমিটেডৰ পৰিচালন সঞ্চালক কিশোৰ বৰাৰ হৈ জ্যোতিষ পৱন বৰদলৈৰ দ্বাৰা দা ট্ৰিবিউন প্ৰেছ, ট্ৰিবিউন বিল্ডিংছ, মণিৰাম দেৱান পথ, চানমাৰি, গুৱাহাটী-৭৮১০০৩ত মুদ্ৰিত আৰু প্ৰকাশিত। টেলিফোন ঃ ৮৮১১৮-৮১০২৪, ০৩৬১-৩২৪৪৬৩৩। ই-মেইল ঃ dainikasam@gmail.com, dainikasam.marketing@gmail.com

কাৰ্যবাহী সম্পাদক ঃ শংকৰ লস্কৰ

## প্ৰাচীন অসমৰ শাসক ৬



### ■ শালস্তম্ভ (৬৫৫-৬৭৫ খ্ৰীষ্টাব্দ)

শালস্তম্ভ ৰাজবংশৰ প্ৰতিষ্ঠাপক শালস্তম্ভৰ বিষয়ে বৰগাঁও শিলালিপিত ম্লেচ্ছাধিনাথ বুলি উল্লেখ আছে। তেওঁ নিজৰ ৰাজধানী হেতুকেশ্বৰ বা হাৰুপেশ্বৰলৈকে স্থানান্তৰ কৰিছিল বুলি জনা যায়। এই অঞ্চলটোৰ অৱস্থিতি বৰ্তমানৰ তেজপুৰৰ আশে-পাশে বুলি ধাৰণা কৰা হয়। তেওঁ নিজৰ ৰাজধানীৰ নাম তেওঁলোকৰ উপাস্য দেৱতা হতকা বা হেতুকা ছুলিনৰ নামেৰে নামাংকিত কৰিছিল।

### ■ শ্ৰীহৰ্ষদেৱ (৭২৫-৭৫০ খ্ৰীষ্টাব্দ)

নেপালৰ লিচ্ছভি ৰজা জয়দেৱ (দ্বিতীয়)ৰ পশুপতি শিলালিপিত শ্ৰীহৰ্ষদেৱক গৌৰাড়ি-কলিংগ-কোশালা-পতি বুলি উল্লেখ আছে। দান্তি দুৰ্গাৰ চামগড় শিলালিপিত উল্লেখ থকা অনুসৰি হৰ্ষদেৱৰ পশ্চিমৰ চালুক্যসকলৰ সৈতে সংঘৰ্ষ হৈছিল। যশোবৰ্মনে হৰ্ষদেৱক ক্ষমতাচ্যুত কৰিছিল।

### ■ হৰ্জৰবৰ্মন (৮১৫-৮৩৫ খ্ৰীষ্টাব্দ)

হৰ্জৰবৰ্মনে কামৰূপৰ প্ৰথমজন ৰজা হিচাপে অতি গৰিমাময় উপাধি গ্ৰহণ কৰিছিল। তেওঁ নিজকে মহাৰাজাধীৰাজা পৰমেশ্বৰ পৰম ভট্টৰকা বুলি চিহ্নিত কৰিছিল। হৰ্জৰবৰ্মনে হাৰুপেশ্বৰত হেতুকা চুলিনৰ এটা মন্দিৰ নিৰ্মাণ কৰিছিল। তেজপুৰত তেওঁ খন্দোৱা হৰ্জৰ পুখুৰী এতিয়াও আছে।

### ■ বনমালাবৰ্মন (৮৩৫-৮৬৫ খ্ৰীষ্টাব্দ)

বনমালাবৰ্মন সম্পৰ্কে বিশেষ তথ্য পোৱা নাযায়। তেওঁ ধৰ্মীয় প্ৰভাৱত আমৃত্যু অনশন কৰিছিল বুলি জনা যায়। তেওঁ নিজৰ পুত্ৰ জয়মালাৰ বাবে ৰাজপাট পৰিত্যাগ কৰিছিল। তেওঁৰ পাছত জয়মালা শালস্তম্ভ বংশৰ ৰজা হয়। তেওঁ ৮৬৫-৮৮৫ খ্ৰীষ্টাব্দলৈ শাসন কৰিছিল। তেওঁক বীৰবাহু বুলিও জনা গৈছিল।

### ■ ত্যাগসিংহ (৯৭০-৯৯০ খ্ৰীষ্টাব্দ)

শালস্তম্ভ বংশৰ শেষৰজন ৰজা আছিল ত্যাগসিংহ। তেওঁ সন্তানহীন আছিল বাবে তেওঁৰ মৃত্যুৰ পাছত ব্ৰহ্মপাল নামৰ এজন গৰৰ্ণৰ ৰজা হয়। তাৰ পাছতে শালস্তম্ভ বংশৰো যৱনিকা পৰে।

## নিৰঞ্জন ভূঞা

*১ পৃষ্ঠাৰপৰা*

সপোন সময়ৰ লগে লগে আৰু অধিক শক্তিশালী ৰূপ লৈছিল। ২০২১ চনত লকডাউনৰ সময়ছোৱাত তেওঁ নীৰৱে কিন্তু গুৰুত্ব সহকাৰে প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে প্ৰস্তুতি চলাইছিল। দুৰ্ভাগ্যজনক ২০২৩ চনত তেওঁ এ পি এছ চিৰ পৰীক্ষাৰ বাবে অযোগ্য বিবেচিত হয়। কাৰণ তেওঁৰ বয়স কম আছিল। সেয়েহে তেওঁ এ পি এছ চিৰ পৰিৰৰ্তে ইউ পি এছ চিৰ পৰীক্ষাত অৱতীৰ্ণ হয়। প্ৰিলিম্‌ছতে তেওঁ থমকি ৰ'বলগীয়া হয়।

২০২৪ বৰ্ষত তেওঁ দুগুণ উৎসাহেৰে এ পি এছ চিৰ চি চি ই ২০২৩ত অৱতীৰ্ণ হয়। প্ৰথমবাৰৰ বাবে অৱতীৰ্ণ হৈয়েই তেওঁ এ পি এছত ৰেংক ১৪ অৰ্জন কৰে।

নিৰঞ্জন ভূঞাৰ সফলতাৰ কাহিনীয়ে ইয়াকে প্ৰতিপন্ন কৰিলে যে কোনো এটা প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ ক্লাছৰ বা পৰীক্ষাৰ টপাৰ নহ'লেও হ'ব। মাথোঁ এটা সপোন লাগে আৰু সেই সপোনটোক দিঠকত পৰিণত কৰিবলৈ নিৰৱচ্ছিন্নভাৱে পঢ়া-শুনাৰ লগতে সাহসেৰে আগবাঢ়ি যোৱাৰ ইচ্ছা লাগে।

বৰ্তমান এ পি এছ নিৰঞ্জন ভূঞা অসম আৰক্ষীত উপ-আৰক্ষী অধীক্ষক (প) হিচাপে কৰ্মৰত।

পঢ়া-শুনাৰ লগতে মানসিক প্ৰস্তুতি চলোৱাটো নিতান্তই প্ৰয়োজনীয় বুলি তেওঁ কয়। দিল্লীত থকা সময়ছোৱাত বিভিন্ন সময়ত বিভিন্ন ব্যক্তিৰ সান্নিধ্যলৈ অহাৰ সৌভাগ্য লাভ কৰাত কেনেদৰে সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে প্ৰস্তুতি চলাব লাগে তাৰ আভাস লাভ কৰিছিল। তদুপৰি পৰীক্ষাত উত্তীৰ্ণ হোৱাটোৱেই তেওঁৰ জীৱনৰ সৰ্বোত্তম লক্ষ্য নাছিল। তেওঁৰ মনৰ মাজত এটা কথাই আছিল যে পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত তেওঁ যিটো বৃত্তিৰ সৈতে জড়িত হ'ব, সেই বৃত্তিটোক তেওঁ ভাল পাব আৰু সদায় ভাল কাম কৰি যাব। এনেধৰণৰ চিন্তা বা দৃঢ়তা লৈ আগবাঢ়ি যোৱা বাবেই তেওঁ পৰীক্ষাত উত্তীৰ্ণ হ'বলৈ সক্ষম হয়।

তেওঁ দিল্লীত থকা সময়ছোৱাত বা পৰৱৰ্তী সময়ত ঘৰলৈ আহিলেও প্ৰায়েই নতুন ঠাই আৰু ভিন্ন ব্যক্তিৰ সৈতে বাৰ্তালাপ কৰিছিল। এই কামখিনিয়ে প্ৰতিযোগিতামূলক পৰীক্ষাৰ বিষয়ে বুজিবলৈ তেওঁক সহায় কৰাৰ লগতে নেতৃত্ব কেনেকৈ দিব লাগে, তাৰ বিষয়েও উমান দিছিল। আনহাতে, আধুনিক প্ৰযুক্তিবিদ্যাৰ বিষয়ে জ্ঞান আৰু ইয়াৰ যথাযথ ব্যৱহাৰৰ ওপৰতো তেওঁ গুৰুত্ব প্ৰদান কৰিছিল। কষ্টৰ লগত স্মাৰ্ট ৱৰ্কো কৰিছে। তেওঁৰ ক্ষেত্ৰত প্ৰস্তুতিৰ বাবে তেওঁ প্ৰায় ৮০ শতাংশই স্মাৰ্টফোন, ইণ্টাৰনেট আৰু লেপটপৰ ওপৰত নিৰ্ভৰশীল আছিল।

● যুগুতালে **দীপক কুৰ্মী**য়ে

## বৈদিক সাহিত্য



*১ পৃষ্ঠাৰপৰা*

ইয়াত পোৱা যায়।

### খ) বেদৰ পৰৱৰ্তী সাহিত্য

**ব্ৰাহ্মণ** (Brahmanas) ঃ বেদৰ কঠিন মন্ত্ৰসমূহৰ সৰল আৰু বিশদ ব্যাখ্যাৰ বাবে ব্ৰাহ্মণ গ্ৰন্থসমূহ ৰচনা কৰা হৈছিল। যেনে— ঋগ্‌বেদৰ লগত জড়িত ঐতৰেয় ব্ৰাহ্মণ।

**আৰণ্যক** (Aranyakas) ঃ এইবোৰ ঋষি-মুনিসকলে অৰণ্যত বাস কৰি দৰ্শন আৰু ধ্যানৰ ওপৰত লিখা গ্ৰন্থ। ইয়াক 'বনৰ পুথি' বুলিও কোৱা হয়।

**উপনিষদ** (Upanishads) ঃ এইবোৰ বৈদিক সাহিত্যৰ সৰ্বশেষ অংশ আৰু ইয়াক 'বেদান্ত' বুলিও কোৱা হয়। উপনিষদসমূহে আত্মা, পৰমাত্মা, মোক্ষ আৰু ব্ৰহ্মাণ্ডৰ গভীৰতম ৰহস্যৰ বিষয়ে আলোচনা কৰে। ভাৰতৰ ৰাষ্ট্ৰীয় আদৰ্শ বাক্য 'সত্যমেৱ জয়তে' মুণ্ডক উপনিষদৰ পৰা লোৱা হৈছে।

## ছুইডেনৰ উমেয়া বিশ্ববিদ্যালয় বৃত্তি কাৰ্যসূচী, ২০২৬

*৪ পৃষ্ঠাৰপৰা*

**আবেদন মাচুল** ঃ ২ ফেব্ৰুৱাৰী, ২০২৬-ৰ ভিতৰত আবেদন মাচুল পৰিশোধ কৰিব লাগিব (যিসকল আবেদনকাৰী মাচুলৰপৰা মুক্ত কিন্তু পাঠ্যাশুল্ক দিবলগীয়া তেওঁলোকো যোগ্য)।

**বৃত্তিৰ আগ্ৰহ পঞ্জীয়ন** ঃ ফেব্ৰুৱাৰী মাহৰ আৰম্ভণিত যোগ্য আবেদনকাৰীসকললৈ ই-মেইলযোগে বৃত্তিৰ আগ্ৰহ পঞ্জীয়ন কৰিবলৈ আমন্ত্ৰণ প্ৰেৰণ কৰা হয় যাক ৪ মাৰ্চ, ২০২৬ (২৩ঃ৫৯ CET)-ৰ ভিতৰত সম্পূৰ্ণ কৰিব লাগিব।



### বৃত্তিৰ সুবিধাসমূহ

উমেয়া বিশ্ববিদ্যালয় বৃত্তি প্ৰধানতঃ পাঠ্যাশুল্ক মুকলি (Tuition Fee Waiver) হিচাপে প্ৰদান কৰা হয়—

**সম্পূৰ্ণ পাঠ্যশুল্ক মুকলি** ঃ কিছুমান শিক্ষাৰ্থীৰ বাবে পাঠ্যশুল্ক সম্পূৰ্ণ বা প্ৰায় সম্পূৰ্ণভাৱে মাফ কৰা হয়।

**আংশিক পাঠ্যশুল্ক মুকলি** ঃ কিছুমান ক্ষেত্ৰত পাঠ্যশুল্কৰ একাংশ মাত্ৰ বহন কৰা হয়, যি অনুযদৰ সিদ্ধান্তৰ ওপৰত নিৰ্ভৰ কৰে।

**গুৰুত্বপূৰ্ণ** ঃ এই বৃত্তিয়ে বাসস্থান, জীৱন-যাপন ব্যয়, ভ্ৰমণ খৰচ বা স্বাস্থ্য বীমা বহন নকৰে। ছুইডেনত অধ্যয়ন কৰিবলৈ এই ব্যয়সমূহ শিক্ষাৰ্থীয়ে নিজে বহন কৰিব লাগিব।

**শেষ তাৰিখ আৰু সময়সূচী (২০২৬ শৈক্ষিক বৰ্ষ)**

**১৫ জানুৱাৰী, ২০২৬** ঃ পাঠ্যক্ৰমৰ আবেদন আৰু Priority-ৰ নিৰ্দ্ধাৰণৰ শেষ তাৰিখ।

**২ ফেব্ৰুৱাৰী, ২০২৬** ঃ আবেদন মাচুল পৰিশোধৰ শেষ তাৰিখ।

**ফেব্ৰুৱাৰী, ২০২৬** ঃ বৃত্তিৰ আগ্ৰহ পঞ্জীয়নৰ বাবে ব্যক্তিগত ই-মেইল আমন্ত্ৰণ প্ৰেৰণ।

**৪ মাৰ্চ, ২০২৬** ঃ বৃত্তিৰ আগ্ৰহ পঞ্জীয়নৰ শেষ তাৰিখ।

**এপ্ৰিল, ২০২৬ৰ শেষভাগত** ঃ বৃত্তিৰ ফলাফল ঘোষণা

### আবেদন পদ্ধতি

■ UniversityAdmissions.se-ৰ জৰিয়তে উমেয়া বিশ্ববিদ্যালয়ত পাঠ্যক্ৰমত আবেদন কৰক।

■ সকলো প্ৰয়োজনীয় নথিপত্ৰ আপলোড কৰক আৰু আবেদন মাচুল পৰিশোধ কৰক।

■ ই-মেইলযোগে পোৱা সংযোগৰ জৰিয়তে বৃত্তিৰ আগ্ৰহ পঞ্জীয়ন কৰক।

■ নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত ফৰ্ম জমা দিয়ক।

■ ই-মেইলযোগে ফলাফলৰ বাবে অপেক্ষা কৰক।

**লিংক ঃ**

https://www.umu.se/en/education/fees-and-scholarships/scholarships

### ভাৰতীয় শিক্ষাৰ্থীৰ বাবে কিয় উপযোগী

■ পাঠ্যশুল্ক হ্ৰাস বা মুকলিৰ সুবিধাই ইউৰোপত পঢ়াৰ ব্যয় কমায়

■ গৱেষণা আৰু উদ্ভাৱনকেন্দ্ৰিক ছুইডিছ শিক্ষা পদ্ধতি

■ মেধাভিত্তিক নিৰ্বাচনে একাডেমিক কৃতিত্বক স্বীকৃতি দিয়ে

■ আন্তঃৰাষ্ট্ৰীয় শিক্ষাৰ্থী সমাজত সংযোগ স্থাপনৰ সুযোগ

■ অংশুমান দত্ত এজন স্তম্ভলেখক, সমালোচক আৰু পৰিকল্পনাবিদ, যাৰ কামৰ মূল ক্ষেত্ৰ হৈছে শিক্ষা, প্ৰযুক্তি, পৰিচয় আৰু উত্তৰ-পূব ভাৰত।

দৈনিক অসম শিক্ষা-চাকৰি
ভিতৰৰ পৃষ্ঠাত...

❖ বিভিন্ন চাকৰিৰ বিতং খবৰ
❖ পৰীক্ষাৰ দৃষ্টিকোণেৰে সাম্প্ৰতিক বিষয়
❖ ডঃ বাণীকান্ত কাকতি
❖ সম্ভাব্য প্ৰশ্ন



## অনুপ্ৰেৰণা




## এ পি এছ নিৰঞ্জন ভূঞা

ক্লাছৰ শেষ বেঞ্চৰ পৰা এগৰাকী এ পি এছ বিষয়ালৈ এক বৰ্ণিল পৰিক্ৰমা নিৰঞ্জন ভূঞাৰ। গহপুৰৰ কলাবাৰীৰ এটা সাধাৰণ পৰিয়ালত জন্মগ্ৰহণ কৰা নিৰঞ্জনে সৰুৰ পৰাই এগৰাকী প্ৰশাসনিক বিষয়া হোৱাৰ সপোন দেখিছিল। তেওঁ কোনোদিনে শ্ৰেণীৰ প্ৰথম ছাত্ৰ নাছিল, যদি এটা শ্ৰেণীত দহগৰাকী ছাত্ৰ আছিল, তেন্তে তেওঁৰ ৰোল নম্বৰ অন্তিম সংখ্যাটো আছিল। প্ৰতিটো শ্ৰেণীত প্ৰাপ্ত নম্বৰে তেওঁক সংজ্ঞায়িত কৰা নাছিল, তেওঁক সংজ্ঞায়িত কৰিলে তেওঁৰ দৃঢ় সংকল্পই।

তেওঁৰ দেউতাকে কথা প্ৰসংগত তেওঁক এবাৰ কৈছিল, 'তুমি যদি এই পৰীক্ষাত উত্তীৰ্ণ হ'ব পাৰা, তেন্তে তুমি ডি চি হ'ব পাৰিবা।'

উল্লিখিত বাক্যশাৰীয়েই নিৰঞ্জনৰ জীৱনৰ গতিপথ সলনি কৰিলে। পৰৱৰ্তী সময়ত দিল্লী বিশ্ববিদ্যালয়ত বুৰঞ্জীৰ পাঠ্যক্ৰমত নামভৰ্তি কৰি সুখ্যাতিৰে উত্তীৰ্ণ হয়। কিন্তু দেউতাকৰ বাক্যশাৰীৰে যিটো সপোন তেওঁৰ হৃদয়ত খোপনি পুতিছিল, সেই *শেষাংশ ৮ পৃষ্ঠাত*





## বৈদিক সাহিত্য

### জ্ঞান আৰু দৰ্শনৰ উৎস

'বেদ' শব্দটো সংস্কৃত 'বিদ' ধাতুৰ পৰা অহা, যাৰ অৰ্থ হৈছে 'জ্ঞান'। বৈদিক সাহিত্যক প্ৰধানকৈ 'শ্ৰুতি' (শুনি মনত ৰখা জ্ঞান) আৰু 'অপৌৰুষেয়' (মানুহৰ দ্বাৰা সৃষ্টি নোহোৱা) বুলি গণ্য কৰা হয়।

### ক) চাৰিখন বেদ

১. **ঋগ্‌বেদ** (Rig Veda) ঃ **বৈশিষ্ট্য** ঃ এইখন বিশ্বৰ আটাইতকৈ প্ৰাচীনতম গ্ৰন্থ। ইয়াত ১০টা মণ্ডল (Chapters) আৰু ১,০২৮টা সূক্ত (Hymns) আছে। **গুৰুত্বপূৰ্ণ বিষয়** ঃ ইয়াৰ তৃতীয় মণ্ডলত গায়ত্ৰী মন্ত্ৰ আছে, যিটো সূৰ্য দেৱতা (সবিত্ৰী)ক উদ্দেশ্যি ৰচনা কৰা হৈছে। ঋগ্‌বেদৰ দশম মণ্ডলত থকা 'পুৰুষসূক্ত'ত প্ৰথমবাৰৰ বাবে বৰ্ণ ব্যৱস্থাৰ উল্লেখ পোৱা যায়।

২. **সামবেদ** (Sama Veda) ঃ **বৈশিষ্ট্য** ঃ ইয়াত ঋগ্‌বেদৰ মন্ত্ৰসমূহকে সুৰীয়া ছন্দত সংগ্ৰহ কৰা হৈছে, যাতে যজ্ঞৰ সময়ত সেইবোৰ গাব পাৰি। **গুৰুত্ব** ঃ সামবেদক ভাৰতীয় সংগীতৰ মূল উৎস বুলি কোৱা হয়।

৩. **যজুৰ্বেদ** (Yajur Veda) ঃ **বৈশিষ্ট্য** ঃ এইখন বেদ গদ্য আৰু পদ্য দুয়োটা ৰূপতেই পোৱা যায়। ইয়াক শুক্ল যজুৰ্বেদ (White) আৰু কৃষ্ণ যজুৰ্বেদ (Black) দুটা ভাগত বিভক্ত কৰা হয়। **গুৰুত্ব** ঃ ইয়াত বিভিন্ন যজ্ঞ আৰু আচাৰ-অনুষ্ঠানৰ নিয়মসমূহ বিশদভাৱে বৰ্ণনা কৰা হৈছে।

৪. **অথৰ্ববেদ** (Atharva Veda) ঃ **বৈশিষ্ট্য** ঃ ই হ'ল শেহতীয়া বেদ। ইয়াত লোকবিশ্বাস, যাদু-মন্ত্ৰ, বেমাৰৰ চিকিৎসা, ৰাজকীয় অনুষ্ঠান আৰু দৈনন্দিন জীৱনৰ বিভিন্ন দিশৰ বৰ্ণনা আছে। **গুৰুত্ব** ঃ আয়ুৰ্বেদ, চিকিৎসা বিজ্ঞান আৰু ভাৰতৰ জনপ্ৰিয় সংস্কৃতিৰ আধাৰ *শেষাংশ ৮ পৃষ্ঠাত*

## কাজিৰঙাত এলিভেটেড কৰিডৰ'ৰ

সপ্তাহটোৰ চৰ্চিত বিষয়


প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কাজিৰঙাত ৩৪.৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ এলিভেটেড কৰিডৰ'ৰ আধাৰশিলা স্থাপন কৰে। বানৰ সময়ত যান-বাহনৰ চলাচলৰ ফলত হোৱা জীৱ-জন্তুৰ মৃত্যু হ্ৰাস কৰা তথা বানৰ সময়ত কাৰ্বি আংলং পাহাৰলৈ জীৱ-জন্তুৰ ক্ৰছ মুভমেণ্টৰ সুবিধাৰ লক্ষ্যৰে এই কৰিডৰ'ৰ নিৰ্মাণ কৰা হ'ব।

### কাৰ্বি আংলং পাহাৰ আৰু কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান

❖ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ দক্ষিণ সীমা মানৱ নিৰ্দ্ধাৰিত, পৰিৱেশগত নহয়। কাৰ্বি আংলং পাহাৰে প্ৰাকৃতিক উচ্চভূমি হিচাপে কাম কৰে, য'ত বানৰ সময়ত জীৱ-জন্তুৱে প্ৰব্ৰজন কৰে। ❖ বানৰ পাছত প্ৰত্যাৱৰ্তন প্ৰব্ৰজন হয়। ❖ ৰাষ্ট্ৰীয় ঘাইপথ ৭১৫ (পূৰ্বৰ ৰাষ্ট্ৰীয় ঘাইপথ ৩৭)-এ তেজপুৰ (উত্তৰ পাৰ)ক অসমৰ সৈতে সংযোগ কৰি কাজিৰঙাৰ দক্ষিণ সীমা নিৰ্দ্ধাৰণ কৰি জন্তুৰ প্ৰব্ৰজন পথৰ মাজেৰে পাৰ হৈ যায়। অত্যধিক যান-জঁটৰ বাবে সঘনাই পথ দুৰ্ঘটনা সংঘটিত হয়।

### এলিভেটেড কৰিডৰ'ৰ প্ৰত্যাশিত লাভালাভ

❖ মানুহ-বন্যপ্ৰাণীৰ সংঘাত হ্ৰাস কৰিব।
❖ পৰিৱেশগত সংযোগ নিশ্চিত কৰিব।
❖ পৰিৱেশ সংবেদনশীল আন্তঃগাঁথনি পৰিকল্পনাৰ ভাল উদাহৰণ।



### প্ৰাৰম্ভিক পৰীক্ষাৰ বাবে অনুশীলন প্ৰশ্ন

প্ৰশ্ন ঃ কোনটো ৰাষ্ট্ৰীয় ঘাইপথে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ দক্ষিণ সীমা নিৰ্দ্ধাৰণ কৰে আৰু জন্তুৰ প্ৰব্ৰজন পথবোৰ মোকলাই দিয়ে? (ক) ৰাষ্ট্ৰীয় ঘাইপথ-৪৪ (খ) ৰাষ্ট্ৰীয় ঘাইপথ-৭১৫ (গ) ৰাষ্ট্ৰীয় ঘাইপথ-২৭ (ঘ) ৰাষ্ট্ৰীয় ঘাইপথ-১৯।

**উত্তৰ ঃ খ**

# গোৱালপাৰা জিলা সত্ৰ ন্যায়াধীশৰ কাৰ্যালয়ত চতুৰ্থ বৰ্গৰ পদ খালী

**আবেদনৰ অন্তিম তাৰিখ ২ ফেব্ৰুৱাৰী**




গোৱালপাৰা জিলা আৰু সত্ৰ ন্যায়াধীশৰ কাৰ্যালয়ত খালী হোৱা ৫টা চতুৰ্থ বৰ্গৰ পদ পূৰণৰ বাবে ইচ্ছুক আৰু অৰ্হতাসম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে। এই সম্পৰ্কে প্ৰকাশিত বিজ্ঞাপন অনুসৰি, দিবা চকীদাৰৰ পদ ১টা। পদটো সংৰক্ষণমুক্ত। এই পদত আবেদনৰ বাবে প্ৰাৰ্থী ন্যূনতম অষ্টম শ্ৰেণী উত্তীৰ্ণ হোৱা প্ৰয়োজন। মেট্ৰিক উত্তীৰ্ণ অথবা তাৰ ওপৰৰ শিক্ষাগত অৰ্হতা থকা প্ৰাৰ্থীয়ে আবেদন জনাব নোৱাৰিব। নৈশ চকীদাৰৰ পদটো অ' বি চি / এম অ' বি চিৰ বাবে সংৰক্ষিত। এই পদৰ প্ৰাৰ্থীসকলৰো অৰ্হতা দিবা চকীদাৰৰ অনুৰূপ। আনহাতে, পিয়নৰ দুটা পদৰ ১টা সংৰক্ষণমুক্ত আৰু আনটো পদ অ' বি চি/ এম অ' বি চিৰ বাবে সংৰক্ষিত। এই পদত আবেদন জনাব বিচৰা প্ৰাৰ্থীৰো শিক্ষাগত অৰ্হতা পূৰ্বৰ পদকেইটাৰ অনুৰূপ। ইপিনে, ড্ৰাইভাৰৰ পদটো সংৰক্ষণমুক্ত। এই পদৰ প্ৰাৰ্থীৰো শিক্ষাগত অৰ্হতা ওপৰৰ পদসমূহৰ দৰে একেই যদিও প্ৰাৰ্থীৰ লঘু বাহন চালনাৰ বৈধ অনুজ্ঞাপত্ৰ থকা বাঞ্ছনীয়। আবেদনকাৰীৰ বয়স হ'ব লাগিব ১৮ৰ পৰা ৩৮ বছৰৰ ভিতৰত। অৱশ্যে এছ চি /এছ টি প্ৰাৰ্থীৰ বয়স ৫ বছৰ, অ' বি চিৰ ৩ বছৰ, পি ডব্লিউ ডিৰ ১০ বছৰ ৰেহাই দিয়া হ'ব। প্ৰাৰ্থী ভাৰতীয় নাগৰিক হোৱা বাঞ্ছনীয়। আবেদনৰ ঠিকনা—জিলা আৰু সত্ৰ ন্যায়াধীশৰ কাৰ্যালয়, গোৱালপাৰা। আবেদনৰ অন্তিম তাৰিখ ২ ফেব্ৰুৱাৰী।

## শতাধিক শিক্ষা নবিচৰ নিযুক্তি দিব ইউনাইটেড ইণ্ডিয়া ইন্সুৰেঞ্চে

ইউনাইটেড ইণ্ডিয়া ইন্সুৰেঞ্চ কোম্পানী লিমিটেডত শতাধিক পদ পূৰণৰ বাবে অৰ্হতাসম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন আহ্বান কৰা হৈছে। বিজ্ঞাপন অনুসৰি প্ৰতিষ্ঠানটিত ১৫৩টা শিক্ষা নবিচ পদ পূৰণ কৰা হ'ব। প্ৰশিক্ষণৰ সময় ১ বছৰ। এই সময়ছোৱাত প্ৰাৰ্থীসকলক মাহিলি ৯,০০০ টকা ভাট্টা দিয়া হ'ব। আবেদন কৰিব বিচৰা প্ৰাৰ্থীৰ বয়স ১-১২-২০২৫ তাৰিখৰ ভিত্তিত ২১ৰপৰা ২৮ বছৰৰ ভিতৰত হ'ব লাগিব। প্ৰাৰ্থীৰ জন্ম হ'ব লাগিব ১-১২-১৯৯৭ চনৰ পৰা ১-১২-২০২৫ তাৰিখৰ ভিতৰত। অৱশ্যে চৰকাৰৰ নিয়ম অনুসৰি এছ চি /এছ টি/অ' বি চি/ পি ডব্লিউ বি ডি শ্ৰেণীৰ প্ৰাৰ্থীৰ বয়স ৰেহাই দিয়া হ'ব। আবেদনকাৰী যিকোনো বিভাগত স্নাতক ডিগ্ৰীধাৰী হোৱা বাঞ্ছনীয়। আবেদনকাৰীয়ে ২০ জানুৱাৰী, ২০২৬ৰ ভিতৰত আবেদন জনাব লাগিব।

## শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ত কনিষ্ঠ সহায়কৰ প্ৰয়োজন

**আবেদনৰ শেষ দিন আজি**

শ্ৰীমন্ত শংকৰদেৱ ইউনিভাৰ্ছিটী হেল্‌থ এণ্ড ছায়েন্সত এটি কনিষ্ঠ সহায়কৰ পদৰ বাবে প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে। এই পদটোত নিযুক্তি লাভ কৰা প্ৰাৰ্থীয়ে মাহিলি পাৰিশ্ৰমিক হিচাপে ২৫,০০০ টকা লাভ কৰিব। আবেদনকাৰী প্ৰাৰ্থী কোনো স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয়ৰ পৰা যিকোনো বিভাগত স্নাতক ডিগ্ৰীধাৰী হোৱা প্ৰয়োজন। প্ৰাৰ্থীসকলৰ ফাংচনেল কম্পিউটাৰ এপ্লিকেচনত ডিগ্ৰী / ডিপ্ল'মা থকাৰ লগতে প্ৰতি মিনিটত ৪৫টা ইংৰাজী শব্দ আৰু ৪০টা অসমীয়া শব্দ টাইপ কৰিব পৰা হ'ব লাগিব। তদুপৰি প্ৰাৰ্থীৰ কম্পিউটাৰ এপ্লিকেচনছ আৰু টেলী, পেজমেকাৰ, ফটোশ্বপৰ উপৰি এম এছ অফিচৰ জ্ঞান থকাটো বাধ্যতামূলক। আবেদনকাৰীৰ ইংৰাজী, হিন্দী আৰু অসমীয়া ভাষাত দক্ষতা থকা প্ৰয়োজন। প্ৰাৰ্থীৰ বয়স হ'ব লাগিব ১-০১-২০২৬ তাৰিখৰ ভিত্তিত সৰ্বাধিক ৪০ বছৰ। তেওঁলোকৰ সংশ্লিষ্ট ক্ষেত্ৰত তিনিবছৰ কাম কৰাৰ অভিজ্ঞতা থকা বাঞ্ছনীয়। প্ৰাৰ্থীসকলে অনলাইন আবেদনৰ প্ৰপত্ৰ আৰু আবেদন মাচুলৰ ৰিচিপ্ট ২০ জানুৱাৰীৰ পূৰ্বে তলত দিয়া ঠিকনালৈ পঠিয়াব লাগিব। পঞ্জীয়ক, শ্ৰীমন্ত শংকৰদেৱ ইউনিভাৰ্ছিটী অব হেল্‌থ ছায়েন্স, নৰকাসুৰ হিলটপ, ভঙাগড়, গুৱাহাটী ৭৮১০৩২, অসম।

## ৰিজাৰ্ভ বেংক অব ইণ্ডিয়াত ৫৭২টা পদ মুকলি




**আবেদনৰ অন্তিম তাৰিখ ৪ ফেব্ৰুৱাৰী**

ৰিজাৰ্ভ বেংক অব ইণ্ডিয়া (আৰ বি আই)ত হোৱা কিছুসংখ্যক পদ পূৰণ কৰাৰ বাবে প্ৰকাশ পাইছে এখন নিয়োগ জাননী। সেই অনুসৰি 'অফিচ এটেণ্ডেণ্ট'ৰ ৫৭২টা পদত প্ৰাৰ্থী নিযুক্তি দিয়া হ'ব। ৰিজাৰ্ভ বেংকৰ বিভিন্ন চহৰত থকা কাৰ্যালয়ত প্ৰাৰ্থী নিযুক্তি দিয়া হ'ব। গুৱাহাটীত ৫২টা পদ খালী আছে। নিযুক্তিৰ বাবে বাছনিপ্ৰাপ্ত প্ৰাৰ্থীয়ে মাহিলি প্ৰাৰম্ভিকভাৱে বেছিক পে হিচাপে লাভ কৰিব ২৪,২৫০ টকা। আবেদনৰ বাবে প্ৰাৰ্থীৰ বয়স হ'ব লাগিব ১/০১/২০২৬ তাৰিখৰ ভিত্তিত ১৮ৰ পৰা ২৫ বছৰৰ ভিতৰত। অৱশ্যে চৰকাৰৰ নিয়ম অনুসৰি এছ চি / এছ টি শ্ৰেণীৰ প্ৰাৰ্থীৰ বয়স ৫ বছৰ, অ' বি চিৰ ৩ বছৰ, পি ডব্লিউ বি ডিৰ ১০ বছৰ, পি ডব্লিউ বি ডি (অ' বি চি)ৰ ১৩ বছৰ আৰু পি ডব্লিউ বি ডি (এছ চি/ এছ টি) প্ৰাৰ্থীৰ বয়স ১৫ বছৰ ৰেহাই দিয়া হ'ব। আবেদনৰ বাবে প্ৰাৰ্থী দশম শ্ৰেণী (এছ এছ চি/ মেট্ৰিকুলেচন) উত্তীৰ্ণ হোৱা প্ৰয়োজন। স্নাতক আৰু উচ্চশিক্ষিত প্ৰাৰ্থীৰ আবেদন অযোগ্য বিবেচিত হ'ব। আবেদনৰ বাবে সাধাৰণ/ অ' বি চি/ এম অ' বি চি শ্ৰেণীৰ প্ৰাৰ্থীয়ে ৪৫০ টকা, এছ চি / এছ টি/ পি ডব্লিউ বি ডি প্ৰাৰ্থীয়ে ৫০ টকা জমা দিব লাগিব। আবেদনৰ অন্তিম তাৰিখ ৪ ফেব্ৰুৱাৰী। বেংকৰ ৱেবছাইট https://rbi.org.in ত সবিশেষ তথ্য পোৱা যাব।

## অভিযন্তালৈ চাকৰিৰ সুযোগ নেচনেল এলুমিনিয়াম কোম্পানীত

**আবেদনৰ অন্তিম তাৰিখ ২২ জানুৱাৰী**



নেচনেল এলুমিনিয়াম কোম্পানী লিমিটেডে প্ৰকাশ কৰা বিজ্ঞাপন অনুসৰি প্ৰতিষ্ঠানটোত শতাধিক পদত স্নাতক ইঞ্জিনীয়াৰৰ ট্ৰেইনী পদত প্ৰাৰ্থী নিযুক্তি দিয়া হ'ব। খালী পদৰ সংখ্যা ১১০টা। মেকানিকেল, ইলেক্ট্ৰিকেল আৰু কেমিকেল বিভাগত প্ৰাৰ্থী নিযুক্তি দিয়া হ'ব। নিযুক্তি দিবলগীয়া পদৰ নাম স্নাতক অভিযন্তা ট্ৰেইনী। পদৰ সংখ্যা ১১০টা। ইয়াৰে মেকানিকেলৰ ৫৯টা, ইলেক্ট্ৰিকেলৰ ২৭টা আৰু কেমিকেলৰ ২৪টা। নিযুক্তিপ্ৰাপ্ত প্ৰাৰ্থীক এবছৰৰ প্ৰশিক্ষণকালত মাহিলি ৪০,০০০-১,৪০,০০০ টকা দৰমহা দিয়া হ'ব। আবেদনৰ বাবে প্ৰাৰ্থীৰ বয়স ২২/০১/২০২৬ তাৰিখৰ ভিত্তিত সৰ্বোচ্চ ৩০ বছৰ হ'ব লাগিব। প্ৰাৰ্থীৰ শিক্ষাগত অৰ্হতা ইঞ্জিনীয়াৰিং অথবা টেকন'লজীত কমেও ৬৫ শতাংশ নম্বৰসহ স্নাতক ডিগ্ৰাধাৰী হ'ব লাগিব। আনহাতে এছ চি / এছ টি/ পি ডব্লিউ বি ডি শ্ৰেণীৰ প্ৰাৰ্থীৰ ৫৫ শতাংশ নম্বৰ থাকিব লাগিব। আবেদন প্ৰক্ৰিয়া ২ জানুৱাৰীৰ পৰা আৰম্ভ হৈছে আৰু ২২ জানুৱাৰীত অন্তিম দিন ধাৰ্য কৰা হৈছে।



**২৮ জানুৱাৰী আবেদনৰ অন্তিম তাৰিখ**

## নুমলীগড় শোধনাগাৰত বিষয়াৰ পদ খালী

নুমলীগড় শোধনাগাৰ লিমিটেডত খালী হোৱা দুটা বিষয়া পদ পূৰণৰ বাবে অৰ্হতাসম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে। প্ৰকাশিত বিজ্ঞাপন অনুসৰি, খালী হোৱা পদ দুটাৰ এটা পদ সহকাৰী একাউণ্টছ অফিচাৰৰ আৰু এটা পদ আইন বিষয়াৰ। একাউণ্টছ অফিচাৰৰ পদটো এছ চিৰ বাবে সংৰক্ষিত। পদটোত নিযুক্তি লাভ কৰা প্ৰাৰ্থীক মাহিলি ৪০,০০০ৰপৰা ১,৪০,০০০ টকা দৰমহা দিয়া হ'ব। প্ৰাৰ্থীৰ বয়স ৩৭ বছৰ নিৰ্দ্ধাৰণ কৰা হৈছে। প্ৰাৰ্থীৰ শিক্ষাগত অৰ্হতা হ'ব লাগিব যিকোনো বিষয়ত ৬০ শতাংশ নম্বৰসহ স্নাতক ডিগ্ৰাধাৰীৰ লগতে চাৰ্টাৰ্ড একাউণ্ট (ইণ্টাৰ)/ চি



এম এ (ইণ্টাৰ)। আবেদনকাৰীৰ ৩ বছৰৰ অভিজ্ঞতা থকা বাঞ্ছনীয়। ইপিনে, ন্যায় বিষয়াৰ পদটোৰ বাবে এছ টি প্ৰাৰ্থীয়ে আবেদন জনাব পাৰিব। নিযুক্তিপ্ৰাপ্ত প্ৰাৰ্থীয়ে ৫০,০০০ টকাৰ পৰা ১,৬০,০০০ টকা মাহিলি দৰমহা লাভ কৰিব। প্ৰাৰ্থী তিনিবছৰীয়া আইনৰ ডিগ্ৰীধাৰী অথবা ৫ বছৰীয়া ইণ্টিগ্ৰেটেড ল/আইন পাঠ্যক্ৰমত কমেও ৬০ শতাংশ নম্বৰ লাভ কৰা হ'ব লাগিব। বয়স ৩৭ বছৰ। প্ৰাৰ্থীৰ তিনি বছৰৰ অভিজ্ঞতা থকা বাঞ্ছনীয়। ইচ্ছুক প্ৰাৰ্থীয়ে এন আৰ এলৰ অফিচিয়েল অনলাইন প'ৰ্টেলৰ জৰিয়তে আবেদন জনাব লাগিব। আবেদনৰ অন্তিম তাৰিখ ধাৰ্য কৰা হৈছে ২৮ জানুৱাৰী।

## গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ভিন্ন বৰ্গৰ ৩৭টা পদৰ বিজ্ঞাপন




**২৬ জানুৱাৰী আবেদনৰ অন্তিম দিন**

গুৱাহাটী উচ্চ ন্যায়ালয়ে কিছুসংখ্যক পদ পূৰণৰ বাবে অৰ্হতাসম্পন্ন প্ৰাৰ্থীৰপৰা আবেদন বিচাৰি নিয়োগ বিজ্ঞাপন প্ৰকাশ কৰিছে। মুঠ খালী পদৰ সংখ্যা ৩৭। ইয়াৰে তিনিটা পদ চালকৰ। তিনিওটা পদেই অসংৰক্ষিত। শিক্ষাগত অৰ্হতা দশম শ্ৰেণী অথবা মেট্ৰিক উত্তীৰ্ণ হ'ব লাগিব। তদুপৰি প্ৰাৰ্থীৰ চালকৰ বৈধ অনুজ্ঞাপত্ৰ থকা প্ৰয়োজন। আনহাতে, মাল্টি টাস্কিং ষ্টাফৰ খালী পদৰ সংখ্যা ২৬টা। ইয়াৰে পাঁচটা পদ সংৰক্ষিত, অ' বি চি/ এম অ' বি চিৰ ১২টা, এছ টি পিৰ ৭টা, এছ টি এইচৰ বাবে ২টা পদ সংৰক্ষিত। এই পদসমূহৰ বাবে প্ৰাৰ্থীৰ ন্যূনতম শিক্ষাগত অৰ্হতা অষ্টম শ্ৰেণী উত্তীৰ্ণ হ'ব লাগিব যদিও দ্বাদশ শ্ৰেণী উত্তীৰ্ণ হ'লে নহ'ব। আনহাতে, জুডিচিয়েল এছিষ্টেণ্টৰ খালী পদৰ সংখ্যা ৮টা। ইয়াৰে সংৰক্ষণমুক্ত ৭টা আৰু এছ টি পিৰ বাবে সংৰক্ষিত পদ এটা। প্ৰাৰ্থী স্নাতক ডিগ্ৰীধাৰী হোৱা বাঞ্ছনীয়। খালী হোৱা কম্পিউটাৰ এছিষ্টেণ্টৰ পদৰ সংখ্যা ২টা। প্ৰাৰ্থীসকল স্নাতক ডিগ্ৰীধাৰী হোৱাৰ লগতে কম্পিউটাৰ অপাৰেচন/এপ্লিকেচনৰ কমেও ছমাহৰ ডিপ্ল'মা/চাৰ্টিফিকেট থাকিব লাগিব। আবেদন জমা দিয়াৰ দিনা প্ৰাৰ্থীৰ বয়স হ'ব লাগিব সৰ্বোচ্চ ৪০ বছৰ। অৱশ্যে অ' বি চি শ্ৰেণীৰ তিনি বছৰ, এছ চিৰ পাঁচ বছৰ, এছ টি পি/এছ টি এইচৰ পাঁচ বছৰ আৰু পি ডব্লিউ বি ডি শ্ৰেণীৰ প্ৰাৰ্থীৰ বয়স দহ বছৰ ৰেহাই দিয়া হ'ব। প্ৰাৰ্থীৰ নাম নিয়োগ বিনিময় কেন্দ্ৰত পঞ্জীয়নভুক্ত হ'ব লাগিব। এছ টি/এছ চি (পি)/এছ টি (পি) প্ৰাৰ্থীয়ে ২৫০ টকা আৰু সংৰক্ষণমুক্ত/অ' বি চি প্ৰাৰ্থীয়ে ৫০০ টকা আবেদন মাচুল জমা দিব লাগিব। আবেদনৰ অন্তিম তাৰিখ ২৬ জানুৱাৰী।

## অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিঃত চাকৰিৰ সুযোগ

শ্ৰীশ্ৰীঅনিৰুদ্ধ ক্ৰীড়া বিশ্ববিদ্যালয়, ডিব্ৰুগড়ত খালী হোৱা কিছুসংখ্যক পদ পূৰণৰ বাবে অৰ্হতাসম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে। মুঠ ৪টা পদত প্ৰাৰ্থী নিযুক্তি দিয়া হ'ব। সেই অনুসৰি অধ্যাপক, বিত্ত আৰু একাউণ্টছ অফিচাৰৰ লগতে লাইব্ৰেৰিয়ানৰ পদত প্ৰাৰ্থী নিযুক্তি দিয়া হ'ব। শাৰীৰিক শিক্ষাৰ অধ্যাপকৰ দুটা পদৰ এটা সংৰক্ষণমুক্ত আৰু এটা পদ এম অ' বি চিৰ বাবে সংৰক্ষিত। এই পদ দুটাত নিযুক্ত প্ৰাৰ্থীয়ে মাহিলি ১,৪৪,২০০-২,১৮,২০০ টকা মাহিলি দৰমহা লাভ কৰিব। প্ৰাৰ্থী সংশ্লিষ্ট বিষয়ত স্নাতকোত্তৰ ডিগ্ৰীধাৰী হোৱাৰ লগতে পি এইচ ডি ডিগ্ৰী থাকিব লাগিব। বিত্ত আৰু একাউণ্টছ অফিচাৰ পদটো সংৰক্ষণমুক্ত। প্ৰাৰ্থীৰ দৰমহা হ'ব মাহিলি ১,৪৪,২০০ টকাৰ পৰা ২,১৮,২০০ টকা। প্ৰাৰ্থী সংশ্লিষ্ট বিষয়ত কমেও ৫৫ শতাংশ নম্বৰসহ স্নাতক ডিগ্ৰীধাৰী হোৱাৰ লগতে ১৫ বছৰৰ অভিজ্ঞতা থাকিব লাগিব। প্ৰাৰ্থীৰ বয়স ০১-০১-২০২৬ তাৰিখৰ ভিত্তিত সৰ্বোচ্চ ৫৫ বছৰ হোৱা বাঞ্ছনীয়। লাইব্ৰেৰিয়ান পদটো সংৰক্ষণমুক্ত। প্ৰাৰ্থীয়ে মাহিলি দৰমহা হিচাপে লাভ কৰিব ১,৪৪,২০০-২,১৮,২০০ টকা। প্ৰাৰ্থী লাইব্ৰেৰী ছায়েন্সত স্নাতকোত্তৰ ডিগ্ৰীধাৰী হ'ব লাগিব। প্ৰাৰ্থীৰ বয়স ১-১-২০২৬ তাৰিখে সৰ্বাধিক ৬৫ বছৰ হোৱা প্ৰয়োজন। আবেদন মাচুল ১,০০০ টকা। আবেদনৰ অন্তিম তাৰিখ ৩১ জানুৱাৰী।



**আবেদনৰ অন্তিম তাৰিখ ২১ ফেব্ৰুৱাৰী**

## ইণ্ডিয়ান আৰ্মীত এছ এছ চি অফিচাৰৰ ৩৭৯টা পদত নিযুক্তি

ভাৰতীয় সেনাৰ নিয়োগ বিজ্ঞপ্তি অনুসৰি, ৩৭৯টা শ্বৰ্ট ছিনিয়ৰ ছাৰ্ভিচ কমিছন অফিচাৰ পদত নিযুক্তিৰ বাবে অৰ্হতাসম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে। মুঠ ৩৭৯টা পদৰ ৩৫০টা পুৰুষৰ আৰু ২৯টা পদ মহিলাৰ। আবেদনকাৰী প্ৰাৰ্থীৰ বয়স ১ অক্টোবৰ, ২০২৬ চনৰ ভিত্তিত ২০ৰপৰা ২৭ বছৰৰ ভিতৰত হোৱা বাঞ্ছনীয়। আবেদন কৰিব বিচৰা প্ৰাৰ্থীৰ শিক্ষাগত অৰ্হতা হ'ব লাগিব ইঞ্জিনীয়াৰিং ডিগ্ৰীধাৰী। ইঞ্জিনীয়াৰিং পাঠ্যক্ৰমৰ চূড়ান্ত বৰ্ষত অধ্যয়নৰতসকলেও আবেদন জনাব পাৰিব। আগ্ৰহী আৰু অৰ্হতাসম্পন্ন প্ৰাৰ্থীসকলে ভাৰতীয় সেনাবাহিনীৰ অফিচিয়েল নিয়োগ প'ৰ্টেলত উক্ত পদত নিয়োগৰ বাবে আবেদন জনাব পাৰিব। ৬ জানুৱাৰীৰ পৰা আবেদন প্ৰক্ৰিয়া আৰম্ভ হৈছে আৰু আবেদনৰ অন্তিম দিন ধাৰ্য কৰা হৈছে ২১ ফেব্ৰুৱাৰী। আবেদনকাৰীসকলে সবিশেষ তথ্যৰ বাবে ৱেবছাইট joinindianarmy.nic.in চাব পাৰিব।

**প্ৰাৰ্থীয়ে ২০ ফেব্ৰুৱাৰী পৰ্যন্ত আবেদন জনাব পাৰিব**



## বৃহৎসংখ্যক নিযুক্তিৰ প্ৰস্তুতি ৰে'ল বিভাগৰ

ৰে'লৱে নিয়োগ ব'ৰ্ডৰ তৰফৰ পৰা প্ৰকাশ কৰা নিয়োগ বিজ্ঞাপন অনুসৰি ব'ৰ্ডৰ অধীনস্থ বিভিন্ন জ'নত বৃহৎসংখ্যক পদত নিযুক্তি প্ৰদানৰ বাবে প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে। বিজ্ঞাপন নং চি ই এন ০৯/২০২৫ অনুসৰি নিযুক্তি প্ৰদান কৰিবলগীয়া মুঠ পদৰ সংখ্যা ২২,০০০। গুৱাহাটীকে ধৰি ব'ৰ্ডৰ অধীনস্থ মণ্ডলসমূহত প্ৰাৰ্থী নিযুক্তি দিয়া হ'ব। নিযুক্তিৰ পাছত প্ৰাৰ্থীসকলে সপ্তম দৰমহা আয়োগৰ নিয়ম অনুসৰি প্ৰাথমিক বেছিক পে হিচাপে মাহিলি ১৮,০০০ টকা লাভ কৰিব। আবেদন কৰিব বিচৰা প্ৰাৰ্থীৰ বয়স হ'ব লাগিব ১/০১/২০২৬ তাৰিখৰ ভিত্তিত ১৮-৩৩ বছৰৰ ভিতৰত। অৱশ্যে চৰকাৰৰ নিয়ম অনুসৰি এছ চি/ এছ টিৰ ৫ বছৰ, অ' বি চি ৩ বছৰ, পি ডব্লিউ ডি (অসংৰক্ষিত)ৰ ১০ বছৰ, পি ডব্লিউ ডি (অ' বি চি)ৰ ১৩ বছৰ, পি ডব্লিউ ডি (এছ চি/ এছ টি)ৰ ১৫ বছৰ ৰেহাই দিয়া হ'ব বয়স। প্ৰাৰ্থীৰ শিক্ষাগত অৰ্হতা দশম শ্ৰেণী উত্তীৰ্ণ অথবা আই টি আইৰ সমপৰ্যায়ৰ নাইবা ৰাষ্ট্ৰীয় শিক্ষা নবিচৰ অনুজ্ঞাপত্ৰ থকা বাঞ্ছনীয়। আবেদনকাৰী এছ চি/এছ টি/ প্ৰাক্তন চাকৰিয়াল/ পি ডব্লিউ বি ডি/ মহিলা/ ট্ৰেন্সজেণ্ডাৰ /সংখ্যালঘু/ আৰ্থিকভাৱে পিছপৰা শ্ৰেণীৰ প্ৰাৰ্থীয়ে ২৫০ টকা আৰু অন্যান্যসকলে ৫০০ টকা আবেদন মাচুল জমা দিব লাগিব। আবেদনৰ অন্তিম তাৰিখ ২০ ফেব্ৰুৱাৰী। সবিশেষ তথ্যৰ বাবে আগ্ৰহী প্ৰাৰ্থীসকলে rrcb.gov.in ৱেবছাইট চাব পাৰিব।

আবেদনৰ শেষ দিন ১ ফেব্ৰুৱাৰী

# ভাৰতীয় বিমান বাহিনীত প্ৰাৰ্থী নিযুক্তি



ভাৰতীয় বিমান বাহিনীয়ে সমগ্ৰ দেশত অগ্নিপথ প্ৰকল্পৰ অধীনত অগ্নিবীৰ বায়ু ইনটেক ০১/২০২৭ পদত নিযুক্তি প্ৰদানৰ বাবে নিয়োগ বিজ্ঞাপন প্ৰকাশ কৰিছে। ভাৰতীয় বিমান বাহিনীত সেনা হিচাপে কাম কৰিব বিচৰা অৰ্হতাসম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে। অৱশ্যে কিমানসংখ্যক পদত প্ৰাৰ্থী নিযুক্তি দিয়া হ'ব সেই সম্পৰ্কে বিজ্ঞাপনত প্ৰকাশ কৰা নাই। চাকৰিৰ কাৰ্যকাল ৪ বছৰ। ১ জানুৱাৰী, ২০০৬ৰ পৰা ১ জুলাই, ২০০৯ চনৰ ভিতৰত জন্মগ্ৰহণ কৰা প্ৰাৰ্থীয়ে এই পদৰ বাবে আবেদন জনাব পাৰিব। আবেদনকাৰী প্ৰাৰ্থী স্বীকৃতিপ্ৰাপ্ত ব'ৰ্ডৰ পৰা বিজ্ঞানৰ দ্বাদশ শ্ৰেণী উত্তীৰ্ণ হ'ব লাগিব। প্ৰাৰ্থীসকলৰ বাবে শাৰীৰিক মানো নিৰ্দ্ধপণ কৰা হৈছে। এই পদসমূহৰ দৰমহাৰ নিৰিখ ক্ৰমে প্ৰথম বছৰত ৩০,০০০ টকা, ২য় বৰ্ষত ৩৩,০০০ টকা, ৩য় বৰ্ষত ৩৬,৫০০টকা, ৪ৰ্থ বৰ্ষত ৪০,০০০ টকা। জীৱন বীমাই সামৰি ল'ব ৪৮ লাখ টকা। পৰীক্ষাৰ মাচুল ৫৫০ টকা। আবেদনৰ অন্তিম তাৰিখ ১ ফেব্ৰুৱাৰী। ৱেবছাইট indianairforce.nic.in।




# শিৱসাগৰ জিলা আৰু সত্ৰ ন্যায়াধীশত চাকৰি

২৯ জানুৱাৰী আবেদনৰ শেষ তাৰিখ

শিৱসাগৰ জিলা আৰু সত্ৰ ন্যায়াধীশৰ তৰফৰ পৰা প্ৰকাশ কৰা নিয়োগ বিজ্ঞাপন অনুসৰি ৩টা পিয়নৰ পদত অৰ্হতাসম্পন্ন প্ৰাৰ্থী নিযুক্তি দিয়া হ'ব। তিনিওটা পদেই সংৰক্ষণমুক্ত। নিযুক্তিপ্ৰাপ্ত প্ৰাৰ্থীসকলক মাহিলি দৰমহা দিয়া হ'ব ১২,০০০-৫২,০০০ টকা। প্ৰাৰ্থীৰ শিক্ষাগত অৰ্হতা হ'ব লাগিব অষ্টম শ্ৰেণী উত্তীৰ্ণ। যিসকল প্ৰাৰ্থী উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষা উত্তীৰ্ণ অথবা তাতকৈ অধিক শ্ৰেণী উত্তীৰ্ণ হৈছে, তেওঁলোকৰ আবেদন গ্ৰহণ কৰা নহ'ব। প্ৰাৰ্থী ভাৰতীয় সংবিধানৰ ৫ আৰু ৬ অনুচ্ছেদত বৰ্ণিত অনুসৰি ভাৰতীয় নাগৰিক হ'ব লাগিব। সাধাৰণ শ্ৰেণীৰ প্ৰাৰ্থীৰ ক্ষেত্ৰত প্ৰাৰ্থীৰ বয়স ৪০ বছৰৰ অধিক হোৱা উচিত নহয়। সংৰক্ষিত শ্ৰেণীৰ ক্ষেত্ৰত বয়স নিয়ম অনুসৰি ৰেহাই দিয়া হ'ব। আবেদনৰ ঠিকনা জিলা আৰু সত্ৰ ন্যায়াধীশ, শিৱসাগৰ, পিন-৭৮৫৬৪০। প্ৰাৰ্থীসকলে শিৱসাগৰৰ জিলা আৰু সত্ৰ ন্যায়াধীশৰ কাৰ্যালয়ত থকা ড্ৰপ বক্সতো আবেদন জমা দিব পাৰিব। আবেদনৰ অন্তিম তাৰিখ ধাৰ্য কৰা হৈছে ২৯ জানুৱাৰী। ৱেবছাইট-https://sivasagar.dcourts.gov.in।

আবেদনৰ অন্তিম দিন ২৯ জানুৱাৰী

# ৰে'লৱে নিয়োগ ব'ৰ্ডৰ ৩১১টা পদত নিযুক্তিৰ প্ৰস্তুতি

ভাৰত চৰকাৰৰ ৰেল মন্ত্ৰণালয়ৰ অধীনস্থ ৰে'লৱে নিয়োগ ব'ৰ্ডৰ তৰফৰ পৰা এক নিয়োগ বিজ্ঞাপনযোগে বিভিন্ন পদত নিযুক্তিৰ বাবে প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে। খালী হোৱা মুঠ পদৰ সংখ্যা ৩১১টা। নিযুক্তিৰ পাছত প্ৰাৰ্থীক সপ্তম দৰমহা আয়োগৰ নিয়ম অনুযায়ী লেভেল-২ত দৰমহা দিয়া হ'ব। প্ৰাৰ্থীসকলে হেল্পলাইন নং ৯৫৯২০-০১১৮৮, ০১৭২৫৬-৫৩৩৩৩ নম্বৰত আৰু ই-মেইল rrb.help@csc.gov.in ৰ সহায় ল'ব পাৰিব। প্ৰাৰ্থীসকলে বয়স আৰু শিক্ষাগত অৰ্হতা সম্পৰ্কে সবিশেষ জানিবলৈ বিভাগীয় ৱেবছাইট চাব পাৰিব। নিযুক্তি দিবলগীয়া পদসমূহৰ ভিতৰত মুখ্য আইন সহকাৰী পদৰ বাবে প্ৰাৰ্থী আইনৰ স্নাতক হ'ব লাগিব আৰু বয়স হ'ব লাগিব ১৮-৪০ বছৰৰ ভিতৰত। পাব্লিক প্ৰচিকিউটৰ পদৰ বাবেও প্ৰাৰ্থী আইনৰ স্নাতক হোৱা বাঞ্ছনীয়। প্ৰাৰ্থীৰ বয়স ১৮-৩৮ বছৰৰ ভিতৰত হ'ব লাগিব। ছায়েণ্টিফিক এছিষ্টেণ্ট / ট্ৰেইনিং পদৰ বাবে প্ৰাৰ্থী মনোবিজ্ঞান বিষয়ত দ্বিতীয় শ্ৰেণীৰ স্নাতকোত্তৰ ডিগ্ৰীধাৰী হোৱা বাঞ্ছনীয়। প্ৰাৰ্থীৰ বয়স হ'ব লাগিব ১৮-৩৫ বছৰ। আনহাতে, জুনিয়ৰ ট্ৰেন্সলেটৰ (হিন্দী) পদৰ বাবে প্ৰাৰ্থী হিন্দী অথবা ইংৰাজীত স্নাতকোত্তৰ ডিগ্ৰীধাৰী হ'ব লাগিব। প্ৰাৰ্থীৰ বয়স ১৮-৩৩ বছৰ হোৱা বাঞ্ছনীয়। ছিনিয়ৰ পাব্লিচিটী ইন্সপেক্টৰ পদৰ বাবে প্ৰাৰ্থী পাব্লিক ৰিলেচনছ/ বিজ্ঞাপন/ সাংবাদিকতা / গণ যোগাযোগ বিষয়ত স্নাতক ডিগ্ৰী / ডিপ্ল'মাধাৰী হ'ব লাগিব। বয়স হ'ব লাগিব ১৮-৩৩ বছৰ। ইয়াৰ উপৰি ষ্টাফ এণ্ড ৱেলফেয়াৰ ইন্সপেক্টৰ, লেব এছিষ্টেণ্ট পদতো প্ৰাৰ্থী নিযুক্তি দিয়া হ'ব। এই পদকেইটাৰ বাবেও প্ৰাৰ্থীৰ বয়স ১৮-৩০ বছৰৰ ভিতৰত হোৱা উচিত। শ্ৰেণী অনুসৰি আবেদন মাচুল নিৰ্দ্ধাৰণ কৰা হৈছে ক্ৰমে ৫০০ টকা আৰু ২৫০ টকা। আবেদনৰ অন্তিম তাৰিখ নিৰ্দ্ধাৰণ কৰা হৈছে ২৯ জানুৱাৰী। ৱেবছাইট www.rrbguwahati.gov.in/indianrailways.gov.in




# আৰ জি আই পি টিত সহকাৰী অধ্যাপকৰ পদ খালী

ৰাজীৱ গান্ধী ইনষ্টিটিউট অব পেট্ৰ'লিয়াম টেকন'লজী (আৰ জি আই পি টি) শিৱসাগৰত খালী হোৱা শিক্ষকৰ পদ পূৰণৰ বাবে প্ৰাৰ্থীৰ পৰা আবেদন আহ্বান কৰা হৈছে। খালী হোৱা পদৰ সংখ্যা জনোৱা হোৱা নাই। নিযুক্তি দিবলগীয়া পদৰ নাম সহকাৰী অধ্যাপক। নিয়োগ বিজ্ঞাপন অনুসৰি ফায়াৰ এণ্ড ছেফটী ইঞ্জিনীয়াৰিং, কম্পিউটাৰ ছায়েন্স আৰু ইঞ্জিনীয়াৰিং, ইলেক্ট্ৰিকেল ইঞ্জিনীয়াৰিঙত প্ৰাৰ্থী নিযুক্তি দিয়া হ'ব। নিযুক্তিপ্ৰাপ্তক মাহিলি ৫৭,৭০০ টকাৰ পৰা ৯৮,২০০ টকা দৰমহা দিয়া হ'ব। আবেদনকাৰী প্ৰাৰ্থীৰ বয়স ৩১ ডিচেম্বৰ, ২০২৩ৰ ভিত্তিত সৰ্বোচ্চ ৩৫ বছৰৰ অধিক হ'ব নালাগিব। প্ৰাৰ্থীৰ প্ৰথম শ্ৰেণীসহ পি এইচ ডি ডিগ্ৰী অথবা সংশ্লিষ্ট বিভাগত ডিগ্ৰী থকা বাঞ্ছনীয়। ইঞ্জিনীয়াৰিঙৰ সহকাৰী অধ্যাপক পদৰ বাবে প্ৰাৰ্থী বি-টেক ডিগ্ৰীধাৰী হোৱা প্ৰয়োজন। ইচ্ছুক আৰু অৰ্হতাসম্পন্ন প্ৰাৰ্থীয়ে ২৩ জানুৱাৰীপৰ্যন্ত আবেদন জনাব পাৰিব।

আবেদনৰ অন্তিম তাৰিখ ৯ ফেব্ৰুৱাৰী

# অসম ৰাইফলছত ৯৫টা পদত নিযুক্তিৰ বিজ্ঞাপন

শিলংস্থিত অসম ৰাইফলছৰ সঞ্চালকপ্ৰধানৰ কাৰ্যালয়ে প্ৰকাশ কৰা নিয়োগ বিজ্ঞাপন অনুসৰি, ৯৫টা ৰাইফলমেন আৰু ৰাইফল অ'মেন (জেনেৰেল ডিউটী)ৰ পদত ক্ৰীড়াবিদক নিযুক্তি প্ৰদান কৰা হ'ব। ফুটবল, ক্ৰছ কাণ্ট্ৰি, এথলেটিকছ, শ্বুটিং, ছেপাকটাক্ৰ', বক্সিং, কাৰাটে, জুডো, ফেন্সিং, টাইকোৱানডো, ৰয়িং, বেডমিণ্টন, উশ্বু, আৰ্চাৰী আৰু পল'খেলত দক্ষতা প্ৰদৰ্শন কৰা ক্ৰীড়াবিদক নিযুক্তি দিয়া হ'ব। প্ৰাৰ্থীৰ বয়স হ'ব লাগিব ১৮ৰপৰা ২৩ বছৰৰ ভিতৰত। অৱশ্যে নিয়ম অনুযায়ী সংৰক্ষিত শ্ৰেণীৰ প্ৰাৰ্থীৰ বয়স ৰেহাই দিয়া হ'ব। প্ৰাৰ্থী স্বীকৃতিপ্ৰাপ্ত ব'ৰ্ডৰ পৰা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হোৱা প্ৰয়োজন। আবেদনৰ বাবে প্ৰাৰ্থীয়ে যিকোনো আন্তৰ্জাতিক প্ৰতিযোগিতা, ৰাষ্ট্ৰীয় প্ৰতিযোগিতা, আন্তঃবিশ্ববিদ্যালয় প্ৰতিযোগিতা, ৰাষ্ট্ৰীয় ক্ৰীড়া, স্কুল গেমছ, খেল' ইণ্ডিয়া ইউনিভাৰ্ছিটী গেমছ, খেল' ইণ্ডিয়া য়ুথ গেমছ, খেল' ইণ্ডিয়া উইণ্টাৰ গেমছত অংশগ্ৰহণ কৰা হ'ব লাগিব। আবেদনৰ অন্তিম তাৰিখ নিৰ্দ্ধাৰণ কৰা হৈছে ৯ ফেব্ৰুৱাৰী।





আবেদনৰ অন্তিম তাৰিখ ৯ ফেব্ৰুৱাৰী

# ভাৰতৰ ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণত ৪০টা পদ মুকলি

ভাৰতৰ ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ চিভিল ইঞ্জিনীয়াৰিং বিভাগে গেট-২০২৫ স্ক'ৰৰ জৰিয়তে ৪০টা ডেপুটী মেনেজাৰ (টেকনিকেল) পদত নিয়োগৰ বাবে এটি নিয়োগ বিজ্ঞাপন প্ৰকাশ কৰিছে। পূৰণ কৰিবলগীয়া পদসমূহৰ ২০টা সংৰক্ষণমুক্ত, ৫টা এছ চি, ২টা এছ টি, ৯টা অ' বি চি/ এন চি এল আৰু ৪টা পদ ই ডব্লিউ এছ শ্ৰেণীৰ প্ৰাৰ্থীৰ বাবে সংৰক্ষিত। নিযুক্তিপ্ৰাপ্ত প্ৰাৰ্থীক মাহিলি ৫৬,১০০টকাৰ পৰা ১,৭৭,৫০০ টকা প্ৰদান কৰা হ'ব। প্ৰাৰ্থীৰ বয়স ৯/২/২০২৬ তাৰিখে সৰ্বাধিক ৩০ বছৰ নিৰ্দ্ধাৰণ কৰা হৈছে। প্ৰাৰ্থীৰ শিক্ষাগত অৰ্হতা কোনো স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয় অথবা প্ৰতিষ্ঠানৰ পৰা চিভিল ইঞ্জিনীয়াৰিঙত স্নাতক ডিগ্ৰীধাৰী হোৱা বাঞ্ছনীয়। অ' বি চি-এন চি এল প্ৰাৰ্থীৰ বয়স ৩ বছৰ, এছ চি/ এছ টি শ্ৰেণীৰ ৫ বছৰ, পি ডব্লিউ বি ডি-ইউ আৰ আৰু ই ডব্লিউ এছৰ ১০ বছৰ, পি ডব্লিউ বি ডি-অ' বি চি / এন চি এলৰ ১০ বছৰ আৰু পি ডব্লিউ বি ডি এছ চি-এছ টিৰ ১৫ বছৰ বয়স ৰেহাই দিয়া হ'ব। আবেদনৰ অন্তিম তাৰিখ ৯ ফেব্ৰুৱাৰী নিৰ্দ্ধাৰণ কৰা হৈছে। সবিশেষ জানিবলৈ প্ৰাৰ্থীসকলে nhai.gov.in ৱেছছাইটৰ সহায় ল'ব পাৰিব।







আবেদনৰ অন্তিম তাৰিখ ২৫ জানুৱাৰী

# বেংক অব মহাৰাষ্ট্ৰত ৬০০টা শিক্ষা নবিচৰ পদ খালী

বেংক অব মহাৰাষ্ট্ৰৰ তৰফৰ পৰা প্ৰকাশিত নিয়োগ বিজ্ঞাপন অনুসৰি প্ৰতিষ্ঠানটোত খালী হোৱা কিছুসংখ্যক পদ পূৰণৰ বাবে অৰ্হতাসম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে। খালী পদৰ নাম শিক্ষা নবিচ আৰু খালী পদৰ সংখ্যা ৬০০টা। অসমত খালী থকা পদ ৭টা। শ্ৰেণী অনুসৰি ৬৯টা এছ চি, ৪৬টা এছ টি, ১৩৩টা অ' বি চি, ৫০টা ই ডব্লিউ এছ আৰু সংৰক্ষণমুক্ত ৩০২টা পদ। এবছৰৰ বাবে নিযুক্তি লাভ কৰা শিক্ষা নবিচসকলক মাহিলি ১২,৩০০ টকা ষ্টাইপেণ্ড দিয়া হ'ব। প্ৰাৰ্থীৰ বয়স হ'ব লাগিব সৰ্বনিম্ন ২০ বছৰ আৰু সৰ্বাধিক ২৮ বছৰ। অৱশ্যে শ্ৰেণী অনুসৰি অ' বি চি-এন চি এল প্ৰাৰ্থীক ৩ বছৰ, এছ চি/ এছ টিক ৫ বছৰ, পি ডব্লিউ বি ডি আৰু ই ডব্লিউ এছক ১০ বছৰ, পি ডব্লিউ বি ডি-অ' বি চি-এন চি এলক ১৩ বছৰ আৰু পি ডব্লিউ বি ডি-এছ চি আৰু এছ টিক ১৫ বছৰ বয়স ৰেহাই দিয়া হ'ব। আবেদনকাৰী প্ৰাৰ্থী কোনো স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয় অথবা প্ৰতিষ্ঠানৰ পৰা স্নাতক ডিগ্ৰাধাৰী হোৱা প্ৰয়োজন।




আবেদন কৰিব বিচৰা প্ৰাৰ্থীয়ে আবেদনৰ স'তে মাচুল জমা দিব লাগিব। সেই অনুসৰি সংৰক্ষণমুক্ত / ই ডব্লিউ এছ /অ' বি চি শ্ৰেণীৰ প্ৰাৰ্থীয়ে ১৫০ টকা, এছ চি /এছ টি শ্ৰেণীৰ প্ৰাৰ্থীয়ে ১০০ টকা জমা দিব লাগিব। আবেদনৰ অন্তিম তাৰিখ ধাৰ্য কৰা হৈছে ২৫ জানুৱাৰী। সবিশেষ জানিবলৈ প্ৰাৰ্থীসকলে বেংকৰ ৱেবছাইট maharashtra.bank.in চাব পাৰিব।

# দক্ষিণ শালমাৰা মানকাচৰ ন্যায় বিভাগত চাকৰি

আবেদনৰ শেষ দিন ২৮ জানুৱাৰী

দক্ষিণ শালমাৰা মানকাচৰৰ প্ৰধান বিচাৰকৰ কাৰ্যালয়ত খালী হোৱা ১টা পিয়ন পদত প্ৰাৰ্থী নিযুক্তি দিয়াৰ বাবে অৰ্হতাসম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে। পদটো অ' বি চি আৰু এম অ' বি চি শ্ৰেণীৰ প্ৰাৰ্থীৰ বাবে সংৰক্ষিত। নিযুক্তিপ্ৰাপ্ত প্ৰাৰ্থীক মাহিলি ১২,০০০ টকাৰ পৰা ৩৭,৫০০ টকা দৰমহা প্ৰদান কৰা হ'ব। আবেদনৰ বাবে প্ৰাৰ্থী ন্যূনতম অষ্টম শ্ৰেণী উত্তীৰ্ণ হোৱা বাঞ্ছনীয়। উচ্চতৰ মাধ্যমিক অথবা তাতকৈ অধিক শিক্ষাগতা অৰ্হতাসম্পন্ন প্ৰাৰ্থীয়ে আবেদন জনাব নোৱাৰিব। প্ৰাৰ্থীৰ বয়স ১-০১-২০২৬ তাৰিখৰ ভিত্তিত ১৮ বছৰৰ কম অথবা ৪০ বছৰৰ অধিক হ'ব নালাগিব। ভাৰতৰ সংবিধান অনুযায়ী প্ৰাৰ্থী ভাৰতীয় নাগৰিক হোৱা প্ৰয়োজন। আবেদনকাৰী প্ৰাৰ্থীসকলে নিজৰ নাম নিয়োগ বিনিময় কেন্দ্ৰত পঞ্জীয়ন কৰিব লাগিব। আবেদনৰ ঠিকনা মুখ্যসত্ৰ ন্যায়াধীশৰ কাৰ্যালয়, দক্ষিণ শালমাৰা মানকাচৰ, ডাক-ফেকামাৰী, পিন-৭৮৩১৩৫, জিলা দক্ষিণ শালমাৰা মানকাচৰ, অসম। আবেদনৰ অন্তিম তাৰিখ ২৮ জানুৱাৰী।



আবেদনৰ অন্তিম তাৰিখ ২৪ ফেব্ৰুৱাৰী

# ভাৰতীয় নৌবাহিনীত ২৬০টা এছ এছ চি বিষয়াৰ পদ খালী



ভাৰতীয় নৌবাহিনীত ২৬০টা এছ এছ চি অফিচাৰৰ খালী পদ পূৰণৰ বাবে নিয়োগ বিজ্ঞাপন প্ৰকাশ কৰা হৈছে। ভাৰত চৰকাৰৰ প্ৰতিৰক্ষা মন্ত্ৰণালয়ৰ অধীনত নিযুক্তি দিবলগীয়া এই পদসমূহত দেশৰ বিভিন্ন স্থানত প্ৰাৰ্থী নিয়োগ কৰা হ'ব। পদ অনুসৰি প্ৰাৰ্থীৰ যোগ্যতা সুকীয়া সুকীয়া। সেই অনুসৰি এক্সিকিউটিভ ব্ৰাঞ্চ/ হাইড্ৰো কেডাৰৰ বাবে প্ৰাৰ্থী যিকোনো বিষয়ত ৬০ শতাংশ নম্বৰসহ বি ই/বি টেক ডিগ্ৰীধাৰী হ'ব লাগিব। পাইলট পদৰ বাবেও অনুৰূপ অৰ্হতা থাকিব লাগিব। একেদৰে নৌ-বিমান অপাৰেচন অফিচাৰ, এয়াৰ ট্ৰেফিক কণ্ট্ৰোলাৰ, লজিষ্টিকছ পদৰ বাবেও প্ৰাৰ্থী যিকোনো বিষয়ত বি ই / বি টেক ডিগ্ৰীধাৰী হোৱা প্ৰয়োজন। আনহাতে, নেভেল আৰ্মামেণ্ট ইন্সপেক্টৰেট কেডাৰ পদৰ বাবে প্ৰাৰ্থী সংশ্লিষ্ট শাখাত ন্যূনতম ৬০ শতাংশ নম্বৰসহ বি ই/ বি টেক অথবা ইলেক্ট্ৰনিকছ/পদাৰ্থবিদ্যাত স্নাতকোত্তৰ ডিগ্ৰীধাৰী হোৱা প্ৰয়োজন। ছাবমেৰিন টেক ইঞ্জিনীয়াৰিঙত সংশ্লিষ্ট শাখাত প্ৰথম শ্ৰেণীৰ বি ই/ বি টেক অথবা এম এছ চি/ বি ই/ বি টেক/এম ই/এম টেক ডিগ্ৰীধাৰী হ'ব লাগিব। ইঞ্জিনীয়াৰিং শাখা, ইলেক্ট্ৰিকেল শাখা আৰু ছাবমেৰিন টেক ইলেক্ট্ৰিকেল বিভাগৰ পদতো প্ৰাৰ্থী ইঞ্জিনীয়াৰিঙৰ স্নাতক হ'ব লাগিব। আবেদনৰ অন্তিম তাৰিখ ধাৰ্য কৰা হৈছে ২৪ ফেব্ৰুৱাৰী। সবিশেষ জানিবলৈ joinindiannavy.gov.in ৱেবছাইট চাব পাৰিব।

সৌজন্য ঃ এছ পি এম গ্ৰুপ
SPM GROUP
SPM IAS ACADEMY • SPM & LALAN'S • MAJESTIC ACADEMY

ব্যক্তি

ডঃ বাণীকান্ত কাকতি কেৱল এজন সাহিত্যিক বা অধ্যাপক নাছিল; তেওঁ আছিল অসমীয়া জাতিসত্তাৰ এক বৌদ্ধিক স্থপতি। ভাষা, সংস্কৃতি আৰু সমাজত বৈজ্ঞানিক দৃষ্টিভংগীৰ যি পৰম্পৰা তেওঁ সৃষ্টি কৰিলে, সেয়া আজিও যথেষ্ট প্ৰাসংগিক।



অসমীয়া ভাষা-সংস্কৃতিৰ বৌদ্ধিক দীপশিখা

# ডঃ বাণীকান্ত কাকতি

অসমীয়া ভাষা, সাহিত্য আৰু সাংস্কৃতিক ইতিহাসৰ ক্ষেত্ৰত যিসকল মনীষীৰ অৱদান কালজয়ী, তেওঁলোকৰ মাজত ডঃ বাণীকান্ত কাকতি এক উজ্জ্বল নাম। ১৮৯৪ চনত বৰপেটাত জন্মগ্ৰহণ কৰা কাকতিয়ে অসমীয়া ভাষাৰ গঠন, বিকাশ আৰু সাহিত্যিক ব্যাখ্যাত যি গভীৰ বৌদ্ধিক দৃষ্টিভংগী আগবঢ়ালে, সেয়া আজিও শিক্ষাবিদ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এক অনন্য পথপ্ৰদৰ্শক হৈ আছে।

শিক্ষা জীৱনত ডঃ কাকতিয়ে অসাধাৰণ কৃতিত্ব দেখুৱাইছিল। কটন কলেজৰপৰা ইণ্টাৰমিডিয়েটত প্ৰথম স্থান আৰু ১৯২৩ চনত কলিকতা বিশ্ববিদ্যালয়ৰপৰা ইংৰাজী বিষয়ত প্ৰথম শ্ৰেণীৰ প্ৰথম (First Class First) হৈ উত্তীৰ্ণ হৈছিল। পৰৱৰ্তী সময়ত তেওঁ কটন কলেজৰ ইংৰাজী বিভাগৰ অধ্যাপক আৰু ১৯৪৭ চনত অধ্যক্ষ হিচাপে নিযুক্ত হয়। ১৯৪৮ চনত গুৱাহাটী বিশ্ববিদ্যালয়ত কলা অনুষদৰ ডীন আৰু অসমীয়া বিভাগৰ মুৰব্বী হিচাপে নিযুক্ত হৈ তেওঁ অসমীয়া ভাষাক শিক্ষাৰ ক্ষেত্ৰত এক বিশেষ মৰ্যাদা প্ৰদানত গুৰুত্বপূৰ্ণ ভূমিকা লয়।

ডঃ বাণীকান্ত কাকতি মূলতঃ এজন ভাষাতত্ত্ববিদ আৰু সাহিত্য-সমালোচক আছিল। তেওঁৰ গৱেষণামূলক গ্ৰন্থ Assamese ঃ Its Formation and Development (1935) অসমীয়া ভাষাৰ উৎপত্তি আৰু বিকাশৰ এক মানদণ্ডমূলক গ্ৰন্থ। একেদৰে কলিতা জাতিৰ ইতিবৃত্ত (১৯৪১)-ত তেওঁ কলিতা জাতিৰ সামাজিক ইতিহাস বৈজ্ঞানিক পদ্ধতিত বিশ্লেষণ কৰিছিল। Mother Goddess Kamakhya (১৯৪৮) গ্ৰন্থত প্ৰাচীন কামৰূপৰ সমাজ-ধৰ্মীয় চেতনা ব্যাখ্যা কৰি তেওঁ অসমীয়া সংস্কৃতিৰ বহুমুখী ৰূপ উন্মোচন কৰে।

মহাপুৰুষ দুজন আৰু প্ৰাচীন অসমীয়া সাহিত্যৰ বিষয়ে গভীৰ অধ্যয়ন কৰাতো ডঃ কাকতিৰ এক বিশেষ দিশ। শেষকৈ নামঘোষাত নিহিত ধৰ্মীয় ঘোষা আৰু দৰ্শনীয় গভীৰতাক তেওঁ আধুনিক সমালোচনামূলক দৃষ্টিৰে বিশ্লেষণ কৰে। এই ব্যাখ্যাই মহাপুৰুষ দুজনৰ সাহিত্যক কেৱল ধৰ্মীয় গ্ৰন্থ হিচাপে নহয়, এক মানৱবাদী দৰ্শনৰূপে প্ৰতিষ্ঠা কৰে। 'ভবানন্দ পাঠক' ছদ্মনাম লৈ তেওঁ 'বাঁহী' আলোচনীত লিখি অসমীয়া সাহিত্যিক জগতত বৌদ্ধিক আলোড়ন সৃষ্টি কৰিছিল। উল্লেখযোগ্য যে, 'অ' মোৰ আপোনাৰ দেশ' প্ৰথমবাৰ 'বাঁহী' আলোচনীত প্ৰকাশ পাইছিল-যি আজি অসমীয়াৰ আত্মাৰ প্ৰতীক।

ব্যক্তিগত জীৱনত পত্নী কনকলতাৰ মৃত্যুৰ পিছত তেওঁৰ স্বাস্থ্যৰ অৱনতি ঘটে আৰু ১৯৫২ চনৰ ১৫ নৱেম্বৰত এই মহান মনীষীৰ দেহাৱসান ঘটে। তথাপি, চিন্তাধাৰা আৰু গ্ৰন্থসমূহে আজিও অসমীয়া সমাজক পথ দেখুৱাই আহিছে।


আধুনিক অসমত ডঃ বাণীকান্ত কাকতিৰ নাম শিক্ষানীতিতো সজীৱ। ৰাজ্য চৰকাৰৰ ডঃ বাণীকান্ত কাকতি বঁটা আঁচনিৰ জৰিয়তে উচ্চতৰ মাধ্যমিক পৰীক্ষাত উৎকৃষ্ট ফল দেখুৱাবলৈ সক্ষম হোৱা শিক্ষাৰ্থীসকলক স্কুটী প্ৰদান কৰা হৈছে— যি শিক্ষাৰ প্ৰসাৰত এক সামাজিক প্ৰেৰণা হিচাপে কাম কৰি আছে।

ডঃ বাণীকান্ত কাকতি কেৱল এজন সাহিত্যিক বা অধ্যাপক নাছিল; তেওঁ আছিল অসমীয়া জাতিসত্তাৰ এক বৌদ্ধিক স্থপতি। ভাষা, সংস্কৃতি আৰু সমাজত বৈজ্ঞানিক দৃষ্টিভংগীৰ যি পৰম্পৰা তেওঁ সৃষ্টি কৰিলে, সেয়া আজিও যথেষ্ট প্ৰাসংগিক।

## সম্ভাব্য প্ৰশ্ন

**প্ৰশ্ন ঃ** ডঃ বাণীকান্ত কাকতিয়ে কোনখন গ্ৰন্থৰ বাবে ডক্টৰেট লাভ কৰিছিল ?
(ক) Mother Goddess Kamakhya
(খ) কলিতা জাতিৰ ইতিবৃত্ত
(গ) Assamese: Its Formation and Development
(ঘ) নামঘোষা
**উত্তৰ ঃ গ**

**প্ৰশ্ন ঃ** 'ভবানন্দ পাঠক' ছদ্মনাম লৈ কোনে লিখিছিল ?
(ক) লক্ষ্মীনাথ বেজবৰুৱা
(খ) ডঃ বাণীকান্ত কাকতি
(গ) মাধৱচন্দ্ৰ বেজবৰুৱা
(ঘ) হেম বৰুৱা
**উত্তৰ ঃ খ**







▷▶ অংশুমান দত্ত

ভাৰতীয় শিক্ষাৰ্থীৰ বাবে

# ছুইডেনৰ উমেয়া বিশ্ববিদ্যালয় বৃত্তি কাৰ্যসূচী ২০২৬

ছুইডেনৰ উত্তৰ অংশত অৱস্থিত খ্যাতনামা উমেয়া বিশ্ববিদ্যালয় (Umeå University-এ) ইউৰোপীয় সংঘ (EU/EEA) আৰু ছুইজাৰলেণ্ডৰ বাহিৰৰ দেশৰ মেধাৱী আন্তঃৰাষ্ট্ৰীয় শিক্ষাৰ্থীৰ বাবে প্ৰতি বছৰে Umeå University Scholarship Programme আগবঢ়ায়। এই বৃত্তি মূলতঃ উচ্চ একাডেমিক কৃতিত্ব থকা শিক্ষাৰ্থীক লক্ষ্য কৰি প্ৰদান কৰা হয় আৰু ভাৰতীয় শিক্ষাৰ্থীসকল এই বৃত্তিৰ বাবে সম্পূৰ্ণৰূপে যোগ্য।

এই বৃত্তিৰ উদ্দেশ্য হৈছে ইংৰাজী মাধ্যমত চলা Bachelor's আৰু Master's degree পাঠ্যক্ৰমত অধ্যয়ন কৰিব বিচৰা প্ৰতিভাশালী শিক্ষাৰ্থীৰ পাঠ্যাশুল্কৰ আৰ্থিক বোজা হ্ৰাস কৰা। যিসকলে উমেয়া বিশ্ববিদ্যালয়ক প্ৰথম পছন্দ (Priority 1) হিচাপে বাছনি কৰে, তেওঁলোকেই এই বৃত্তিৰ বাবে বিবেচিত হয়। গৱেষণা, উদ্ভাৱন আৰু স্থায়িত্বৰ ক্ষেত্ৰত উমেয়া বিশ্ববিদ্যালয়ৰ শক্তিশালী সুনাম আছে, যাৰ ফলত ই ভাৰতীয় শিক্ষাৰ্থীৰ বাবে এক উৎকৃষ্ট ইউৰোপীয় শিক্ষা গন্তব্য।

**যোগ্যতাৰ চৰ্তসমূহ**

ভাৰতীয় আবেদনকাৰীয়ে তলৰ চৰ্তসমূহ পূৰণ কৰিব লাগিব

**নাগৰিকত্ব ঃ** আবেদনকাৰী EU/EEA বা ছুইজাৰলেণ্ডৰ বাহিৰৰ দেশৰ নাগৰিক হ'ব লাগিব; ভাৰতীয় নাগৰিক এই ক্ষেত্ৰত যোগ্য।

**পাঠ্যক্ৰমত আবেদন ঃ** UniversityAdmissions.se প'ৰ্টেলৰ জৰিয়তে উমেয়া বিশ্ববিদ্যালয়ৰ পূৰ্ণ সময়ৰ Bachelor's বা Master's পাঠ্যক্ৰমত আবেদন কৰিব লাগিব আৰু উমেয়া বিশ্ববিদ্যালয়ক প্ৰথম পছন্দ হিচাপে উল্লেখ কৰিব লাগিব।

**সময়সীমা ঃ** পাঠ্যক্ৰমৰ আবেদন ১৫ জানুৱাৰী, ২০২৬-ৰ ভিতৰত সম্পূৰ্ণ কৰিব লাগিব।

শেষাংশ ৮ পৃষ্ঠাত

UMEÅ UNIVERSITY



সৌজন্য ঃ এছ পি এম গ্ৰুপ
SPM GROUP
SPM IAS ACADEMY • SPM & LALAN'S • MAJESTIC ACADEMY

## কেৱলীয়া ভকতসকলৰ বাবে বিত্তীয় সাহায্য আঁচনি

এই আঁচনিৰ অধীনত অসমৰ স্বীকৃতিপ্ৰাপ্ত সত্ৰসমূহৰ কেৱলীয়া ভকতসকলে প্ৰতি মাহে ১,৫০০ টকাৰ বিত্তীয় সাহায্য লাভ কৰিব, যিটো পোনপটীয়াকৈ তেওঁলোকৰ বেংক একাউণ্টলৈ হস্তান্তৰ কৰা হ'ব। সংশ্লিষ্ট জিলা আয়ুক্তসকলৰ কাৰ্যালয়ৰদ্বাৰা হিতাধিকাৰীসকলৰ তালিকা প্ৰস্তুত কৰা হৈছিল আৰু সাংস্কৃতিক পৰিক্ৰমা সঞ্চালকালয়লৈ প্ৰেৰণ কৰা হৈছিল। বৰ্তমান এই আঁচনিৰ অধীনত মুঠ ৬২০জন কেৱলীয়া ভকতক সামৰি লোৱা হৈছে, যাৰ ভিতৰত মাজুলীৰ ৪৭৪জন আৰু বাকী বৰপেটা, ধুবুৰী, গোৱালপাৰা, গোলাঘাট, যোৰহাট, কামৰূপ, লক্ষীমপুৰ, নগাঁও, নলবাৰী, শিৱসাগৰ, শোণিতপুৰ আৰু ওদালগুৰিৰ ভকত আছে।



# সাম্প্ৰতিক ঘটনাৱলী



### গীত কৃত্তন

গীত কৃত্তন হৈছে এটা কাৰ্যসূচী/উৎসৱ যিটো প্ৰতি বছৰে ২ জানুৱাৰীত উত্তৰ গাৰো পাহাৰত (মেঘালয়)জন সংগীত ক্ৰিষ্টান সমিতিৰদ্বাৰা আয়োজন কৰা হয়। 'কৃত্তন' নামটো কীৰ্তনৰপৰা আহিছে, যিটো আন ৰাজ্যত ব্যাপকভাৱে অনুশীলন কৰা হয়। প্ৰাৰম্ভিক গাৰোসকলে-যাৰ অধিকাংশই ছংগৰেক (প্ৰকৃতি উপাসক) আছিল-পৰম্পৰাটো গ্ৰহণ কৰিছিল আৰু ইয়াত তেওঁলোকৰ নিজৰ স্পৰ্শ যোগ কৰি গীত কৃত্তন সৃষ্টি কৰিছিল। এই উৎসৱত ভৱিষ্যৎ প্ৰজন্মৰ বাবে সাংস্কৃতিক ঐতিহ্য পুনৰুজ্জীৱিত কৰিবলৈ ভক্তিমূলক গীত গোৱা, ঢোল বজোৱা আৰু নৃত্য কৰা, প্ৰাচীন গাৰো ছংগছেৰেক বিশ্বাসক কীৰ্তন পৰম্পৰাৰ সৈতে মিশ্ৰণ কৰা হয়।

### ৱাংগালা



গাৰো সম্প্ৰদায়ৰ আটাইতকৈ ডাঙৰ উৎসৱ। শস্য চপোৱাৰ পিছৰ উৎসৱ— এই উৎসৱত গাৰোসকলে শস্য চপোৱাত আশীৰ্বাদ দিয়াৰ বাবে সূৰ্য দেৱতা মিচি চালজং (পাট্ৰিগিপা ৰংগিপা বুলিও জনা যায়)ক ধন্যবাদ দিয়ে। ইয়াক ১০০ ড্ৰাম উৎসৱ হিচাপেও জনা যায়।

### ডিব্ৰুগড়ত সামুদ্ৰিক প্ৰশিক্ষণ কেন্দ্ৰ

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ডিব্ৰুগড়ত স্থাপন কৰা বহু প্ৰত্যাশিত সামুদ্ৰিক দক্ষতাৰ উৎকৃষ্টতা কেন্দ্ৰটো ২০২৬ চনৰ ভিতৰত সম্পূৰ্ণ হ'ব বুলি জনায়।

প্ৰস্তাৱিত কেন্দ্ৰৰ লক্ষ্য হৈছে —

- সামুদ্ৰিক উদ্যোগত বিদ্যমান দক্ষতাৰ ব্যৱধান দূৰ কৰা, উচ্চাকাংক্ষী পেছাদাৰীসকলক বিশেষ প্ৰশিক্ষণ আৰু শিক্ষা প্ৰদান কৰা।
- উন্নত পাঠ্যক্ৰম আৰু ব্যৱহাৰিক প্ৰশিক্ষণ প্ৰদান কৰি, কেন্দ্ৰটোৱে ব্যক্তিসকলক সামুদ্ৰিক ক্ষেত্ৰৰ ভিতৰত বিভিন্ন ভূমিকাত উৎকৃষ্টতা অৰ্জন কৰিবলৈ প্ৰয়োজনীয় দক্ষতাৰে সজ্জিত কৰা।

### ভাৰতীয় সেনা দিৱস

ভাৰতে প্ৰতি বছৰে ১৫ জানুৱাৰীত সেনা দিৱস উদ্‌যাপন কৰে। ই সেই দিনটোক স্মৰণ কৰে যেতিয়া কে এম কৰিয়াপ্পাই ভাৰতীয় সেনাৰ প্ৰথম ভাৰতীয় কমাণ্ডাৰ-ইন-চিফ হিচাপে দায়িত্ব গ্ৰহণ কৰিছিল। ১৯৪৯ চনৰ ১৫ জানুৱাৰীত জেনেৰেল কে এম কৰিয়াপ্পাই কাৰ্যভাৰ গ্ৰহণ কৰে। তেওঁ ভাৰতীয় সেনাৰ অন্তিমজন বৃটিছ কমাণ্ডাৰ-ইন-চিফ এফ আৰ আৰ বুচাৰৰ উত্তৰাধিকাৰী হৈছিল। পিছলৈ ১৯৮৬ চনত কৰিয়াপ্পাক ফিল্ড মাৰ্শ্বেল পদবীৰে সন্মানিত কৰা হৈছিল।

২০২৬ চনত ভাৰতে ৭৮ সংখ্যক ভাৰতীয় সেনা দিৱস উদ্‌যাপন কৰিছে। ৭৮ সংখ্যক সেনা দিৱসৰ কুচ্‌কাৱাজ জয়পুৰত অনুষ্ঠিত হৈছে।



## সম্ভাব্য প্ৰশ্ন

**প্ৰশ্ন ঃ** কেৱলীয়া ভকতসকলৰ বাবে বিত্তীয় সাহায্য আঁচনিৰ ক্ষেত্ৰত নিম্নলিখিত বিবৃতিবোৰ বিবেচনা কৰক
১) এই আঁচনিৰ অধীনত অসমৰ স্বীকৃতিপ্ৰাপ্ত সত্ৰসমূহৰ কেৱলীয়া ভকতসকলে প্ৰতি মাহে ২০০০ টকাৰ বিত্তীয় সাহায্য লাভ কৰিব ।
২) বৰ্তমান এই আঁচনিৰ অধীনত মুঠ ৬২০জন কেৱলীয়া ভকতক সামৰি লোৱা হৈছে ।
ওপৰত উল্লেখ কৰা বিবৃতিবোৰৰ কোনটো শুদ্ধ ?
ক) কেৱল ১
খ) কেৱল ২
গ) দুয়োটাই
ঘ) এটাও নহয়
**উত্তৰ ঃ খ**

**প্ৰশ্ন ঃ** গীত কৃত্তনৰ সন্দৰ্ভত নিম্নলিখিত বিবৃতিবোৰ বিবেচনা কৰক
১) গীত কৃত্তন হৈছে এটা কাৰ্যসূচী/উৎসৱ যিটো প্ৰতি বছৰে ৪ জানুৱাৰীত উত্তৰ গাৰো পাহাৰত আয়োজন কৰা হয়।
২) এই উৎসৱত ভৱিষ্যৎ প্ৰজন্মৰ বাবে সাংস্কৃতিক ঐতিহ্য পুনৰুজ্জীৱিত কৰিবলৈ ভক্তিমূলক গীত গোৱা, ঢোল বজোৱা আৰু নৃত্য কৰা, আদিক প্ৰাচীন গাৰো ছংগছেৰেক বিশ্বাসক কীৰ্তন পৰম্পৰাৰ সৈতে মিশ্ৰণ কৰা হয়।
ওপৰত উল্লেখ কৰা বিবৃতিবোৰৰ কোনটো শুদ্ধ ?
ক) কেৱল ১
খ) কেৱল ২
গ) দুয়োটাই
ঘ) এটাও নহয়
**উত্তৰ ঃ খ**

**প্ৰশ্ন ঃ** ৱাংগালা উৎসৱৰ সন্দৰ্ভত নিম্নলিখিত বিবৃতিবোৰ বিবেচনা কৰক
১) বড়ো সম্প্ৰদায়ৰ ই আটাইতকৈ ডাঙৰ উৎসৱ।
২) ইয়াক ১০০ ড্ৰাম উৎসৱ হিচাপেও জনা যায়।
ওপৰত উল্লেখ কৰা বিবৃতিবোৰৰ কোনটো শুদ্ধ ?
ক) কেৱল ১
খ) কেৱল ২
গ) দুয়োটাই
ঘ) এটাও নহয়
**উত্তৰ ঃ খ**

**প্ৰশ্ন ঃ** অসমৰ সামুদ্ৰিক প্ৰশিক্ষণ কেন্দ্ৰৰ সন্দৰ্ভত নিম্নলিখিত বিবৃতিবোৰ বিবেচনা কৰক
১) বহু প্ৰত্যাশিত অসমৰ সামুদ্ৰিক প্ৰশিক্ষণ কেন্দ্ৰটো তেজপুৰত ২০২৬ চনৰ ভিতৰত সম্পূৰ্ণ হ'ব বুলি আশা কৰা হৈছে।
২) এই প্ৰশিক্ষণ কেন্দ্ৰ স্থাপনৰ লক্ষ্য হৈছে সামুদ্ৰিক উদ্যোগত বিদ্যমান দক্ষতাৰ ব্যৱধান দূৰ কৰা, উচ্চাকাংক্ষী পেছাদাৰীসকলক বিশেষ প্ৰশিক্ষণ আৰু শিক্ষা প্ৰদান কৰা।
ওপৰত উল্লেখ কৰা বিবৃতিবোৰৰ কোনটো শুদ্ধ ?
ক) কেৱল ১
খ) কেৱল ২
গ) দুয়োটাই
ঘ) এটাও নহয়
**উত্তৰ ঃ খ**

**প্ৰশ্ন ঃ** ভাৰতীয় সেনাৰ প্ৰথম ফিল্ড মাৰ্শ্বেল কোন আছিল ?
ক) জেনেৰেল কে এম কৰিয়াপ্পা
খ) ফিল্ড মাৰ্শ্বেল ছেম মানেকশ্ব
গ) কজেনেৰেল ভি কে সিং
ঘ) ফিল্ড মাৰ্শ্বেল কে সুন্দৰজী
**উত্তৰ ঃ খ**